# বিমলা প্রসাদ চলিহা মহাবিদ্যালয়

# আলোচনী



7
1997-98

সপ্তম সংখ্যা

১৯৯৭-৯৮ বৰ্ষ

সম্পাদক

ক্ষিতিশ কলিতা



শ্ৰদ্ধাৰে/ প্ৰীতিৰে

প্ৰতি ..............................................................

..............................................................

..............................................................

নিৰোদ বৰণ দাস
সভাপতি

নগেন্দ্ৰ নাৰায়ণ দেৱান
তত্ত্বাৱধায়ক

ক্ষিতিশ কলিতা
সম্পাদক

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

# আলোচনী

## সপ্তম সংখ্যা, বৰ্ষ - ১৯৯৭-৯৮


বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

নগৰবেৰা ঃ ৭৮১ ১২৭

জিলা ঃ কামৰূপ (অসম)



তত্বাৱধায়ক
নগেন্দ্ৰ নাৰায়ণ দেৱান

সম্পাদক
ক্ষিতিশ কলিতা

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীযুত উমেশ চন্দ্ৰ দাস<br>শ্ৰীযুত নিৰ্মল চন্দ্ৰ ভেৱৈ |
| সভাপতি | ঃ | শ্ৰীযুত নিৰোদ বৰণ দাস |
| তত্ত্বাৱধায়ক | ঃ | শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱান |
| সম্পাদক | ঃ | শ্ৰীক্ষিতিশ কলিতা |
| শিক্ষক সদস্য | ঃ | শ্ৰীযুত যতীন্দ্ৰ নাথ তালুকদাৰ<br>মঃ আবু বক্কৰ ছিদ্দিক |
| ছাত্ৰ সদস্য | ঃ | মঃ আবু শামা আল আনছাৰী<br>শ্ৰীউমেশ চন্দ্ৰ বৈশ্য |
| বেটুপাত আৰু অলঙ্কৰণ | ঃ | শ্ৰীবিক্ৰমাদিত্য চৌধুৰী, গুৱাহাটী |
| ছপা | ঃ | এম. টেক্ট মাল্টি মিডিয়া, শান্তিপুৰ<br>গুৱাহাটী - ৭৮১ ০০৯ |

*বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ নগেন্দ্ৰ নাৰায়ণ দেৱানৰ তত্ত্বাৱধানত ক্ষিতিশ কলিতাৰ দ্বাৰা সম্পাদিত তথা প্ৰকাশিত আৰু এম. টেক্ট মাল্টি মিডিয়া, গুৱাহাটী - ৯ত মুদ্ৰিত।*

# উছৰ্গা



অধ্যক্ষৰ আসনত প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া

জন্ম ঃ ১৩ মাৰ্চ,১৯৩৯ চন

মৃত্যু ঃ ৯ অক্টোবৰ, ১৯৯৬ চন

অধ্যক্ষৰূপে নিষ্ঠা আৰু আশাতধীয়া চেষ্টাৰে মহাবিদ্যালয়খনিক জন্মলগ্নৰ চাণুকীয়া অৱস্থাৰ পৰা বৰ্তমানৰ পূৰ্ণাঙ্গ পৰ্য্যায়ত উপনীত কৰোৱা প্ৰয়াত দেৱপ্ৰসাদ শইকীয়াদেৱৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰি মহাবিদ্যালয়ৰ আলোচনীৰ সপ্তম সংখ্যাটি তেখেতৰ নামত আন্তৰিকতাৰে উছৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি

# সশ্ৰদ্ধ প্ৰণাম



"মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য"

কাৰগিলৰ যুদ্ধ সদৃশ পৰিস্থিতিত স্বদেশৰ হকে জীৱন আহুতি দিয়া বীৰ ছহিদ সকলৰ প্ৰতি যাচিছোঁ সশ্ৰদ্ধ প্ৰণাম।

## অশ্ৰু-অঞ্জলি



জাকিৰ হুচেইন

জন্ম : ০১-০১-৭৫
মৃত্যু : ০৯-০৭-৯৮

"অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে"



জয়ন্ত তালুকদাৰ

জন্ম : ০১-০৫-৭৫
মৃত্যু : ২১-০৫-৯৮

এৰি অহা দিনবোৰত কেৱাগৰাকী সতীৰ্থ - জয়ন্ত তালুকদাৰ, শ্বাহ নেৱাজ ৰহমাতুল্লা, মতিউৰ ৰহমান, জাকিৰ হুচেইন, আমজাদ আলী ভূঞা (ছাত্ৰ আৰু প্ৰাক্তন ছাত্ৰ) শান্তিৰাম কলিতা, বিশ্বেশ্বৰ ৰয়ৰ (কৰ্মচাৰী) দেহাৱসানত আমাৰ মহাবিদ্যালয়ৰ সদৌজন শোকাভিভূত। পৰম কৰুণাময়ৰ ওচৰত তেওঁলোকৰ পৰলোকগত আত্মাৰ সদ্গতি প্ৰাৰ্থনা কৰিছোঁ।

বিগত সময়ছোৱাত সাহিত্য-কলা-সংস্কৃতি আৰু সমাজৰ আন আন ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা - - সুৰেন্দ্ৰ নাথ মেধি, মহেশ্বৰ শৰ্মা, ড° মহেশ্বৰ নেওগ, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, যোগেশ দাস, পৰাগধৰ চলিহা, বিদিপ দত্ত, এম. হুচেইন, ধীৰু ভূঞা, ক্ষীৰদাকান্ত বিষয়া প্ৰমুখ্যে জ্ঞাত-অজ্ঞাত - যিসকল ব্যক্তি আমাৰ মাজৰ পৰা চিৰকালৰ বাবে আঁতৰি গ'ল তেখেত সকলৰ প্ৰতি শোকাঞ্জলি নিবেদন কৰি আত্মাৰ সদ্গতি কামনা কৰিলোঁ।

উৰিষ্যাৰ ভয়াবহ ঘূৰ্ণিবতাহত নিহত সকলৰ আত্মাৰ সদ্গতি আৰু আহত সকলৰ আশু আৰোগ্য কামনা কৰিলো

উপৰ্যুক্ত সমূহ শোক-সন্তপ্ত পৰিয়ালৰ প্ৰতি আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ — **সম্পাদনা সমিতি**

*Dr. (Ms.) Lakshahira Das*
Professor & Head of the Department of Education (Retd.)
**GAUHATI UNIVERSITY, ASSAM**
Ex-Professor & Head of the Department of Education,
**Cotton College Guwahati,**
Ex-Member Research and Innovations Committee,
N.C.E.R.T.
NEW DELHI

**'AASHRAY'**
Rajgarh Road
Guwahati - 781 003
Assam
Phone : 516263

# শুভেচ্ছা বাণী

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনীখন (সপ্তম সংখ্যা) গল্প, কবিতা, প্ৰবন্ধ আদি বিবিধ সম্ভাৰেৰে প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি বৰ আনন্দ পাইছো। মহাবিদ্যালয় এখনৰ শিক্ষাৰ্থী সকলৰ মানসিক তথা বৌদ্ধিক বিকাশৰ বাবে নিজাকৈ মুখপত্ৰ এখনৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। কাৰণ এখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ জিজ্ঞাসা, চিন্তা শক্তিৰ আৰু সৃজনশীল মনৰ পৰিচয় শিক্ষানুষ্ঠানৰ আলোচনীখনে দাঙি ধৰে। মই আশা কৰিছো এই আলোচনীখনৰ যোগেদি ভৱিষ্যতৰ যশস্বী সাহিত্যিক হিচাপে উঠি অহা ছাত্ৰ-ছাত্ৰী সকল জনাজাত হৈ পৰিব আৰু সৃষ্টিধৰ্মী সাহিত্য কৰ্মৰ প্ৰতি তেওঁলোকৰ ধাউতি বাঢ়িব। পৰম আন্তৰিকতাৰে এই শুভেচ্ছা বাণী দিবলৈ পাই মই সন্তোষ লাভ কৰিছো।

ইতি
লক্ষহীৰা দাস
গুৱাহাটী
০৯/১০/৯৯

**শ্ৰীউদয় ঠাকুৰীয়া**
প্ৰতিষ্ঠাপক সম্পাদক
মহাবিদ্যালয় পৰিচালনা সমিতি
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
নগৰবেৰা, কামৰূপ

# শুভেচ্ছা বাণী

১৯৭২ চনৰ আগষ্ট মাহৰ ১৬ তাৰিখ। জলজলী পৰীয়া ভিন্ন সূৰীয়া ৰাইজৰ সম্প্ৰীতিৰ প্ৰতীক 'বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়'খনে ৰাইজৰ আশাতীয়া প্ৰচেষ্টাৰ বলত নগৰবেৰাত আত্ম প্ৰকাশ কৰিলে। মহাবিদ্যালয়খনৰ জন্ম লগ্নৰে পৰা ঘাটি মঞ্জুৰী পোৱালৈকে 'মহাবিদ্যালয় পৰিচালনা সমিতি'ৰ সম্পাদকৰ দায়িত্ব মোৰ ওপৰতেই ন্যস্ত হৈছিল। বৰ্তমানত মহাবিদ্যালয়খনে কলা আৰু বিজ্ঞান শাখাৰে পূৰ্ণাঙ্গ ৰূপ পোৱাত সুখী হৈছোঁ। অদূৰ ভৱিষ্যতত মহাবিদ্যালয়খনত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তন হোৱাৰ কামনা কৰোঁ। আশা ৰাখিছোঁ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ সমন্বিত প্ৰচেষ্টাত মহাবিদ্যালয়খনে বৌদ্ধিক ক্ষেত্ৰত সুনাম অৰ্জন কৰিব পাৰিব।

মহাবিদ্যালয় এখনৰ আলোচনী প্ৰতি বছৰে প্ৰকাশ হোৱাটো বাঞ্ছনীয়। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক মণ্ডলীয়ে সাহিত্য চৰ্চা কৰাৰ সুযোগ পোৱাৰ লগতে মহাবিদ্যালয় তথা সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰিব পাৰে।

এইবেলি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হ'ব বুলি জানিব পাৰি বৰ সন্তোষ পাইছোঁ। বৰ্তমান দেশত চলি থকা অন্যায়-অত্যাচাৰ, হত্যা, লুণ্ঠন, অপহৰণ আদিৰ বিৰুদ্ধে যুঁজ দি যুৱশক্তিৰ দ্বাৰা শান্তি-সম্প্ৰীতি অটুট ৰখাত আলোচনীখনে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰক। এয়ে মোৰ আন্তৰিক আশা।

মহাবিদ্যালখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

ইতি
**শ্ৰীউদয় ঠাকুৰীয়া**
নগৰবেৰা
২৮।০৮।৯৯



কৰ্মৰত অৱস্থাত অধ্যক্ষ (ভাৰপ্ৰাপ্ত) শ্ৰীযুত নিবোদ বৰণ দাস

# কৃতজ্ঞতা জ্ঞাপন

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ সপ্তম সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত কেবা গৰাকী সদাশয় ব্যক্তিয়ে বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াইছে। সেই সকল - ড° লক্ষহীৰা দাস (গুৱাহাটী), ডাঃ মহেশ্বৰ দাশ (উৰিষ্যা), শ্ৰীযুত যতীন বৰা, শ্ৰীযুত উদয় ঠাকুৰীয়া (নগৰবেৰা), শ্ৰীযুত উদয় তালুকদাৰ (নগৰবেৰা), মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা শ্ৰীযুতা কল্যাণী দাস, শ্ৰীযুতা দীপ্তিৰেখা পাঠক মজুমদাৰ, ড° বিভূতিভূষণ পাণ্ডা, শ্ৰীযুত শ্যামাচৰণ ঠাকুৰীয়া, মহঃ শ্বাহ জামাল মোল্লা, শ্ৰীযুত হৃষিকেশ সিং, শ্ৰীযুত প্ৰভাত চক্ৰৱৰ্তী, শ্ৰীযুত নিৰ্মল চন্দ্ৰ কলিতা, এম. টেক্স মাল্টিমিডিয়া, গুৱাহাটীৰ স্বত্বাধিকাৰী শ্ৰীকিৰণ শইকীয়াৰ সৈতে সমূহ কৰ্মচাৰী, শ্ৰীযুত বিক্ৰমাদিত্য চৌধুৰী (গুৱাহাটী), 'প্ৰতীতি' আলোচনীৰ পৰা গল্প কবিতা আদি প্ৰকাশৰ অনুমতি দিয়া বাবে 'সাহিত্য কানন'ৰ সভাপতি প্ৰমুখ্যে সমূহ সদস্য, লেখক-লেখিকা আৰু দিহা-পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনা যোগোৱা মহাবিদ্যালয়ৰ শিক্ষকমণ্ডলী, কৰ্মচাৰীবৃন্দ, সমূহ ছাত্ৰ-ছাত্ৰী আৰু শুভাকাঙ্ক্ষীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি

# বিষয়সূচী

## অসমীয়া ৰচনা সম্ভাৰ


সম্পাদকীয়

**প্ৰবন্ধ ঃ**

| | | |
|---|---|---|
| কৰ্মনিষ্ঠ অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া | উমেশ চন্দ্ৰ দাস | ১ |
| কৃষ্ণকান্ত শৰ্মাৰ ব্যক্তিত্ব ঃ এটি চমু পৰ্যালোচনা | উদয় তালুকদাৰ | ৪ |
| ভাৰত চন্দ্ৰ পাঠক ঃ জীৱন আৰু সাহিত্য কৃতি | দীপ্তিৰেখা পাঠক মজুমদাৰ | ৬ |
| ড° মহেশ্বৰ নেওগ ঃ জীৱন আৰু কৃতি | আফজালুৰ ৰহমান | ৮ |
| বিষ্ণু প্ৰসাদ চলিহা আৰু অসম | জয়নাল আব্দিন আহমেদ | ১০ |
| অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱা আৰু তেওঁৰ সমাজ সচেতনতা | ধনেশ্বৰ দাস | ১৩ |
| জেন আষ্টেন ঃ এটি পৰিচয় | কল্যাণী দাস | ১৬ |
| শিশুৰ বিকাশত পৰিয়ালৰ ভূমিকা | ছুৰত জামাল | ১৯ |
| চৰ অঞ্চলৰ জন-জীৱন | আবুল হুচেইন | ২২ |
| শিক্ষাৰ প্ৰসাৰ আৰু সমাজৰ প্ৰগতিত শিক্ষকৰ ভূমিকা | আব্দুচ চামাদ আলী | ২৪ |
| এমুঠি পোহৰ বিচাৰি ০০০০ | ৰাতুল ৰঞ্জন কলিতা | ২৬ |
| প্ৰদূষণ ঃ সমস্যা আৰু সমাধান | শংকৰ দাস | ২৮ |
| অন্য এক পৃথিৱীৰ সন্ধানত | প্ৰসেনজিৎ শইকীয়া | ৩০ |

*গল্প*

| | | |
|---|---|---|
| সেউজীয়া পৃথিৱীত পাৰমিতাৰ দহদিন | যতীন্দ্ৰ নাথ তালুকদাৰ | ৩৩ |
| সংকল্প | ছোলেমান শিকদাৰ | ৩৬ |
| বৃদ্ধাশ্ৰম | আব্দুচ ছালাম আহমেদ | ৩৮ |
| চিৰন্তন | কুলেন তালুকদাৰ | ৪০ |
| নতুন পোহৰ | নিজৰা পাঠক | ৪৫ |
| কৰুণ বিচাৰ | মূল ঃ মনোজ দাস অনুবাদ ঃ কমল পাঠক | ৪৬ |

*উপন্যাসিকা*

| | | |
|---|---|---|
| নিৰ্বাসন | দ্বীপেন্দ্ৰ পাঠক | ৪৮ |

*কবিতা*

| | | |
|---|---|---|
| ভক্ত আৰু সন্ন্যাসী | ডাঃ মহেশ্বৰ দাস | ৫৪ |
| প্ৰতীক্ষা | নৱনীতা পাঠক | ৫৫ |
| সন্ধ্যা, যাত্ৰা | আবু বক্কৰ ছিদ্দিক, আৰিফুল ইছলাম মণ্ডল | ৫৬ |
| সপোন সাগৰ, আবেগ | ফুলমণি শৰ্মা, শৈলেন্দ্ৰ তালুকদাৰ | ৫৭ |

উমেশ চন্দ্ৰ বৈশ্য, ডলি দাস ৫৮
- প্ৰেৰণা, আশা — হৃষিকেশ সিং ৫৯
- সপোনত সাক্ষাৎকাৰ — চম্পক কলিতা ৬০
- প্ৰথম চিনাকি — আবু শামা আল আনছাৰী, পুষ্প কলিতা ৬১
- অজলা অন্তৰ, জীৱনৰ পদ্য — প্ৰভাত চক্ৰৱৰ্তী, পঙ্কজ কুমাৰ দাস ৬২
- আমাৰ প্ৰগতিৰ ০০, মৃত্যু — গৌতম দাস ৬৩
- এখন মুকলি চিঠি : সমুজ্জল ৰ'দালিৰ খিৰিকিৰে


## গীত


- : গীত : সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ সোঁৱৰণত — ড° নীলকমল বৰদলৈ ৬৩


## ভিন্নছন্দ


- বসন্তৰ প্ৰত্যাষতে — অপূৰ্ব ঠাকুৰীয়া ৬৪


## আলেখ্য


- সোণালী সোঁৱৰণি — নগেন্দ্ৰ নাৰায়ণ দেৱান ৬৫


## অন্তৰঙ্গ আলাপ


- বিশিষ্ট শিল্পী যতীন বৰা ৬৭

- মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানৰ আলোকচিত্ৰ, কৃতিত্ব, সম্পাদনা সমিতি ৬৮
- মহাবিদ্যালয়ৰ অন্যান্য অনুষ্ঠানৰ প্ৰতিবেদন ৭৫
- ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া সকল ৮০
- ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া সকলৰ প্ৰতিবেদন ৮১


## AN ENGLISH ANTHOLGY


- J. Krishnamurti : The revolutionary Thinker — Bhibhuti Bhushan Panda ৯৫
- A brief study of political parties of some major countries and their role — Dayananda Kr. Das ৯৮
- The History of Petrolium — Shariful Islam Ansary ১০০


## POEM


- My dear College — Shuruz Jamal Ahmed ১০৪
- Mummy, My Mummy — Asmin Minuwara Akter ১০৪
- Gopa — Meena Mehapatra, Translated : Nirmal Ch. Bhoi ১০৫
- A lovely face — Jehirul Islam ১০৫

- Results of the College Week ১০৬
- Examination Results ১১৪
- Teaching and Non-teaching Staff of the College ১১৬
- Governing Body ১১১

## সম্পাদকৰ কাপোৰে নিগাৰে ...............

# সাম্প্ৰতিক সমাজ আৰু সাহিত্য

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে যি সময়ত সমগ্ৰ পৃথিৱীতে খলকনি তুলি আছে, সেই সময়ত আমি তুলনামূলকভাৱে কিছুমান তুচ্ছ চিন্তা আৰু কামত নিমজ্জিত হৈ থৰকাচুটি হেৰুৱাইছোঁ। উন্নত দেশৰ তুলনাত এই বিলাক চিন্তা আৰু কাম তুচ্ছ যেন লাগিলেও ইয়েই আজি জাতিটোৰ জীৱন মৰণৰ সমস্যাৰূপে দেখা দিছে।

সাহিত্য এনে এবিধ কলা যাৰ সৃষ্টি আছে কিন্তু ধ্বংস নাই। সাহিত্য নোহোৱাকৈ কোনো দেশ বা জাতিৰ সভ্যতা গঢ়ি উঠিব নোৱাৰে। বিশ্বৰ প্ৰায়বোৰ দেশেই আজি এশ এবুৰি সমস্যাৰ সন্মুখীন হৈছে যদিও সেই দেশবোৰৰ সাহিত্যিক সকল প্ৰতিভা প্ৰকাশৰ সমস্যাৰ সন্মুখীন হোৱা নাই। মানৱ সভ্যতাৰ অন্তৰালত সাহিত্যই যে এক অবিস্মৰণীয় স্থান অধিকাৰ কৰি আছে তাক বিশ্বৰ ইতিহাসৰ পাত লুটিয়াই চালে বুজিব পাৰি।

অৰ্থনৈতিক দুৰৱস্থাই যে বিভিন্ন সমস্যাৰ উদ্ভৱ হোৱাত ইন্ধন যোগায় সেয়া অনস্বীকাৰ্য। অৰ্থনৈতিক উন্নয়নৰ বাবে পৰ্য্যাপ্ত অব্যৱহৃত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ, উদ্যোগ স্থাপন আৰু উন্নয়ন সম্পৰ্কীয় নানা চিন্তা চৰ্চা এতিয়াতো নতুন কথা হৈ থকা নাই। কিন্তু কাৰ্য্যক্ষেত্ৰত এইবোৰৰ ক্ষিপ্ৰ ৰূপায়ণ আশা কৰা নাযায় কিয়? অসমৰ বেলিকা বিভিন্ন আঁচনি ফাইলৰ মাজতে আবদ্ধ হৈ থকা শুনা যায়? আকৌ কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ক্ষেত্ৰত অসমৰ বাবে আদায় দিয়া টকাও কামত নখটুবাৰ কথাটোৱে কি সূচায়? অৰ্থনৈতিক দুৰৱস্থাৰ বাবে সততে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি বিদ্বেষ প্ৰকাশ কৰি থকাতকৈ অৰ্থনৈতিক উন্নয়নৰ গতি খৰতকীয়া কৰাৰ বাবে নিজেই আগবাঢ়ি অহাটোহে বাস্তৱ সন্মত কাম হ'ব।

আজি বিভিন্ন সমস্যাই ৰাজ্যখনৰ সামগ্ৰিক পৰিস্থিতি জটিল কৰি পেলাইছে। সন্ত্ৰাসবাদ, তথা সশস্ত্ৰ সংগ্ৰাম, ব্যাপক হাৰত চলা দুৰ্নীতি, জনগোষ্ঠী সমূহৰ ভিন ভিন সমস্যা, নিবনুৱা সমস্যা, বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজন ইত্যাদি ইত্যাদি নানা সমস্যাই ৰাজ্যখন অস্থিৰ কৰি তুলিছে। এচামে হাতত অস্ত্ৰ তুলি লৈছে। চৰকাৰী পক্ষতো দমন-উৎপীড়ন নীতিৰ দ্বাৰা সমস্যাটো সাময়িকভাৱে গাপ দি ৰখাৰ চেষ্টা কৰিছে। অৰ্থনৈতিক দুৰৱস্থা, নিবনুৱা সমস্যা, আমোলাতান্ত্ৰিক শাসন ব্যৱস্থাইহে প্ৰকৃততে এই সমস্যাৰ সৃষ্টি কৰিছে। সদ্যহতে ইমান দূৰলৈ নগৈও আলোচনাৰ মাধ্যমত কিবা এটা মীমাংসা হোৱাটো জাতিটো, ৰাজ্যখনৰ বাবেই মংগল।

আজি মানৱ সমাজ আশাবাদী যে সকলো প্ৰতিভাশালী ব্যক্তিয়েই যদি মানৱ জাতিৰ বিভিন্ন দিশসমূহ, সমস্যাসমূহৰ বিশ্লেষণ তেখেতসকলৰ ৰচনাত প্ৰকাশ কৰে তেতিয়াহে উন্নতি হ'ব বুলি আশা কৰিব পাৰি। সমাজকৰ্মী তথা জনসাধাৰণে সাহিত্য অধ্যয়ন কৰি সমাজৰ বিকাশৰ কাৰণে অনুপ্ৰাণিত হ'ব পাৰে।

**আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চা :** বৰ্তমান সমস্যাবহুল সমাজ জীৱনত সাহিত্য চৰ্চা গুৰুত্বপূৰ্ণ আৰু বিমল আনন্দ দায়ক কাৰ্য। আগ্ৰহীসকলে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সফল হ'বলৈ ছাত্ৰ কালৰ পৰাই নিষ্ঠাৰে সাহিত্য চৰ্চা কৰা উচিত। প্ৰখ্যাত সাহিত্যিক সকলৰ জীৱনেও তাকেই সোঁৱৰায়। কিন্তু দুখৰ বিষয় আমাৰ মহাবিদ্যালয়ত সাহিত্যচৰ্চাৰ বিশেষ সা-সুবিধা নাই বুলি ক'ব পাৰি। আনুষ্ঠানিকভাৱে 'মহাবিদ্যালয় সপ্তাহ'ত পতা সাহিত্য প্ৰতিযোগিতাতে সাহিত্য চৰ্চা সীমাবদ্ধ বুলি ক'ব পাৰি। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা (ফল্গু) প্ৰকাশৰ ব্যৱস্থা আছে যদিও সেয়া অনিয়মীয়া। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন মহাবিদ্যালয়ৰ অন্তৰ্গত 'সাহিত্য কানন', 'শিক্ষা সমিতি' আদি অনুষ্ঠানে নানা সমস্যা আৰু অভাৱৰ মাজতো সাহিত্য তথা বৌদ্ধিক চিন্তা-চৰ্চা সজীৱ কৰি ৰাখিবলৈ প্ৰচেষ্টা চলাই আছে।

***বিগত বছৰ কেইটাৰ আলোচনী প্ৰকাশৰ খতিয়ান :***

১৯৯২-৯৩ বৰ্ষৰ পিছৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয় আলোচনীখনৰ চাৰিটা সংখ্যা প্ৰকাশ নহ'ল। আনকি প্ৰাচীৰ পত্ৰিকা 'ফল্গু'ৰো এটা সংখ্যাও প্ৰকাশ নহ'ল। ভৱিষ্যতে যাতে প্ৰাচীৰ পত্ৰিকা আৰু আলোচনীৰ প্ৰকাশ নিয়মীয়া হয় তাৰবাবে চিন্তা-

চৰ্চা কৰি সমাধানৰ পথ উলিয়াবলৈ সংশ্লিষ্ট আটাইলৈ বিনম্ৰ আহ্বান জনালোঁ।

**আলোচনীৰ সপ্তম সংখ্যাটি সম্পৰ্কে দুআষাৰ ঃ** এখনি সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ মানসেৰে সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰিছিলোঁ। সেই উদ্দেশ্যে অগ্ৰসৰ হওঁতেই প্ৰবন্ধপাতিৰ অভাৱ আদি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। তত্বাৱধায়ক হিচাপে মনোনীত মাননীয় অধ্যাপক গৰাকীয়ে অসুবিধাবশতঃ দায়িত্ব গ্ৰহণ কৰিব নোৱাৰাত শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱানক কিছু পলমকৈ তত্বাৱধায়কৰ দায়িত্ব দিয়া হয়। দেৱান ছাৰে দায়িত্ব গ্ৰহণ কৰাৰ পিছতে তেখেতৰ তত্বাৱধানত প্ৰাচীৰ পত্ৰিকা 'ফল্গু'ৰ এটি সংখ্যা উলিওৱা হয়। সম্পাদনা সমিতি গঠন আৰু আলোচনা আদি অনুষ্ঠিত কৰোঁতে আৰু কিছু পলম হয়। সম্পাদনা সমিতিৰ আলোচনাত সকলো দিশ খৰচি মাৰি আলোচনা কৰি আলোচনীখন যথাসম্ভৱ ভালকৈ উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ লেখাৰ লগতে বিগত বছৰ কেইটাৰ আলোচনীৰ বাবে জমা দিয়া প্ৰবন্ধ পাতিৰ পৰা নিৰ্বাচিত লেখা প্ৰাক্তন ছাত্ৰৰ লেখা হিচাপে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। আন এটা সিদ্ধান্ত অনুযায়ী পলম হোৱা বাবে সময়ৰ জোৰা মাৰিবলৈ আৰু উন্নত মানৰ ছপাৰ বাবে অফচেট প্ৰেছত ছপোৱাৰ ব্যৱস্থা কৰা হয়।

শ্ৰদ্ধাস্পদ অধ্যক্ষ মহোদয়ে আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় ধনখিনি যথাসময়ত দিয়াৰ প্ৰতিশ্ৰুতি দি বিশেষভাৱে উৎসাহিত কৰে। পলমকৈ হ'লেও আলোচনীখন প্ৰকাশ কৰিব পাৰি নিজকে ধন্য মানিছোঁ।

**এষাৰ অপ্ৰিয় সত্য ঃ** সাহিত্য চৰ্চা এটি মহৎ কাম। কিন্তু মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাৰ নামত কোনো আলোচনী, কিতাপ আদিৰ পৰা আনৰ লেখা নিজৰ নামত প্ৰকাশ কৰাৰ অপচেষ্টা কৰা পৰিলক্ষিত হৈছে। সেই সকল বন্ধু বান্ধৱীক তেনে কামৰ পৰা বিৰত থাকি নিজাকৈ লিখিবলৈ চেষ্টা কৰিবৰ বাবে অনুৰোধ জনালোঁ। এই ক্ষেত্ৰত সম্পাদনা সমিতিয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰিছে। তৎসত্বেও তেনে লেখা প্ৰকাশিত হোৱা প্ৰমাণিত হ'লে কৰ্তৃপক্ষই শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব। মামলা-মোকৰ্দমাৰ কথা আহিলে নকল কৰোঁতাই সকলো দায়িত্ব মূৰ পাতি ল'ব লাগিব।

**এটি পৰামৰ্শ ঃ** আলোচনী এখন সুন্দৰকৈ প্ৰকাশ কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। সম্পাদক নিৰ্বাচিত হোৱাৰ পিছত সম্পাদনা সমিতি গঠন, আলোচনা, গল্প, কবিতা আদি সংগ্ৰহ কৰোঁতে কৰোঁতেই নিৰ্দিষ্ট সময়খিনি পাৰহৈ যাব খোজে। গতিকে প্ৰত্যেক বছৰে নতুনকৈ সম্পাদনা সমিতি গঠন কৰাতকৈ স্থায়ী প্ৰকাশক গোট (যিটো গোটৰ সদস্য সাল-সলনি হ'ব পাৰে) এটা স্থাপন কৰিব পাৰি। সেই গোটে আলোচনীখন সৰ্বাঙ্গ সুন্দৰ কৰি উলিয়াবলৈ সম্পাদকক সকলো ধৰণৰ সহায় সহযোগ আগবঢ়োৱাৰ লগতে পুঁজিৰ সমস্যাৰো সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'ব।

**কৃতজ্ঞতাৰ শৰাই ঃ** প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু ধনৰ যোগানেৰে আলোচনী প্ৰকাশৰ ক্ষেত্ৰত গুৰিবঠা ধৰা বাবে শ্ৰদ্ধাস্পদ অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতাৰ বৰ শৰাইখনি আগবঢ়াইছোঁ। তত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি সকলো ক্ষেত্ৰতে সহায় কৰা মাননীয় দেৱান ছাৰ, বহুমূলীয়া উপদেশ আৰু প্ৰবন্ধপাতি শুধৰাই দিয়া উপদেষ্টাদ্বয় শ্ৰদ্ধেয় দাস ছাৰ আৰু ভোই ছাৰ আৰু বিশেষ ভাবে সহায় কৰি সম্পাদনাৰ কাম সহজ কৰি তোলা সন্মানীয় ছিদ্দিক ছাৰ আৰু তালুকদাৰ ছাৰলৈ বিশেষ কৃতজ্ঞতা নিবেদন কৰিছোঁ। সম্পাদনা সমিতিৰ ছাত্ৰ সদস্য দুগৰাকীয়ে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে প্ৰীতি আৰু শলাগ যাচিছোঁ।

সম্পাদনা সমিতিৰ তৰফৰ পৰা কৃতজ্ঞতা জনোৱা বিশিষ্ট ব্যক্তি সকল, লেখক-লেখিকা আৰু ছপাৰে চূড়ান্ত ৰূপ দিয়া প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে আটাইলৈ আন্তৰিক ওলগ যাচিছোঁ।

শেষত, যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ সদিচ্ছাত অনভিজ্ঞ, অভাজনে সম্পাদকৰ গুৰুদায়িত্ব বহন কৰাৰ সুযোগ পালোঁ, সেইসকলোলৈ প্ৰীতি ভৰা শলাগ আগবঢ়াই সমূহ শুভাকাংক্ষীৰ হাতত আলোচনীখন অৰ্পণ কৰিলোঁ। সম্ভাব্য ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ আৰু সহৃদয়তাৰে গঠনমূলক সমালোচনা আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**ক্ষিতিশ কলিতা**

# কৰ্মনিষ্ঠ অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া

উমেশ চন্দ্ৰ দাস
মুৰব্বী, ভূগোল বিভাগ

কেতিয়াবা বাস্তৱ ঘটনাবোৰো অবিশ্বাস্য যেন লাগে। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়াদেৱ আজি আমাৰ মাজত নাই! এই নিষ্ঠুৰ বাস্তৱটো কিয়তেই যেন বিশ্বাস কৰিব পৰা নাই। মহাবিদ্যালয়খনৰ প্ৰতিটো চুকে কোণে শইকীয়াদেৱৰ অস্তিত্ব এতিয়াও বিৰাজমান। মহাবিদ্যালয়খনত প্ৰবেশ কৰিলে প্ৰতি মুহূৰ্ত্ততে তেখেতৰ স্মৃতি জাগ্ৰত হয়। তেখেত আছিল এজন দক্ষ প্ৰশাসক আৰু নিষ্ঠাৱান কৰ্মী।

১৯৭২ চনৰ চেপ্তেম্বৰ মাহত নৱ প্ৰতিষ্ঠিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰি এই মহাবিদ্যালয়খন এখন পূৰ্ণাঙ্গ আৰু আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাটোক জীৱনৰ পণ হিচাপে লৈ অতি নিষ্ঠা সহকাৰে কামত আগবাঢ়ি গৈছিল। তাকে কৰিবলৈ যাওঁতে বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হৈছিল।

১৯৭২ চনৰ পৰা ১৯৭৯ চনৰ চেপ্তেম্বৰ মাহলৈ মহাবিদ্যালয়খনে চৰকাৰী মঞ্জুৰী নোপোৱালৈকে একমাত্ৰ নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ অনুদানৰ ওপৰতে নিৰ্ভৰ কৰি শিক্ষক সকলৰ দৰমহা, শ্ৰেণীকোঠা নিৰ্মাণ, গ্ৰন্থাগাৰৰ কিতাপ সংগ্ৰহ আদি মহাবিদ্যালয়ৰ যাবতীয় খৰচবোৰ কৰিবলগীয়া হোৱাত অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হৈছিল। সেই সকলোবোৰ সমস্যা মূৰ পাতি লৈ নিষ্ঠাৰে কলেজখনৰ উন্নতিৰ হকে কাম কৰি গৈছিল। অ-মঞ্জুৰী প্ৰাপ্ত অৱস্থাতে ইংৰাজী, অসমীয়া, অৰ্থনীতি, শিক্ষা, ৰাজনীতি বিজ্ঞান, ভূগোল, বুৰঞ্জী, অঙ্ক আদি বিষয়ত 'অনাৰ্চ' পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি সেই মতে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিছিল। কলা শাখা চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱাৰ চাৰি বছৰ পূৰ্ণ নৌ হওঁতেই ১৯৮৫ চনত মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত লয় আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি নোলোৱাকৈয়ে পাঠদানৰ কাম আৰম্ভ কৰে আৰু পিছতহে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰে। অৱশ্যে তেখেতৰ

এই সকলোবোৰ পৰিকল্পনাৰ গুৰিতে আছিল সেই সময়ৰ জ্যেষ্ঠ শিক্ষক সকলৰ সহায় সহযোগ আৰু স্থানীয় আঞ্চলিক মৌজা কমিটি আৰু সেই সময়ৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত উদয় ঠাকুৰীয়াদেৱ প্ৰমুখ্যে নেতৃস্থানীয় লোক সকলৰ পৰা পোৱা অনুপ্ৰেৰণা। সকলোবোৰ পৰিস্থিতিতেই জ্যেষ্ঠ শিক্ষক সকলে সজ দিহা পৰামৰ্শ দিছিল। কলেজৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতক কিবা সজ পৰামৰ্শ দিব পাৰিছিলোঁ নে নাই মই নাজানো। কিন্তু শৈক্ষিক আৰু প্ৰশাসনিক প্ৰায়বোৰ কথাই তেখেতে মোৰ লগত আলোচনা কৰিছিল।

১৯৯৬ চনৰ ১১ জানুৱাৰীৰ পৰা কাৰ্য্যকৰী হোৱাকৈ মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী প্ৰাপ্ত হয় যদিও ১৯৯৬ চনৰ আগষ্ট মাহতহে বিজ্ঞান শাখাৰ শিক্ষক সকলে চৰকাৰৰ পৰা প্ৰথম দৰমহা লাভ কৰে। গতিকে ১৯৮৫ চনৰ পৰা এই সময়চোৱাত বিজ্ঞান শাখাৰ শিক্ষক সকলৰ দৰমহাকে ধৰি বিজ্ঞানাগাৰৰ সা-সঁজুলি আদি যোগান ধৰাত প্ৰতি মাহে এক বুজন পৰিমাণৰ ধনৰ আৱশ্যক হৈছিল। ফলত তেওঁ গভীৰ অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হৈছিল। কিন্তু কাম হাতত ল'লে পিছপৰি অহা বিধৰ লোক তেখেত নাছিল। সেয়েহে এই অৰ্থনৈতিক সংকটৰ সন্মুখীন হ'বলৈ অতি স্পৰ্শকাতৰ শিতান শিক্ষক-কৰ্মচাৰীৰ জীৱন বীমা আৰু ভৱিষ্যনিধিৰ টকাৰো কিছু অংশ খৰচ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

বিজ্ঞান শাখাটো চৰকাৰৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱাত তেখেতৰ আনটো সপোন দিঠকত পৰিণত হ'ল। কিন্তু সপোন ইমানতে শেষ হোৱা নাছিল। "নগৰবেৰা ভিতৰুৱা অঞ্চল; ৰাস্তা ঘাটৰ ব্যৱস্থা নাই; অৰ্থনৈতিক দিশত মানুহবোৰ পিছপৰা; উচ্চ শিক্ষাৰ এই মহাবিদ্যালয়খন নাথাকিলে অৰ্থৰ অভাৱত বহুতো ল'ৰা-ছোৱালী প্ৰৱেশিকা পৰীক্ষা পাছ কৰি বহি থাকিব লগীয়া হ'লহেঁতেন। সেই অভাৱ কিঞ্চিৎ পূৰণ হ'ল দেখিছোঁ। কিন্তু ভালেমান ছাত্ৰ-ছাত্ৰীয়ে ইউনিভাৰচিটিত চিট নেপায়। কেইটামান বিষয়ত পোষ্ট গ্ৰেজুয়েট ক্লাছ খুলিব লাগিব দেখিছোঁ। এই নতুন বিল্ডিংটোৰ ওপৰখন সজাই কলেজৰ লাইব্ৰেৰীটো আহল-বহল কৰি তালৈ স্থানান্তৰ কৰিব লাগিব। লাইব্ৰেৰীত ভালেমান কিতাপ কিনিব লাগিব। টকা যোগাৰ কৰিব পৰা হ'ব। ইউ. জি. চি গ্ৰান্ট পাইছোঁ যেতিয়া টকা পাম। লাগিলে দিল্লীলৈ যাব লাগিব। বিল্ডিংটোৰ কাম শেষ কৰি ছোৱালী হোষ্টেলটোৰ কাম কিছু কৰিব লাগিব। *Plan-Estimate* আনি থোৱা আছে। *S.D.O.* ৰ চহীটো আনিব পৰা নাই। আপুনি এদিন গুৱাহাটীলৈ গৈ বাকীখিনি কাম কৰিব লাগিব দেখিছোঁ।" তেখেতে মোৰ লগত প্ৰায় এনেবোৰ কথাকেই পাতিছিল। মৃত্যুৰ প্ৰায় দেৰ-দুমাহমান আগতে নিৰ্মাণ হৈ থকা নতুন বিল্ডিংটোৰ সন্মুখত গছৰ-ছাঁত বহি বহি আমি এনেবোৰ কথাকেই পাতি আছিলোঁ। অধ্যাপক শ্ৰীউৎসৱানন্দ দাস, শ্ৰীদয়ানন্দ কুমাৰ দাস, মঃ আব্দুল হাকিম এনে আলোচনাত প্ৰায়ে আমাৰ লগত আছিল। কিন্তু নিষ্ঠুৰ মৃত্যুৱে যে তেখেতৰ অত্যন্ত ওচৰতে থাকি ছেগ চাই আছিল!

সুদূৰ শিৱসাগৰৰ পদুমণি দুলীয়া গাঁৱৰ পৰা নগৰবেৰাৰ নিচিনা যাতায়তৰ সা-সুবিধা নথকা আওহতীয়া ঠাই এখনলৈ সপৰিয়ালে তেখেতে আহি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল। তাৰ আগতে আছিল আমগুৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ। সেই সময়ৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি, নগৰবেৰা হাইস্কুলৰ সেই সময়ৰ প্ৰধান শিক্ষক শ্ৰদ্ধেয় কৃষ্ণকান্ত শৰ্মা প্ৰমুখ্যে চাৰি জন বিশিষ্ট সদস্য গৈ আমগুৰিতে তেখেতক সাক্ষাৎ কৰি ঠাইতে অধ্যক্ষ হিচাপে নিযুক্তি দি কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছিল। সেইমতে ১৯৭২ চনৰ চেপ্তেম্বৰ মাহত আহি নগৰবেৰাৰ একেবাৰে চালুকীয়া মহাবিদ্যালয়খন গঢ়ি তোলাৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

সু-স্বাস্থ্য, নিয়মীয়া ওখ, দেখিলেই খেলুৱৈ খেলুৱৈ যেন লগা আটিল দেহৰ উজ্জ্বল চকু আৰু সুন্দৰ নাকেৰে দেখিবলৈ ধুনীয়া এই ব্যক্তিজন ভালেমান গুণৰ অধিকাৰী আছিল। পিন্ধন-উৰণত অতি পৰিপাটি আৰু চাফ চিকুণ আছিল। মূৰত চুলি অলপ কম আছিল আৰু চুলিবোৰ কেঁকোৰা আছিল। প্ৰশাসক হিচাপে তেওঁ এজন দক্ষ প্ৰশাসক আছিল। কলেজৰ স্বাৰ্থৰ বিপৰীতে কাকো প্ৰশ্ৰয় নিদিছিল। মানুহজন অতি খঙাল স্বভাৱৰ আছিল। কেতিয়াবা কোনো শিক্ষক বা শিক্ষয়িত্ৰী ক্লাছলৈ সময় মতে আহি পাঠদান কৰিব নোৱাৰিলে নাইবা অনুপস্থিত থাকিলে তেওঁক 'এবচেন্ট' দিয়াই নহয় মাতি নি ধমকিও দিছিল আৰু ভৱিষ্যতে তেনে নকৰিবলৈ সঁকিয়াই দিছিল। কৰ্মচাৰী সকলৰ ক্ষেত্ৰতো একে ধৰণৰ ব্যৱহাৰই লৈছিল। কিন্তু পিছদিনাই মাতি নি কিবা কিবি কামৰ দায়িত্ব দি সহজ কৰি লৈছিল। ছাত্ৰ-ছাত্ৰীকো সেইদৰে

কঠোৰ শাসন কৰিছিল। এদিন ছাত্ৰ-আন্দোলনৰ উদ্দেশ্যত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন নকৰাত আন শ্ৰেণীৰ কিছুমান ছাত্ৰই শ্ৰেণীৰ পৰা বাহিৰ ওলাবলৈ জোৰ কৰাত সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশ এটাৰ গম পাই অফিচৰ পৰা পোন চাটেই খেদি গৈ সন্মুখৰ বাগিচাৰ বেৰৰ পৰা বাঁহৰ কামী এটা উঘালি লৈ এফালৰ পৰা ছাত্ৰবোৰক এনেদৰে খোবাই গৈছিল যে বাকীবোৰ ছাত্ৰ ভয়তে শ্ৰেণীৰ পৰা পলাই পত্ৰং দিছিল। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোৱে তেখেতক ভয় আৰু সন্মান কৰিছিল আৰু নিজৰ নিজৰ দায়িত্ববোৰ নিষ্ঠাৰে পালন কৰিছিল। সেয়েহে মহাবিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা সমূহৰ ফলাফল আন বহু মহাবিদ্যালয়ৰ তুলনাত বহুত ভাল হৈছিল।

খেল-ধেমালিৰ প্ৰতিও তেখেতৰ বৰ ৰাপ আছিল। নিজেও এগৰাকী ভাল খেলুৱৈ আছিল আৰু ছাত্ৰ-ছাত্ৰী আনকি শিক্ষক সকলকো খেল খেলিবলৈ অনুপ্ৰেৰণা যোগাইছিল। ধুপধৰা, দুধনৈ, শিমলীতোলা আদিত অনুষ্ঠিত বেডমিণ্টন আৰু ক্ৰিকেট প্ৰতিযোগিতা সমূহত নিজেও অংশ গ্ৰহণ কৰি ভাল খেল প্ৰদৰ্শন কৰিছিল।

শইকীয়া আছিল এজন সাহিত্য অনুৰাগী লোক। সদায় নিয়মিত অধ্যয়ন কৰাটো তেখেতৰ স্বভাৱ আছিল। ইংৰাজী, অসমীয়া আৰু বঙলা সাহিত্য যথেষ্ট অধ্যয়ন কৰিছিল আৰু সেইবোৰৰ ওপৰত ভাল দখল আছিল। কলেজৰ বিভিন্ন বিভাগৰ আলোচনা চক্ৰ, সাহিত্য কাননৰ অনুষ্ঠান আদিত নানান ব্যস্ততাৰ মাজতো অংশ গ্ৰহণ কৰিছিল। তেখেত বিজ্ঞানৰ প্ৰতিও অনুৰাগী আছিল। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো কেনেদৰে উন্নীত কৰিব পাৰে তাৰ প্ৰতিও সদায় যত্ন লৈছিল।

কালৰ কুটিল গতি। কিয় জানো নিজৰ কলেজখনৰ বাবে ইমান নিষ্ঠাৰে কাম কৰাৰ পিছতো ১৯৯৪ চনৰ ৫ জুলাই তাৰিখে তেখেত গৈ ধুপধৰাত অৱস্থিত বিকালী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিলে। হয়তো নতুনকৈ ঘাটি মঞ্জুৰী প্ৰাপ্ত বিকালী মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নথকা বাবদ ধুপধৰাৰ ৰাইজে জোৰ কৰাত সেই অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰি যাবলগীয়া হয়। অৱশেষ এবছৰ পিছত পুনঃ এই মহাবিদ্যালয়লৈ ঘূৰি আহে। ধুপধৰাত থকা সময়তে তেখেতে অসুস্থ অনুভৱ কৰিছিল যদিও দুয়োখন কলেজৰ কামৰ হেঁচাত তেখেতে আৰম্ভণিতে যেনেদৰে চিকিৎসা কৰিব লাগিছিল তেনেদৰে নকৰিলে। সেয়ে কাল হ'ল। শেষৰ ফালে চিকিৎসা কৰা হ'ল যদিও তেতিয়া বহু দেৰি হ'ল।

১৯৯৬ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখ বুধবাৰে ৰাতিপুৱা ৮-৩০ বজাত সকলোকে কন্দুৱাই থৈ শইকীয়াদেৱে নশ্বৰ দেহা ত্যাগ কৰে। কলেজত যোগদান কৰাৰে পৰা মৃত্যুৰ আগ মুহূৰ্তলৈকে সুদীৰ্ঘ ২৪ বছৰ কাল প্ৰায় সময়তে লগত থাকি হঠাৎ তেখেতক অকালতে বিদায় দিব লগীয়া হোৱাত অন্তৰত যি গভীৰ বেদনা অনুভৱ কৰিছোঁ তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। শইকীয়াদেৱৰ কৰ্ম নিষ্ঠতাই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মাজত তেখেতক সদায় জীয়াই ৰাখিব। তেখেতৰ বিদেহী আত্মাই পৰম শান্তি লাভ কৰক এয়ে মোৰ কামনা। ❑

*স্মৰণীয়*

মই কওঁ, জীৱন অন্ধকাৰ, যদিহে আগবাঢ়ি যোৱাৰ
স্পৃহা নাথাকে,
আৰু আগবাঢ়ি যোৱাৰ স্পৃহাটোও অন্ধ যদিহে তাত জ্ঞান নাথাকে।
জ্ঞানো বিফল যদিহে তাত কৰ্ম নাথাকে,
আৰু কৰ্মও উদং যদিহে তাত প্ৰেম নাথাকে।

খলিল জিব্ৰান।

শ্ৰদ্ধাঞ্জলিজ্ঞাপক নিবন্ধ

# কৃষ্ণকান্ত শৰ্মাৰ ব্যক্তিত্ব ঃ এটি চমু পৰ্যালোচনা

উদয় তালুকদাৰ
প্ৰাক্তন অধ্যক্ষ
নগৰবেৰা উঃ মাঃ বিদ্যালয়

বিশ্বৰ অনন্ত প্ৰবাহত এই সংসাৰলৈ মানুহ আহি আছে, গৈ আছে। এই সকলোৰে খবৰ মানুহে নাৰাখে বা ৰাখিবৰ কোনো প্ৰয়োজনো নাথাকে। কিন্তু তাৰ মাজতে এনেকুৱা কিছুমান লোক জন্মে যিয়ে নিজ পৰিমণ্ডলত থাকি স্বকীয় প্ৰতিভাৰে খ্যাতি অৰ্জন কৰাৰ লগতে মানুহৰ মনত একোটি গভীৰ সাঁচ বহৱাই থৈ যাবলৈ সক্ষম হয়। আঞ্চলিক ক্ষেত্ৰত বিশেষকৈ নগৰবেৰা অঞ্চলত তেনে খ্যাতিৰ স্বাক্ষৰ ৰাখি গ'ল প্ৰয়াত কৃষ্ণকান্ত শৰ্মাদেৱে। সময়ে মানুহক খ্যাতিৰ শিখৰলৈ তোলে আৰু সময়ে নমায়ো আনে। কিন্তু শৰ্মাদেৱৰ ক্ষেত্ৰত সমাজে তেওঁক তুলিহে ধৰিছিল, নামিবৰ অৱকাশ দিয়া নাছিল। তেখেত আছিল এক বিৰল ব্যক্তিত্ব সম্পন্ন প্ৰতিভাশালী পুৰুষ। নগৰবেৰা বাসীয়ে তেওঁক সতকাই পাহৰা টান তেওঁ কৰি যোৱা সামগ্ৰিক কৰ্মৰাজিৰ বাবে। তেওঁ ইয়াৰ স্থানীয় লোক নাছিল অথচ স্থানীয় নহৈও বেছি স্থানীয় আছিল বুলি প্ৰতীয়মান কৰি গ'ল। তেওঁৰ স্থায়ী ঘৰ অবিভক্ত কামৰূপ জিলাৰ আৰু বৰ্তমানৰ নলবাৰী জিলাৰ চামতা গাঁৱৰ হাতীৰ পিঠি নামৰ চুবুৰীত।

বিগত চল্লিশ দশকৰ আদি ভাগতে ১৯৪৩ কি ৪৪ চনত কোনো এটি তাৰিখত তেওঁ নগৰবেৰা এম, ই স্কুলৰ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। জীৱনৰ সুদীৰ্ঘ কাল নগৰবেৰাতে থাকি নগৰবেৰা ৰাইজৰ সুখ-দুখ, হাঁহি-কান্দোনৰ সমভাগী হৈ সমাজৰে এক অবিচ্ছেদ্য অংগ হৈ পৰে। সেই সময়ত নগৰবেৰা আছিল অসমৰ কলীয়া পানী। বানপানী, বোকা, জঙ্ঘল, মহ, ডাঁহ, মেলেৰীয়াৰ উপদ্ৰুত অঞ্চল। নাছিল সুচল ৰাস্তাঘাট, নাছিল বৰ্তমান যুগৰ আধুনিক যান বাহন। তেওঁ ৰাজহুৱা ভাষণ প্ৰসংগত প্ৰায়ে কোৱা শুনিছিলোঁ যে যিদিনা তেওঁ নগৰবেৰালৈ আহে - শিংৰাৰ পৰা এছোৱা বাট নাৱেৰে, এছোৱা খোজ কাঢ়ি আৰু বাকীছোৱা হেকৰাৰ পৰা হাতীৰ পিঠিত। তেখেত আছিল কলা বিভাগৰ স্নাতক অৰ্থাৎ বি, এ,। সেই সময়ত বি, এ, ডিগ্ৰীধাৰী লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। ইচ্ছা কৰাহেঁতেন তেওঁ প্ৰাদেশিক চৰকাৰৰ যিকোনো দপ্তৰতে উচ্চ পদাধিকাৰী হোৱাৰ সুযোগ আছিল। কিহৰ তাড়নাত তেওঁ নগৰবেৰাৰ নিচিনা আওহতীয়া পাণ্ডৱ বৰ্জিত ঠাইত নিজ কৰ্মক্ষেত্ৰ বাচি ল'লে সেয়া আচলতে এক ভাবিব নোৱাৰা সাঁথৰ।

নগৰবেৰা হাইস্কুলৰ জন্ম ১৯৫০ চনত। স্থানীয় শিক্ষাপ্ৰেমী ৰাইজৰ সহযোগত তেঁৱেই এই স্কুলৰ প্ৰতিষ্ঠাৰ গুৰি ধৰে আৰু তেওঁৰ কালতে ই পত্ৰে পুষ্পে সুশোভিত হৈ জ্ঞান বৃক্ষ ৰূপে উচ্চ শিক্ষাৰ আলোকেৰে ঠাইখন পোহৰাই তোলে। এই স্কুলৰে তেওঁৰ এজন প্ৰাক্তন প্ৰিয় ছাত্ৰ হিচাপে আৰু পিচলৈ তেওঁৰ সহকৰ্মী ৰূপে যিমানেই তেওঁৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ সিমানেই তেওঁৰ বহল চিন্তাধাৰা আৰু দূৰদৃষ্টিসম্পন্ন দৃষ্টিভংগীৰ

উমান পাইছিলোঁ। তেওঁ আছিল একাধাৰে প্ৰতিভাবান শিক্ষক, দক্ষ প্ৰশাসক, সুবক্তা আৰু সমাজকৰ্মী। ব্যক্তি মাত্ৰেই দোষগুণৰ সমষ্টি। তেওঁৰ যে সমালোচক নাছিল এনে নহয়। কিন্তু যি যাদুকাঠিৰে তেওঁৰ কটু সমালোচককো পুনৰ তেওঁৰ দ্বাৰস্থ কৰিছিল সেয়াহে ভাবিব লগীয়া কথা।

নগৰবেৰা অঞ্চলত সেই সময়ৰ প্ৰখ্যাত ব্যক্তি • পদ্মলোচন চৌধুৰী মৌজাদাৰৰ লগতে শৰ্মাদেৱে বিভিন্ন সামাজিক গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। মৌজাদাৰৰ মৃত্যুৰ পিচত তেৰেই ৰাইজৰ গুৰি বঠা ধৰিব লগা হৈছিল। যিকোনো সমস্যা সমাধানত তেওঁ নিখুঁত পৰামৰ্শ প্ৰদান কৰিব পাৰিছিল। নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনীত তেওঁৰ প্ৰাসঙ্গিকতা কিয় আহিল ইয়ে স্বভাৱতে বহুতৰে মনত কৌতুহলৰ উদ্ৰেক কৰিব। এই কাৰণেই আহিল যে তেওঁ একালত এম. ই. স্কুলৰ প্ৰধান শিক্ষক আৰু পিচলৈ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল এয়ে তেওঁৰ একমাত্ৰ পৰিচয় নহয়। তেওঁৰ উদগণি আৰু নেতৃত্বতে যে নগৰবেৰা কলেজ (পিচলৈ বি. পি. চলিহা মহাবিদ্যালয়) প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা লোৱা হৈছিল আৰু তাক বাস্তৱায়িত কৰা হ'ল আজিৰ চামৰ বহুতে হয়তো সেই কথা নাজানে। এই মহাবিদ্যালয়ৰ অস্থায়ী অধ্যক্ষ হিচাপে পোন প্ৰথমে তেঁৱেই ইয়াৰ গুৰি ধৰিছিল। নগৰবেৰা হাইস্কুল চৌহদতে অস্থায়ীভাৱে ঘৰ সাজি কলা বিভাগ আৰম্ভ কৰা হৈছিল। নগৰবেৰাৰ নিচিনা ভিতৰুৱা অঞ্চলত কলেজ স্থাপনৰ সিদ্ধান্ত আপাত দৃষ্টিত আছিল এক প্ৰকাৰ দুঃসাহ। অৱশ্যে অন্যান্য সহযোগী আৰু সেইসময়ৰ প্ৰচুৰ প্ৰভাৱশালী আঞ্চলিক মৌজা কমিটিৰ অকুণ্ঠ সহায় আৰু সহযোগ নোপোৱা হ'লে তেওঁ অকলে এনে দুঃসাহস কৰিব নোৱাৰিলেহেঁতেন। মুঠতে যিকোনো কামতে নেতৃত্ব লাগে আৰু তাৰ অভাৱ হ'লে কামত বিলম্ব ঘটে।

নগৰবেৰা খণ্ড উন্নয়ন কাৰ্যালয় (ব্লক ডেভেলপমেণ্ট অফিচ) স্থাপনৰ বেলিকা পোনতে স্থান নিৰ্দ্ধাৰণৰ বাবে যি টনাটনি আৰম্ভ হৈছিল তেওঁ তাত দৃঢ়ভাৱে নালাগিলে এই অফিচ নগৰবেৰাত স্থাপন হোৱাৰ মুঠেই সম্ভাৱনা নাছিল। ক'ত ক'ত চাবি টিপিব লাগে তাৰ সমগ্ৰ কিটিপ তেওঁ জনাৰ বাবেই বহু যুঁজ বাগৰৰ অন্তত অফিচ নগৰবেৰাতেই হ'ল।

হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি এজন কৃতি শিক্ষক হিচাপে ৰাজ্যিক পুৰস্কাৰ লাভ কৰি ১৯৭৮ চনত তেওঁ স্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচত নিজ গাওঁ চামতাত থাকিবলৈ লয় আৰু আজি কেইমাহমান আগতে নশ্বৰ দেহ ত্যাগ কৰি পৰলোকলৈ গতি কৰে। তেওঁৰ স্মৃতিত অশ্ৰু সিক্ত নয়নেৰে একাজলি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ। ❑

*স্মৰণীয়*

*দিনে নিশাই লক্ষ লক্ষ অতি তুচ্ছ আৰু সাধাৰণ কিতাপ লিখিত হৈছে বুলিয়েই শতাব্দীৰ ভিতৰত এখন কিংবা দুখন মহৎ কিতাপ ৰচিত হোৱাটো সম্ভৱ হৈছে। এখন অৰণ্যৰ সৃষ্টি হ'বলৈ মাত্ৰ কেইজোপামান বিশাল বনস্পতিয়েই যথেষ্ট নহয়। সৰু-বৰ অসংখ্য বৃক্ষ লতা-গুল্ম আৰু তৃণ-পুঞ্জ লৈ যি বিচিত্ৰ ৰহস্যময় অৰণ্য সৃষ্টি হয়, সিহে আমাৰ অন্তহীন আনন্দ আৰু বিস্ময়ৰ উৎস।*

**হোমেন বৰগোহাঞি**

পৰিচয়মূলক নিবন্ধ

# ভাৰত চন্দ্ৰ পাঠক ঃ জীৱন আৰু সাহিত্য কৃতি



**দীপ্তিৰেখা পাঠক মজুমদাৰ**
প্ৰবক্তা, অসমীয়া বিভাগ

অসমীয়া সাহিত্য জগতক কেইবাখনো মূল্যবান গ্ৰন্থৰে চহকী কৰা ভাৰত চন্দ্ৰ পাঠকদেৱৰ জন্ম হৈছিল ১৯২২ চনৰ অক্টোবৰ মাহত। তেখেতৰ পিতৃ প্ৰয়াত অমৃতৰাম পাঠক নগৰবেৰা অঞ্চলৰ এজন বিশিষ্ট লোক আছিল। ল'ৰালিৰ ধুলি বালি মচ নৌখাওঁতেই তেখেতৰ পিতৃৰ অকাল বিয়োগ ঘটাত খুৰাকৰ তত্বাৱধানত জ্যেষ্ঠ ভাতৃ শ্ৰীযুত হৰেন্দ্ৰ নাৰায়ণ পাঠক আৰু ভগ্নী শ্ৰীযুতা ভাগ্যেশ্বৰী পাঠকৰ সৈতে ডাঙৰ দীঘল হ'বলৈ ধৰে। অতি তীক্ষ্ণ মেধা সম্পন্ন পাঠকে সৰুৰে পৰা বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। ১৯৩৬ চনত তেখেতে নগৰবেৰা এম. ই. স্কুলৰ পৰা সুখ্যাতিৰে এম. ই. পাছ কৰে। অকল পঢ়া-শুনাতেই নহয় খেল-ধেমালিতো আগৰণুৱা আছিল। ঘোঁৰ দৌৰোৱা আছিল তেখেতৰ শৈশৱৰ আটাইতকৈ প্ৰিয় খেল।

সেই সময়ত নগৰবেৰা অঞ্চলত উচ্চ শিক্ষাৰ বিশেষ সুবিধা নাছিল। এতিয়াৰ জন অৰণ্য নগৰবেৰা তেতিয়া আছিল বন অৰণ্য। বিভিন্ন হিংস্ৰ জীৱ-জন্তুৰ উন্মুক্ত বিচৰণভূমি নগৰবেৰাৰ পৰা অইন ঠাইলৈ যাবলৈ হ'লে গৰু গাড়ী অথবা ম'হৰ গাড়ীৰ বাহিৰে অইন কোনো সুচল ব্যৱস্থা নাছিল। উচ্চ শিক্ষা পিপাসু পাঠকে এনেদৰে নগৰবেৰাৰ পৰা উচ্চ শিক্ষাৰ বাবে গোৱালপাৰালৈ যায়। তাত ১৯৩৭ চনত পি. আৰ. গৱৰ্ণমেণ্ট হাইস্কুলত ভৰ্ত্তি হয়। অতি কম দিনৰ ভিতৰতে তেখেতে মেধাবী ছাত্ৰ হিচাপে পৰিচয় দিবলৈ সক্ষম হয় আৰু শিক্ষক সকলৰ মাজত প্ৰিয়পাত্ৰ হৈ পৰে। তেখেত সকলৰ সহায় সহযোগত ১৯৪০ চনত মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয় আৰু আশানুৰূপ সফলতাৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়।

সেই সময়ত দ্বিতীয় বিশ্বযুদ্ধৰ গুম্ গুমনিয়ে সমগ্ৰ পৃথিৱীৰ আকাশ-বতাহ ছানি ধৰিছিল। অসমো ইয়াৰ পৰা মুক্ত নাছিল। বিশেষকৈ গুৱাহাটী মহানগৰীৰ চৌপাশে অশান্তিৰ দাবানল, যুদ্ধৰ বিভীষিকা আদিৰে পৰিপূৰ্ণ আছিল। এই পৰিস্থিতিত পৰিয়ালৰ লোকে তেখেতৰ কলেজীয়া জীৱনৰ শিক্ষাৰম্ভ গুৱাহাটীত হোৱাটো বিচৰা নাছিল। সেয়ে বৰপেটাৰ এম. চি. কলেজত নাম লিখি দিয়ে। এম. চি. কলেজৰ পৰা সুখ্যাতিৰে আই. এ. পাছ কৰাৰ পিছত ৰংপুৰ কলেজৰ পৰা (বৰ্ত্তমান বাংলাদেশৰ অন্তৰ্গত) ইংৰাজী সাহিত্যত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান (সেইটো বছৰত কোনেও প্ৰথম শ্ৰেণী পোৱা নাছিল) লাভ কৰি অনাৰ্চ সহ স্নাতক ডিগ্ৰী লাভ কৰে।

১৯৪৪ চনত চাৰ চৈয়দ মহম্মদ চাদুল্লা চাহাবৰ প্ৰধানমন্ত্ৰীত্বৰ কালত (তেতিয়া ৰাজ্যৰ গুৰিয়ালজনক মুখ্যমন্ত্ৰী নকৈ প্ৰধানমন্ত্ৰী বুলি কৈছিল।) তথ্য আৰু জনসংযোগ বিভাগত জাৰ্ণেলিষ্ট হিচাপে যোগদান কৰে। ইয়াৰ পিছৰ বছৰতে নাথকুছি নিবাসী প্ৰয়াত খ্যাতি মজুমদাৰৰ দ্বিতীয়া কন্যা শ্ৰীমতী প্ৰীতিৰ

লগত শুভ বিবাহ সম্পন্ন হয়।

পাঠক আছিল অতিশয় কৰ্মপৰায়ণ, সৎ, সাহসী আৰু দক্ষলোক। সেয়েহে চাকৰিৰ ক্ষেত্ৰত দোপত দোপে উন্নতি লাভ কৰি তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালকৰ পদ অলংকৃত কৰে। তেখেত আছিল অসমীয়া সাহিত্যৰ অক্লান্ত সেৱক। চৰকাৰী কামত বিভিন্ন ব্যস্ততাৰ মাজতো বিভিন্ন কিতাপ-পত্ৰ আলোচনী আদি নিয়মিত ভাৱে পঢ়িছিল আৰু সাহিত্য চৰ্চা কৰিছিল। অশেষ শ্ৰম আৰু কষ্ট কৰি কেইবাখনো গ্ৰন্থ লিখি থৈ যায়। সেইবোৰ হ'ল - সাহিত্যৰ কথা, বিশ্বৰ বৰণীয়, অসমৰ বৰণীয়, মহাভাৰতৰ মৌ কোঁহ, ৰামায়ণৰ মৌ কোঁহ, শিৱাজীৰ সাধু, ৰাণা প্ৰতাপৰ সাধু, লাল বাহাদুৰ, নীতিমালা, বৰদলৈৰ পৰা টাইমুৰলৈ আৰু প্ৰবন্ধমালা। ইয়াৰে বিশ্বৰ বৰণীয়, অসমৰ বৰণীয় আৰু নীতিমালা - এই তিনিখন স্কুলীয়া পাঠ্যপুথি হিচাপে অনুমোদিত আছিল। সাহিত্যৰ কথা, বৰদলৈৰ পৰা টাইমুৰলৈ আৰু প্ৰবন্ধমালা- এই তিনিখন গ্ৰন্থৰ বাহিৰে বাকীকেইখন মূলতঃ শিশু সাহিত্যৰ অন্তৰ্গত। অসমীয়া শিশু সাহিত্যৰ চালুকীয়া অৱস্থাতে শিশুসকলৰ মনোযোগ আকৰ্ষণ কৰিব পৰাকৈ তেখেতে এই গ্ৰন্থকেইখন লিখি উলিয়াইছিল।

'সাহিত্যৰ কথা' গ্ৰন্থখনত সাহিত্য সম্পৰ্কীয় বিভিন্ন দিশৰ সুন্দৰ পৰ্যালোচনা কৰা দেখা যায়। পাঠকক বুজিবলৈ, তেখেতৰ কৰ্মদক্ষতা, একাগ্ৰতা, মহানুভৱতা আদি জানিবলৈ হ'লে আমি তেখেতৰ 'বৰদলৈৰ পৰা টাইমুৰলৈ' গ্ৰন্থখনিৰ আশ্ৰয় ল'ব পাৰোঁ। ১৯৪৪ চনৰ পৰা ১৯৮১ চনলৈ তেখেতে (চৈয়দ মহম্মদ চাদুল্লাৰ পৰা চৈয়দা আনোৱাৰা টাইমুৰলৈ) প্ৰত্যেকজন মুখ্যমন্ত্ৰীৰ সান্নিধ্যত কটোৱাৰ সুযোগ পাইছিল। এওঁলোকৰ সান্নিধ্যত পোৱা তিতা, মিঠা, কেঁহা সকলোখিনি অভিজ্ঞতাৰ কথা সৰসভাৱে এই গ্ৰন্থখনিত সন্নিৱিষ্ট কৰা হৈছে। চৈয়দ মহম্মদ চাদুল্লাৰ সান্নিধ্য তেওঁ অলপ সময়ৰ বাবেহে পাইছিল। সেয়েহে তেওঁৰ সম্পৰ্কে বিশেষ কথা গ্ৰন্থখনিত নাই। কিন্তু লোকপ্ৰিয় বৰদলৈ, লৌহমানৱ বিষ্ণুৰাম মেধি, বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, শৰৎ চন্দ্ৰ সিংহ, গোলাপ বৰবৰা, যোগেন্দ্ৰ নাথ হাজৰিকা আৰু চৈয়দা আনোৱাৰা টাইমুৰ - এই কেইগৰাকী মুখ্যমন্ত্ৰীৰ ব্যক্তিত্বৰ বিভিন্ন দিশ এই গ্ৰন্থখনিত সুন্দৰভাৱে পোৱা যায়। এই গ্ৰন্থখনি কোনো লোকৰ জীৱনী নহয়, গল্পও নহয়। তেওঁ নিজে বিশ্বাস কৰে .... "মুখ্যমন্ত্ৰী সকলৰ জীৱনৰ সৰু সুৰা কথা নাইবা ঘটনাবোৰে পৰোক্ষভাৱে হ'লেও তেওঁলোকৰ চৰিত্ৰ, ব্যক্তিত্ব, ৰাজনৈতিক বিচক্ষণতা, কাৰ্যদক্ষতা আদি সম্পৰ্কে পাঠকক নিশ্চয় কিছু আভাস দিব পাৰিব।" (আগকথা, 'বৰদলৈৰ পৰা টাইমুৰলৈ)

শিশু সাহিত্যৰ অন্তৰ্গত 'নীতিমালা' পুথিখনিৰ বিষয়ে চমুকৈ আলোচনা নকৰিলে আমি পাঠকৰ অৱদান সম্পৰ্কে আধাৰুৱাকৈ কোৱা যেন হ'ব। শিশু সকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আদি দিশৰ বিকাশ হোৱাকৈ এই পুথিখনি ৰচনা কৰা হৈছে। ইয়াত কিশোৰ-কিশোৰীৰ উপযোগী চৈধ্যটা পাঠ সন্নিৱিষ্ট কৰা হৈছে। সদাচাৰ, নীতিশিক্ষা আদিৰে পৰিপূৰ্ণ পুথিখনিত প্ৰাৰ্থনা নামৰ কবিতা এটাৰে আৰম্ভ কৰা হৈছে। অন্যান্য পাঠসমূহৰ ভিতৰত - তোমাৰ শিক্ষক আৰু তুমি, পিতা-মাতা পৰম গুৰু, তোমাৰ কৰ্তব্য ঃ নিজৰ ঘৰত, পঢ়াশালিত, লগৰীয়া আৰু বয়সীয়া লোকৰ প্ৰতি, অহিংসা পৰম ধৰ্ম, মিছা কথাৰ ঠেং চুটি, চেষ্টাৰ অসাধ্য একো নাই, সত্যমেৱ জয়তে, ঈশ্বৰ আমাৰ সকলোৰে পিতা আদি উল্লেখযোগ্য। প্ৰতিটো পাঠৰে প্ৰকাশভংগী সহজ-সৰল, পোনপটীয়া। পাঠ সমূহে ছাত্ৰ-ছাত্ৰীৰ মনোৰঞ্জন কৰাৰ উপৰিও চৰিত্ৰ গঠনতো যাতে সহায় কৰে তালৈ লক্ষ্য ৰাখি প্ৰস্তুত কৰি উলিওৱা দেখা যায়।

১৯৯০ চনৰ ১৫ জুলাই তাৰিখে গুৱাহাটীৰ নবীন নগৰৰ নিজা বাসভৱনত তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে। ❑

**স্মৰণীয়**

মানুহক অধ্যয়ন কৰিব জানিলেই প্ৰকৃত জ্ঞান লাভ হয় আৰু সেই উপলব্ধিয়েই প্ৰকৃত সাহিত্য সৃষ্টিৰ মূল উপাদান।

মেক্সিম গৰ্কী।

# ড° মহেশ্বৰ নেওগ ঃ

## জীৱন আৰু কৃতি

আফজালুৰ ৰহমান
প্ৰাক্তন ছাত্ৰ

শিৱসাগৰ জিলাৰ কমাৰফদীয়া গাঁৱত মহেশ্বৰ নেওগৰ জন্ম হয় ১৯১৮ চনৰ ৭ চেপ্তেম্বৰত। তেখেতৰ পিতৃ আছিল স্বৰ্গীয় মানিক চন্দ্ৰ নেওগ আৰু মাতৃ আছিল স্বৰ্গীয়া চন্দ্ৰ প্ৰভা নেওগ।

নেওগদেৱে শিক্ষাৰ পাতনি মেলে ১১৩ নং কমাৰফদীয়া স্কুলত। ১৯২৬ চনত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি চৰকাৰী উচ্চ স্কুলত ভৰ্ত্তি হয় আৰু তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হৈ ককায়েকৰ লগত লক্ষীমপুৰলৈ যাবলগীয়া হয়।তাতে ১৯৩২ চনৰ ৩ মাৰ্চত উত্তৰ লক্ষীমপুৰ উচ্চ ইংৰাজী বিদ্যালয়ত নাম লিখে। ১৯৩৪ চনত ষ্টাৰ মাৰ্কসহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী কটন মহাবিদ্যালয়ত আই. এছ. ছিত নাম লিখে। ১৯৩৬ চনত তেখেতে আই. এছ. ছি. পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী কটন মহাবিদ্যালয়ত ইংৰাজীত অনাৰ্চ লৈ নাম ভৰ্ত্তি কৰে। ১৯৩৯ চনত বি. এ. পাছ্ কৰে। মাজতে বহুত দিন শিক্ষকতা কৰিছিল যদিও বিশ্ববিদ্যালয় আন্দোলনৰ প্ৰাক্ মুহূৰ্ত্তত 'অসমীয়া'ত অনাৰ্চ লৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৭ চনত সৰ্বোচ্চ নম্বৰলৈ এম. এ. ডিগ্ৰী লাভ কৰে।

নেওগদেৱে শিক্ষকতা জীৱন আৰম্ভ কৰে ১৯৩৯ চনৰ আগষ্টত যোৰহাট চৰকাৰী স্কুলৰ স্থায়ী শিক্ষকে ছুটী লোৱা পদত। ১৯৪০ চনৰ এপ্ৰিলৰ পৰা জুনমাহলৈ উত্তৰ লক্ষীমপুৰ বিদ্যালয়ত শিক্ষকতা কৰে। সেই বছৰতে ফুলেশ্বৰী ছোৱালী স্কুলৰ কামত লাগে। স্থাপন নহওঁতেই বিশ্ববিদ্যালয়ৰ কামত সোমায় ১৯৪৩ চনৰ ফেব্ৰুৱাৰীত। প্ৰথমে স্বেচ্ছাসেৱক হৈ তাৰ পিচত অলপ মজুৰি লৈ তাৰ পিছত ১৯৪৫ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় নগৰ ৰক্ষী পৰিষদৰ কাৰ্যালয় সম্পাদক হিচাপে কাম কৰে। ইয়াৰ পিছত তেখেত ১৯৪৮ চনৰ ৮ নৱেম্বৰ তাৰিখে কটন মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে নিযুক্ত হয়। ১৯৪৮ চনৰ ১ জানুৱাৰী তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয় আৰু তেখেত ১ ডিচেম্বৰত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা নিযুক্ত হয়।

*"Sankardava and his times : Early History of the Vaishnava faith and movement in Assam"* এই গৱেষণামুলক গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰ অফ্ ফিল'ছফি ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ গাইড ড° বাণীকান্ত কাকতি আছিল যদিও তেওঁৰ মৃত্যুৰ বাবে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্বাৱধানত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে।

১৯৭৪ চনৰ মংগলদৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত ড° নেওগ দেৱে সভাপতিত্ব কৰে। ১৯৭৭ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু ১ মাৰ্চত তেওঁ পাটিয়ালাৰ পঞ্জাব বিশ্ববিদ্যালয়ত 'শংকৰদেৱ' আসনৰ অধ্যাপক হিচাপে কামত যোগদান কৰে। ১৯৮৩ চনৰ ২৮ ফেব্ৰুৱাৰীত গুৰুগোবিন্দ সিংহ বিভাগৰ প্ৰধানৰ হাতত গতাই দি মুকলি পথাৰলৈ আহে।

পত্নী নিৰ্মলা নেওগ, পুত্ৰ প্ৰণৱ স্বৰূপ নেওগ আৰু তিনি গৰাকী জীয়েক ক্ৰমে মধুমালতী নেওগ বৰুৱা, স্নিগ্ধমালতী নেওগ,

নৰমালতী নেওগ চক্ৰৱৰ্তী আৰু লগতে অসমবাসীক কন্দুৱাই থৈ ইহজগতৰ পৰা স্বৰ্গলৈ গমন কৰে ১৯৯৫ চনৰ চেপ্তেম্বৰ মাহৰ ১৩ তাৰিখ বুধবাৰ দিনা।

জীৱনজোৰা ঘটনাৰে অসমীয়া সাহিত্য, সংস্কৃতি, পুৰাতত্ত্ব, প্ৰাচ্যতত্ত্ব আদিৰ চৰ্চা কৰি নেওগে অসমীয়া সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত যি অৰিহণা আগবঢ়াই গ'ল তাৰ তুলনা নাই। মৃত্যুৰ ওপৰত অসমীয়া সাহিত্য জগতৰ ভোটাতৰা হেৰাই যোৱাৰ ফলত অসমীয়া জাতিৰ এক অপূৰণীয় ক্ষতি হ'ল। প্ৰাক-শংকৰী যুগৰ পৰা বৰ্তমানলৈ অসম মাতৃৰ যিবোৰ সন্তানে অসম তথা অসমীয়া মুখ উজ্জ্বল কৰিলে সেই সকলৰ ভিতৰত তেখেতৰ স্থান সদায় আগশাৰীত। নেওগদেৱ আছিল বহুমুখী প্ৰতিভা সম্পন্ন পণ্ডিত। অসমৰ মধ্যযুগৰ নৱবৈষ্ণৱ ধৰ্ম, এই ধৰ্মৰ ধৰ্মীয় সাহিত্য গীত, বাদ্য, নৃত্য আদিৰ উপৰিও অসমীয়া সাহিত্য আৰু সংস্কৃতি সম্পৰ্কেও তেওঁ বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। জীৱনৰ দুপৰীয়া বেলিতে প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাৰ ফলত বিভিন্ন অপূৰ্ণ দিশে পূৰ্ণতা লাভ কৰিলে। অলপ দিনৰ ভিতৰত অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব চৰ্চাৰ ক্ষেত্ৰখন সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ কৰি তোলাৰ উপৰিও তেওঁ ভাৰতৰ বিশিষ্ট প্ৰাচ্যতত্ত্ববিদ পণ্ডিত সকলৰ মাজতো এখন মৰ্য্যাদা সম্পন্ন স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল আৰু বিশিষ্ট প্ৰাচ্যতত্ত্ববিদ পণ্ডিত হিচাপে স্বীকৃতি লাভ কৰে। এই সন্মান লাভত অসমীয়া জাতিও গৌৰৱান্বিত।

বৈষ্ণৱ ধৰ্ম আৰু বৈষ্ণৱ সাহিত্যৰ আধুনিক যুগৰ পুৰাতাত্ত্বিক চৰ্চাৰ দৃষ্টিভংগীৰে পুনৰ মূল্যায়ন কৰি যোৱা প্ৰথম পৰ্য্যায়ৰ লোক সকলৰ ভিতৰত প্ৰথম হিচাপে লক্ষ্মীনাথ বেজবৰুৱা, ড° বাণীকান্ত কাকতি, কালিৰাম মেধি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা। ইয়াৰ পিছতে লেখত ল'বলগীয়া ব্যক্তি দুজন হ'ল ড° মহেশ্বৰ নেওগ আৰু ড° সত্যেন্দ্ৰ নাথ শৰ্মা। ড° নেওগদেৱে মধ্যযুগৰ বৈষ্ণৱ সাহিত্যৰ ওপৰত বিভিন্ন আলোচনী, গৱেষণা পত্ৰত প্ৰবন্ধ-পাতি লিখাৰ উপৰিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত বৈষ্ণৱ সাহিত্যৰ মূল্যায়ন কৰি থৈ গৈছে। তেখেতে শংকৰদেৱ, মাধৱদেৱ, শ্ৰীবংশী গোপাল দেৱ আদি কেইবাখনো চৰিত পুথি সম্পাদন কৰি উলিয়ায়। মধ্যযুগৰ সংস্কৃতিৰ ক্ষেত্ৰত কৰা প্ৰধান কাম হ'ল শংকৰদেৱ, মাধৱদেৱে ৰচনা কৰি থৈ যোৱা বৰগীত সমূহৰ তাল, লয় সম্পৰ্কে এক স্বীকৃত পদ্ধতি আগবঢ়োৱাটো।

একো একোজন মানুহ কেতিয়াবা একোটি জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। এই ৰূপান্তৰ ঘটে মানুহ গৰাকীৰ চিন্তা, কল্পনা, বৌদ্ধিক অৰ্হতা, সৃষ্টিশীল প্ৰতিভাৰ দ্বাৰা আৰু এই বিলাক স্বাভাৱিকভাৱে অভিব্যক্ত হয় তেওঁৰ মাজেদি। সমকালীন অসমত স্বকীয় প্ৰতিভা আৰু দক্ষতাৰে নিজৰ ব্যক্তিত্বক এটি জাতীয় একাডেমীলৈ ৰূপান্তৰ ঘটোৱা মানুহ গৰাকী ড° নেওগ। অসমীয়া ভাষা সাহিত্যৰ অলিখিত সৰ্বাধিনায়ক জন হ'ল এই ড° নেওগদেৱেই।

অসম সাহিত্য সভাই ১৯৮৮ চনত তেখেতক 'সদস্য মহীয়ান' সন্মানেৰে বিভূষিত কৰে। ১৯৮৯ চনত তেখেতক অসম চৰকাৰে 'শ্ৰীশংকৰদেৱ বঁটা' প্ৰদান কৰে। তেতিয়াৰ ৰাষ্ট্ৰপতি শ্ৰীশংকৰ দয়াল শৰ্মাই নতুন দিল্লীত সঙ্গীত নাটক একাডেমীৰ সন্মানজনক ফেল'শ্বিপ তেওঁলৈ প্ৰদান কৰিলে যদিও স্ব-শৰীৰে উক্ত সন্মান ৰাষ্ট্ৰপতিৰ হাতৰ পৰা গ্ৰহণ কৰাৰ পৰা বঞ্চিত হ'ল।

যি ধৈৰ্য্য, কষ্ট, একাগ্ৰতা আৰু নিষ্ঠাৰে অসমীয়া ভাষা সাহিত্য-সংস্কৃতি আদিলৈ যি সেৱা আগবঢ়ালে, সি অতুলনীয়। তেখেতক অনুসৰণ কৰাটো আমি অসমবাসী সকলোৰে কৰ্তব্য। ❑

*স্মৰণীয়*

চিত্ৰশিল্পী, ভাস্কৰ, স্থপতিবিদ, কবি - প্ৰত্যেকেই নিজাধৰণে প্ৰকৃতিৰ পৰা তেওঁলোকৰ প্ৰেৰণা লাভ কৰে।

ছাৰ চি ভি ৰমণ।

# বিমলা প্ৰসাদ চলিহা আৰু অসম

জয়নাল আব্দিন আহমেদ
স্নাতক, দ্বিতীয় বৰ্ষ

অসম আৰু অসমবাসীৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ হকে আশাশুধীয়া চেষ্টা কৰা, প্ৰকৃত গান্ধীবাদী, গঠনমূলক দেশকৰ্মী বিমলা প্ৰসাদ চলিহা এগৰাকী বিৰল প্ৰতিভাৰ লোক আছিল। সোণ-ৰূপৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা এই লোকজন আছিল বিনয়ী, অমায়িক, নিৰহঙ্কাৰী আৰু প্ৰকৃতাৰ্থত জনতাৰ লোক।

ঐতিহ্যমণ্ডিত সম্ভ্ৰান্ত আৰু আঢ্যৱন্ত পৰিয়ালত ১৯১২ চনৰ ২৬ মাৰ্চ তাৰিখে জন্মগ্ৰহণ কৰা চলিহা ডাঙৰীয়াৰ মানৱতাবোধ আছিল অতুলনীয়। অসমলৈ প্ৰব্ৰজন কৰা চলিহা ডাঙৰীয়াৰ আদি পুৰুষ গৰাকী আছিল কাত্যায়ন গোত্ৰীয় ৰাম ৰায় কায়স্থ। তেতিয়া অসমত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব। ৰামৰায়ৰ বংশলতাৰ প্ৰবাদ পুৰুষ কালী প্ৰসাদ। চলিহা পৰিয়াল দক্ষিণপাট সত্ৰৰ প্ৰতিষ্ঠাপক আদিগুৰু বনমালীদেৱৰ নামেৰেই কালীপ্ৰসাদ চলিহাই প্ৰথমতে খোলা চাহ বাগিচাখনৰ নাম দিলে 'বনমালী' চাহ বাগিচা। কালীপ্ৰসাদ চলিহা ডাঙৰীয়াৰ পাঁচজন পুত্ৰ আৰু পাঁচগৰাকী ছোৱালী। অজয় প্ৰসাদ, তাৰাপ্ৰসাদ, যাদৱপ্ৰসাদ আৰু গুৰুপ্ৰসাদৰ পাচত নুমলীয়া পঞ্চমজন হ'ল বিমলাপ্ৰসাদ। সেইকাৰণে বিমলা চলিহাৰ মতা নাম এটা আছিল নুমলী।

সেইকালত চাহ খেতিয়ক আৰু উকীল কালীপ্ৰসাদৰ খ্যাতি গোটেই অসমতে বৈ বৈ গৈছিল। বিমলাপ্ৰসাদ চলিহাৰ মাতৃ নিকুঞ্জলতা চলিহা আছিল মণিৰাম দেৱানৰ আপোন নাতিনী। বিমলা প্ৰসাদৰ দুবছৰ বয়স হওঁতেই তেওঁৰ পিতৃৰ দেহাৱসান হয়। তেওঁ ডাঙৰ-দীঘল হৈছিল মাতৃস্নেহ আৰু ককায়েক সকলৰ বিশেষকৈ বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ যত্ন আৰু অভিভাৱকত্বত। সৰুৰে পৰা তেওঁৰ প্ৰকৃতি গহীন-গম্ভীৰ আছিল। কম কথা কোৱা প্ৰকৃতিৰ লোক হ'লেও প্ৰয়োজন মতে ৰসাল কথা কৈ আনন্দ দিব পাৰিছিল।

১৯২১ চনত আৰম্ভ হ'ল স্বাধীনতাৰ অসহযোগ আন্দোলন। ১৯৩০ চনত আন্দোলন সবল আৰু বিস্তৃত হৈ পৰিল। ডেকা চলিহাৰ গাতো স্বাধীনতা আন্দোলনে ভালদৰে খিতাপি ল'লে। কলিকতাৰ চিটি কলেজত পঢ়ি থকা অৱস্থাতেই তেওঁক স্বাধীনতা আন্দোলনৰ ঢৌৱে কোবালে। আই, এছ. চি পৰীক্ষা দিয়া নহ'ল। ১৯৩০ চনতেই যি কলেজ এৰিলে এৰিলেই। ১৯৩০ চনৰ পৰা ১৯৭১ চনৰ মৃত্যু কাললৈকে কংগ্ৰেছৰ সেৱাতেই নিজকে নিয়োজিত কৰিলে। ১৯৩২ চনলৈকে জাতিৰ পিতা মহাত্মা গান্ধীৰ নিৰ্দেশিত গঠনমূলক কামত একান্তভাৱে আত্মনিয়োগ কৰিলে। ১৯৩২ চনত যুৱক দলৰ নেতৃত্ব লৈ ১৪৪ ধাৰা অমান্য কৰি জেললৈ গ'ল। ১৯৪২ চনৰ আন্দোলনতো দীঘলীয়া কাৰাবাস খাটিছিল।

তেখেতে এটা উন্নত ধৰণৰ যঁতৰ সাজিছিল। ১৯৩৪ চনত গান্ধীজী শিৱসাগৰলৈ যাওঁতে সেই যঁতৰটো তেওঁক দেখুৱা হৈছিল। গান্ধীজীয়ে চলিহাৰ কাম-কাজ দেখি অতিশয় আনন্দিত হৈছিল আৰু খাদী সম্বন্ধে অধিক শিক্ষালাভ কৰিবলৈ মথুৰা দাস পুৰুষোত্তম ডাঙৰীয়াৰ লগত বিহাৰলৈ পঠিয়াইছিল। তাৰ পৰা শিক্ষালাভ কৰি আহি সৰ্বভাৰতীয় স্পীনাৰ্ছ এছোছিয়েশানৰ অসম শাখাৰ সম্পাদক নিযুক্ত হয় আৰু কেবাঠাইতো খাদী কেন্দ্ৰ স্থাপন কৰে।

গঠনমূলক কাৰ্যৰ প্ৰতি আগ্ৰহ দেখি তেওঁক কংগ্ৰেছৰ তৰফৰ পৰা অসম, মণিপুৰ, ত্ৰিপুৰা আৰু উত্তৰ ভাৰতৰ বিভিন্ন স্থানত আঞ্চলিক সংগঠনৰ দায়িত্ব দিয়া হৈছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত তেওঁৰ নেতৃত্ব আৰু কৰ্মকুশলতাই বহুতৰে মন জয় কৰিছিল। এবাৰ আত্মগোপন কৰি

থকা অৱস্থাৰ পৰা ওলাই আহি তেওঁ সমবেত হোৱা ৰাইজলৈ বন্দুক টোৱাই থকা চিপাহীৰ সন্মুখত থিয় দিছিলহি আৰু ৰাইজক শান্তিপূৰ্ণভাবে সেই ঠাইৰ পৰা আঁতৰি যাবলৈ কৈছিল। ৰাইজ আঁতৰি গ'ল। পুলিচে চলিহাদেৱক গ্ৰেপ্তাৰ কৰিয়েই ক্ষান্ত হ'ল, ৰাইজক গুলীয়াবলগীয়া নহ'ল। তেনেকুৱা আছিল তেখেতৰ আত্মবিশ্বাস আৰু সাহস। ১৯৫০ চনৰ অক্টোবৰ মাহত চলিহা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক হয় আৰু ১৯৫২ চনত সেই কমিটিৰ সভাপতি নিৰ্বাচিত হয়। ১৯৫৭ চনৰ ২৮ ডিচেম্বৰত অসমৰ মুখ্যমন্ত্ৰী হওঁতে তেখেত বিধান সভাৰ সদস্য নাছিল। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়া কংগ্ৰেছৰ অন্তৰ্দলীয় কন্দলৰ বলি হৈ পদত্যাগ কৰি তামিলনাডুৰ ৰাজ্যপাল হৈ যোৱাত বিমলা প্ৰসাদ চলিহাদেৱ বিধানসভাৰ সদস্য নোহোৱা সত্বেও মুখ্যমন্ত্ৰী হ'লহি। বিধান সভাৰ সদস্য পদৰ কাৰণে তেখেতে আমগুৰি সমষ্টিৰ পৰা নিৰ্বাচনত উঠি তেওঁৰ প্ৰতি দ্বন্দ্বী আৰ, চি, পি, আইৰ প্ৰাৰ্থী খগেন্দ্ৰনাথ বৰবৰুৱাৰ হাতত অপ্ৰত্যাশিতভাৱে পৰাজয় বৰণ কৰে। অসমৰ মুখ্যমন্ত্ৰী হৈ থাকিব লাগিলে বিধান সভাৰ সদস্য হ'ব লাগিব। তেওঁৰ ৰাজনৈতিক জীৱনৰ এনে সন্ধিক্ষণত তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিল মইনুল হক চৌধুৰী। তেওঁ চলিহা ডাঙৰীয়াক কাছাৰৰ বদৰপুৰ সমষ্টিৰ পৰা নিৰ্বাচনত জয়লাভ কৰাই আনিলে। অসমৰ যিকোনো এটা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ অহাটো অতিশয় প্ৰয়োজনীয় আছিল। কিন্তু বদৰপুৰৰ পৰা বিধানসভাৰ সদস্য হৈ অহা বাবে কেতবোৰ অবাঞ্ছনীয় বাধ্যবাধকতাত আবদ্ধ হৈ পৰিবলীয়া হৈছিল।

গঠনমূলক কামত তেখেতৰ কৃতিত্বৰ বাবে মুখ্যমন্ত্ৰী বৰদলৈ ডাঙৰীয়াই চলিহাক অন্যতম সংসদী সচিবৰ বাব দি গ্ৰামোন্নয়ন বিভাগৰ দায়িত্ব দিছিল। একে সময়তে নিযুক্তি দিয়া আনজন সংসদী সচিব আছিল মহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়া। এটা সময়ত গ্ৰামোন্নয়ন বিভাগ আৰু পৰ্যটন বিভাগ, প্ৰচাৰ বিভাগৰ লগত সংযুক্ত আছিল। চলিহা ডাঙৰীয়া প্ৰচাৰ বিভাগৰ অধিকৰ্তা হৈ থকা সময়তে গ্ৰামোন্নয়ন বিভাগ আৰু পৰ্যটন বিভাগ সুকীয়া সুকীয়া বিভাগ হ'ল।

বিষ্ণুৰাম মেধি অসমৰ মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত বিমলা প্ৰসাদ চলিহা সংসদৰ সদস্য আছিল। সেই সময়ত সংসদত অসমৰ আন আন সদস্যসকল আছিল দেৱকান্ত বৰুৱা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, দেবেশ্বৰ শৰ্মা আদি। তেতিয়া অসম ৰাজ্যৰ লেখত ল'বলগীয়া কংগ্ৰেছী নেতাসকল আছিল বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, ৰূপনাথ ব্ৰহ্ম, মতিৰাম বৰা, ৰামদাস আদি। ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে দিল্লীত আৰু অসমত থকা কংগ্ৰেছী দলত পৰস্পৰ বিৰোধী ভাৱাপন্ন লোক আছিল। দিল্লীৰ দলটোৰ বদ্ধমূল ধাৰনা আছিল যে বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী হৈ থাকিলে অসম ৰসাতলে যাব। সেইবাবে অসমত কংগ্ৰেছৰ নেতৃত্ব তেওঁলোকৰ অধিকাংশলৈ নিলেহে অসমৰ উন্নতি হ'ব। তেওঁলোকৰ এনে মনোভাৱ যে নিঃস্বাৰ্থ নাছিল সেইটো প্ৰমাণিত হ'বলৈ বেছিদিন নেলাগিল। মেধিৰ বিদ্বেষী কংগ্ৰেছী উপদলটো কালক্ৰমত অসম বিধানসভাৰ সদস্যৰূপে নিৰ্বাচিত হ'ল। উল্লেখ কৰা প্ৰয়োজন যে ১৯৫২ চনত সাধাৰণ নিৰ্বাচনৰ সময়ত চলিহা ডাঙৰীয়া অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ পদত আছিল। ১৯৫৩ চনত কেন্দ্ৰীয় চৰকাৰত ডেপুটি মিনিষ্টাৰ হৈ থকা সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইৰ মৃত্যু হ'লত তেখেতৰ ঠাইত চলিহা লোকসভালৈ নিৰ্বাচিত হৈছিল।

১৯৫৭ চনৰ ২৮ ডিচেম্বৰ তাৰিখে অসমৰ ৰাজ্যপাল চৈয়দ ফজল আলীয়ে ন-জনীয়া চলিহা মন্ত্ৰীসভাৰ সদস্যসকলক শপত গ্ৰহণ কৰায়। মন্ত্ৰীসভাখন এই লোকসকলৰে গঠিত হ'ল -- বিমলা প্ৰসাদ চলিহা, দেবেশ্বৰ শৰ্মা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, মইনুল হক চৌধুৰী, ৰূপনাথ ব্ৰহ্ম, আব্দুল মতলিব মজুমদাৰ, হৰেশ্বৰ দাস আৰু মহেন্দ্ৰনাথ হাজৰিকা। ফকৰুদ্দিন আলী আহমদ ভাৰতৰ বাহিৰত থকা কাৰণে তেখেতৰ কাৰণে মন্ত্ৰীৰ এখন আসন আছুতীয়াকৈ ৰখা হ'ল। চলিহা মন্ত্ৰীসভাত পাৰ্বত্য ৰাজ্যদাবীৰ নেতা উইলিয়ামছন চাংমাক অন্তৰ্ভুক্ত কৰিছিল। সেইসময়ত বিধান সভাত কংগ্ৰেছ সদস্য লোৱাৰ কোনো প্ৰয়োজন নাছিল। কেপ্টেইন চাংমাক মন্ত্ৰীসভাত লোৱা বাবে চলিহাৰ প্ৰথম মন্ত্ৰীসভাখনে কংগ্ৰেছ কোৱালিশ্যন মন্ত্ৰীসভাৰ ৰূপ ল'লে। বহুতো কংগ্ৰেছী লোকে চলিহা ডাঙৰীয়াৰ সেই কাৰ্য্যটোক বিৰূপ সমালোচনা কৰিছিল। যি ৰাজনৈতিক উদ্দেশ্য সাধনৰ বাবে আৰু পৰম বিশ্বাসত চাংমাক মন্ত্ৰীপদ দিয়া হৈছিল, সেই উদ্দেশ্য অকণো সফল নহ'ল। পাৰ্বত্য ৰাজ্যৰ দাবীত চাংমা অলৰ-অচৰ হৈ ৰ'ল। কথাটো জাতো গ'ল পেটো নভৰিলৰ নিচিনা হ'ল।

যিসকল দিল্লীত থকা অসমীয়া কংগ্ৰেছী সাংসদৰ দ্বাৰা

বিষ্ণু মেধি অপসাৰিত হ'ল আৰু চলিহা ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ল, সেইসকলৰ ভিতৰত কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ বাহিৰে আন কেগৰাকীয়ে পিচলৈ চলিহা বিৰোধী শিবিৰত যোগ দিছিলগৈ। তেওঁলোকৰ বিৰুদ্ধাচৰণে মুখ্যমন্ত্ৰী চলিহাৰ ক্ষতি কৰিব পৰা নাছিল, তেওঁলোকেহে চলিহাৰ কৌশলত আঁতৰি যাবলগীয়া হৈছিল। একালৰ বন্ধু, একালত শত্ৰুৰূপে গণ্য হ'ল। মুখ্যমন্ত্ৰীত্বৰ অভিলাষী দেবেশ্বৰ শৰ্মা, সিদ্ধিনাথ শৰ্মা, মহেন্দ্ৰনাথ চৌধুৰী আদিক নিৰ্বাচনত ঘটুৱাইছিল নাইবা সেইটো সুবিধা লোৱাৰ পৰা বিৰত কৰি ৰাখিব পাৰিছিল।

মুখ্যমন্ত্ৰী চলিহা ডাঙৰীয়াই পাহাৰ আৰু ভৈয়ামত বসবাস কৰা লোকসকলৰ মাজত সংহতি আৰু সমন্বয়ৰ যোগেৰে এখন শক্তিশালী আৰু ঐশ্বৰ্য্যশালী অসম গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল। তেওঁৰ আশা ফলৱতী নহ'ল। তেওঁৰ দিনতেই ভৌগলিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অসমৰ আটাইতকৈ বেছি বিপৰ্য্যয় ঘটিল। চলিহাৰ উদাৰনৈতিক মনোভাবৰ বিৰূপ প্ৰতিফলনহে হ'ল।

চলিহা ডাঙৰীয়া অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি হৈ থকা সময়ত তেখেতে তেতিয়াৰ কংগ্ৰেছ মহাসভাৰ সভাপতি ডেবৰ ভাইক লৈ নগাসকলৰ লগত আলাপ-আলোচনাৰ যোগেৰে শান্তি প্ৰতিষ্ঠাৰ মানসেৰে নগা পাহাৰলৈ যাবৰ কাৰণে যথোচিত সা-সুবিধা দিবলৈ মুখ্যমন্ত্ৰী মেধি ডাঙৰীয়াক অনুৰোধ কৰিছিল। মুখ্যমন্ত্ৰীয়ে তেখেতৰ অনুৰোধ ৰখাত অসম্মতি প্ৰকাশ কৰিলে। তেখেতে চলিহা ডাঙৰীয়াক জনালে যে কংগ্ৰেছী লোকক তালৈ যাবলৈ চৰকাৰৰ তৰফৰ পৰা একেটা উদ্দেশ্যতে নগা পাহাৰলৈ যাবলৈ চৰকাৰৰ সহায়-সহযোগ বিচাৰে তেনেহ লৈ সেইবোৰ ৰাজনৈতিক দলৰ তেনেকুৱা অনুৰোধ প্ৰত্যাখ্যান কৰিব পৰা নহ'ব। নগা পাহাৰখন ৰাজনৈতিক আৰু কূটনৈতিক খেলৰ বলি হ'বলৈ দিব নেলাগে। চলিহা ডাঙৰীয়া মুখ্যমন্ত্ৰীৰ কথাত অত্যন্ত ক্ষুব্ধ হ'ল আৰু চৰকাৰী সহায় নোলোৱাকৈ কংগ্ৰেছৰ তৰফৰ পৰাই উদ্দেশ্য সিদ্ধিৰ বাবে যথাযথ কাম হাতত ল'লে। তাৰে অৱশ্যম্ভাৱী পৰিণতি হ'ল নগাপাহাৰ শান্তি মিছন। সেই মিছনটোৰ সদস্যসকল হ'ল -- জয়প্ৰকাশ নাৰায়ণ, ৰেভাৰেণ্ড মাইকেল স্কট আৰু বিমলা প্ৰসাদ চলিহা। কেবাবাৰো আলোচনা কৰি সফল কাম নোহোৱাৰ বাবে জয়প্ৰকাশ নাৰায়ণ ডাঙৰীয়াই সদস্য পদ ত্যাগ কৰিলে। মাইকেল স্কটেও ভাৰতৰ পৰা বিদায় ল'বলগীয়া হ'ল। তাৰ পাচতো চলিহা ডাঙৰীয়াই সমস্যা সমাধানৰ বাবে আশাওধীয়াভাৱে লাগি আছিল। অৱশেষত ঈপ্সিত ফল লাভ কৰিব নোৱাৰাৰ বাবে শান্তি মিছন ভংগ কৰি দিয়া হ'ল। শান্তি মিছনটোৰ বিষয়ে তেখেতে বিধান সভাত কৈছিল, *If I have joined the Nagaland Peace Mission it is not for any other purpose but as a duty to the Nagaland people.*

চলিহা ডাঙৰীয়াৰ ৰাজত্বৰ কালত নগা সমস্যাৰ দৰে মিজো সমস্যাও এটা উল্লেখযোগ্য ঘটনা আছিল। ১৯৬৬ চনৰ ২৮ ফেব্ৰুৱাৰীৰ মাজনিশা আইজাল আৰু লুংলে চহৰৰ চৰকাৰী কোষাগাৰৰ পৰা ধন লুণ্ঠনৰ দ্বাৰা মিজো বিদ্ৰোহৰ পাতনি মেলা হয়। মুখ্যমন্ত্ৰী চলিহাই ঘোষণা কৰিলে যে এসপ্তাহৰ ভিতৰতে মিজো বিদ্ৰোহ দমন কৰিব পৰা হ'ব। তেখেতৰ কথাটো সঁচা নহ'ল আৰু এই বিদ্ৰোহ দহবছৰমান চলিল। মিজো বিদ্ৰোহৰ বিষয়ে বিধান সভাত তেখেতে ক'লে, *"Let the Mizo people, the people of India and the people of the world know that the Mizo National front leaders are betrayers"*. বিদ্ৰোহী নেতা লালডেঙাই কেবছৰমান পাছত মিজোৰামৰ মুখ্যমন্ত্ৰীৰ আসন শোভা কৰিছিল।

"চলিহাই পাৰ্বত্য লোকসকলৰ প্ৰতি যিভাৱে উদাৰনীতি লৈছিল, তাৰ বিনিময়ত পাৰ্বত্য লোকসকলে, অন্ততঃ তেওঁলোকৰ নেতাসকলে চলিহাৰ নীতিৰ প্ৰতি অকৃত্ৰিম সহযোগ আগবঢ়োৱা নাছিল, যাৰ ফলত চলিহা এই ক্ষেত্ৰত নগা নেচনেল কাউন্সিলৰ নেতাৰ হাতত, মিজো নেচনেল ফ্ৰন্টৰ নেতাৰ হাতত, খাছীসকলৰ অল পাৰ্টিজ হিল লীডাৰ্ছ কনফাৰেন্সৰ নেতাৰ হাতত পদে পদে প্ৰতাৰিত হৈছিল। সন্দেহ নাই, চলিহাৰ ৰাজনৈতিক জীৱনৰ পক্ষে সেয়া হৈ উঠিছিল চৰম ব্যৰ্থতা।"

অসমৰ এটা অভূতপূৰ্ব, দুৰ্যোগপূৰ্ণ কালত চলিহা ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰিবলগীয়া হৈছিল। চীনৰ ভাৰত আক্ৰমণ (১৯৬২), পাকিস্তানৰ ভাৰত আক্ৰমণ (১৯৬৫), ভাষা আন্দোলন (১৯৬০), খাদ্য আন্দোলন (১৯৬৬), তেল শোধানাগাৰ আন্দোলন (১৯৫৭), বানপানী, অসমৰ অঙ্গচ্ছেদন আদি শাসনৰ গুৰি ধৰা একেজন লোকৰ আমোলত ইমানবোৰ ঘটনা ঘটাটো আনৰ ক্ষেত্ৰত বিৰল। ❑

# অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱা আৰু তেওঁৰ সমাজ সচেতনতা

ধনেশ্বৰ দাস
প্ৰাক্তন ছাত্ৰ

উনবিংশ শতিকাৰ শেষ ভাগৰ পৰা আজিলৈ যি সকল বৰেণ্য সাহিত্যিকে অসমীয়া সাহিত্যৰ কাননলৈ তেওঁলোকৰ অৰ্ঘ্য নিবেদিছে তাৰ ভিতৰত ওজা হেমচন্দ্ৰ বৰুৱাই অন্যতম। হেমচন্দ্ৰ বৰুৱা তেওঁৰ অনবদ্য ৰচনাৰে সাহিত্যৰ ফুলনিখন ফলে ফুলে জাতিস্কাৰ কৰিছিল। এই গৰাকী মহান ব্যক্তিয়ে অসমী আইৰ কোলাত উপজি নিৰুৎসাহিত, নিষ্পেষিত, নিষ্প্ৰভ আৰু হীনমন্যতাত ভোগা অসমীয়া জাতিটোক পুনৰুজ্জীৱিত তথা অসমীয়া ভাষাক স্বকীয় প্ৰতিভাৰে মহিমামণ্ডিত কৰিবলৈ অহোপুৰুষাৰ্থভাৱে কাম কৰি গ'ল। অসমীয়া সাহিত্যৰ ৰূপৰেখাত ড° মহেশ্বৰ নেওগে ব্যক্ত কৰিছে — "যি কাম এটা অনুষ্ঠানে কৰিব লাগিছিল, সি হেমচন্দ্ৰ বৰুৱাৰ ব্যক্তিগত কীৰ্তি হৈ ৰ'ল।" (পৃঃ ২৩৭) অসমীয়া সাহিত্যৰ আন এগৰাকী বুৰঞ্জীলেখক ড° সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁৰ সাহিত্যৰ বুৰঞ্জী 'অসমীয়াৰ সাহিত্যৰ ইতিবৃত্ত'ত "বৈজ্ঞানিক পদ্ধতিত প্ৰথম অভিধান প্ৰণয়নকাৰীৰূপে, অসমীয়া আখৰ জোঁটনিক সুস্থিৰৰূপ দিওঁতা হিচাপে প্ৰথম আৰু অদ্বিতীয় ব্যংগলিখক ৰূপে আৰু গদ্যলেখক ৰূপে হেমচন্দ্ৰ বৰুৱাই বিশিষ্ট স্থান লাভ কৰি থাকিব বুলি আস্থা ৰাখিব পাৰি।" (পৃঃ ২১৫)

মুক্তাৰাম বৰুৱাৰ ঔৰসত আৰু তেওঁৰ দ্বিতীয় পত্নী ৰূপহীদেৱীৰ গৰ্ভত ১৭৫৭ শকৰ ২৪ আঘোন কৃষ্ণ চতুৰ্থীৰ ৰাতি মঙলবাৰে শিৱসাগৰ জিলাৰ ৰজাবাহৰত হেমচন্দ্ৰ বৰুৱা উপজে। এবছৰ বয়সতে মাকৰ পৰলোক প্ৰাপ্তি হয়। আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা নোহোৱা হেতুকে পিতৃয়ে ঘৰতে সংস্কৃত শিক্ষা দিয়ে। ন বছৰ বয়সতহে আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। ১৭৬৯ শকত ব্যাকৰণ পঢ়ি 'সঙ্কিত কিছু ব্যুৎপত্তি' জন্মে। হেমচন্দ্ৰ বৰুৱাই উপজিয়েই এটা বঙলুৱা পৰিবেশ পাইছিল। আত্মজীৱনীত তেখেতে উল্লেখ কৰিছে — "উল্লেখিত সময়ৰ অসমত বঙলা ভাষাৰ বৰ আদৰ আছিল, মাতৃভাষাক সকলোৱে ঘিনাইছিল। ইস্কুলত বঙলা, কছাৰিত বঙলা, ডেকা বিলাকৰ আলাপত বঙলা আৰু তেওঁলোকৰ চিঠিটো বঙলা ভাষাহে চলিছিল। সকলোৱে ৰঙ্গিনী ৰঙ্গিয়াক সংগিনী কৰি লৈছিল। অৱশ্যে ময়ো এই নিয়মৰ বাহিৰ নাছিলোঁ। বঙ্গভাষা মোৰ বুকুৰ কুটুম আছিল।" সেই সময়ত ৰজা বাহৰৰ ওচৰৰ গাওঁবোৰত 'বিসূচিকা'ই উগ্ৰমূৰ্ত্তি ধাৰণ কৰে আৰু এইৰোগতে মুক্তাৰাম বৰুৱাই মৃত্যুমুখত পৰে। তেতিয়া হেমচন্দ্ৰ বৰুৱাৰ বয়স আছিল ১১ বছৰ।

সেই সময়ত তেওঁৰ দদাইদেৱেক লক্ষ্মীনাথ বৰুৱা শিৱসাগৰত কালেক্টৰীৰ চিৰস্তাদাৰ আছিল। তেঁৱেই নিঠৰুৱা হেমচন্দ্ৰ বৰুৱাক শিৱসাগৰলৈ লৈ যায় আৰু তেওঁৰেই অনুগ্ৰহত মাহে ৪ টকা দৰমহাত নকল নবীচৰ কামত সোমায়। প্ৰাচীন পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল লক্ষ্মীনাথ ইংৰাজী শিক্ষাৰ ঘোৰ বিৰোধী আছিল। ফলস্বৰূপে বৰুৱাই লুকাই চুৰকৈ কেপ্তেন ব্ৰোডী চাহাবৰ ঘৰলৈ গৈ ইংৰাজী শিকিছিল। হেমচন্দ্ৰ বৰুৱা আছিল দৃঢ়সংকল্পী আৰু অতি বুধিয়ক। এই প্ৰসংগত বিশিষ্ট পণ্ডিত বনকলাল বৰুৱাই লিখিছে - "তেওঁৰ সময়ত তেওঁ অসমীয়াৰ ভিতৰত এজন বিশেষকৈ ইংৰাজী জনা লোক আছিল। দূৰৈৰ ঠাই আৰু ভিন জিলাৰ মানুহেও তেওঁৰ দ্বাৰাই ইংৰাজীত দৰ্খাস্ত লিখিবলৈ তেওঁৰ ওচৰলৈ আহিছিল।" হেমচন্দ্ৰই লুকাই চুৰকৈ ইংৰাজী শিকা বুলি জানি দদাইদেৱেকক পানীৰ ছাট্‌পোৱা পকা তেলৰ দৰে জ্বলালে আৰু ফলি পুথি বান্ধিলৈ ঘৰলৈ উভতি অহা আৰু ইংৰাজী শিক্ষাক বিসৰ্জন দিয়াই তাৰ ফল হ'ল।

মূৰৰ ওপৰত স্বাৱলম্বী আৰু সাবালক নোহোৱালৈকে হেমচন্দ্ৰই মুকলি ভাবে ইংৰাজী শিকা সম্ভৱপৰ হোৱা নাছিল। ইংৰাজী শিক্ষাৰ প্ৰতি তেওঁৰ কিয় ইমান আগ্ৰহ আছিল সেইকথা আত্মজীৱনীৰ পৰা জনাৰ কোনো উপায় নাই। খুউব সম্ভৱ

বহিৰ্জগতৰ লগত পৰিচিত হোৱাৰ মানসেৰে ইংৰাজী শিকাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। ১৮৮৫ চনত হেমচন্দ্ৰ বৰুৱাই ছমাহৰ কাৰণে গোলাঘাটৰ পেচকাৰ পদত চাকৰি পায়। পেচকাৰ বিদ্ৰোহত লিপ্ত থকাৰ কাৰণে তাৰ পৰা আহি ইংৰাজী ই স্কুলত দ্বিতীয় শিক্ষক হয়। তাৰ পিছত মাহে ২৫ টকা বেতনত ৰেবনিউ মহাফেজ হৈ ১৮৬২ চনলৈ থাকে যদিও সেই বছৰতে জুদিচিয়েল কমিছনাৰ মেজৰ জেনেৰেল এগ্নিউৱে হেমচন্দ্ৰ বৰুৱাক তেওঁৰ আদালতৰ ট্ৰেনশ্লেটৰ পাতিলে। শেষলৈ তাতেই চাকৰি কৰি অধীক্ষকৰ পদলৈ উন্নীত হৈ ১৮৮১ চনত অবসৰ গ্ৰহণ কৰে।

হেমচন্দ্ৰ বৰুৱাই 'কানীয়াৰ কীৰ্ত্তন' (১৮৬১), 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী' পুথি দুখনৰ মাজেদি বিশ্বাসৰ সলনি যুক্তিক ধৰ্মৰ সলনি বিজ্ঞানক প্ৰতিষ্ঠা কৰিবলৈ তৎপৰ হৈছিল। 'কানীয়াৰ কীৰ্ত্তন' ৰচনা কৰাৰ সময়ত হেমচন্দ্ৰ বৰুৱাৰ বয়স আছিল একুৰি ছয় বছৰ। সমগ্ৰ অসম কানি ববিহে ছানি ধৰিছিল। সেই সময়ত চযল তথা সচেতন যুৱক হেমচন্দ্ৰ বৰুৱাই কানিৰ প্ৰভাব মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু তাৰ নিৰাময়ৰ বাবে সাহসিকতাৰে কলম তুলি ধৰিছিল। 'কানীয়াৰ কীৰ্ত্তন'ৰ নায়ক ডেকা মৌজাদাৰ কীৰ্ত্তিচন্দ্ৰ তিল তিলকৈ অধঃপতনৰ ফালে ধাবিত হৈছিল লগতে পৰিয়ালটোও উচ্ছন্ন হৈছিল। অসমীয়া সমাজখনৰ সংস্কাৰ সাধিবলৈ প্ৰত্যেক অসমীয়াক কানিৰ কবলত নপৰিবলৈ কীৰ্ত্তিচন্দ্ৰৰ মুখেদি কোৱাইছে –

কোপা কানি বিহৰ শেষ।
কানীয়াৰ নাই জ্ঞানৰ লেশ।।
হায়! হায়! কি ঘোৰ ক্লেশ।
কানিয়েই খালে অসম দেশ।।'

কীৰ্ত্তিকান্তৰ উপৰিও পদ্মপাণি মহাপুৰুষীয়া মহাজনৰ মুখাপিক্ষা চৰিত্ৰৰ ৰূপ উদঙাই দি তেওঁ সাহসিকতাৰ পৰিচয় দিছে। লগতে ইংৰাজ সকলৰ শাসনৰ কুৎচিত ৰূপটোও সুন্দৰভাৱে বৰ্ণনা কৰিছে। 'কানীয়াৰ কীৰ্ত্তন' ৰচনা কৰি হেমচন্দ্ৰ বৰুৱাই যি দায়বদ্ধতাৰ চিনাকি দিলে, সিয়ে তেওঁৰ অসীম সাহসিকতা আৰু সবল ব্যক্তিত্বৰ পৰিচয় দিয়ে। আত্মবিস্মৃত অসমীয়া জাতিৰ বিবেক বিবেচনাৰ উদ্ৰেক কৰিছে তেওঁ কীৰ্ত্তনৰ মাজেদিও। কানিৰ কবলত পৰি সৰ্বস্বান্ত হোৱা অসমখনক পুনৰুদ্ধাৰ কৰিবলৈ হেমচন্দ্ৰ বৰুৱাই অকলে কলম তুলি লৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ আন এখন ব্যঙ্গাত্মক ৰচনা হ'ল 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী'। সেই সময়ৰ অসমত সামন্তযুগীয় প্ৰথা বিলুপ্তি সাধন কৰাই আছিল তেওঁৰ একমাত্ৰ লক্ষ্য। সেই লক্ষ্যত উপনীত হ'বলৈ তেওঁ সহায় লৈছিল তীব্ৰ ব্যঙ্গৰ। আনকি নাম বিলাকতো শ্লেষ নিহিত হৈ আছে – কোৰথনীয়া সত্ৰ, ভণ্ডেশ্বৰ বৰুৱা, মৰ্কটেশ্বৰ ফুকন আদি। সেইকাৰণে অধ্যাপক শশী শৰ্মাই হেমচন্দ্ৰ বৰুৱাক অসমৰ 'ছুইফ্‌ট' আখ্যা দিছে। ছুইফটে 'গালিভাৰ্চ ট্ৰেভেল' ৰচনা কৰি ব্যংগ বিদ্ৰূপৰ সহায়ত সমগ্ৰ ইংৰাজ জাতিটোৰ বিৰুদ্ধে অকলে থিয় দিছিল। ভেশছন সৰ্বস্ব ভণ্ডেশ্বৰ বৰুৱা, তথাকথিত সিদ্ধপুৰুষ বীৰেন্দ্ৰ বৰুৱা, ইমানুদ্দিন দাৰোগা, বিচাৰক ড্ৰিংক ব্ৰাণ্ডী ইটৰেল, জ্যোতিষী বৰদলৈ, ভূত খেদা ওজা আদি সকলোকে ব্যংগ ভাবে চিত্ৰিত কৰি কোৱাভাতুৰীয়া ৰূপ উদঙাই দি কুসংস্কাৰ ভেম ভণ্ডামি মুক্ত সমাজ এখন গঢ়িব বিচাৰিছিল য'ত প্ৰভু আৰু ভৃত্যৰ কোনো পাৰ্থক্য নাথাকিব।

স্বদেশ আৰু স্বজাতি আছিল হেমচন্দ্ৰ বৰুৱাৰ হিয়াৰ আমঠু। অসমীয়া জাতিৰ অধঃপতন দেখি হেমচন্দ্ৰ বৰুৱাৰ হৃদয়ে চিৎকাৰ কৰি উঠিছিল। অন্ধকাৰাচ্ছন্ন অসমক কুসংস্কাৰ অন্ধবিশ্বাস, অনীতি অনিয়মৰ পৰা মুক্ত কৰিবলৈ জনপ্ৰিয় মাধ্যম সাহিত্যৰ আশ্ৰয় লৈছিল। "তেওঁৰ সমকালীন আৰু পিছৰ সমাজনেতা সকলৰ সৰহ সংখ্যকেই আছিল আপোচকামী, তেওঁ আছিল আপোচহীন *Radical* সংগ্ৰামী।" (সৰ্বেশ্বৰ শৰ্মা কটকীৰ হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত)

নাৰীসকল যাতে পুৰুষৰ সমানে আগবাঢ়ি যাব পাৰে তাৰ প্ৰতি তেওঁ সচেতন আছিল। সমাজ এখনে উন্নতি সাধন কৰিব লাগিলে সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰিব লাগিলে সেই সমাজৰ প্ৰত্যেক গৰাকী নাৰীয়ে শিক্ষিত হোৱাটো প্ৰয়োজন। মনু পৰাশৰৰ দিনৰে পৰা ভাৰতীয় নাৰী সকলক পণ্য সামগ্ৰী বুলি বিবেচনা কৰা হৈছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰই নাৰীক সন্তান জন্ম দিয়া ছালৰ মোনা বুলি অৱজ্ঞা কৰিলে কিন্তু হেমচন্দ্ৰ বৰুৱাৰ যুক্তিবাদী মনে সময়ৰ সোঁতত গা উটুৱাই নিদিলে। বিদ্যাসাগৰৰ দৰে, গুণাভিৰামৰ দৰে তেওঁৰো বিধবা বিবাহৰ সমৰ্থক আছিল। তেওঁৰ যুক্তি আছিল পুৰুষে পত্নী মৰিলে পুনৰ বিয়া কৰাব পাৰে কিন্তু নাৰীয়ে পতি মৰিলে দ্বিতীয় বিবাহ কৰাত বাধা ক'ত? সেই কাৰণে তেওঁ পত্নী বিয়োগতো পুনৰাই বিয়া কৰোৱা নাছিল। ১৮৬১ চনৰ এপ্ৰিল

সংখ্যা 'অৰুণোদই'ত 'হ' 'চ' নামেৰে স্ত্ৰীশিক্ষা নামৰ ৰচনাটিৰ ৰচক আছিল স্বয়ং হেমচন্দ্ৰ বৰুৱা। ইয়াক তেওঁৰ উদাৰ আৰু সমাজ সচেতন মনৰ অনুপম নিদৰ্শন বুলিব পাৰি।

সাহিত্যৰ বিভিন্ন দিশত হাতফুৰোৱা হেমচন্দ্ৰ বৰুৱাৰ এক অক্ষয় কীৰ্তি আছিল 'হেমকোষ'। 'অৰুণোদই' সংবাদ পত্ৰৰ তথা আমেৰিকাৰ ব্যাপ্টিষ্ট মিছনেৰী সকলৰ আখৰ জোঁটনি ৰীতিৰ সমূলি বিৰোধিতা কৰিছিল আৰু তাৰেই ফলস্বৰূপে সৃষ্টি হৈছিল তেওঁৰ অসমীয়া ব্যাকৰণ (১৮৫৯)। আদিপাঠ মাতৃভাষাৰ মাধ্যমৰ আন এখন উল্লেখযোগ্য ৰচনা (১৮৮৬)। ইয়াৰ বাবে হেমচন্দ্ৰ বৰুৱাই ৫০০ টকা বঁটা পায়। অন্য অসমীয়া লোকৰ বাবে ইংৰাজীত লিখা অসমৰ মানুহৰ বিবাহ পদ্ধতি *(Notes on the marriage system of the people of Assam, 1892)* তেওঁৰ অইন এখন পুথি। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আদিপাঠখনত ব্যৱহাৰ কৰা 'ৱ' বৰ্ণটো সম্পৰ্কে চৰকাৰে তোলা আপত্তি তেওঁ যুক্তি সহকাৰে 'ৱ' বৰ্ণৰ বৈশিষ্ট্য সম্পৰ্কে কেবাখনো চিঠিৰে চৰকাৰক বুজাই দিলে। নহ'লে হয়তো আমি 'ৱ' বুলি এটি স্বকীয় বৰ্ণ নাপালোঁহেতেন। হেমচন্দ্ৰ বৰুৱাৰ 'পাঠমালা' সংস্কৃত আৰু ইংৰাজী পুথিৰ স্বনিৰ্বাচিত এখনি সংকলন। ১৩২ পৃষ্ঠাৰ বৃহৎ পুথিখনত ৫ টা অধ্যায় আছে। ইয়াৰ গদ্য ৰীতি সহজ সৰল, ভাষা ওজস্বীপূৰ্ণ, কঠিন শব্দৰ প্ৰয়োগ নাই। প্ৰায়ভাগ পাঠেই উপদেশমূলক। আন এখন অনুবাদ পুথি আছিল 'স্বাস্থ্য ৰক্ষা' *(Way to health)*। ইয়াত স্বাস্থ্য ৰক্ষাৰ বিভিন্ন নিয়ম লিপিবদ্ধ কৰা আছে। 'আসাম নিউজ' নামৰ সাদিনীয়া ইংৰাজী অসমীয়া কাকতো তেওঁ সম্পাদনা কৰিছিল। উক্ত কাকতখনত সম-সাময়িক অভাৱ অভিযোগবোৰ চৰকাৰৰ দৃষ্টিত পেলাবলৈ যত্ন কৰিছিল। স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দ্বাৰ হৈছে মাতৃভাষা। এই কথা হেমচন্দ্ৰ বৰুৱাই ভালকৈ উপলব্ধি কৰিছিল। সেয়ে মাতৃভাষাৰ মাধ্যমত পাঠ্যপুথি, অভিধান, ব্যাকৰণ, নাটক আদি ৰচনা কৰি অসমীয়া ভাষাটোক উন্নতিৰ শিখৰত তুলি থৈ গৈছে। সেইজন হেমচন্দ্ৰ বৰুৱা কবিৰ ভাষাত—

*হেমৰ কোষেৰে                    ওখ দ'ল বান্ধি*
*ভাষাক সাৰথি কৰি,*
*নুমাবলগীয়া                    অসমীয়াৰ নাম,*
*জ্বলালে উজ্জ্বল কৰি।*

তথাকথিত ভদ্ৰলোক সকলৰ স্বাৰ্থৰ বিৰুদ্ধে যেতিয়া মাত মতা হয় তেতিয়া তেওঁলোক কোবখোৱা ফেঁটীসাপৰ দৰে জাতুৰ খাই উঠে। মনু পৰাশৰৰ দিনৰে পৰা চলি অহা সাতামপুৰুষীয়া ৰীতি-নীতিক ওফৰাই দিয়া বাবে তেওঁক সমাজৰ পৰা এঘৰীয়া কৰি থোৱা হৈছিল। তথাকথিত মুখা পিন্ধা ভদ্ৰলোক সকলৰ বাবে তেওঁ আছিল অস্পৃশ্য। অতি পৰিতাপৰ বিষয় যে এই গৰাকী মহান ব্যক্তিৰ বিয়োগত গুৱাহাটীস্থ মাণিকৰ মোল নুবুজা অসমীয়া ডেকা-বুঢ়াই তেওঁৰ সংকাৰ কৰিবলৈ আগবাঢ়ি নাহিল। এই গৰাকী গুণীৰ মোল সেই সমাজৰ অসমীয়াই বুজা নাছিল।

প্ৰকৃততে হেমচন্দ্ৰ বৰুৱা আছিল অসমীয়া সাহিত্যৰ এগৰাকী বাটকটীয়া, এগৰাকী অন্যতম ব্যঙ্গ লিখক। অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক, সাংবাদিক, সমাজ সংস্কাৰক যিয়ে সামন্ত যুগীয়া প্ৰথাৰ বিলুপ্তি সাধন কৰি এখন সৰ্বাংগ সুন্দৰ অসম গঢ়ি তুলিব বিচাৰিছিল। ❑

<u>সহায়ক পুথি ঃ</u>

১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ড° সত্যেন্দ্ৰ নাথ শৰ্মা।

২। অসমীয়া সাহিত্যৰ ৰূপৰেখা, ড° মহেশ্বৰ নেওগ।

৩। আত্মজীৱন চৰিত্ৰ, হেমচন্দ্ৰ বৰুৱা।

# জেন আষ্টেন ঃ এটি পৰিচয়

কল্যাণী দাস
মুৰব্বী, ইংৰাজী বিভাগ

*(বিখ্যাত ঔপন্যাসিকা জেন আষ্টেনৰ ১৭৭৫ খ্ৰীষ্টাব্দৰ ১৬ ডিচেম্বৰত হেম্পশ্বায়াৰৰ ষ্টিভেনটনত জন্ম হয়। পিতৃ স্থানীয় গীৰ্জাৰ ধৰ্মযাজক ৰেভাৰেণ্ড জৰ্জ আষ্টেন আৰু মাতৃ কাছেন্দ্ৰা। আঠোটা সন্তানৰ ভিতৰত জেন ষষ্ঠ। জেনৰ জীৱনলৈও প্ৰেমৰ জোৱাৰ আহিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আকস্মিকভাৱে প্ৰেমিকজনৰ সাগৰত সলিল সমাধি ঘটে। সেই শোকাৱহ ঘটনাই জেনৰ জীৱনলৈ আনিলে বিৰাট পৰিৱৰ্তন। সংসাৰ সুখৰ আশাৰ সমাধি ঘটাই গভীৰভাৱে সাহিত্য সৃষ্টিত মনোনিবেশ কৰিলে। জীৱনজোৰা সাধনাৰে বিশ্বাবাসীক উপহাৰ দিলে কেইখনমান কালজয়ী উপন্যাস। চিৰকুমাৰী জেনৰ ১৮১৭ খ্ৰীষ্টাব্দৰ ১৮ জুলাইত দেহাৱসান হয়)*

**— তত্ত্বাৱধায়ক**

ওঠৰ শতিকাৰ শেষ ভাগৰ কথা। কুৰিৰ দেওনা পাৰ হোৱা এগৰাকী লিখিকাই দুখন উপন্যাস লিখিছে কিন্তু প্ৰকাশ কৰিবলৈ প্ৰকাশকৰ অভাৱ। ইমান কোমল বয়সৰ লিখিকাই লিখা উপন্যাস কোনে পঢ়িব? প্ৰকাশ কৰি যি ধন ব্যয় কৰা হ'ব সেই ধন অথলে যাব।

এই লিখিকা গৰাকী অন্য কোনো নহয় তেওঁ আছিল স্বনামধন্য লিখিকা জেন আষ্টেন (১৭৭৫-১৮১৭ খ্ৰীষ্টাব্দ)। কিতাপ দুখন আছিল "প্ৰাইড এণ্ড প্ৰেজুডিচ"*(Pride and Prejudice)* আৰু "চেন্‌চ এণ্ড চেন্‌চিবিলিটি"*(Sence and sensibilivty)*। প্ৰকাশকে তেতিয়া ভবা নাছিল প্ৰাইড এণ্ড প্ৰেজুডিচ নামৰ কিতাপখন বিশ্বৰ শ্ৰেষ্ঠ উপন্যাসৰ মাজত স্থান পাব।

জেন আষ্টেনৰ উপন্যাস 'চেন্‌চ এণ্ড চেন্‌চিবিলিটি' প্ৰকাশ পাইছিল ১৮১১ চনত, 'মেন্‌চ ফিল্ড পাৰ্ক' ১৮১৪ চনত, 'প্ৰাইড এণ্ড প্ৰেজুডিচ' ১৮১৩ চনত আৰু 'এমা' ১৮১৬ চনত প্ৰকাশ পাইছিল। বাকী দুখন উপন্যাস 'নৰ্থাঙ্গাৰ এবে' আৰু 'পাৰ্চুৱেচন' লিখিকাৰ মৃত্যুৰ পিচতহে প্ৰকাশিত হৈছিল। জীৱিত কালত জেন আষ্টেনে নাম যশৰো অধিকাৰিণী হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পিচত সেই সময়ৰ আলোচনী 'দি কোৱৰ্টাৰলি ৰিভিউ'ত লিখকৰ নামবিহীন প্ৰবন্ধ এটা প্ৰকাশ পাইছিল। তাত এই লিখিকাৰ বিষয়ে লিখা হৈছিল — *"That young lady has a talent for describing the involvements and feelings and characters of ordinary life which is to me the most wonderful I ever met with. The big bow-wow strain I can do myself, like any now going; but the exquisite touch which renders ordinary commonplace thing and character interesting, from the truth of the description and the sentiment is denied to me. What a pity such a gifted creature died so early!"* (সেই গাভৰু লিখিকা গৰাকীয়ে সাধাৰণ জীৱনৰ চৰিত্ৰ, চৰিত্ৰৰ বিভিন্ন দিশ সুন্দৰকৈ বৰ্ণনা কৰাত ইমান সিদ্ধহস্ত যে মই তেওঁৰ তেওঁ লিখা পঢ়ি আচৰিত হৈ পৰোঁ। ডাঙৰ ডাঙৰ কথাৰ বিষয়ে ময়ো লিখিব পাৰোঁ, কিন্তু সৰু কথা ইমান সুন্দৰ ইমান মনোমোহাকৈ লিখাৰ সামৰ্থ্য মোৰ নাই। এনেকুৱা অসাধাৰণ প্ৰতিভা সম্পন্না লিখিকা গৰাকীয়ে অকালতে মৃত্যুবৰণ কৰিলে — এইটো বৰ দুখৰ কথা।)

সমালোচকজনৰ নাম পিছত জনা গৈছিল। তেওঁ আছিল সেই সময়ৰ মুধা ফুটা ঔপন্যাসিক ৱাল্টাৰ স্কট যাৰ নাম ইংৰাজী সাহিত্যৰ ঐতিহাসিক উপন্যাসৰ ক্ষেত্ৰত অদ্বিতীয়। স্কটৰ সমালোচনাই পাঠকক জেন আষ্টেনৰ বিষয়ে সজাগ কৰিছিল আৰু তেওঁৰ মহত্বৰ স্বাক্ষৰ স্বৰূপ তেওঁ লিখা উপন্যাস ৰাজি তেওঁলোকৰ প্ৰিয় হৈ উঠিছিল। সেই সময়ৰ পৰা জেন আষ্টেনৰ জনপ্ৰিয়তা বঢ়া টুটা হৈ আছে। বৰ্তমান সময়ত তেওঁৰ জনপ্ৰিয়তা পুনৰ বৃদ্ধি হৈছে। অন্যায়, অবিচাৰ আৰু সন্ত্ৰাসবাদ জৰ্জ্জৰিত বৰ্তমান সময়ৰ সমাজে জেন আষ্টেনে অঙ্কিত কৰা ঘৰুৱা জীৱনৰ

নিৰিবিলি চিত্ৰৰ মাজত সোমাই এক প্ৰকাৰ আশ্ৰয় লোৱা যেন পৰিলক্ষিত হয়।

জেন আষ্টেনৰ উপন্যাস চেন্চ এণ্ড চেন্চিবিলিটিত আমি পাওঁ ডাচউড ভগ্নীদ্বয় এলিনৰ আৰু মেৰিয়েনিক। এলিনৰ পৰিচালিত। যুক্তিৰ দ্বাৰা আনহাতে তেওঁ ভনীয়েক মেৰিয়েনি হৈছে আবেগ প্ৰৱণ স্বভাৱৰ। ডাঙৰ ভনীয়ে এডৱাৰ্ড ফেৰাৰ নামৰ এজন যুৱকৰ আৰু সৰুজনীয়ে জন উইলোবি নামৰ আন এজন যুৱকৰ প্ৰেমত পৰে। এডৱাৰ্ডে এলিনৰক লগ পোৱাৰ আগতে লুচী ষ্টিল নামৰ গাভৰু এগৰাকীক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিছিল। উইলোবিয়ে বিয়া কৰালে ধনী গাভৰু এগৰাকীক। এইদৰে দুয়ো ভনীয়েকৰ প্ৰেমৰ পৰিণতি বিষময় হয়। দুয়োৰে ওপৰত ঘটনাৰ প্ৰতিক্ৰিয়া বেলেগ ধৰণৰ হ'ল — এলিনৰে নিজৰ দুখ বুকুতে সামৰি স্বাভাৱিক হৈ থাকে, মেৰিয়েনিয়ে শোক সামৰিব নোৱাৰি অসুস্থ হৈ পৰে। লুচীক দিয়া প্ৰতিশ্ৰুতি এডৱাৰ্ডৰ মাকে জানিব পাৰি পুতেকক সম্পত্তিৰ পৰা বঞ্চিত কৰিলে। মাকে সম্পত্তি সৰু পুতেকক দিলে। লুচীয়ে অৱশেষত সৰু পুতেকৰ লগত বিবাহ বান্ধোনত আৱদ্ধ হ'ল। এইদৰে এডৱাৰ্ডে এলিনৰক পত্নীৰূপে গ্ৰহণ কৰাত বাধা নাইকিয়া হ'ল। মেৰিয়েনিৰো কৰ্ণেল ব্ৰেনডনৰ লগত বিয়া হ'ল।

প্ৰাইড এণ্ড প্ৰেজুডিচৰ নায়িকা হ'ল এলিজাবেথ বেনেট। বেনেট পৰিয়ালৰ পাঁচজনী ছোৱালীৰ ভিতৰৰ তেওঁ দ্বিতীয় ছোৱালী। মিচেচ বেনেটৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য হ'ল জীয়েকহঁতৰ বিয়া দিয়া। বেনেটহঁতৰ ওচৰৰ ভাৰাঘৰলৈ অবিবাহিত ডেকা বিঙ্‌লী অহাত মিচেচ বেনেটৰ গাত তত নাইকিয়া হ'ল। অন্ততঃ এজনী ছোৱালীক তেওঁলৈ দিব পাৰিলে ভাল হয়। বিঙ্‌লীৰ বন্ধু ডাৰচি হৈছে এই উপন্যাসৰ নায়ক। প্ৰথম দৰ্শনতে ডাৰচিয়ে এলিজাবেথৰ সৌন্দৰ্য্যৰ ওপৰত বিৰূপ মন্তব্য দিয়ে। এলিজাবেথ বুদ্ধিমতী যদিও ডাৰচিৰ ওপৰত প্ৰথমতে বেয়া ধাৰণা কৰিবলৈ আৰম্ভ কৰিলে। উইকহাম নামৰ অন্য এটি চৰিত্ৰই তেওঁৰ এই ধাৰণাক বদ্ধমূল কৰাত সহায় কৰিলে। অহঙ্কাৰী ডাৰচিয়ে প্ৰেমৰ ওচৰত হাৰ মানি এলিজাবেথক বিবাহৰ প্ৰস্তাৱ দিয়ে যদিও এলিজাবেথে সেই প্ৰস্তাৱ গ্ৰহণ নকৰিলে। পিচত অৱশ্যে তেওঁলোক পৰিবৰ্তিত হ'ল আৰু বিবাহো সম্ভৱ হ'ল।

মেন্চফিল্ড পাৰ্কত অঙ্কিত কৰা হৈছে নায়িকা ফেনী প্ৰাইচৰ মানসিক বিকাশ। পটচমাউথত থকা নিজৰ বিশৃঙ্খল ঘৰখনি এৰি দহ বছৰ বয়সতে এনিয়ে স্বচ্ছল অৱস্থাৰ মাহীয়েক মিচেচ বেট্ৰামৰ ঘৰত থাকিবলৈ লৈছিল। মাহীয়েকৰ পুতেক এডমাণ্ডে ফেনীক বৰ মৰম কৰিছিল, ফেনীৰ অন্তৰত তেওঁৰ প্ৰতি ভালপোৱা জাগিছিল। সময়ৰ মুৰত দেখা গ'ল যে এডমাণ্ড আকৰ্ষিত হৈছে লচপচী গাভৰু ক্ৰফোৰ্ডৰ প্ৰতি। হেনৰিয়ে বেট্ৰামৰ জীয়েক মেৰিয়া আৰু জুলিয়াৰ লগত প্ৰেমলীলা কৰি বিবাহৰ প্ৰস্তাৱ দিছে এনিক। এনিয়ে তেওঁৰ প্ৰস্তাৱ মানি নল'লে। ফেনীৰ অন্তৰত এডমাণ্ডলৈ ওপজা প্ৰেমে তেওঁক ৰক্ষা কৰিলে বিবেচনাহীন হেনৰীৰ পৰা। অৱশেষত এনিৰ এডমাণ্ডৰ লগত মিলন ঘটে।

জেন আষ্টেনৰ আন এখনি উপন্যাস এমাৰ কাহিনীভাগ দুভাগত ভগাব পাৰি। এটা কাহিনীয়ে নায়িকা এমা উডহাউচৰ আশে পাশে থকা মানুহৰ অহা-যোৱা, আকৰ্ষণ-বিকৰ্ষণ আদিৰ কথা ব্যক্ত কৰিছে। আনটো কাহিনী হৈছে নায়িকা এমাৰ ভিতৰঘৰকলৈ। ইয়াত প্ৰেমিক প্ৰেমিকা হৈছে তিনিযোৰ - এমা আৰু নাইটলি, চাৰ্চিল আৰু জেন ফেয়াৰফক্স, হেৰিয়েট আৰু মাৰ্টিন। গল্পৰ আদি ভাগত এমা আছিল সকলো জনা অথচ একো নজনা ছোৱালী। জীৱনৰ পৰা শিকনি পাই এমা পৰিবৰ্তিত হ'ল। আত্মসন্তুষ্টিৰ ৰাজ্যৰ পৰা মুক্ত হৈ নিজকে চিনিবলৈ এমাই শিকিলে।

নৰ্থাঙ্গাৰ এবে নামৰ উপন্যাসখনৰ নায়িকা হৈছে কেথেৰিন। তেওঁ থাকে সৰু গাওঁ এখনিত। এলেন পৰিয়ালৰ নিমন্ত্ৰণক্ৰমে কেথেৰিনে বাথনগৰীলৈ যায়। তাত তেওঁৰ আঢ্যৱন্ত ঘৰৰ ডেকা হেনৰী টিলনীৰ লগত পৰিচয় ঘটে। বাথনগৰীতে কেথেৰিনে ইচাবেলাক লগ পায়। দুয়ো গৰাকী গাভৰুৱে মিচেচ ৰেডক্লিফৰ গথিক উপন্যাসৰ উপাসিকা। এনেতে সেই ঠাইলৈ ইচাবেলাৰ ককায়েক জন আৰু কেথেৰিনৰ ককায়েক জেম্চ আহে। হেনৰী টিলনীয়ে ভনীয়েক এলিনৰক লৈ আহিল। হেনৰীয়ে কেথেৰিনক তেওঁলোকৰ পৰিয়ালৰ পুৰণি অট্টালিকা নৰ্থাঙ্গাৰ এবেলৈ নিমন্ত্ৰণ কৰে। মিচেচ ৰেডক্লিফৰ উপন্যাসত এনে অট্টালিকাৰ লগত হত্যাৰ কাহিনী জড়িত হৈ থাকে। কেথেৰিনে এই অট্টালিকালৈ এক ৰোমাঞ্চকৰ আকৰ্ষণ অনুভৱ কৰে। হেনৰীৰ দেউতাক যেন এক ৰহস্যময় পুৰুষ যিজনে হয়তো এই অট্টালিকাতে হেনৰীৰ মাকক হত্যা কৰিছিল। এইদৰে জেন

আষ্টেনে গথিক উপন্যাসৰ বিষয়বস্তুলৈ কটাক্ষপাত কৰিছে। হেনৰীৰ দেউতাকে কেথেৰিনক এগৰাকী ধনীঘৰৰ ছোৱালী বুলি ভাবি পুতেকলৈ আনিবলৈ স্থিৰ কৰিছিল। পিচত তেওঁৰ সেই ভুল ভাগিল। কেথেৰিনক বোৱাৰীৰূপে গ্ৰহণ কৰিবলৈ তেওঁ অস্বীকাৰ কৰিলে। অৱশেষে হেনৰীয়ে কেথেৰিনক ত্যাগ কৰিবলৈ সন্মত নহ'ল। তেওঁলোকৰ বিবাহ সম্ভৱ হ'ল।

পাৰচুৱেচনত আমি লগ পাওঁ সাদৰী এনি এলিয়টক। আঠবছৰ আগেয়ে তেওঁৰ জীৱনত বিভ্ৰাট এটি ঘটি গৈছে। এনিৰ মৃতা মাকৰ বান্ধৱী লেডী ৰাচেলৰ ফুচুলনিত ভোল গৈ তেওঁ স্থিৰ হোৱা বিয়াখনত অসম্মতি প্ৰকাশ কৰিছিল। তেওঁৰ প্ৰেমিক আছিল ফ্ৰেডৰিক উৱেন্‌থৱৰ্থ। বিভিন্ন ঘটনাৰাজিৰ সন্মুখীন হৈ এনিয়ে অৱশেষত বুজি পালে ফ্ৰেডৰিকেই তেওঁৰ প্ৰকৃত প্ৰেমিক আৰু তেওঁৰ ফ্ৰেডৰিকৰ প্ৰতি থকা ভালপোৱা শেষ হোৱা নাই। তেওঁলোকৰ বিবাহতে কিতাপখনৰ পৰিসমাপ্তি ঘটিছে।

উক্ত আলোচনাৰ পৰা বুজা যায় জেন আষ্টেনৰ কাহিনীৰ পৰিসৰ ঠেক আছিল। সৰু ঠাই এখনৰ কেইৰমান মানুহৰ মাজতে কাহিনীবোৰ সীমাবদ্ধ কৰি ৰখা হৈছে। বিষয় বস্তু হৈছে নায়ক-নায়িকা আৰু অন্যান্য ডেকা গাভৰুৰ বিবাহ। কিন্তু ঠেক পৰিসৰৰ দ্বাৰাই ওঠৰ শতিকাৰ শেষভাগৰ ইংলেণ্ডবাসীৰ মধ্যবিত্তসকলৰ জীৱনৰ নিখুঁত ছবি এখন দাঙি ধৰিছে। সেই সময়ত ঔদ্যোগিক বিপ্লৱে ইংলেণ্ডক স্পৰ্শ কৰা নাছিল। সেই সময়ৰ মানুহৰ মাজত আছিল কিছুমান মূল্যবোধ, তাত লাভকৰা অভিজ্ঞতাকে জেন আষ্টেনে উপন্যাসৰ জুমুধি হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁ উপন্যাস লিখা সময়তে নেপোলিয়নৰ উত্থান আৰু যুদ্ধ চলিছিল, এই ঘটনাই সমগ্ৰ ইউৰোপকে অস্থিৰ কৰিছিল, কিন্তু এই ঘটনাই লিখিকাৰ উপন্যাসত ঠাই পোৱা নাই। কেতিয়াবা তেওঁৰ উপন্যাসত অঙ্কিত গাভৰু সকলৰ অন্তৰত ধুমুহা সৃষ্টি কৰিবলৈ দুই এজন মিলিটাৰী অফিচাৰৰ আৱিৰ্ভাৱ নোহোৱা নহয়, কিন্তু তাত বাজে যুদ্ধৰ একো কথাকে জেন আষ্টেনে লিখা নাই।

ইংৰাজী সাহিত্যৰ বিখ্যাত ঔপন্যাসিক ডিকেন্স, স্কট, মেৰিডিথ, থেকাৰে, জৰ্জ্জ এলিয়ট আদিৰ ওপৰত অভিযোগ কৰা যায় যে তেওঁলোকৰ প্লট গাঁথনি শিথিল। জেন আষ্টেন এই অভিযোগৰ পৰা সম্পূৰ্ণ মুক্ত। তেওঁৰ উপন্যাসৰ কাহিনীৰ গাঁথনি নিখুঁত। মূল কাহিনী, উপকাহিনী আৰু সৰু কাহিনীবোৰ ইটোৰ লগত সিটো ওতঃপ্ৰোতভাৱে জড়িত। আটাইবোৰে মূল কাহিনী আগুৱাই যোৱাত সহায় কৰে। নায়ক-নায়িকাৰ উপৰিও অন্যান্য চৰিত্ৰবোৰেও মানৱ চৰিত্ৰ জটিলতা আৰু বিচিত্ৰতা প্ৰকাশ কৰা দেখা যায়। নৰাচলতে জেন আষ্টেনৰ উপন্যাসত কিছুমান অপ্ৰধান চৰিত্ৰই হাস্যৰসৰ যোগান ধৰা দেখা যায়। 'প্ৰাইড এণ্ড প্ৰেজুডিচ'ত কলিন্স, কেথেৰিন ডি বাৰ্গ আৰু মিচেচ বেনেট নহ'লে, 'চেন্‌চ এণ্ড চেন্‌চিবিলিটি'ত মিচেচ জেনিংচ নহ'লে উপন্যাস দুখনৰ আধা আকৰ্ষণ কমি গ'লহেঁতেন। শ্লেষৰ প্ৰয়োগত সিদ্ধহস্ত লিখিকাই ভাল বেয়া উভয় ধৰণৰ চৰিত্ৰকে মনোগ্ৰাহীকৈ দাঙি ধৰিছে। ধূৰ্ত ৰূপে প্ৰতিভাত হোৱা চৰিত্ৰ উইকহাম, ক্ৰুফোৰ্ড, ফ্ৰেংক চাৰ্চিল আদি ডেকাসকলো ৰসবোধ থকা ডেকা আৰু গাভৰুৰ মন জিনিব পৰা ব্যক্তিত্বৰ অধিকাৰী।

জেন আষ্টেনে উপন্যাসবোৰৰ চৰিত্ৰৰ ওপৰত কৰা শ্লেষ প্ৰয়োগেৰে তেওঁৰ উপন্যাসবোৰক অভিনৱ কৰি তুলিছে। উপন্যাসতো নাটকৰ দৰে সংলাপ তেওঁ প্ৰায়ে প্ৰয়োগ কৰিছে। সংলাপত শ্লেষৰ প্ৰয়োগ কৰাৰ উপৰিও বৰ্ণনাতো তেওঁ শ্লেষ ব্যৱহাৰ কৰিছে। চৰিত্ৰবোৰৰ মুখা খুলি দিবৰ কাৰণে তেওঁ দীঘলীয়া সংলাপ ব্যৱহাৰ কৰি গোটেইখিনিকে শ্লেষপূৰ্ণ ভাৱে দাঙি ধৰিছে। চেন্‌চ এণ্ড চেন্‌চিবিলিটিত জন ডাচউড আৰু তেওঁৰ পত্নীয়ে সতীয়া ভনীয়েকহঁতক দিব খোজা সম্পত্তিৰ বিষয়ে পতা কথাখিনি এনেকুৱা কথোপকথনৰ উত্তম নিদৰ্শন। ডাচউডে প্ৰথমতে তেওঁলোকক বছৰি ৩০০০ পাউণ্ড দিব খুজিছিল। কিন্তু ঘৈণীয়েকৰ লগত কথা পাতি এই সিদ্ধান্তলৈ আহিল যে তেওঁ তেওঁলোকক ধনৰ নামত ফুটা কড়ি এটাও নিদিয়ে। আচলতে তেওঁলোকৰ ধনৰ দৰকাৰ নাই। সৰ্বশেষত লিখিকাই মন্তব্য দিছে জন ডাচউড বেয়া মানুহ নহয়, মাত্ৰ তেওঁ কৃপণ আৰু অলপ স্বাৰ্থপৰ।

মানুহৰ মাজত থকা মিছা ভেম, কপটতা ভণ্ডামি আদি উদঙাই দিয়াত জেন আষ্টেন সিদ্ধহস্ত আছিল। তেওঁ কোনো বিষয়তে আতিশয্যৰ সমৰ্থক নাছিল। জীৱনত সুখী হ'বলৈ হ'লে আমি বহু বিষয়ত আপোচ কৰি ল'ব লাগিব। মানুহে পৃথিৱীখন সলাব নোৱাৰে, কিন্তু নিজকে সলাব পাৰে। তেওঁৰ উপন্যাসৰ নায়িকা আৰু নায়কে বিচিত্ৰ অভিজ্ঞতা লাভ কৰি অৱশেষত নিজকে চিনি পায় আৰু আচহুৱা পৃথিৱীখনৰ লগত নিজকে খাপ খুৱাই

# শিশুৰ বিকাশত পৰিয়ালৰ ভূমিকা

ছুৰুত জামাল
প্ৰাক্তন ছাত্ৰ

বৰ্তমান শিশুই হ'ল দেশৰ ভৱিষ্যৎ। আজিৰ শিশুই কাইলৈ দেশ শাসন কৰিব এয়ে হ'ল পৃথিৱীৰ পৰম্পৰা। কিন্তু শিশু মাত্ৰেই যে দেশৰ এজন সু-নাগৰিক হ'ব পাৰিব এনে নহয়। শিশু হ'ল এটুকুৰা উকা কাগজ। উকা কাগজত যেনেকৈ শিল্পীয়ে নানা চিকমিকিয়া ৰঙেৰে চিত্ৰ আঁকি ধুনীয়া কৰি তোলে ঠিক তেনেকৈ শিশু গঢ় দিয়াৰ সম্পূৰ্ণ দায়িত্ব থাকে শিল্পী সদৃশ পিতৃ-মাতৃ লগতে পৰিয়ালৰ অইন সদস্যবোৰৰ ওপৰত। কিন্তু কোনো কোনো শিল্পী আছে যি বিলাকে ভাল চিত্ৰ আঁকিব পাৰে কিন্তু চিত্ৰটোৰ ক'ত কেনেকুৱা ৰং সানিলে চিত্ৰটো সুন্দৰ হ'ব সেইখিনি নাজানে যাৰ বাবে চিত্ৰটো পৰি থাকে আবৰ্জনাৰ দ'মৰ মাজত। কোনো কোনো পিতৃ মাতৃয়ে শিশু জন্ম দি ভাল পায় কিন্তু শিশুটোক উপযুক্তকৈ গঢ় দিব নোৱাৰি তাক ঠেলি দিয়ে এটি অন্ধ গুহাত য'ত সিহঁতে পোহৰ বিচাৰি বিচাৰি হাবাথুৰি খাই ভাগৰত পৰি থাকে পোহৰৰ মুখ দৰ্শনৰ আশাত। কিন্তু এন্ধাৰৰ ৰজাইহে সিহঁতক গ্ৰাস কৰিব খোজে। কুৰি শতিকাৰ শিশুৰ এনেকুৱা অৱস্থা দেখি ভগৱানেও কেতিয়াবা পিতৃ-মাতৃৰ ওপৰত খং কৰি ক'ব খোজে – "মূৰ্খহঁত শিশুক উপযুক্ত মানুহ কৰিব নোৱাৰ যদি শিশু জন্ম দিয় কিয়!!" আজিৰ সমাজত শিশুৰ ওপৰত শিক্ষাৰ প্ৰভাৱ নপৰাটো অতি দুখৰ কথা। পৰিয়াল বা সমাজৰ পৰিৱেশৰ লগত ভৱিষ্যৎ সম্পূৰ্ণভাৱে জড়িত।

পৰিয়ালৰ ভুলৰ বাবে বৰ্তমান সভ্যতাৰ যুগতো শিশু সকলৰ মাজত কিছুমান অসভ্য আচৰণ লক্ষ্য কৰা যায়। পৰিয়ালে বা পিতৃ-মাতৃয়ে শিশুক উপযুক্ত শিক্ষা নিদিলে সিহঁত ভুল পথৰ যাত্ৰী হ'বলৈ বেছি সময় নালাগে। শিশুৰ মন সাধাৰণতে চঞ্চল। সেয়েহে শিশুৰ চঞ্চল মন নিয়ন্ত্ৰণ কৰিব লাগিব পৰিয়ালৰ অনুশাসনৰ যোগেদি। পৰিয়ালত যদি তেনে অনুশাসন নাথাকে তেন্তে সেই পৰিয়ালৰ শিশু এজনে কেতিয়াও সৎ আচৰণ আহৰণ কৰিব নোৱাৰে। শিশু সকলে সদায় অনুকৰণ কৰি ভাল পায়। সেয়েহে পৰিয়ালৰ মানুহ বিলাক বিশেষকৈ পিতৃ-মাতৃয়ে সদায় সজাগ হ'ব লাগে যাতে বেয়া আচৰণ দেখিব নোৱাৰে আৰু বেয়া আচৰণ শিকিব নোৱাৰে। শিক্ষিত পৰিয়াল এটাৰ শিশুই কেতিয়াও বেয়া আচৰণ কৰিব নোৱাৰে। কাৰণ শিক্ষিত পৰিয়ালৰ শিশু এজনক পিতৃ-মাতৃয়ে সদায় বেলি মাৰ যোৱাৰ লগে লগে পঢ়িবলৈ তাগিদা কৰিব, কু-সংগৰ লগত ফুৰিবলৈ নিদিব, কেতিয়াও বেয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিদিব যাৰ ফলত সেই পৰিয়ালৰ শিশুজন নিষ্ঠাবান হৈ গঢ়লৈ উঠিব। শিশু এজনক শিক্ষিত কৰিব নোৱাৰিলে সি কেতিয়াও সভ্যতাৰ পোহৰ নাপাব আৰু এনে পৰিবেশ কেৱল অশিক্ষিত পৰিয়ালতহে বেছিকৈ লক্ষ্য কৰা যায়। শিক্ষিত মাক-বাপেকে সন্তানৰ শিক্ষা, স্বাস্থ্য, আচৰণ আদিৰ বাবে যিমানখিনি গুৰুত্ব দিব অশিক্ষিত মাক-বাপেকে কেতিয়াও সিমান গুৰুত্ব নিদিয়ে। পিতৃ-মাতৃয়ে শিশুৰ শিক্ষা বা আচৰণৰ প্ৰতি গুৰুত্ব নিদিলে সেই শিশুজনৰ লগতে তেওঁৰ পৰৱৰ্তী সন্তান সকলকো বিনষ্ট কৰা হয়। পিতৃ-মাতৃয়ে সচেতন হ'ব লাগে তেওঁলোকৰ ভুলৰ বাবে যাতে পৰৱৰ্তী শিশু সকলক নষ্ট কৰা নহয়। ওচৰৰ ঘৰত জুই লাগিলে যেনেকৈ সেই পোহৰতে ভাত খাব পৰা যায় সেইদৰে শিক্ষিত ঘৰৰ পৰিৱেশ লক্ষ্য কৰি কিছুমান অশিক্ষিত পিতৃ-মাতৃয়ে শিশুৰ শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়া দেখা যায়। বৰ্তমান সমাজত শতকৰা সৰহ ভাগ অশিক্ষিত মাক-বাপেকে নিজৰ সন্তানৰ প্ৰতি গুৰুত্ব দিয়া লক্ষ্য কৰা যায়। শিশু এজনৰ প্ৰাথমিক সামাজিক পৰিৱেশ হ'ল নিজৰ ঘৰখন। সেয়েহে শিশুৰ আদ্যন্তৰত ঘৰখনৰ যেনেকুৱা পৰিৱেশ দেখিব সেই পৰিৱেশটোৱেই হ'ব শিশু এজনৰ বাবে অন্ধৰ লাখুটি।

শিশুৰ বিকাশৰ বিভিন্ন স্তৰত মনটো পৰিবৰ্তন হয় যাৰ বাবে শিশু এজনৰ মন চঞ্চল হৈ উঠে। শিশুৰ বিকাশক বিভিন্ন জনে বিভিন্ন ধৰণে ভাগ কৰিছে। মহামতি ৰুছোৰ মতে শিশুৰ বিকাশৰ স্তৰ হ'ল – (১) শৈশৱ কাল (২) বাল্য কাল (৩) যৌৱন কাল আৰু (৪) যৌৱনোত্তৰ কাল।

ডাঃ আৰ্নেষ্ট জোনছৰ মতে –

(১) শৈশৱ স্তৰ (*Stage of infancy*) জন্মৰ পৰা পাঁচ বছৰলৈ।
(২) বাল্যকাল (*Childhood*) ৫ বছৰৰ পৰা ১২ বছৰলৈ।

(৩) যৌৱন কাল (*Adolescence*) ১২ বছৰৰ পৰা ১৮ বছৰলৈ।

(৪) যৌৱনোত্তৰ কাল (*Adulthood*) ১৮ বছৰৰ পাছত।

**(১) শৈশৱ স্তৰ ঃ** এই স্তৰত শিশু সকল সম্পূৰ্ণভাৱে আনৰ ওপৰত নিৰ্ভৰশীল। এই স্তৰত শিশুৰ বিকাশৰ সম্পূৰ্ণ দায়িত্ব থাকে পিতৃ-মাতৃ লগতে পৰিয়ালৰ অইন সদস্যবোৰৰ ওপৰত। এই স্তৰত দ্ৰুতগতিত শিশুৰ দৈহিক বিকাশ হয় সেয়ে শিশুৰ বাবে প্ৰয়োজন হয় পুষ্টিকৰ আহাৰৰ। দুৰ্ভাগ্যৰ কথা হ'ল শিশুৰ এনে দৈহিক বিকাশৰ সময়ত নিজে একো নাজানে আৰু তেওঁৰ সম্পূৰ্ণ দায়িত্ব ল'ব লগা হয় পৰিয়ালে। পৰিয়ালে যদি শিশুৰ প্ৰতি এই সময়ছোৱাত গুৰুত্ব নিদিয়ে তেন্তে পৰৱৰ্তী স্তৰত শিশুজন আবেগৰ বশৱৰ্তী হ'ব লগা হয়। এই স্তৰত শিশুৰ বাবে পিতৃ-মাতৃয়ে প্ৰয়োজনীয় পুষ্টিকৰ খাদ্যৰ যোগান ধৰিব লাগে। মাকৰ গাখীৰেই হ'ল শিশুৰ প্ৰধান পুষ্টিকৰ খাদ্য কিন্তু ইয়াৰ ওপৰিও অন্যান্য পুষ্টিকৰ আহাৰৰ যোগান ধৰাটো পিতৃ-মাতৃৰ কৰ্তব্য। এই স্তৰত শিশুৰ ভাষাৰ বিকাশ হয়। শিশু এজনক যেনে শিক্ষা দিয়া হ'ব সি তেনে শিক্ষাই গ্ৰহণ কৰিব। ভাষাৰ বিকাশৰ সময়ত শিশু এজনে যাতে বেয়া ভাষা শিকিব নোৱাৰে বা বেয়া ভাষা প্ৰয়োগ কৰিব নোৱাৰে তাৰ প্ৰতি পিতৃ-মাতৃ লগতে পৰিয়ালৰ অইন সদস্যবোৰে সচেতন হ'ব লাগে।

**(২) বাল্যকাল ঃ** এই স্তৰটো শিশুৰ বাবে বৰ গুৰুত্বপূৰ্ণ সময়। এই স্তৰত শিশুৱে যাতে শিক্ষাৰ প্ৰতি মনোযোগ দিয়ে তাৰ বাবে পিতৃ-মাতৃয়ে যত্ন ল'ব লাগে। শিশু এই সময়ছোৱাত দলবদ্ধ হৈ খেলি ভাল পায়। ল'ৰা-ছোৱালীয়ে যাতে কুসংগৰ লগত দলবদ্ধ হ'ব নোৱাৰে তাৰ প্ৰতি পিতৃ-মাতৃয়ে চকু দিব লাগে। ল'ৰা-ছোৱালীয়ে এই স্তৰত ভৱিষ্যতৰ চিন্তা নকৰে। ভৱিষ্যতে কি কৰিব কি নকৰিব সেই বিষয়ে কোনো ধ্যান ধাৰণা নাথাকে। এই স্তৰত শিশু সকলে জীৱনটোক খেলাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰে। ল'ৰা-ছোৱালী বেয়া ৰাস্তাত যোৱাৰ সম্ভাৱনা বেছি থাকে এই স্তৰটোত। গতিকে পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত চকু নাৰাখিলে বেয়া হোৱাৰ সম্ভাৱনাই বেছি। সৃষ্টিমূলক কামত আত্মনিয়োগ কৰি যাতে ল'ৰা-ছোৱালীয়ে আত্ম প্ৰতিষ্ঠা কৰিব পাৰে পিতৃ-মাতৃয়ে তাৰ উপযুক্ত সুবিধা কৰি দিব লাগে। সৃষ্টিশীল শক্তি আৰু কল্পনাৰ বিকাশৰ কাৰণে সিহঁতক প্ৰয়োজনীয় পৰিৱেশ দিব লাগে।

**(৩) বয়ঃ সন্ধি ঃ** শিশুৰ বাবে এটি অতি জটিল স্তৰ হ'ল এই স্তৰটো। বয়ঃসন্ধি সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মত পোষণ কৰিছে। ডাঃ আৰ্নেষ্ট জোন্‌ছৰ মতে, "*Adolescence is the recapitulation of infancy*" এই স্তৰত শিশুৰ দৈহিক বিকাশ, বৌদ্ধিক বিকাশ, যৌন প্ৰেৰণা, সামাজিক প্ৰেৰণা, আবেগ-প্ৰৱণতা, সৃজনাত্মক কল্পনা আদি লক্ষ্য কৰা যায়। যৌন প্ৰেৰণাই এই স্তৰত শিশুক বৰকৈ আমনি কৰে। যৌন প্ৰেৰণাই বহুতো ল'ৰা-ছোৱালীক বিপথে পৰিচালনা কৰা দেখা যায়। যিবোৰ ল'ৰা-ছোৱালীৰ ওপৰত পিতৃ-মাতৃ বা পৰিয়ালৰ শাসন নাথাকে তেনেকুৱা পৰিয়ালৰ ছোৱালী বা ল'ৰাক বেছিকৈ বিপথ গামীহোৱা লক্ষ্য কৰা যায়। এই স্তৰত শিশুৰ মনত বিমূৰ্ত চিন্তাই (*Abstract thinking*) ঠাই পায় যাৰ বাবে শিশুৰ স্মৃতি আৰু মনোযোগৰ ক্ষমতা কমে। এই স্তৰত শিশুৰ বুদ্ধিৰ বিকাশ হয় ফলত বিমূৰ্ত চিন্তনৰ ক্ষমতা বাঢ়ে।

এই স্তৰত প্ৰায়ভাগ ল'ৰা-ছোৱালীয়ে বেয়া চিন্তা আৰু বেয়া আচৰণ কৰি ভাল পায়।

বৰ্তমান সমাজত বহুতো ল'ৰা-ছোৱালীয়ে এই স্তৰত বেয়া কিতাপ পঢ়ি, বেয়া চিনেমা চাই নিজৰ জীৱনটো বেয়াৰ পিনে ঠেলি দিয়া লক্ষ্য কৰা যায়। পৰিয়ালত অনুশাসন নাথাকিলে সেই পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে এনে আচৰণ বেছিকৈ কৰিবলৈ সুবিধা পায়। ল'ৰা-ছোৱালীৰ মনত যাতে এনে বেয়া চিন্তাই ঠাই পাব নোৱাৰে তাৰ বাবে পৰিয়ালৰ জ্যেষ্ঠ সদস্যবোৰে ল'ৰা-ছোৱালীৰ ওপৰত চকু ৰাখিব লাগে।

শিশু এজন অসৎ হোৱাৰ বাবে সম্পূৰ্ণ দায়ী হ'ব পিতৃ-মাতৃ লগতে পৰিয়ালৰ অইন সদস্যবোৰ। পিতৃ-মাতৃৰ সাধাৰণ ভুলৰ বাবে ল'ৰা-ছোৱালীৰ জীৱন ধ্বংস হৈ যাব পাৰে। পিতৃ-মাতৃয়ে যদি ল'ৰা-ছোৱালীৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব নিদিয়ে সেই ল'ৰা-ছোৱালী সু-স্বাস্থ্যৰ গৰাকী হ'ব নোৱাৰে। শিশু এজনে ভগ্ন স্বাস্থ্য আৰু বিকলাংগ অৱস্থাৰ কাৰণে অইন ল'ৰা-ছোৱালীৰ দৰে সামাজিক পৰিৱেশত নিজকে গঢ় দিব নোৱাৰে, ফলত ল'ৰা-ছোৱালীৰ মনৰ ধৈৰ্য্য আৰু শান্তি নষ্ট হৈ অবাধ্যতা, অসহিষ্ণুতা আদি আচৰণ কৰা দেখা যায়। আজিৰ যুগতো বহুতো পিতৃ-মাতৃ আছে যিসকলে শিশুৰ স্বাস্থ্যৰ গুৰুত্ব অলপো বুজি নাপায়। পিতৃ-মাতৃ নিৰক্ষৰ হোৱাৰ বাবেই হয় শিশুৰ এনে দুৰৱস্থা। শিশুৰ মন যাতে সদায় আনন্দিত হৈ থাকে তাৰ প্ৰতি পিতৃ-মাতৃয়ে উপযুক্ত ব্যৱস্থা ল'ব লাগে। শিশুক নানা ধৰণৰ খেলাৰ সামগ্ৰী, গান, চিনেমা আদিৰ ব্যৱস্থা কৰি দি শিশুৰ মন চহকী কৰিবলৈ যত্ন কৰিব লাগে যাতে শিশুৰ মনত কেতিয়াও অসৎ চিন্তাই স্থান নাপায়।

পিতৃ বা মাতৃৰ চৰিত্ৰহীনতাই এজন শিশুক নষ্ট কৰিব

পাৰে। ঘৰৰ শাসনৰ অভাৱৰ বাবে ল'ৰা-ছোৱালী বেয়া হ'ব পাৰে। বহুতো পৰিয়ালত অনুশাসনৰ ব্যৱস্থা নথকাৰ বাবে সেই পৰিয়ালৰ ল'ৰা-ছোৱালী বিলাকে কু-আচৰণ কৰিবলৈ আৰম্ভ কৰে। শাসনৰ অভাৱত ঠিকমতে লিখা-পঢ়া নকৰিব, অনাই-বনাই ঘুৰি ফুৰিব, বেয়া চিনেমা চাব, বেয়া কিতাপ পঢ়িব, দোকানত বা ক্লাবত আড্ডা মাৰিব এনে স্বভাৱৰ বহুত ল'ৰা-ছোৱালী আজিৰ সমাজত পৰিলক্ষিত হয়। কু-সংগৰ যোগেদিও বহুত ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ ধ্বংস হোৱা দেখা যায়। পৰিয়ালৰ অতিমাত্ৰা শাসনৰ বাবেও কোনো কোনো ল'ৰা-ছোৱালীক বিপথে যোৱা লক্ষ্য কৰা যায়। অতিমাত্ৰা শাসনৰ কাৰণে শিশুৱে মনৰ আহাৰ যোগাব নোৱাৰে; ফলত মানসিক স্বাস্থ্য দুৰ্বল হৈ পৰে আৰু লুকাই লুকাই বেয়া আচৰণ কৰা দেখা যায়। কোনো কোনো ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ পৰা মৰম-স্নেহ নোপোৱাৰ বাবে নিজকে অসুখী বুলি ভাবি বেয়া আচৰণ কৰা দেখা যায়।

ঘৰৰ পৰিৱেশৰ বাবে শিশুৰ মনত কেতিয়াবা আবেগ জন্মে। ঘৰৰ অভাৱ-অনাটন আদিৰ যোগেদি শিশুৰ মনত আবেগনৰ সৃষ্টি হয়। ঘৰৰ টকা-পইচাৰ অভাৱৰ বাবে দুখীয়া ল'ৰা ছোৱালীয়ে ধনী পৰিয়ালৰ ল'ৰা-ছোৱালীৰ লগত ঘূৰা-ফুৰা কৰিব নোৱাৰে ফলত সিহঁতৰ মনত নীচাত্মিকা ভাবৰ সৃষ্টি হয় আৰু সিহঁতে বেয়া আচৰণ কৰিবলৈ আৰম্ভ কৰে। শিশুৰ মনত যাতে আবেগে স্থান পাব নোৱাৰে তাৰ প্ৰতি প্ৰত্যেক পিতৃ-মাতৃয়ে সচেতন হ'ব লাগে।

শিশুক আনন্দিত কৰি ৰাখিবলৈ উপযুক্ত সুবিধা দিব লাগে। কিন্তু অত্যধিক সুবিধাৰ যোগেদিও শিশু এজন বেয়া হ'ব পাৰে। *"Excess is always bad"* অতি ভোজনত পেট বেয়া হোৱাৰ দৰে আজিৰ সমাজৰ বহুতো পৰিয়ালৰ ল'ৰা-ছোৱালী বেয়া হোৱা লক্ষ্য কৰা যায়। কোনো কোনো পৰিয়ালত টি, ভি, ৰেডিঅ', আদিৰ প্ৰভাৱত শিশু সকল বেয়া হোৱা দেখা যায়। এনেকুৱা সুবিধা থকা পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে টি, ভি, চাব। টি, ভি, চাই আমনি লাগিলে ডেক, ৰেডিঅ' আদি শুনি শুনি নিজকে মছগুল কৰি দিয়ে ফলত লিখা পঢ়াত সিহঁতৰ মন নবহা হয়। তেনেকুৱা পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে লিখা-পঢ়া কৰি আত্ম প্ৰতিষ্ঠা কৰিব নোৱাৰি কোনো সংগঠনৰ লগত জড়িত হৈ পৰে। তেনেকুৱা শিশু হয় সমাজ আৰু চৰকাৰৰ বৈৰী। পিতৃ-মাতৃ যদি এই বিষয়ত সজাগ হয় তেন্তে এনে প্ৰভাৱ শিশুৰ ওপৰত পৰিব নোৱাৰে। পিতৃ-মাতৃয়ে শিশুৰ দৈনন্দিন কাম-কাজৰ বাবে সময় তালিকা প্ৰস্তুত কৰি দিব লাগে আৰু সেই তালিকা অনুসৰি ল'ৰা-ছোৱালীক পৰিচালনা কৰিব লাগে।

শিশু আৰু শিক্ষা ঃ শিশুৰ শিক্ষাৰ সম্পূৰ্ণ দায়িত্ব হ'ল পিতৃ-মাতৃৰ ওপৰত। শিশুৰ শিক্ষাৰ প্ৰথম অনুষ্ঠান হ'ল নিজৰ ঘৰখন। শিশুৰ শিক্ষাৰ প্ৰতি মাকে বেছিকৈ গুৰুত্ব দিব লাগে। এষাৰ কথা আছে "দহজন শিক্ষকতকৈ শ্ৰেষ্ঠ হ'ল মাতৃ।" ঘৰৰ পৰিৱেশে শিশুৰ শিক্ষাত বাধা দিব নালাগে। বৰ্তমান সমাজতো বহুত অশিক্ষিত অভিভাৱক আছে যি সকলে নিজৰ সন্তানৰ লিখা-পঢ়াৰ খবৰ ল'ব নাজানে। ল'ৰা-ছোৱালীয়ে স্কুলত কি পঢ়িলে, ঘৰত পঢ়ে নে নাই এনেবোৰ খবৰ নলয়। এনে পৰিয়ালৰ প্ৰায়ভাগ ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃক ঠগাই বন্ধু-বান্ধৱীৰ লগত আড্ডা মাৰি বেছিভাগ সময় কটায় দিয়ে। পিতৃ-মাতৃক যাতে শিশুৱে ঠগাব নোৱাৰে তাৰ প্ৰতি গুৰুত্ব দি নিজৰ সন্তানৰ ওপৰত সদায় নজৰ ৰাখিব লাগে। পিতৃ-মাতৃয়ে কেৱল সন্তান জন্ম দি হাত সাৱটি বহি নাথাকি উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি সমাজত আত্মপ্ৰতিষ্ঠা কৰিবলৈ সুবিধা দিব লাগে। আজিৰ সময়তো বহুতো অভিভাৱক আছে যি সকলে টকাৰ লোভত শিশুক শিক্ষাৰ পৰা বঞ্চিত কৰি আনৰ ঘৰত কামত নিযুক্ত কৰায়। এনে অশিক্ষিত পিতৃ-মাতৃয়ে মৰম-স্নেহ বিসৰ্জন দি এজন শিশুক দেশৰ সু-নাগৰিক হোৱাৰ পৰা বঞ্চিত কৰে।

শিশুৰ সময় মতে লিখা-পঢ়া কৰা, সময় মতে গান বাজনা কৰা, সময় মতে খেলা-ধূলা কৰা আদি যাতে সময়ৰ সু-ব্যৱহাৰ কৰি অভ্যাসত পৰিণত হয় তাৰ প্ৰতি পিতৃ-মাতৃয়ে যত্ন লব লাগে। *"Habit is the perfection of our behaviour"*. অভ্যাসৰ যোগেদি যাতে শিশুৰ আচৰণৰ ত্ৰুটিহীন ৰূপ পায় সেই ফালৰ পৰা পিতৃ-মাতৃ আনকি পৰিয়ালৰ প্ৰত্যেকজন সদস্যই সচেতন হ'ব লাগে। শিশুৰ বিকাশত পিতৃ-মাতৃ বা পৰিয়ালৰ আন আন সদস্যবোৰে সহায় সহযোগ কৰিলেহে শিশু এজনৰ সম্পূৰ্ণ বিকাশ সম্ভৱপৰ হৈ উঠিব। ❑

**স্মৰণীয়**

চিন্তা প্ৰশ্নৰ ফল অৰ্থাৎ যি বস্তু দেখা যায় সেই বস্তু সম্বন্ধে মনক প্ৰশ্ন কৰিব লাগে। প্ৰশ্ন কৰিলেই চিন্তা কৰা হয়, প্ৰশ্নৰ পৰিমাণেই শিক্ষাৰ পৰিমাণ।

সত্যনাথ বৰা।

# চৰ অঞ্চলৰ জন-জীৱন

আবুল হুচেইন
প্ৰাক্তন ছাত্ৰ

চৰ বুলি কোৱাৰ লগে লগে এক নিম্ন মানৰ জীৱন ধাৰণৰ কথা আমাৰ মনত ভাহি উঠে। কিন্তু এই চৰ অঞ্চলত মানুহবোৰে কেনে ধৰণৰ সুখ শান্তি অথবা দুখ দুৰ্গতিৰ মাজেৰে বসবাস কৰে সেই বিষয়ে আমাৰ নগৰ বা চহৰীয়া লোক সকলৰ ভাবিবৰ সময় নাই। নগৰ বা চহৰ আৰু গাঁৱলীয়া বা চৰ অঞ্চলৰ জীৱন ধাৰণৰ পদ্ধতি সম্পূৰ্ণ বেলেগ। কাৰণ নগৰ চহৰত লোক সকলে নানা ধৰণৰ উদ্যোগ, কল-কাৰখানা খুলি, ব্যৱসায়-বাণিজ্য কৰি বা কিছুমান অন্য উপায়েৰে জীৱিকা নিৰ্বাহৰ পথ প্ৰশস্ত কৰা দেখা যায়। কিন্তু চৰ অঞ্চলৰ ৰাইজে এক মুকলিমুৰীয়া পৰিৱেশৰ মাজত ডাঙৰ দীঘল হৈ এখন মুক্ত আকাশৰ তলত বিশুদ্ধ বায়ু সেৱন কৰি অতি আনন্দেৰে কাল যাপন কৰে। তাৰে ভিতৰত কিছুমানে খেতিবাতি কৰি, কিছুমানে ব্যৱসায় কৰি, কিছুমানে দিন হাজিৰা কৰি নিজৰ পৰিয়ালক পোহপাল দিয়ে। চৰ অঞ্চলৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় হিচাপে কৃষি কাৰ্যাকে ধৰি ল'ব পাৰি। মানুহৰ মুখত শুনা যায় — আদিতে চৰ অঞ্চলত বিঘাই প্ৰতি ১৫/১৬ মোন ধান উৎপন্ন হৈছিল। বৰ্তমানতকৈ কম কষ্ট আৰু খৰছতে যথেষ্ট শস্য উৎপন্ন হৈছিল। গৰু, ম'হ, ভেড়া-ছাগলী, হাঁহ-পাৰ আদি মানুহে যথেষ্ট পৰিমাণে পুহিছিল। উভৈনদী গাখীৰ, মাছ, মাংস, শাক-পাচলি আদি খাই তেতিয়াৰ মানুহে সুখত দিন নিয়াইছিল। মানুহবোৰ অশিক্ষিত হোৱা বাবে খাদ্য হিচাপে সামগ্ৰী সমূহ উভৈনদী হিচাপে পায়ো নিম্নমানৰ জীৱন যাপন কৰিছিল।

কিন্তু জলবায়ু, বতৰ আৰু পৰিৱেশ-পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে লগে মাটিৰ উৰ্বৰতাও যথেষ্ট লোপ পালে, যাৰ ফলত শস্য উৎপাদন আগৰ তুলনাত তেনেই কমি গ'ল। আধুনিক কৃষিৰ সঁজুলি তথা উন্নত বীজ আৰু বৈজ্ঞানিক পদ্ধতি, ৰাসায়নিক সাৰ, কীটনাশক ঔষধ আদিৰ ব্যৱহাৰ এই চৰ অঞ্চলৰ খেতিয়কবোৰে নজনা কাৰণেও যে কৃষিৰ ক্ষেত্ৰত আশানুৰূপ ফল পোৱা হোৱা নাই সেই বিষয়ে কোনো সন্দেহ নাই। আও পুৰণি পদ্ধতিৰে খেতি কৰাৰ কাৰণে এই চৰ অঞ্চলবোৰৰ লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা পানীত হাঁহ নচৰা বিধৰ। পুৰণি পদ্ধতিত খেতি কৰা এজন খেতিয়কৰ খেতিৰ পৰা হোৱা আয়ৰ তুলনাত ব্যয়ৰ পৰিমাণেই বেছি হোৱা দেখা যায়। অভিজ্ঞতাৰ ফালৰ পৰা ক'ব পৰা যায় যে মৰাপাটৰ বীজ সিঁচাৰ পৰা চপোৱালৈকে যাৱতীয় খৰচ মুঠ উৎপাদিত মৰাপাট বিক্ৰী কৰি পোৱা টকাৰ প্ৰায় সমান হয়। এনে ধৰণৰ উৎপাদনৰ ফলশ্ৰুতিত কৃষিৰ পৰা হোৱা আয়ৰ দ্বাৰা এটি পৰিয়াল গোটেই বছৰটো চলি যোৱাটো অসম্ভৱ হৈ পৰে। তেনে ক্ষেত্ৰত ভূমিহীন লোক সকলৰ অৱস্থা কি হ'ব পাৰে সেইটো সহজেই অনুমেয়।

চৰবাসী ৰাইজৰ দুখ দুৰ্গতি তথা অশান্তিৰ আন এটা কাৰণ হ'ল পৰিয়াল পৰিকল্পনাৰ লেশমানো জ্ঞান নথকা এই অশিক্ষিত হোজা মানুহবোৰৰ সংখ্যা দিনক দিনে দ্ৰুত গতিত বৃদ্ধি পোৱাত দৰিদ্ৰতাৰ সীমা চেৰাই গৈছে। অন্যফালে এই চৰবাসী ৰাইজৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ কৰাল গ্ৰাসত প্ৰতি বছৰে হাজাৰ হাজাৰ মানুহ হয় গৃহহাৰা, ভূমিহীন মগনীয়া। এই নদীবোৰে কিছুপৰিমাণে উপকাৰ সাধে যদিও প্ৰতি বছৰে হোৱা প্ৰবল বানপানীৰ ফলত দুৰ্ভিক্ষ আৰু মহামাৰীত শ শ লোকে মৃত্যুক আকোৱালি ল'ব লগা হৈছে। মৃত্যুৰ বিভীষিকা, বেমাৰ আজাৰ আৰু অনাহাৰৰ কৰুণ আৰ্তনাদত চাৰিও দিশ হৈ পৰে স্তম্ভিত আৰু শোকাকুল। মানুহবোৰে উপায়হীন হৈ তেতিয়া চহৰ অঞ্চল বিশেষকৈ গুৱাহাটী, মেঘালয়ৰ ৰূদালাং, নংখ্চাইং আদি ঠাইত দিন হাজিৰাৰ কাৰণে থিতাপি লয়। চহৰলৈ গৈ আবাল-বৃদ্ধ বনিতাই ৰিক্সা, ঠেলা, ৰাজমিস্ত্ৰী, ৰাস্তা পকী কৰা, নলী-নৰ্দমা ছাফ কৰা, মাটি, ইটা কঢ়িওৱা চহৰৰ ডাঙৰ ডাঙৰ পুঁজিপতি সকলৰ ঘৰত কাঁহী বাতি ধোৱা কৰা আদি কামত আত্ম নিয়োগ কৰি জীৱন ধাৰণৰ পথ গ্ৰহণ কৰিছে। বহুতো গাভৰুৱে আনকি দু-পইচাৰ প্ৰলোভনত নিজৰ দেহ পৰ্য্যন্ত বিলাই দিছে। মেঘালয় ৰাজ্যৰ এক বিশেষ ঠাইৰ পৰা ৫০/৬০ মিটাৰ দীঘল সুৰঙ্গৰ মাজৰ পৰা কয়লা কাটি কিছুমানে নিজৰ পৰিয়ালক পোহপাল দিছে। মাজে মধ্যে সুৰঙ্গৰ মাটি খহি যোৱাত বহুতো লোকে প্ৰাণ বিসৰ্জন দিব লগীয়াত পৰিছে। জীৱনৰ এই ভয়াবহতাক আওকাণ কৰিও দিনে নিশাই পেটৰ ভোক গুচোৱাৰ বাবে মাক-পুতেক এৰি বিদেশত ৰাত্ৰি যাপন কৰিব লগীয়া হৈছে। আৰু এনে সুযোগৰ অজুহাত

মালিক শ্ৰেণীয়ে তেওঁলোকক উপযুক্ত মজুৰীৰ পৰা বঞ্চিত কৰি নিজকে সমাজত সুপ্ৰতিষ্ঠিত কৰিবলৈ উঠিপৰি লাগিছে। বনুৱা সকলৰ অৱস্থালৈ কোনো মহাজনৰে লক্ষ্য বা নজৰ দিবলৈ আহৰি নাই।

বৰ্ণনাতীত দৰিদ্ৰতাৰ মাজতো কিন্তু চৰ অঞ্চলৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগ্ৰহ লেশমানো কমি যোৱা নাই। তেওঁলোকে আপ্ৰাণ চেষ্টা আৰু একান্ত অধ্যৱসায়ৰ বলেৰে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পঢ়া শুনা কৰি উচ্চ ডিগ্ৰীধাৰী হোৱাও আমাৰ চকুত পৰে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত ধৰণে বিদ্যালাভ কৰি আৰু কিছুমানে উচ্চ শিক্ষাৰ সাধাৰণ সুবিধাকণ নাপাই ঘৰতেই নিবনুৱা হৈ মাক-বাপেকৰ বোজা স্বৰূপ হ'বলগা হৈছে। চৰকাৰে এনে ধৰণৰ যুৱক-যুৱতী সকলক কৰ্ম সংস্থান দিয়াৰ ক্ষেত্ৰত তেনেই উদাসীনতা অৱলম্বন কৰা দেখা যায়। তেওঁলোকে কোনো ধৰণৰ ঋণ আদিও পোৱা নাই। যুৱ মানসিকতাৰ অৱস্থা দিনক দিনে অধিক বেয়াক ফালে ঢাল খাইছে। তথাকথিত আধুনিকতাৰ নামত তেওঁ বিলাকে জগতত এক নতুন পথ উদ্ভাৱনৰ বাবে উঠি পৰি লাগিছে। শেষত ঘৰুৱা কাম বনতো মুঠেই মন নবহা ডেকা চামৰ মানসিকতাই বিকৃত ৰূপ ধাৰণ কৰিছে। এইদৰে চৰ অঞ্চলৰ ৰাইজৰ সকলো দিশ চালি জাৰি চালে দেখা যায় যে তেওঁলোকে ব্যৱসায়ৰ প্ৰতি অধিক গুৰুত্ব অতি প্ৰয়োজন হৈ পৰিছে। দুখৰ বিষয় যে চৰ অঞ্চলৰ ৰাইজ তথা ডেকা চামেও এই দিশত অকণো কাণসাৰ দিয়া দেখা নাযায়। অথচ সৰুসুৰা ব্যৱসায় কৰি নিজৰ পৰিয়ালক ভৰণ পোষণ দিয়াৰ যথেষ্ট সুবিধা তেওঁলোকৰ আছে। ইছলামৰ দৃষ্টিতো প্ৰত্যেক মুছলমানেই জীৱন ধাৰণৰ বাবে যি কোনো সৎ ব্যৱসায় কৰাটো বাঞ্ছনীয়।

পৰিয়াল পৰিকল্পনা মানি চলি আমি অৰ্থনৈতিক সংকটৰ পৰা নিশ্চয়কৈ সকাহ পাব পাৰোঁ। চৰ অঞ্চলৰ মানুহে সাধাৰণতে ধৰ্মীয় আৰু স্বাস্থ্যজনিত কাৰণত পৰিয়াল পৰিকল্পনা মানি চলিবলৈ টান পোৱা দেখা যায়। ধৰ্মীয় দৃষ্টিত পৰিয়াল পৰিকল্পনাৰ বিপক্ষে কোনো বাধা নিষেধ নাই। মুছলিম প্ৰধান ৰাষ্ট্ৰ বিশেষকৈ বাংলাদেশ, পাকিস্তান আদি দেশতো পৰিয়াল পৰিকল্পনা মানি চলিবলৈ চৰকাৰ পক্ষৰপৰা জোৰ প্ৰচেষ্টা চলোৱা হৈছে। এই পৰিয়াল পৰিকল্পনাৰ আধুনিক পদ্ধতি সমূহ নৰ-নাৰী সকলে গ্ৰহণ কৰি সুখী পৰিয়াল গঢ়িব যে পাৰিব তাত কোনো সন্দেহ নাই। কাৰণ সৰু পৰিয়াল এটি সুখৰ আধাৰ। কপালৰ ঘাম মাটিত পেলাই চৰুৱা কৃষি জীৱী লোক সকলে যি উপাৰ্জন কৰিবলৈ সক্ষম হয় সেইখিনিৰে তেওঁলোকৰ কোনোমতেহে দিন যায়। কাৰণ তেওঁলোকে কম বয়সতে বিয়া কৰাই অনেক সন্তানৰ পিতৃ মাতৃ হয়।

বৰ্তমানে অসম ৰাজ্যিক চৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা চৰবাসী লোক সকলৰ উন্নয়নৰ বাবে কিছু পৰিকল্পনা কৰাত চৰৰ মানুহ সুখী হৈছে। এই উন্নয়ন কৰ্তৃপক্ষই চৰৰ মানুহৰ মূল সমস্যা সমূহ অনুধাৱন কৰি পৰ্য্যাপ্ত পৰিমাণৰ কাৰ্য্য ব্যৱস্থা হাতত লোৱা দেখা যায়। কাৰণ আজিকালি চৰৰ বাসিন্দা সকলে এই কৰ্তৃপক্ষৰ জৰিয়তে নানা ধৰণৰ সা-সুবিধা চৰকাৰৰ ফালৰ পৰা আদায় কৰিবলৈ সক্ষম হৈছে।

চৰৰ শিক্ষিত যুৱ সমাজে যাতে উন্নত ধৰণৰ খেতি, দোকান-পোহাৰ, ফাৰ্ম আৰু ব্যক্তিগত বা সমবায়ৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰি প্ৰত্যেকেই তেওঁলোকৰ স্ব-উপাৰ্জনৰ পথ বাছি ল'ব পাৰে, তাৰ বাবে চৰকাৰে শিক্ষিত নিবনুৱা শ্ৰেণীক ঋণ প্ৰদান কৰা উচিত। ইয়াৰ ফলত তেওঁলোকে তেওঁলোকৰ পৰিয়াল তথা সমগ্ৰ অঞ্চলৰেই আৰ্থ-সামাজিক আৰু নৈতিক অৱস্থা টনকীয়াল কৰাৰ উপৰিও তেওঁলোকৰ শ্ৰমৰ ফলত দেশখনৰেই যে উন্নতি হ'ব তাত কোনো সন্দেহ নাই। কাৰণ তেওঁলোক প্ৰত্যেকেই যদি নিজে নিজৰ প্ৰয়োজনীয় তথা লাগতিয়াল সামগ্ৰীখিনি উৎপাদন কৰি ল'ব পাৰে তেন্তে চৰকাৰেও অলপ সকাহ পায় আৰু তেওঁলোকেও আত্মনিৰ্ভৰশীল হৈ সুখী জীৱন যাপন কৰিব পাৰে। চৰ অঞ্চলৰ শিক্ষিত যুৱক সকলেও যাতে কেৱল চৰকাৰী চাকৰিৰ আশাত নিজৰ জীৱনৰ গতি পথ পৰিৱৰ্তন নকৰি উন্নত তথা বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য্য কৰি নিজৰ পৰিয়াল তথা দেশৰ উন্নয়নত সহায় কৰে। কাৰণ প্ৰত্যেক মানুহেই যেতিয়া স্বাৱলম্বী হ'ব তেতিয়া নিজ দেশখনেও দোপত দোপে উন্নতিৰ বাটত আগুৱাই যাবলৈ সক্ষম হ'ব। চৰৰ ৰাইজৰ মাটি পট্টা স্থায়ীকৰণ কৰা চৰকাৰৰ অতি প্ৰয়োজনীয়। কাৰণ মাটি বাৰী লৈ চৰৰ অশিক্ষিত লোক সকলে সদায় কাজিয়া পেচালত লিপ্ত হোৱা দেখা যায় যাৰ ফলত বহুতো ধন-জন হানি হয়। আমি চৰবাসী ৰাইজেও জীৱনৰ মান উন্নয়নৰ বাবে প্ৰত্যেকেই ঘৰত হাত সাৰটি বহি নাথাকি উন্নত কৃষি পদ্ধতিৰে চৰৰ মাটিত সেউজ বিপ্লৱ আৰম্ভ কৰাৰ উপযুক্ত সময় আহি পৰিছে। ❑

# শিক্ষাৰ প্ৰসাৰ আৰু সমাজৰ প্ৰগতিত শিক্ষকৰ ভূমিকা

আব্দুছ ছামাদ আলী
মুৰব্বী, বুৰঞ্জী বিভাগ

এই পৃথিৱীখন বিচিত্ৰ। ইয়াত বিভিন্ন মানুহৰ বিভিন্ন কাৰ্য্যপন্থা আছে। যিজনে শিক্ষা বা পাঠদান কৰা কাৰ্য্য জীৱনৰ মহান কৰ্তব্য হিচাপে গ্ৰহন কৰি শিক্ষাদান কাৰ্য্যত একান্তভাৱে ব্ৰতী হয় তেওঁকে সমাজে শিক্ষক হিচাপে অভিহিত কৰে।

ছাত্ৰ-ছাত্ৰীক শিক্ষা দান কৰাই শিক্ষক এজনৰ মহান কৰ্তব্য আৰু প্ৰধান দায়িত্ব। তেওঁৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা আৰু ভাৱধাৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা অনুষ্ঠানক কেন্দ্ৰ কৰি গঢ়ি উঠা উচিত। "পঢ়ে পঢ়ুৱাই কৰে পাণ, ই তিনি নিচিন্তে আন।" সেয়ে তেওঁৰ ভাৱধাৰা হ'ব লাগিব কেনেকৈ পঢ়াব লাগিব, *(How to teach)* কি পঢ়াব লাগিব *(What to teach)* আৰু কাক শিকাব লাগিব *(Whom to teach)*। শিক্ষক এজন কেৱল জ্ঞান ভাণ্ডাৰৰ অধিকাৰী হ'লেই নহ'ব লগতে তেওঁৰ পাৰদৰ্শিতা আৰু কলা-কৌশল থকা উচিত। তেওঁৰ শিক্ষাৰ প্ৰতি জন্মগত ধাউতি আৰু আগ্ৰহ থাকিব লাগিব। *A teacher is born, not made* শিক্ষক জন্মে, গঢ়ি নুঠে। শিক্ষক অৱশ্যে তৈয়াৰ কৰা সহজ নহয় যদিও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে প্ৰশিক্ষণ দি কিছুমান উপযুক্ত শিক্ষক গঢ়ি লোৱাৰ আৱশ্যকতা আছে।

শিক্ষক এজন চৰিত্ৰৱান, নিষ্ঠাৱান, কৰ্তব্যপৰায়ণ আৰু আদৰ্শৱান ব্যক্তি হোৱা বাঞ্চনীয়। তেওঁ ছাত্ৰ-ছাত্ৰী তথা সমাজৰ পথ প্ৰদৰ্শক। তেওঁৰ জীৱন নিৰ্বাহৰ প্ৰণালী সহজ সৰল আৰু চিন্তা-চৰ্চা উচ্চ হ'ব লাগিব। *Simple living and high thinking* সকলো গুণৰ অধিকাৰী হ'ব নোৱাৰিলেও তেওঁ অন্ততঃ কিছুমান বিশিষ্ট গুণাৱলীৰ অধিকাৰী নিশ্চয় হ'ব লাগিব তেতিয়াহে তেওঁ সমাজত এজন আদৰ্শ আৰু কৃতি শিক্ষক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব। ড° এফ. এল. ক্ৰেপয়ে শিক্ষকৰ দহটা গুণাৱলীৰ কথা উল্লেখ কৰিছে। গাম্ভীৰ্য্য, আন্তৰিকতা, উৎসাহ, মিঠামাত, কলা-কৌশল, সহানুভূতি, পাণ্ডিত্য, ৰসিকতা, পাৰদৰ্শিতা আৰু নেতৃত্ব শিক্ষকৰ বিশিষ্ট আৰু উত্তম গুণ।

শিক্ষক জনৰ চাল-চলন আৰু কথা-বতৰা গাম্ভীৰ্য্য পূৰ্ণ হ'ব লাগিব। তেওঁ এজন সহানুভূতিশীল আৰু আন্তৰিকতা সম্পন্ন ব্যক্তি হ'ব লাগিব। এই গুণবিলাকৰ অধিকাৰী হ'লে ছাত্ৰ সমাজৰ মন অতি সহজে জয় কৰিব পাৰিব আৰু লগতে ছাত্ৰ সমাজত এজন জনপ্ৰিয় আৰু পৰম পূজনীয় ব্যক্তি হ'ব।

শিক্ষকৰ অন্যতম গুণ হ'ল ৰসিকতা। ৰসিকতা সম্পন্ন শিক্ষকে ছাত্ৰ ছাত্ৰীৰ মনত হাস্য ৰস সৃষ্টি কৰি ছাত্ৰ সমাজক মনোৰঞ্জন প্ৰদান কৰিব পাৰে। পাৰদৰ্শিতা আৰু ব্যক্তিত্ব শিক্ষকৰ মহান গুণ। ব্যক্তিত্ব সম্পন্ন শিক্ষক এজনে শিক্ষা অনুষ্ঠানত আৰু সমাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

শিক্ষক সদায় নিৰপেক্ষ নীতিৰ পূজাৰী হ'ব লাগে। নিৰপেক্ষ নীতিত বলীয়ান হৈ নিজস্ব বিবেক বুদ্ধি প্ৰয়োগ কৰি স্কুল, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্ভাৱন হোৱা সমস্যাৱলীৰ সমাধান কৰাটো এজন নিৰপেক্ষ শিক্ষকৰ কৰ্তব্য।

কলা-কৌশল গুণ থকাৰ উপৰিও শিক্ষকৰ নেতৃত্ব দিব পৰা গুণ থাকিব লাগে। ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰি শিক্ষক এজনে তেওঁৰ মহান বলিষ্ঠ নেতৃত্বৰ দ্বাৰা প্ৰভাৱান্বিত কৰি ছাত্ৰ সমাজক প্ৰগতিৰ ফালে আগুৱাই নিয়া উচিত।

স্কুল, কলেজৰ শিক্ষক সকলৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতি মহান দায়িত্ব আৰু কৰ্তব্য আছে। শিক্ষক হিচাপে শিক্ষাৰ্থী সকলক উপযুক্ত শিক্ষা প্ৰদান কৰি উপযুক্ত কৰি গঢ়ি তুলিব পাৰে যাতে ছাত্ৰ ছাত্ৰী সকলে পৰীক্ষাত সাফল্য লাভ কৰি গৌৰৱ অৰ্জন কৰিব পাৰে আৰু লগতে শিক্ষা অনুষ্ঠানৰ সুনাম কঢ়িয়াই আনিব পাৰে।

আদৰ্শ শিক্ষক হিচাপে তেওঁ শিক্ষা অনুষ্ঠানৰ সৰ্বাঙ্গীণ

উন্নতিৰ প্ৰতি চকু দিব লাগিব। তেওঁৰ আপাশুধীয়া চেষ্টাৰ ফলস্বৰূপে অনুষ্ঠানটি সকলো দিশতে জয় জয় ময় ময় হৈ উঠে।

স্কুল, কলেজৰ শিক্ষক সকলৰ মাজত সম্পৰ্ক অতি মধুৰ, বন্ধুত্বপূৰ্ণ, আন্তৰিকতাপূৰ্ণ আৰু সহানুভূতিশীল হোৱা সদায় বাঞ্ছনীয়। ইয়াৰ ব্যতিক্ৰম হ'লে শান্তি বিৰাজ নকৰিব। শিক্ষক সকলৰ মাজত বন্ধুত্ব আৰু সহানুভূতিশীলতা সদায় বৰ্তি থকা উচিত।

এই প্ৰসংগত উল্লেখ কৰিব পাৰোঁ যে আজিকালি ব্ৰিটিছ সকলৰ দৰে কিছুমান স্কুল, কলেজৰ কৰ্তৃপক্ষই শিক্ষক সকলৰ মাজত *Divide and Rule* নীতি প্ৰয়োগ কৰি শিক্ষক সকলক দুটা গোটত বিভক্ত কৰে। এটা গোট কৰ্তৃপক্ষৰ ফলীয়া গোট আৰু আনটো কৰ্তৃপক্ষৰ বিৰোধী গোট। কৰ্তৃপক্ষৰ ফলীয়া গোটে অনুষ্ঠানত থকা সকলো সা-সুবিধা আৰু সুযোগ লাভ কৰে। আনহাতে বিৰোধী গোটে কৰ্তৃপক্ষৰ অনুগ্ৰহ আৰু সুবিধাৰ পৰা বঞ্চিত হৈ থাকে। আনকি এই গোটটোৱে প্ৰসংশনীয় কাম কৰিলেও সেই কামৰ নিমিত্তে কৰ্তৃপক্ষৰ পৰা প্ৰশংসা বা ধন্যবাদসূচক মন্তব্যৰ পৰাও বঞ্চিত হয়। বৈষম্যমূলক বিভাজন নীতিৰ ফলত শিক্ষা অনুষ্ঠানৰ শৈক্ষিক পৰিবেশ কেৱল নষ্টই নহয় বৰং শিক্ষা অনুষ্ঠানৰ প্ৰগতিও মন্থৰ গতিত আগবাঢ়ে।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক অতি মধুৰ আৰু নিবিড়। *It is called the spiritual relationship between the teacher and the taught* শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক আধ্যাত্মিক আৰু স্বৰ্গীয়। শিক্ষকে শিক্ষাৰ্থী সকলক পোহৰ দান কৰে। কৃতি আৰু আদৰ্শ শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত মানুহ আৰু সুনাগৰিক কৰি গঢ়ি তোলে।

শিক্ষক সকলক সামাজিক অভিযন্তা বা *Social Engineer* বুলিও কোৱা হয়।আমাৰ দেশৰ বিভিন্ন ধৰণৰ সমস্যা যেনে জনসংখ্যা বৃদ্ধি, দৰিদ্ৰতা, নিবনুৱা, পৰিবেশ-প্ৰদূষণ, নৈতিকতাবোধৰ স্খলন দুৰ্নীতি আদি জলন্ত সমস্যাবোৰৰ সমাধান কৰাত শিক্ষক সকলে বিশেষ অৰিহণা আগবঢ়াব পাৰে। শিক্ষক সকল ভাল সমাজ সেৱক বা সংস্কাৰক। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক লগত লৈ দীঘলীয়া বন্ধৰ সময়ত আমাৰ দেশৰ অতি ভিতৰুৱা বা একেবাৰে পিছপৰা অঞ্চলবোৰলৈ গৈ সেই অঞ্চলৰ ছাত্ৰ সমাজ, শিক্ষক আৰু ৰাইজৰ সংযোগত সমাজৰ উন্নয়ন, নিৰক্ষৰতা আদি সমস্যাৰ ওপৰত আলোচনা চক্ৰৰ আয়োজন কৰি ছাত্ৰ সমাজ আৰু দেশবাসীক ভালকৈ বুজাই দিব পাৰে। আকস্মিক দুৰ্ঘটনা, মহামাৰী, প্ৰলয়ংকাৰী বানপানীৰ দ্বাৰা আক্ৰান্ত অঞ্চলৰ ৰাইজলৈ সেৱা আৰু সাহায্য আগবঢ়াব পাৰে। আমাৰ ভাৰতবৰ্ষখন পৃথিৱীৰ ভিতৰতে এখন বৃহত্তম গণতান্ত্ৰিক দেশ। প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে ভাৰতবৰ্ষত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। শিক্ষক সকলে কোনো দলগত নহৈ নিৰপেক্ষনীতি অৱলম্বন কৰি ভোটদাতা সকলক সুপথে পৰিচালনা কৰিব পাৰে। তেওঁলোকে দেশৰ চৰকাৰ গঠন কাৰ্য্যত বলিষ্ঠ ভূমিকাৰে অৰিহণা যোগাব পাৰে।

শিক্ষকৰ ভূমিকা বহুমুখী আৰু ব্যাপক। তেওঁলোকে কেৱল পাঠদান কাৰ্য্যত আবদ্ধ নাথাকি দেশৰ বিভিন্ন দিশৰ বিভিন্ন জলন্ত সমস্যাৱলীক আকোৱালি লৈ সেইবোৰ সমস্যাৰ আশু সমাধান কৰিব পাৰে। তাৰোপৰি শিক্ষাৰ পূৰ্ণ বিকাশ, উচ্চ মানদণ্ড, সফলতা আৰু উন্নতি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে শিক্ষক সমাজৰ ওপৰত।

শিক্ষকসকল জাতিৰ মেৰুদণ্ড স্বৰূপ। তেওঁলোকে জাতিৰ ইতিহাস ৰচক, মানুহৰ জীৱন গঢ়ে আৰু জাতিক গঠন কৰে। সেয়ে *A teacher is a builder of a nation* বুলি কোৱা হয়।

শিক্ষা, শিক্ষাৰ্থী আৰু শিক্ষক -- এই তিনিৰ স্থান সদায় অতি গুৰুত্বপূৰ্ণ আৰু উচ্চ। তেওঁলোক মানৱ সমাজৰ উজ্জ্বল ৰত্ন স্বৰূপ। শিক্ষক সকল জ্ঞানৰ ভাণ্ডাৰ। আদৰ্শ শিক্ষকৰ স্থান সমাজত সদায় উচ্চ। কাৰণ তেওঁলোক সমাজৰ আটাইতকৈ পূজনীয় আৰু নমস্য ব্যক্তি। যুগে যুগে সমাজে শিক্ষক সকলক উচ্চ আৰু সম্মানজনক আসন দি আহিছে আৰু দি থাকিব। সেয়ে জয়তু মহান শিক্ষক। ❑

**স্মৰণীয়**

সৰ্ববিধ জ্ঞানদানের, সৰ্ববিধ শিক্ষার আদৰ্শ হওয়া উচিত ভিতরের মানুষটিকে গড়িয়া তোলা। কিন্তু তাহার বদলে আমরা সব সময় বাহিরটি মাজিয়া ঘষিয়া চাকচিক্যময় করিতেই ব্যস্ত। ভিতর বলিয়া যদি কিছু না-ই রহিল, তবে শুধু বাহিরের চাকচিক্য বাড়াইয়া লাভ কি? মানুষকে উন্নত করাই সৰ্ববিধ শিক্ষণের উদ্দেশ্য ও লক্ষ্য।

স্বামী বিবেকানন্দ

সাম্প্ৰতিক চিন্তা

# এমুঠি পোহৰ বিচাৰি

ৰাতুল ৰঞ্জন কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

"জীব শ্ৰেষ্ঠ মানুহ" বুলি দাবী কৰা এই মানুহ জাতিটোৰ এচামে 'মানুহ' শব্দটোৰ অৰ্থ অতিক্ৰম কৰি পশুৰ পৰ্য্যায়ত উপবিষ্ট হৈছে। কিছুমান কীট পতংগই যেনেকৈ আন শ্ৰেণীৰ তেজ শোষণ কৰি জীয়াই থাকে ঠিক তেনেকুৱা এশ্ৰেণী মানুহ আমাৰ মাজত বাস কৰি আছে যি সকল মানুহৰ শঠতা আৰু নিষ্ঠুৰতাই মঙ্গলকাৰক সকলো আদৰ্শ নিৰ্মূল কৰি নৈতিক আৰু সামাজিক ব্যাভিচাৰৰ মাজেৰে সৃষ্টি কৰা বিভীষিকাৰ মাজত জীৱন আৰু জগতৰ সকলো অৰ্থ শেষ কৰি পেলাব খুজিছে।

সমাজত যেতিয়া অপৰাধৰ মাত্ৰা অথবা নৃশংসতা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰে তেতিয়া ক্ৰমে ক্ৰমে ঘটি অহা ঘটনা সমূহৰ প্ৰতি মানুহে প্ৰকাশ কৰিব নোৱাৰা প্ৰতিক্ৰিয়াৰ তীব্ৰতা হ্ৰাস পাবলৈ ধৰে। বৰ্তমান অতি নিষ্ঠুৰ নৃশংস ঘটনায়ো মানুহক বিচলিত কৰিব নোৱাৰা হৈছে। চুৰি, ডকাইটি, অপহৰণ, হত্যা, লুণ্ঠন, ধৰ্ষণ আদি নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। পুৱাৰ বাতৰি কাকতখনে আমালৈ কোনো সুখৰ খবৰ কঢ়িয়াই নানে। বাতৰি কাকতবোৰে সমাজৰ আত্মঘাতী বিধ্বস্ত ৰূপ এটা আমাৰ মাজত দাঙি ধৰে। বোমা বিস্ফোৰণত মৃত্যুৰ বাতৰি, আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত গুলিয়াগুলি, উগ্ৰপন্থী বিচৰাৰ নামত নিৰীহ লোকক হত্যাৰ বাতৰি, সেনা বাহিনীৰ দ্বাৰা কুমাৰী, বৃদ্ধা, গৰ্ভৱতী তিৰোতা ধৰ্ষিতা হোৱা বাতৰি, ছাত্ৰৰ দ্বাৰা শিক্ষক প্ৰহৃত হোৱাৰ বাতৰি, আৰক্ষীৰ দ্বাৰা শিক্ষকক কাণত ধৰাই উঠা বহা কৰা বাতৰি, স্বামীৰ দ্বাৰা পত্নীক হত্যা কৰা বাতৰি, দুৰ্নীতি, কেলেংকাৰী ...... আদি বোৰেই বাতৰি কাকত ভৰি আছে। আৰু এয়া হ'ল মানবীয় মূল্যবোধৰ চৰম অবক্ষয়ৰ নিদৰ্শন।

আজি অসমীয়া জাতিৰ ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক, ভাষিক, শৈক্ষিক দিশলৈ লক্ষ্য কৰিলে অনুমান হয় যেন ইয়াৰ ধ্বংসৰ লক্ষণ সমূহ প্ৰকট আৰু ব্যাপক হৈ পৰিছে। আমাৰ নৈতিক চৰিত্ৰৰ স্খলন ঘটিছে। দুৰ্নীতি নামৰ ৰাক্ষসে আমাক কেনেদৰে গ্ৰাস কৰিছে ই সৰ্বজন বিদিত। আমাৰ ৰাজনীতি, অৰ্থনীতি, দুৰ্নীতিৰ পোষকতা কৰা...... ভ্ৰষ্টাচাৰী এচামৰ কবলত। আজি কোনটো বিভাগত দুৰ্নীতি হোৱা নাই। পশুপালন বিভাগত দুৰ্নীতি, চিৰিয়াখানাত বন্য পশু কেইটাক অনাহাৰে ৰাখি দুৰ্নীতি, শিল্পী সকলৰ সাংস্কৃতিক বিভাগত দুৰ্নীতি, পৰিবহন বিভাগত দুৰ্নীতি, ভূমি সংৰক্ষণ বিভাগত দুৰ্নীতি, ভাষা প্ৰয়োগ সঞ্চালকালয়ত দুৰ্নীতি, জিলা কোষাগাৰত অবাধে চলি থকা লক্ষ লক্ষ টকাৰ দুৰ্নীতি। এই সকলোবোৰ দুৰ্নীতিৰ বিষয়ে কোনজন ব্যক্তিয়ে নেজানে। কিন্তু কোটি কোটি টকাৰ দুৰ্নীতিৰ ঘটনা পোহৰলৈ অহাৰ পিছতো তাক ঢাকিবলৈ এচাম ৰাজনীতিবিদ উদগ্ৰীৱ। তেওঁলোকে দুৰ্নীতিৰ বোকাত ডিঙিলৈ পোত গৈ থকাৰ কথা জনসাধাৰণে নেজানে বুলি ভাবে। আনহাতে জনসাধাৰণে জানিলে বা হ'ব কি? আমাৰ মাত মতাৰ সাহস নাই। আমি বৃহৎ স্বাৰ্থৰ কথা পাহৰি নিজা ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে মনে মনে বহি থাকোঁ আৰু কেতিয়াবা মাতিলেও দুদিনৰ পিছতে ওলোটা গাওঁ যেন তেওঁলোকৰ ওচৰত আমাৰ বিবেক বুদ্ধি তথা সৰ্বস্ব বিশেষ কেইটামান সুবিধা তথা কেইটামান টকাৰ বিনিময়ত বিক্ৰী কৰি থৈছোঁ।

আজি অসমৰ পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় ভোকাতুৰ জীৱনৰ প্ৰতিচ্ছবি। এই উদ্বিগ্ন জীৱনৰ মেৰ পাক বিলাক যেন খোল খাই মুকলি হৈ পৰিছে। বিচিত্ৰ ৰূপত এই জীৱনৰ পটভূমি যেন ক্ৰমাৎ বহল হৈ পৰিছে। মানুহ উপনীত হৈছে স্বাৰ্থপৰতাৰ শেষ স্তৰত। কেৱল নিজৰ স্বাৰ্থ পূৰণৰ বাবেই যেন এই জীৱন। বৰ্তমানৰ মানুহৰ মাজত সম্পৰ্ক কি? আমাৰ শাসকৰ

দলে আমাৰ ওপৰত হিংসা কপটতা সুমুৱাই দি এই সুবিধাতে সকলোৱে ওপৰত অবাধ শোষণ চলাই আছে। অকল এয়ে নহয় ভয় দেখুৱাই আমাৰ ভিতৰত পৰস্পৰ মূৰ ফলা ফলি কৰিবলৈ লগাই দিছে। সিহঁতে মানুহবোৰক বন্দুক বাৰুদ আৰু টাঙোনত পৰিণত কৰিছে আৰু ঘোষণা কৰিছে এয়াই চৰকাৰ, এয়াই ৰাষ্ট্ৰ। শাসনৰ কুচক্ৰই হোজা জনসাধাৰণক হেটি ঠেলি একেবাৰে গড় খাৱৈৰ কিনাৰত পেলাইছে। ঘাট-প্ৰতিঘাট জৰ্জৰিত হৈ অনিচ্ছা স্বত্তেও চুচুৰি বাগৰি আমি গৈ আছোঁ। অত্যাচাৰত জৰ্জৰিত হৈ আমি বোবা আৰু অন্ধৰ দৰে হৈছোঁ। আৰু চাবুক দি ঘোঁৰা দৌৰাৱাৰ দৰে হৈছে আমাৰ জীৱনৰ গতি।

যেতিয়াই জীৱনৰ প্ৰতি কোনো মানুহ বিশেষকৈ ডেকাচাম বিতুষ্ট হয় তেতিয়াই এই বিতুষ্ট হোৱা লোক সকলে দুৰ্ভাগাৰ নানা ঘাট-প্ৰতিঘাটত জৰ্জৰিত হৈ বিদ্ৰোহী হৈ পৰে আৰু ইয়াৰ এটা প্ৰতিকাৰৰ বাট বিচাৰে আৰু বুজিব খোজে দুখ কষ্টৰ মূল কাৰণ কি? উচ্চ শিক্ষা লাভ কৰিও চাকৰি নাপাই আজিৰ ডেকাচামে নিবনুৱা হৈ অনাই বনাই ঘুৰি ফুৰিবলগীয়া হৈছে। আৰু যি সকলৰ টকাৰ জোৰ আছে সিহঁতে টকাৰ জোৰতে চাকৰি লৈ সুখী জীৱন যাপন কৰি আছে। আনহাতে চাকৰি নোপোৱা সকলে নিজৰ জীৱনৰ প্ৰতি বিতুষ্ট হৈ হাতত তুলি লৈছে মাৰণাস্ত্ৰ। যাৰ ফলত আজি দেশৰ চাৰিওফালে সৃষ্টি হৈছে সন্ত্ৰাসবাদ আৰু চৰকাৰে এই সন্ত্ৰাসবাদী সকলক বিচাৰি উলিয়াবলৈ এৰি দিছে হেজাৰ হেজাৰ জোৱান।

দিন দুপৰতে কেৱল সন্ত্ৰাসৰ গোন্ধ, চৌদিশে কেৱল কান্দোনৰ ৰোল। সোণৰ অসম গঢ়িবলৈ অহা সোণাৰী সংগঠনবোৰে চৌদিশে চলাইছে কেৱল অবাধ অত্যাচাৰ, হত্যা-লুণ্ঠন। আজিৰ অশান্ত অসমত চিৰশান্তি বিয়পাবলৈ অহা মুক্তিকামী সংগঠনবোৰে যি অমানৱীয় কাৰ্য্যত লিপ্ত হৈছে তাৰ পৰা জনসাধাৰণৰ জীৱন নিৰ্বাহ কৰাহে কঠোৰ হৈছে। কেতিয়া কাৰ ক'ত কি হয় কোনো লেখ নাই। ৰাস্তাঘাট, বজাৰ চৌদিশে কেৱল নিজান নিতাল পৰিৱেশ। সন্ধিয়া ৬ বজাৰ পিছত সকলো মানুহ ঘৰৰ ভিতৰত; বাহিৰত যেন এখন শ্মশানহে।

আজি অসমৰ বানপানী, নিবনুৱাৰ সমস্যা আদিৰ লগতে বিদেশীৰ প্ৰব্ৰজন সমস্যাইও অসমৰ ৰাজনৈতিক তথা অৰ্থনৈতিক দিশত এক গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। ১৯৮৫ চনৰ ১৫ আগষ্টত অসম চুক্তি স্বাক্ষৰিত হৈছিল সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত। অগণন লোকৰ ত্যাগ, নিষ্ঠা আৰু আন্তৰিকতাৰ ফচল এই চুক্তি আজিও কাৰ্য্যকৰী নহ'ল।

আজিৰ অশান্ত অসমৰ এই ভয়ানক পৰিস্থিতিৰ মূলতে দায়ী কোন? অসমত বৰ্তমান যি সন্ত্ৰাসবাদী মনোভাব, চৰকাৰৰ যি কু-শাসনচক্ৰৰ প্ৰভাৱ এই সকলো বিলাকৰ মূলতে দায়ী আমাৰ সমাজ ব্যৱস্থা নে শিক্ষা ব্যৱস্থা নে শাসক শ্ৰেণীৰ কু-প্ৰভাৱ নে অসমৰ জনসাধাৰণ। ভাল-বেয়া দোষ-গুণ এইবোৰ মানুহে জন্মত লৈ নাহে। এইবোৰ গঢ় লৈ উঠে আমি থকা সমাজখনৰ পৰা। আমি যি দেখিছোঁ বা শুনিছোঁ তাৰ পৰা এইটো অতি সহজে অনুমেয় যে বৰ্তমানৰ উচ্ছৃংখল যুৱ সমাজখনৰ বাবে প্ৰধানকৈ এই সমাজখনেই দায়ী। লগতে আমি দায়ী কৰিব পাৰোঁ আমাৰ শিক্ষা ব্যৱস্থাটোক। যি শিক্ষা ব্যৱস্থাই সমাজখনৰ উঠি অহা যুৱক চামক সঠিক দিশে আগবাঢ়াই নিয়াত বিফল হয়। সেয়া উপযুক্ত শিক্ষা ব্যৱস্থা নহয়। এখন ভাতৃত্বপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ হকে অনুপ্ৰাণিত কৰাৰ বিপৰীতে এই শিক্ষা ব্যৱস্থাই গঢ়ি তুলিছে এমুঠি ক্ষমতালোভী স্বেচ্ছাচাৰী লোকৰ; সৃষ্টি কৰিছে নিবনুৱা সমস্যাৰ।

আজি সকলো ছাত্ৰ, যুৱক, সচেতন ব্যক্তিয়ে আমাৰ জাতীয় অস্তিত্বৰ সংকট সমূহ নিৰ্মমভাৱে আত্মসমালোচনা কৰি অসমীয়া জাতিটোক পুনৰ জাগ্ৰত কৰিবৰ সময় আহি পৰিছে। ক্ষুদ্ৰ ৰাজনীতি, সন্ত্ৰাসবাদ পৰিহাৰ কৰি এটা সুস্থ অসমীয়া জাতি গঠন কৰি আমি ভাল অসমীয়া ভাল, ভাৰতীয় বুলি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সময় সমাগত। নহ'লে অসমীয়াৰ ৰাজহাড় নাই বুলি বিশ্বই বৰকৈ হাঁহিব। আমাৰ কু-প্ৰভাৱ, সন্ত্ৰাসবাদ আদি আঁতৰাই অসমীয়া জাতিটোৰ উন্নতি, বিকাশ আৰু পৰিপুষ্টিৰ বাবেই আমাৰ প্ৰয়োজন এক প্ৰচণ্ড একতাবদ্ধ, সুদৃঢ় আৰু শৃংখলাবদ্ধ শক্তিৰ। নৃগোষ্ঠীগত বা ধৰ্মীয় কোনো বিশেষ গোষ্ঠীৰ বা কোনো বিশেষ সম্প্ৰদায়ৰ যুৱ সমাজ সুকীয়া সুকীয়াকৈ নহয়, সকলোৱে এক হৈ ঐক্যবদ্ধ হ'ব লাগিব। যাতে কুৰি শতিকাৰ পিছত আমাৰ উত্তৰ প্ৰজন্মই ইতিহাসৰ পাতত আমাৰ স্বৰূপ বিচাৰি পায়। ❑

# প্ৰদূষণ ঃ সমস্যা আৰু সমাধান

শংকৰ দাস
প্ৰাক্তন ছাত্ৰ

**প্ৰদূষণ** হৈছে আমাৰ বায়ু, পানী আৰু মাটিৰ প্ৰাকৃতিক ৰাসায়নিক আৰু জৈৱিক গুণাগুণৰ এটা অবাঞ্চনীয় পৰিবৰ্তন। যিয়ে মানৱ জীৱন, ঔদ্যোগিক উন্নয়ন, জীৱন ধাৰণৰ অৱস্থা আৰু সাংস্কৃতিক সম্পদ সমূহৰ অনিষ্ট সাধন কৰিব পাৰে।" *(Polution is an undesirable change in the phisical, chemical and biological characteristics of our air, water and soil that may or will harmfully affect human life, industrial progress, living conditions and cultural assets)* মাটি, বায়ু, পানী সকলোৰে স্বকীয় উপাদান আছে। কেতিয়াবা কোনো কোনো বহিঃক্ষতিকাৰক পদাৰ্থ মাটি, পানী আৰু বায়ুত মিহলি হৈ সিহঁতৰ স্বাভাবিক ধৰ্মৰ পৰিবৰ্তন সাধে। এনে ধৰণৰ পৰিবৰ্তনে প্ৰদত্ত সম্পদবোৰ জীৱজগতৰ বাবে ক্ষতিকাৰক হিচাপে পৰিগণিত হয়। ইয়াকে প্ৰদূষণ বোলে। পৰিষ্কাৰ পানী, নিৰ্মল বতাহ, মাটি এইবিলাকৰ ওপৰত মানুহৰ জন্মগত অধিকাৰ। কিন্তু দিনক দিনে মানুহে এই অধিকাৰৰ পৰা বঞ্চিত হ'ব ধৰিছে। মানুহে স্বাৰ্থপৰভাৱে নিজৰ সুবিধাৰ বাবে পৰিবেশে যিমান দিব পাৰে তাতকৈ বেছি শোষণ কৰি লৈছে আৰু তাৰ পৰিবৰ্তে পৰিবেশক ওভোতাই দিছে বিষাক্ত বস্তু। এই বিষাক্ত বস্তুবোৰ গোট খাই হয়তো এদিনাখন গোটেই জীৱজগত ধ্বংস হ'ব পাৰে। প্ৰদূষণৰ কোনো ভৌগলিক সীমাৰেখা নাথাকে। এখন দেশৰ প্ৰদূষণ আন এখন দেশেও ভোগ কৰিব লাগে। ইয়াৰ কুফল তৎক্ষণাত দেখা নাযায়। দূষিত বস্তুবোৰ অলপ অলপকৈ বিষাক্ত হৈ এটা সময়ত পৰিবেশ সম্পূৰ্ণৰূপে বিষাক্ত কৰি তোলে।

**বিভিন্ন প্ৰকাৰৰ প্ৰদূষণ আৰু ইয়াৰ ফলাফল ঃ**

**জল প্ৰদূষণ ঃ** জল প্ৰদূষণ আজিৰ গতিশীল সভ্যতাৰ এটা অভিশাপ। ভাৰতবৰ্ষৰ মানুহে হাজাৰ বছৰ জুৰি গংগাক পবিত্ৰ নদী হিচাপে পূজা কৰি আহিছে। গংগাৰ পানী অতি পৱিত্ৰ আৰু বিশুদ্ধ বুলি ভাবিছিল আৰু পৰিয়ালৰ মানুহৰ মৰণ কালত এটুপি গংগাজল মুখত দিবলৈ এই নদীৰ পানী সংগ্ৰহ কৰি যতনে বন্ধ পাত্ৰত সাঁচি থৈছিল। কিন্তু আজি গংগানদীৰ পানী বিশুদ্ধ হৈ থকা নাই। আজিৰ গংগা নদীৰ পানী মুখত দিলে হয়তো মানুহৰ মৃত্যুও হ'ব পাৰে। এখন এখনকৈ আমাৰ নদীবোৰ কাৰখানাৰ বিষাক্ত ৰাসায়নিক পদাৰ্থ, কীটনাশক দ্ৰব্য, কৃষিজ পেলনীয়া সামগ্ৰী, তীব্ৰ এচিড ইত্যাদি পেলোৱা আৱৰ্জনা থলীত পৰিণত হ'ব ধৰিছে। বিষাক্ত পদাৰ্থবোৰ জলাশয়ত পেলাই দিয়াৰ ফলত প্ৰবলভাৱে জল প্ৰদূষণ ঘটিছে। মহাসাগৰ আমাৰ ভৱিষ্যৎ খাদ্যৰ ভাণ্ডাৰ। কিন্তু সকলো দূষিত বস্তু শেষত গৈ সাগৰত পৰে, যাৰ ফলত পানী বিষাক্ত হৈ পৰে। তদুপৰি বৃহৎ জাহাজ আৰু তৈলবাহী টেংকাৰবোৰে উৎপাদিত খাৰুৱা তেলৰ আধাখিনি মহাসাগৰৰ বুকুৰেদি কঢ়িয়াই নিয়ে। ইয়াৰ ফলত তেলৰ এহেজাৰ ভাগৰ এভাগ জাহাজৰ ফুটাইদি বা অন্যধৰণে পৰি যায়। এনেকৈ পানী দূষিত হোৱাৰ ফলত মানুহৰ স্বাস্থ্য হানি হয়। মেলেৰীয়া, গ্ৰহণী, টাইফয়ড আদি ৰোগ দ্ৰুতভাৱে বৃদ্ধি পাইছে। ভাৰতত বছৰি ৫০ লাখ মানুহৰ এই মাৰাত্মক ৰোগত মৃত্যু ঘটে। দূষিত পানীৰ ফলত মাছৰ উৎপাদনো কমি যায়। অসমত নুনমাটি তেল শোধানাগাৰে ভৰলু নৈৰ পানী বিষাক্ত কৰিছে আৰু নামৰূপ সাৰ কাৰখানাৰ আৱৰ্জনাই দিহিং নৈৰ পানী দূষিত কৰিছে। এইবোৰ নদীত দস্তা, পাৰা, আৰ্চেনিক আদি বিষাক্ত পদাৰ্থ পোৱা যায়।

**বায়ু প্ৰদূষণ ঃ** বায়ুমণ্ডল দূষিত পদাৰ্থৰে দূষিত হোৱাটো আমাৰ এটা গভীৰ সমস্যা। বায়ু সহজতে বিভিন্ন প্ৰকাৰৰ গেছ, ধূলিকণা আৰু ধোঁৱাৰ দ্বাৰা প্ৰদূষিত হয়। কল-কাৰখানা, মটৰগাড়ী, তাপবিদ্যুৎ কাৰখানা, তেল শোধানাগাৰ আদিয়ে বৃহৎ পৰিমাণে কাৰ্বন-ডাই-অক্সাইড, চালফাৰ-ডাই-অক্সাইড, সীহ, হাইড্ৰকাৰ্বন, ধাতব পদাৰ্থ আদি আমাৰ বায়ুমণ্ডলত এৰি দিয়ে। বৰ্তমান কয়লা আৰু পেট্ৰোলিয়ামৰ ব্যৱহাৰ ক্ৰমাৎ বাঢ়ি গৈছে। ফলত বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন-ম'ন-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে। কাৰ্বন-ডাই অক্সাইডৰ লগত বায়ুমণ্ডলৰ উষ্ণতাৰ তাৰতম্য নিৰ্ভৰ কৰে। ঔদ্যোগিক সভ্যতা আৰম্ভ হোৱাৰ পৰা এতিয়ালৈকে বায়ুমণ্ডলত কাৰ্বন-ডাই অক্সাইডৰ পৰিমাণ ৬০ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি পাইছে। ফলত চিৰতুষাৰ ৰেখাৰ ওপৰত থকা বৰফ গলি সাগৰৰ উপকণ্ঠ অঞ্চলত বাসকৰা এক তৃতীয়াংশ মানুহৰ বাসস্থান প্লাৱিত হোৱাৰ সম্ভেদ পোৱা গৈছে। বৰ্তমান হিচাপ মতে প্ৰতি তিনিদশকত বায়ুমণ্ডলৰ উষ্ণতা ১° কৈ বাঢ়ি গৈ আছে আৰু ১ অ'জন স্তৰৰ চামনি ক্ৰমে

হ্রাস পাব ধৰিছে। পৃথিৱীৰ সমগ্ৰ প্ৰাণী জগতক সূৰ্য্যৰ মাৰাত্মক অতিবেঙুনীয়া ৰশ্মিৰ প্ৰভাৱৰ পৰা অ'জন স্তৰে ৰক্ষা কৰি আহিছে। পোহৰতকৈয়ো শক্তিশালী এই অদৃশ্য অতিবেঙুনীয়া ৰশ্মি অ'জন স্তৰে শুহি লয়। বায়ুমণ্ডলত বিপদজনক ৰাসায়নিক পদাৰ্থ এৰি দিয়া, জেট চালিত বিমানৰ জেটৰ পৰা নাইট্ৰিক অক্সাইড গেছ ওলোৱা, আজি কালি বিয়া সবাহত সুগন্ধি কৰিবলৈ আৰু ঘৰৰ দুৰ্গন্ধ আঁতৰাবলৈ আদি এশ এবুৰি কামত বন্ধপাত্ৰৰ পৰা জুলীয়া পদাৰ্থ স্প্ৰে কৰা ক্ল'ৰোকাৰ্বন বা তেনেকুৱা গেছৰ ফলত অ'জন স্তৰৰ যথেষ্ট ক্ষতি সাধন হৈ আছে। এই অতি বেঙুনীয়া ৰশ্মিৰ পৰিমাণ মানুহৰ গাত বেছিকৈ পৰিলে নানা বিধ চৰ্মৰোগ আৰু দুৰাৰোগ্য চৰ্ম কেন্সাৰ হোৱাৰ উদাহৰণ পোৱা যায়। আজি বায়ু প্ৰদূষণ মানৱ জাতিৰ প্ৰধানতম শত্ৰু। দিনে মানুহে ১৫-২০ কিঃ গ্ৰাম অক্সিজেন শোষণ কৰে যদি বায়ু বিশুদ্ধ নাথাকে মানুহৰ হাপানি, কাহ, চৰ্দ্দি, ব্ৰংকাইটিছ, মূৰৰ বিষ আদি ৰোগ দেখা দিয়ে।

**মাটি প্ৰদূষণ ঃ** আজি সভ্য মানুহে সৃষ্টি কৰা বিবিধ কাৰুকাৰ্য্যই মাটি দূষিত কৰাৰ অৰিহণা আগবঢ়াইছে। মাটি আৰু মানুহৰ [ গভীৰ সম্পৰ্ক তাক দোহাৰিবৰ আৰু প্ৰয়োজন নাই। পৰিচ্ছন্ন জীৱন যাত্ৰাৰ প্ৰধান অন্তৰায় হ'ল - কঠিন আৱৰ্জনাৰ দ্বাৰা পৰিৱেশ দূষিত কৰণ। নানা তৰহৰ প্ৰাকৃতিক আৰু প্ৰযুক্তি নিৰ্মিত গোটা বস্তু - কাগজ, প্লাষ্টিক, পলিথিন, নাইলন, যন্ত্ৰপাতি, গাড়ী, কাঠ, বাঁহ আদি পেলাই দিয়াৰ ফলত মাটি দূষিত হৈছে। সমতল ঠাইত এই য'তে ত'তে পেলোৱা বস্তুবোৰ এক গোট কৰিলে এবছৰত হয়তো এভাৰেষ্ট শৃংগৰ সমান হ'বগৈ। বিভিন্ন কাৰখানা আৰু উদ্যোগে এনে প্ৰদূষণৰ ভাবুকি বঢ়াই তুলিছে।

গছ-গছনিৰ ধ্বংস, দোষমুক্ত জলসিঞ্চন প্ৰণালী, জলব্যৱস্থাৰ বান্ধবোৰৰ প্ৰতি অৱহেলা, দোষমুক্ত কৃষি পদ্ধতি আদি বহুতো কাৰণত সাৰুৱা কৃষিৰ উপযোগী মাটি মৰুভূমিত পৰিণত হৈছে। পুনঃ পুনঃ কীট আৰু জীৱাণু নাশক বস্তু, ৰাসায়নিক সাৰ আৰু অপতৃণ নিৰোধক বস্তু ব্যৱহাৰৰ ফলত মাটিৰ স্বাভাৱিক জৈৱিক গুণ নষ্ট হৈ পৰিছে। এই কঠিন আৰু ৰাসায়নিক পেলনীয়া দ্ৰব্য সমূহে পৃথিৱীৰ সকলো শ্ৰেণীৰ লোকৰ মাজত ভয়ংকৰ প্ৰদূষণ সমস্যাৰ সৃষ্টি কৰাটো আমাৰ প্ৰত্যেকৰে জনা কথা।

**শব্দ প্ৰদূষণ ঃ** মানুহে ৰাতি ৪৫ আৰু দিনত ৫৫ ডেছিবি'ল শব্দৰ তীব্ৰতা সহ্য কৰিব পাৰে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ দান টি.ভি., ৰেডিঅ', যান-বাহন, যুঁজাৰু বিমান আদিয়ে উৎপন্ন কৰা শব্দৰ তীব্ৰতা ৪৫-৫৫ ডেচিবি'লকৈ বহুত বেছি। এটা ষ্টাইৰেণে ১৫০ ডেচিবি'ল আৰু এটা ৰকেটৰ উৰণৰ সময়ত ১৭০ ডেচিবি'ল শব্দৰ সৃষ্টি কৰে। চহৰ অঞ্চলত গাড়ী-মটৰ, ৰেলগাড়ী, কল-কাৰখানাৰ শব্দৰ ফলত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ, ৰক্তচাপ বৃদ্ধি, স্নায়ুতন্ত্ৰৰ নানা ৰোগ, শ্ৰৱণ ইন্দ্ৰিয় বিকল হোৱা আদি উদাহৰণ পোৱা যায়। শব্দ-প্ৰদূষণৰ অভিশাপ চহৰত অধিক। শব্দ প্ৰদূষণে শিশু সকলক বেছিকৈ ক্ষতিগ্ৰস্ত কৰে। পৰিসংখ্যাৰ পৰা জানিব পৰা গৈছে যে - লণ্ডনৰ ব্যস্ত বিমান ঘাটিৰ চৌপাশৰ অঞ্চলৰ শিশুৰ মৃত্যুৰ হাৰ ইংলণ্ডৰ অনান্য ঠাইৰ তুলনাত বেছি।

**তেজস্ক্ৰিয় প্ৰদূষণ ঃ** পাৰমাণৱিক পৰীক্ষা তথা পাৰমাণৱিক যুদ্ধাস্ত্ৰই হৈছে বৰ্তমান জগত তথা আগন্তুক প্ৰজন্মৰ প্ৰতি বৃহত্তম ভাবুকি। এটা পাৰমাণৱিক বোমা বিস্ফোৰণে লণ্ডন বা নিউয়ৰ্কৰ নিচিনা চহৰ এখন চকুৰ পচাৰতে ধূলিসাৎ কৰি দিব পাৰে। এটা পাৰমাণৱিক বোমাৰ বিস্ফোৰণৰ স্থলৰ পৰা ১৬ কিল'মিটাৰ পৰ্যান্ত দূৰত থকা অৰণ্য এখন নিমিষতে ছাইত পৰিণত হ'ব পাৰে। এই বোমাৰ বিস্ফোৰণৰ ফলত ইমান উত্তাপ সৃষ্টি হয় যে সেই অঞ্চলৰ ধাতু তথা খনিজ পদাৰ্থসমূহ গলি আনকি বাষ্পীভূত হৈ পৰিব। বিজ্ঞানীসকলে এতিয়াও মানৱ জাতিক পাৰমাণৱিক বিস্ফোৰণৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰাৰ কোনো ব্যৱহাৰিক সম্ভৱনা বিচাৰি উলিয়াব পৰা নাই।

**প্ৰদূষণ নিয়ন্ত্ৰণৰ উপায় ঃ** প্ৰদূষণৰ পৰা হ'ব পৰা ভৱিষ্যৎ সমস্যা সমূহৰ কথা চিন্তা কৰি আমাৰ প্ৰত্যেকৰে সচেতনতা অহা উচিত। সমাজৰ সকলো শ্ৰেণীৰ মানুহে প্ৰাকৃতিক সম্পদ সমূহ সংৰক্ষণ কৰিবলৈ তথা পৰিৱেশ দূষিত নকৰিবলৈ আগবাঢ়ি আহিব লাগিব। বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তত চলি থকা প্ৰদূষণৰ কাৰকসমূহ নিয়ন্ত্ৰণ তথা হ্ৰাস কৰিবলৈ উপায় উদ্ভাৱন কৰিব লাগিব। গছ-গছনি কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণৰ সমতা ৰক্ষা কৰে। গতিকে আমি যথে-মধে গছ-গছনি কাটি ধ্বংস নকৰি বেছিকৈ গছ ৰুব লাগিব। বৈদিক শ্লোকত স্পষ্টভাৱে উল্লেখ আছে - "ব্যৱহাৰৰ দ্বাৰাহে পৰিৱেশৰ ভাৰসাম্য ৰক্ষা পৰে"। গতিকে সমাজৰ সকলো শ্ৰেণীৰ মানুহকে প্ৰাকৃতিক সম্পদ সমূহৰ সুষম তথা পৰিমিত ব্যৱহাৰৰ আৱশ্যকতাৰ বিষয়ে শিক্ষা দিব লাগিব। পৰিৱেশ সংৰক্ষণ সংঘ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ সপ্তাহ আদি স্থাপন তথা উদ্‌যাপন কৰি সাধাৰণ মানুহক অৱগত কৰিব লাগিব। বিজ্ঞানী সকলেও প্ৰদূষণ মুক্ত প্ৰযুক্তি বিদ্যা কৌশল উদ্ভাৱন কৰাত অগ্ৰাধিকাৰ দিব লাগিব।

**উপসংহাৰ ঃ** আজি আমি চকু ফুৰালেই দেখা পাওঁ চাৰিওপিনে পৰিৱেশ প্ৰদূষিত। আজি মাক-দেউতাকে ল'ৰা-ছোৱালীক সকলো দিব পাৰিছে কিন্তু এটা বস্তু কোনো মাক-দেউতাকে ল'ৰা-ছোৱালীক দিব পৰা নাই, সেয়া হ'ল প্ৰদূষণমুক্ত পৰিৱেশ। আজি আমি গৌৰৱময় যন্ত্ৰযুগত বাস কৰিছোঁ, কিন্তু চৌপাশৰ পৰিৱেশৰ প্ৰতি আমি শ্ৰদ্ধা আৰু যত্নসহকাৰে মনোনিৱেশ নকৰিলে এই গৌৰৱময় যুগ প্ৰদূষণময় 'অন্ধকাৰযুগ'ত পৰিণত হ'ব। সেয়ে আজি প্ৰত্যেকেই সচেতন হ'বৰ সময় হ'ল। □

বিজ্ঞান ভিত্তিক প্ৰবন্ধ

# অন্য এক পৃথিৱীৰ সন্ধানত ০০০



প্ৰসেনজিৎ শইকীয়া
প্ৰাক্তন ছাত্ৰ

**স্বাভাৱিকতেই** আমাৰ মাজত এটা প্ৰশ্নৰ উদয় হয় যে — "আমি জন্ম লাভ কৰা এই সৰ্বাংগ সুন্দৰ পৃথিৱীখন কোনে, কেনেকৈ সৃষ্টি কৰিলে? অতীজৰ আদিম - মানববোৰ বাৰু কেনেকৈ সৃষ্টি হৈছিল?" ধৰ্মীয় দৃষ্টিকোণৰ পৰা পৃথিৱীৰ সৰ্বপ্ৰথম মানৱ হ'ল – 'আদাম' আৰু 'ইভ'। তেওঁলোকৰ পৰাই হ'ল আমাৰ বিভিন্ন প্ৰজন্মৰ সৃষ্টি। কিন্তু আদাম আৰু ইভক কোনে কেনেকৈ সৃষ্টি কৰিলে, তাৰ প্ৰমাণ সহ বৰ্ণনা জানো কোনোবাই দিব পাৰিব? তদুপৰি আমাৰ সৌৰ জগতখন কেনেকৈ সৃষ্টি হ'ল? এই প্ৰশ্নবিলাকৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি আলোচনা কৰিবলৈ লাগিব এডুইন পি হাবলৰ "প্ৰসাৰণশীল বিশ্বতত্ত্ব"। তেওঁ কৈছিল যে, আজিৰ পৰা প্ৰায় ১০ ৰ পৰা ২০ বিলিয়ন বছৰ আগতে এক মহাবিস্ফোৰণৰ জৰিয়তে বিশ্ব ব্ৰহ্মাণ্ডৰ আৰম্ভণি হৈছিল। তেওঁৰ মতে এই আৰম্ভণিৰ আগতে বিশ্বব্ৰহ্মাণ্ডৰ সকলো শক্তি আৰু পদাৰ্থ এক অতীৱ ঘন আৰু অতি ক্ষুদ্ৰ আয়তন বিশিষ্ট অৱস্থাত আছিল। সেই অৱস্থাত উষ্ণতা এনে এক অৱস্থাত আছিল য'ত শক্তি আৰু পদাৰ্থৰ কোনো পাৰ্থক্য নাছিল। এই মহাবিস্ফোৰণৰ প্ৰায় তিনি লাখ বছৰৰ পিছত উষ্ণতা প্ৰায় ৩০০০°k হৈছিল গৈ আৰু তেতিয়াৰ পৰাই পদাৰ্থৰ গঠন আৰম্ভ হৈছিল। ইয়াৰ পিছত লাহে লাহে বিশ্বব্ৰহ্মাণ্ড গেছেৰে পৰিপূৰ্ণ হৈ পৰিছিল। এয়েই আছিল বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ প্ৰাথমিক অধ্যায়ন। ইয়াৰ পিছত হাৰ্লো শ্বেপলি আৰু পৰৱৰ্তী কালৰ জ্যোতিৰ্বিজ্ঞানী সকলৰ অধ্যয়নে বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিলে।

সচৰাচৰ আমাৰ মনলৈ এক ধাৰণা আহে যে, আমাৰ এই বাতাৱৰণত ইমান বিলাক জীৱ-জন্তুৰ উপৰিও মানুহৰ দৰে বুদ্ধিজীৱী প্ৰাণীৰ সৃষ্টি হৈছে, সেয়ে বিশ্ব ব্ৰহ্মাণ্ডৰ গ্ৰহ-উপগ্ৰহ বিলাকৰ উপৰিও আন বিলাকৰ ভিন্ন বাতাৱৰণৰ বাবে সেই গ্ৰহ-উপগ্ৰহ বিলাকত আমাতকৈ অৰ্থাৎ আমাৰ পৃথিৱীত থকা বিভিন্ন প্ৰাণী বিলাকতকৈ বেলেগ ধৰণৰ প্ৰাণী থকাটো একো অস্বাভাৱিক কথা নহয়। ১৯২০ চনত ৰাছিয়াৰ বিজ্ঞানী *Alexander I. oparin* যে জীৱ সৃষ্টি সম্পৰ্কে আগবঢ়োৱা তথ্যটো এই ক্ষেত্ৰত এক যুগান্তকাৰী আৱিষ্কাৰ বুলি পৰিগণিত হৈছে। এই তথ্যমতে - আদিম পৃথিৱীৰ বায়ুমণ্ডলত থকা হাইড্ৰোজেন, মিথেন আৰু এমনিয়াৰ মাজত ৰাসায়নিক বিক্ৰিয়া ঘটি জটিল জৈৱ যৌগৰ সৃষ্টি হয়। এই জটিল জৈৱ যৌগৰ পৰাই এককোষী জীৱৰ সৃষ্টি হয় আৰু কালক্ৰমত বিৱৰ্তন ঘটি এই এককোষী জীৱৰ পৰাই বহুকোষী তথা জটিল গঠনৰ জীৱৰ সৃষ্টি হয়। বিজ্ঞানী *oparin*

ৰ মতে এই প্ৰক্ৰিয়াত জটিল জৈব-যৌগৰ সৃষ্টিৰ বাবে পৰিবেশ সৃষ্টি কৰিছিল, বিভিন্ন প্ৰাকৃতিক পৰিঘটনাই। ইয়াৰ ভিতৰত উল্লেখ যোগ্য হ'ল বজ্ৰপাত, ধুমুহা আদি। ইয়াৰ পিছত ১৯৫০ চনত বিজ্ঞানী সকলে উক্ত তথ্যৰ আধাৰতে বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাই কৃত্ৰিম পৰিবেশত জীৱ গঠনৰ বাবে অতীৱ প্ৰয়োজনীয় উপাদান এমাইন' এছিডৰ অনু প্ৰস্তুত কৰি উলিয়ালে। কিছুমান বিজ্ঞানীয়ে আকৌ এই পদ্ধতিৰ সহায়তে *Nucleic Acid (DNA* আৰু *RNA)* প্ৰস্তুত কৰিবলৈ সমৰ্থ হ'ল।

আগতেই কৈ অহা হৈছে যে, — বিশ্বব্ৰহ্মাণ্ডৰ অইন অইন গ্ৰহ-উপগ্ৰহ সমূহৰ বিভিন্ন প্ৰাকৃতিক বাতাবৰণত আমাৰ পৃথিৱীতকৈ বেলেগ প্ৰাণী থকাটো একো অমূলক নহয়। সেয়ে বিজ্ঞানী সকলৰ মাজত স্বাভাবিক ভাবেই এই সম্পৰ্কে উৎসুকতা বাঢ়িবলৈ ধৰে।

সকলো পদাৰ্থৰ দৰে মহাজাগতিক পদাৰ্থবো *(Cosmic matter)* বেলেগ বেলেগ শক্তি স্তৰ থাকে। সেয়ে ইহঁতে বেলেগ বেলেগ তৰংগ দৈৰ্ঘ্যৰ বিদ্যুৎ চুম্বকীয় তৰংগ বিকিৰণ কৰে। বিজ্ঞানী সকলে ৰেডিঅ' টেলিস্কোপৰ সহায়ত উক্ত তৰং ধৰা পেলাব পাৰে। ফলত নিৰ্গত তৰংগক বিশ্লেষণ কৰিলে ই কোনে ধৰণৰ অনু বা পৰমাণুৰ পৰা নিৰ্গত হৈছে নিৰ্ণয় কৰিব পাৰি। দেখা গৈছে যে, বহু মহাজাগতিক অনু *(Cosmic molecules)* জীৱ গঠনৰ বাবে প্ৰয়োজনীয় হোৱা অনুৰ সমষ্টি। এই তৰংগ বিশ্লেষণৰ পৰা বিজ্ঞানী সকলে বহিঃ জগতত পানী, এমনিয়া, ফৰমেল্ডিহাইড, *(Formaldehyde)* চায়ানোজেন *(Cyanogen)*, মিথেন, হাইড্ৰোজেন আৰু মিথাইল এলক'হলৰ সন্ধান পাইছে; যিবিলাক অনুজীৱ গঠনৰ বাবে অতীৱ প্ৰয়োজনীয় উপাদান। ইয়াৰ উপৰিও বহিঃ বিশ্বৰ পৰা অহা বিভিন্ন উল্কা পিণ্ডৰ বিষয়ে অধ্যয়ন কৰিও বিজ্ঞানী সকলে বহিঃ জগতত প্ৰাণী থকাৰ সম্ভাৱনীয়তা দাবী কৰিছে। অষ্ট্ৰেলিয়া আৰু কেণ্টুকিত ভূ-পতিত হোৱা উল্কাপিণ্ড দুটা বিশ্লেষণ কৰি *NASA* ৰ বিজ্ঞানী সকলে ১৮ বিধতকৈ বেছি এমাইন' এছিড আৰু জীৱ দেহৰ বাবে দৰকাৰী বহুতো উপাদান পাইছে। *NASA* ৰ জ্যোতি বিজ্ঞানী *Mr. Richard Hoover* এ উক্ত উল্কাপিণ্ড দুটা বহিঃ বিশ্বৰ য'ৰ পৰা আহিছে, তাত প্ৰাণী থকাৰ সম্ভৱনীয়তা পুৰা মাত্ৰাই বিদ্যমান বুলি ব্যক্ত কৰিছে। এই ক্ষেত্ৰত বিজ্ঞানী সকলৰ মতে মঙ্গল গ্ৰহত প্ৰাণী থকাৰ সম্ভাৱনীয়তা খুবেই বেছি। কিয়নো মঙ্গল গ্ৰহৰ বাতাৱৰণৰ লগত পৃথিৱীৰ বাতাৱৰণৰ যথেষ্ট মিল থকা দেখা যায়। মঙ্গল গ্ৰহৰ বায়ুমণ্ডলৰ ঘনত্ব পৃথিৱীৰ এশ ভাগৰ এভাগ। ইয়াৰ বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰ'জেন, অক্সিজেন, আৰ্গন আদিৰ উপৰিও অন্যান্য গেছো আছে। পৃথিৱীৰ বালিৰ দৰে গ্ৰহটোৰ মাটি মসৃণ, কিন্তু যথেষ্ট শুকান। গ্ৰহটোৰ উত্তৰ প্ৰান্তত বৰফৰ ৰূপত পানীৰ অস্তিত্ব দেখা যায়। ইয়াৰ উপৰিও মাটিত প্ৰচুৰ লোৰ কণিকা থকাৰ বাবে মাটিৰ বৰণ ৰঙা। সেয়ে ৰঙা ধূলিকণাৰ বাবে মঙ্গল গ্ৰহৰ আকাশৰ বৰণ ৰঙা। সেয়ে ৰঙা ধূলিকণাৰ বাবে মঙ্গল গ্ৰহৰ আকাশৰ বৰণ গুলপীয়া হয়। মঙ্গল গ্ৰহৰ জলবায়ুৰ উষ্ণতা ২৯ ডিগ্ৰী ছেন্টিগ্ৰেডৰ পৰা ৮৪ ডিগ্ৰী ছেন্টিগ্ৰেডৰ ভিতৰত। ইয়াৰ দক্ষিণ প্ৰান্তত ধূলিৰ ধুমুহাৰ সৃষ্টি হোৱা দেখা যায়। মঙ্গল গ্ৰহৰ মাধ্যাকৰ্ষণ শক্তি পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ ৮ শতাংশহে।

১৯৮৩ চনত কাৰ্ল চাগান আৰু ৭ জন ন'বেল বঁটা বিজয়ী বিশিষ্ট বিজ্ঞানীয়ে *SEARCH FOR EXTRA TERRESTRIAL -- INTELLIGENCE* বা চমুকৈ *Project SETI* নামৰ এক প্ৰকল্প আৰম্ভ কৰে। *NASA* ৰ পৰিকল্পনাৰ মতে প্ৰতি ২৬ মাহৰ অন্তৰে অন্তৰে এযোৰ ৰকেট মঙ্গল গ্ৰহলৈ পঠিওৱা হ'ব। *NASA* ৰ এই পৰিকল্পনাৰ মতে মুঠ ১০ টা ৰকেট উৎক্ষেপণ কৰা হ'ব ক্ৰমে ১৯৯৬, ১৯৯৮, ২০০১, ২০০৩ আৰু ২০০5 চনত। ইয়াৰে ১৯৯৬ চনৰ প্ৰথমটো ৰকেট পাথ্‌ফাইণ্ডৰ ইতিমধ্যেই মঙ্গল গ্ৰহত উপস্থিত হৈছেগৈ। পাথ্‌ফাইণ্ডাৰৰ আগতেও ১৯৭২ চনৰ ২ মাৰ্চ তাৰিখে মাৰ্কিন যুক্তৰাষ্ট্ৰই 'পায়নিয়াৰ — ১০' নামৰ যান এখন মহাকাশলৈ প্ৰেৰণ কৰে। সেই যানখনে উক্ত বছৰৰ ডিচেম্বৰ মাহতে বৃহস্পতি গ্ৰহ, ১৯৭৬ চনত শনি গ্ৰহ আৰু শেষত প্লুটোগ্ৰহ পাৰ হৈ ১৯৮৭ চনত আমাৰ সৌৰজগত এৰি গুচি গৈছে। অনুমান কৰা হৈছে যে, ইয়াৰ ১১০ নিযুত বছৰৰ পিছত যানখন 'বৃষ' — তাৰকামণ্ডলীত উপস্থিত হ'বগৈ। ইয়াৰ পিছত ১৯৭৭ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই ভয়েজাৰ ১ আৰু ভয়েজাৰ ২ নামৰ দুখন যান মহাকাশলৈ প্ৰেৰণ কৰে। সেই সময়ত বিজ্ঞানী সকলে অইন গ্ৰহৰ প্ৰাণীয়ে বুজিব পৰাকৈ মহাকাশ যানবিলাকৰ গাত নৰ-নাৰীৰ ছবি থকা ফলক আঁৰি দিয়াৰ উপৰিও পৃথিৱীখন ক'ত বিচাৰি পোৱা যাব তাৰ

নিৰ্দেশো বৰ্ণনা কৰি দিছিল।

অতীজৰে পৰা মঙ্গল গ্ৰহই বিজ্ঞানী সকলৰ মাজত গভীৰ ভাৱে ৰেখাপাত কৰিছিল। মঙ্গল গ্ৰহৰ বিষয়ে জানিবলৈ তালৈ যোৱাটো নিতান্তই প্ৰয়োজনীয় আছিল। বিভিন্ন দেশে প্ৰতিযোগিতামূলকভাৱে মঙ্গল গ্ৰহমুখী যাত্ৰাত নামি পৰিছিল। ইয়াৰ ভিতৰত আগ ভাগ লৈছিল ৰাছিয়া আৰু আমেৰিকাই। ফলত বিভিন্ন মহাকাশযান প্ৰক্ষেপণৰ ঢল নামি পৰিছিল মেৰিনাৰ - ৪, মেৰিনাৰ - ৯, মাৰ্ছ-২, মাৰ্ছ - ৩, মাৰ্ছ - ৪, মাৰ্ছ - ৫ আৰু মাৰ্ছ - ৬ ৰূপে। ইয়াৰ ভিতৰত মাৰ্ছ - ৬ এ মঙ্গল গ্ৰহত উপস্থিত হৈয়েই ধ্বংসে আঁকোৱালি লৈছিল। এই যানসমূহৰ পিছত মাৰ্কিন যুক্তৰাষ্ট্ৰই পঠিওৱা ভাইকিং - ১, আৰু ভাইকিং ২ এ মঙ্গল গ্ৰহত উপস্থিত হৈ কিছু পৰিমাণে হ'লেও বিজ্ঞানী সকলে সফলতা কঢ়িয়াই আনে। ১৯৯৬ চনত পাথ্‌ফাইণ্ডাৰৰ পিছত একে বছৰৰ নৱেম্বৰ মাহত মাৰ্ছ গ্লোবেল ছাৰ্ভেয়ৰ নামৰ আন এটা ৰকেট মঙ্গল গ্ৰহলৈ উৎক্ষেপণ কৰা হৈছে।

১৯৯৬ চনৰ ডিচেম্বৰ মাহত উৎক্ষেপণ কৰা পাথ্‌ফাইণ্ডাৰ নামৰ যানখনে ১৯৯৭ চনৰ ৪ জুলাইত ভাৰতীয় সময়মতে পুৱা ৫ বজাত মঙ্গল গ্ৰহত উপস্থিত হৈছেগৈ। এতিয়ালৈকে এই যানখনে পঠিওৱা বিভিন্ন তথ্য সমূহ আমাৰ বিজ্ঞানী সকলৰ বাবে যথেষ্ট উৎসাহজনক বাৰ্তা হৈ পৰিছে। মঙ্গলগ্ৰহৰ পৃষ্ঠভাগৰ তথ্য অতিকৈ চমকপ্ৰদ। সৌৰমণ্ডলৰ ভিতৰতে উচ্চতম আগ্নেয় পৰ্বত 'অলিম্পাছ মনছ' এই গ্ৰহটোত আছে। ৫ টা এভাৰেষ্ট লগ লগালেও যিটো পৰ্বতক ঢুকি পোৱা নাযায়, সেই অলিম্পাছ মনছৰ উচ্চতা প্ৰায় ১৭ মাইল। ইয়াৰ উপৰিও ১০০ কি. মি. বহল আৰু কেইবা হাজাৰ কি. মি. দীঘল এক কেনিয়ন আছে, যিটো পৃথিৱীৰ গ্ৰেণ্ড কেনিয়নতকৈ বহুগুণে ডাঙৰ। পাথ্‌ফাইণ্ডাৰে পঠোৱা আন এক তথ্যমতে মঙ্গল গ্ৰহত শুকাই যোৱা বৃহৎ আকৃতিৰ অনেক হ্ৰদ আছে। বিজ্ঞানী সকলৰ মতে জীৱাশ্মৰ সন্ধান পোৱাৰ সম্ভাৱনা ইয়াত বিদ্যমান। কিন্তু ইয়াতকৈয়ো চমকপ্ৰদ তথ্য হিচাপে বিজ্ঞানী সকলে অনুমান কৰিছে যে মঙ্গল গ্ৰহৰ মাটিৰ গভীৰত পাৰ্মাফ্ৰেষ্ট স্তৰত প্ৰচুৰ পৰিমাণে পানী জমা হৈ আছে। পাথ্‌ফাইণ্ডাৰে পঠিওৱা অনেক তথ্যৰ ভিতৰত আন এক আলোড়নকাৰী তথ্য হ'ল — দহ কোটি বছৰৰ পূৰ্বে মঙ্গল গ্ৰহত প্ৰবল বানপানী হোৱাৰ তথ্য। যানখনে পঠিওৱা মংগলৰ 'খাল'ৰ আলোক চিত্ৰই কেৱল বিজ্ঞানী সকলকে নহয়, সাধাৰণ সচেতন মানুহকো হতবাক কৰি তুলিছে।

পিৰামিড আকৃতিৰ পাথ্‌ফাইণ্ডাৰ প্ৰেৰণ কৰোঁতে প্ৰায় ২৫০ নিযুত ডলাৰ ব্যয় কৰা হৈছিল। *NASA* ৰ এক অভিযন্তা ৰবাৰ্ট জুব্ৰিনৰ মতে পৰৱৰ্তী কাম কাজৰ বাবে প্ৰায় ৫,০০০ কোটি ডলাৰ ধাৰ্য্য কৰা হৈছে। পাথ্‌ফাইণ্ডাৰ যানখন গ্ৰহটোত মাত্ৰ ৩০ দিনহে সক্ৰিয় হৈ থকাকৈ নিৰ্মাণ কৰা হৈছে। পাথ্‌ফাইণ্ডাৰৰ পিচতো গ্ৰহটোত জীৱৰ উপস্থিতি সম্পৰ্কে পৰৱৰ্তী অভিযান চলি আছে।

আজিৰ পৃথিৱীৰ বিভিন্ন জলন্ত সমস্যা সমূহে বিজ্ঞানী সকলক আন এক পৃথিৱীৰ সন্ধান কৰিবলৈ বাধ্য কৰাইছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে পৃথিৱীখন সৰু হৈ গৈ আছে। বিজ্ঞানী সকলৰ মাজত সেয়ে আজি বেলেগ জগত এখনৰ বিষয়ে চিন্তা চৰ্চা আৰম্ভ হৈছে অথবা চিন্তা চৰ্চা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। নাইবা পৃথিৱীখন ধ্বংস হোৱাৰ পিছত আমিও ইয়াৰ লগতেই ধ্বংস হৈ যাম নে অইন বেলেগ গ্ৰহত থাকিমগৈ সেয়া ভবাৰ প্ৰয়োজন হৈ পৰিছে; কিয়নো আজিৰ যুগত আমি আমাৰ ভোগ বিলাসক অধিক গুৰুত্ব দি আমাৰ সুন্দৰ পৃথিৱীখনক ধ্বংসৰ মুখলৈ ঠেলি দিছোঁ। ❑

## স্মৰণীয়

দেশৰ অৰ্থনৈতিক অৱস্থাৰ লগত সংস্কৃতিৰ বিকাশৰ সম্বন্ধ ঘন। শুদাপেটীয়া সংস্কৃতি হয় মুমূৰ্ষ, নহয় নিশকতীয়া। এমুঠি ভাত, এখন কাপোৰৰ কাৰণে যেতিয়া দেশৰ এভাগে হাঁহাকাৰ কৰি মৰিব লাগে, তেতিয়া সঙ্গীত-সাহিত্যৰ স্ফুৰণ সম্ৰাট নিৰুৰ বীণ বোৱাৰ দৰেই পৰিহাসপূৰ্ণ হৈ পৰে। এই অসামঞ্জস্য গুচাবৰ হকে লেখকৰ এক সামাজিক দায়িত্ব আছে।

**ড° মহেশ্বৰ নেওগ**



# সেউজীয়া পৃথিৱীত পাৰমিতাৰ দহদিন

যতীন্দ্ৰ নাথ তালুকদাৰ
প্ৰৱক্তা, পৰিসংখ্যা বিজ্ঞান বিভাগ

কিনকিনিয়া বৰষুণ এজাক আহি থকাৰ পৰত, মুখত এটা চিগাৰেট জ্বলাই বিচনাত হেলান দি থকাৰ পৰত, কোনোবা আগন্তুক আহিলে প্ৰথমতে বেয়া লগাই স্বাভাৱিক। আগন্তুক অহাৰ লগে লগেই হয়তো কপালৰ ৰেখাবোৰ স্পষ্ট হৈ পৰিব। ভৰ দুপৰীয়া গাড়ীৰ উপৰ্য্যুপৰি হৰ্ণ শুনি কিন্তু অধ্যাপক ভাস্কৰ বৰুৱা আচৰিত নহ'ল।

বিচনাখনৰ সিটো মূৰে একমাত্ৰ পুত্ৰ চয়ন শুই থকা দেখি লাহেকৈ কপালত এটা চুমা খোৱাৰ পিচত আগন্তুকৰ বাবে অপেক্ষা কৰি ৰ'ল। গৱেষণাৰ বাবে কিছুদিনলৈ দিল্লী বিশ্ববিদ্যালয়লৈ যোৱা পত্নী ৰিণিৰ কথা মনলৈ অহাত অধ্যাপক বৰুৱা কিছু বিব্ৰত হ'ল। এবছৰীয়া পুত্ৰ চয়নক এৰি থৈ যোৱা ৰিণিৰ ফোনৰ বাবে বৰুৱাই বাট চালে। এয়াৰপোৰ্টৰ পৰা গৈ চাগে ৰিণিয়ে সময়েই পোৱা নাই। বৰুৱাই কথাষাৰ ভাবিলে।

ঃ 'ভিনদেউ! দুৱাৰ খোলক। অথনিৰে পৰা চিঞৰি আছোঁ!' ৰিণিৰ ভনী পাৰমিতাৰ চিএৰত অধ্যাপক বৰুৱাৰ সম্বিত ফিৰি আহিল।

দুৱাৰ খোলাৰ লগে লগে হুৰমুৰকৈ সোমাই আহিল পাৰমিতা। বৰষুণত তিতি বুৰি আহিছে, দুহাতে দুটা শকত মোনা।

ঃ ইচ। ভিনদেউটো যে! ঘৰখন বাৰু এনেকৈ ৰাখিব লাগেনে! বাইদেউ যোৱা মাত্ৰ কেইঘণ্টামানহে হৈছে! আপুনিও যে মানুহ! চয়ন ক'ত? পাৰমিতাৰ প্ৰশ্নৰ ধৰণ শুনি অধ্যাপক বৰুৱা কিন্তু অকণো আচৰিত নহ'ল। পাৰমিতাৰ স্বভাৱ চৰিত্ৰৰ কথা বৰুৱাই ভালদৰে জানে। এজাক ধুমুহাৰ দৰে তাইৰ স্বভাৱ। পাৰিলে মহতিয়াই নিব সকলোকে।

কেতিয়া আৰু কেনেকৈ বৰুৱাৰ টোপনি আহিছিল বৰুৱাই গম পোৱা নাছিল। পুত্ৰ চয়নক সাৱতি থকা অৱস্থাত বৰুৱাক দেখি পাৰমিতাৰ অলপ দুখ লাগিল। ঠিক বহেমিয়ান বুলি ক'বও নোৱাৰি, প্ৰায় বহেমিয়ান বৰুৱাৰ গাত হেচুকি দিওঁতে খহমহকৈ সাৰ পায় উঠিল।

ঃ "উঠক! চাহ দিছোঁ!" পাৰমিতাই কোৱা কথাষাৰ উত্তৰ দিয়াৰ পৰিবৰ্তে চাহৰ পিয়লাত চুমুক দি বৰুৱাই চয়নৰ খেলাৰ লগৰী পুতলা এটা এনেয়ে লিৰিকি বিদাৰি থাকিল।

অলপ বিশ্বাস আৰু কিছু সংশয়ৰ মাজেদি চলি অহা সৰু সংসাৰ। দেখাত হয়তো একোৱেই নাই সকলো ঠিকেই চলিছে। গণিতৰ সমীকৰণ মিলোৱাৰ সময়ত সৌপক্ষ

আৰু বাওঁপন্থ মিলাৰ দৰে হয়তো সংসাৰ। পিছে বিশ্ববিদ্যালয়ৰ অধ্যাপক ভাস্কৰ বৰুৱা আৰু ৰিণি দুয়ো দুয়োকে দুডাল ৰেলৰ লগত তুলনা কৰে। দুয়োডাল ৰেল নহ'লে ওপৰেৰে যেনেকৈ ৰেলগাড়ী চলিব নোৱাৰে অথবা চলাটো হয়তো অসম্ভৱ - দুয়োডাল ৰেলৰ সমদূৰত্বৰ দৰে দুয়োজনে কিন্তু প্ৰায়বোৰ কথাতেই নিৰ্দিষ্ট ব্যৱধান মানি চলে।

অন্তৰ্মুখী প্ৰকৃতিৰ অধ্যাপক বৰুৱা নিজৰ ভিতৰতেই আবদ্ধ হৈ থকা মানুহ। ক্লাছ শেষ হোৱাৰ লগে লগেই ঘৰত উপস্থিত হ'বহি। পৰ্টিকত বহি বাতৰি কাকত আলোচনী পঢ়িব। আজৰি সময়ত চয়নৰ লগত খেলিব। আনহাতেদি ৰিণিৰ ব্যক্তিত্ব বহুমুখী - ক্লাছ শেষ হোৱাৰ লগে লগেই ক্লাব, বজাৰৰ পৰা ছাত্ৰ সংগঠনৰ মেললৈকে অবাধ গতি। কেতিয়াবা ৰাতি দেৰিকৈহে ঘৰত সোমায়।

এই যে ৰিণিয়ে সন্ধিয়া ক্লাবলৈ যায় অথবা দেৰিকৈ সোমাই বৰুৱাই কিন্তু একো নকয়। আপোনমনে ফুলনিখনত দুখোজমান দি পৰ্টিকত সোমাই বনচাই কেইটাকে হয়তো বৰুৱাই যতন ল'ব।

ছেঃ গধূলি হ'লহিয়ে! বৰুৱাই এনেয়েই ভোৰভোৰালে। ৰিণি আৰু পাৰমিতা - দুয়োজনী ভনীৰ কথা তুলনা কৰিলে বৰুৱাই। অ'ত ত'ত সিঁচৰতিহৈ থকা সামগ্ৰীবোৰ সজাই থোৱাত ব্যস্ত পাৰমিতাৰ ফালে চাই মিচিকিয়ালে।

পাৰমিতাই জানে যে ভাস্কৰ বৰুৱাৰ গণিতৰ সম্পাদ্যৰ বাহিৰেও কেমু, ছাৰ্ত্ৰে, বালজাক আদিকে ধৰি একেবাৰে নবীনতম সাহিত্যিক বিক্ৰম শেঠ অথবা অৰুন্ধতী ৰয়লৈকে - সকলোবোৰ নখদৰ্পণত। ব্যক্তিগত পুথিভঁৰালত ঠাঁহ খাই থকা কিতাপবোৰ পাৰমিতাৰ বাবে বিশেষ আকৰ্ষণ। চিকিৎসা বিজ্ঞানৰ ছাত্ৰী হিচাপেও পাৰমিতাই এটা কথাই জানে যে সংসাৰখন অথবা সেউজীয়া পৃথিৱীখন গাণিতিক হাৰত চলা ধ্ৰুপদী সম্পাদ্য নহয়। কিছু সম্পাদ্য এনেয়ে স্বতঃসিদ্ধ। অক্টোবৰ মাহৰ শেষৰ কিন্‌কিনিয়া বৰষুণতো পাতল গুলপীয়া নাইটি পৰিহিত পাৰমিতা ঘামি উঠিল। অধ্যাপক বৰুৱা ভিন্‌দেউ হ'লেও ডেকা পয়ত্ৰিশ বছৰীয়া মানুহ। পাৰমিতাই কথাটো এবাৰলৈও ভবা নাছিল। তাইৰ নিজৰে কোনো ভাল বন্ধু বুলিব পৰা কোনো নাই। দহোটা দিন কেনেদৰে কটাব তাই কথাটো লৈ দস্তৰমত চিন্তিত হ'ল। সৰ্পিল গতিৰে বগুৱা বাই দুইহাতে যদি নিশা অক্টোপাছৰ দৰে মেৰাই ধৰে, গালে মুখে যদি সানি দিয়ে অচিনাকি চুম্বন ........ উঃ ভাবিবই নোৱাৰি! পাৰমিতাই মনতে ভোৰভোৰালে। ৰিণি বাইদেউলৈ মনত পৰিল। দিল্লীত ৰিণিয়ে চাগে ভাবিছে চয়নৰ কথা।

পাগঘৰৰ কাঁহি-বাতিৰ শব্দ শুনিহে পাৰমিতাই পুনৰ বাস্তৱ জগতলৈ উভতি আহিল। বেচেৰা ভিন্‌দেউলৈ তাইৰ দুখ লাগিল। ডাইনিং টেবুলত থোৱা সামগ্ৰীবোৰ দেখি তাইৰ চকু কঁপালত উঠিল। খোৱাৰ ইমানবোৰ আয়োজন দেখি তাই একান্তমনে খোৱাত মনোযোগ দিলে। অক্টোবৰ মাহৰ বৰষুণতো পাৰমিতাই ঘামি উঠিছে। এটা সময়ত কাঁহি বাতি সামৰি চয়নৰ ডিভানখনত আওজি বহিল। কেমুৰ কথা মনলৈ আহিল। জীৱন কালতেই কিম্বদন্তি হৈ পৰা এই গৰাকী প্ৰাতঃস্মৰণীয় দাৰ্শনিকে কিয় নোবেল বঁটা প্ৰত্যাখ্যান কৰিছিল তাই ভাবি আচৰিত হ'ল। কেতিয়া আৰু কেনেকৈ তাইৰ টোপনি আহিছিল, তাই গম পোৱা নাছিল। পাৰমিতাৰ গাত হেচুকি দিয়াতহে ঘহমহকৈ সাৰ পাই উঠিল।

ঃ "তোমাৰ চাগে টোপনি ধৰিছে। খ'লখন মেৰিয়াই লোৱা, মই সিটো কোঠাতেই শুম। চয়ন মোৰ লগতেই থাকক" বৰুৱাই অনৰ্গল কৈ গ'ল।

বৰুৱাই পাৰমিতাক দিয়া শুভৰাত্ৰিটোৰ অৰ্থ বিচাৰি চালে। বিগত প্ৰহৰ কেইটাত পাৰমিতাক বৰুৱাই বেলেগ দৃষ্টিৰে এবাৰো চোৱা নাছিল। ৰাতি যদি দুৱাৰ খুলি সাৱতি ধৰে! ছেঃ কি যে ভাবিছে! তাই মনতে ভাবিলে। হয়তো ভিন্‌দেউ বিচনাত আহিলেও তাই এটা সময়ত আত্মসমৰ্পণ কৰিব লগা হ'লহেঁতেন। কাষৰ কোঠাৰ নাকৰ ঘৰঘৰণি শুনি তাই আচৰিত হ'ল।

ৰাতিপুৱা সাৰ পাই পাৰমিতাই ভাবিলে সেউজীয়া পৃথিৱীত এটা দিন সুন্দৰকৈ কটালে। জীপাল হৈ থকা পৃথিৱীখনলৈ তাইৰ মৰম লাগিল। খিৰিকিখন খুলি দি আকাশলৈ চালে তাই। দগদগীয়া সূৰ্যৰ পোহৰ গবাক্ষৰে আহি কোঠাটো ভৰি পৰিছে। কোঠাৰ কাষত থকা বটল ব্ৰাচ গছত চৰাইবোৰে কিৰিলি পাৰি আছে। তাইৰ মনটো আনন্দৰে ভৰি পৰিল। কাষৰ কোঠাত বৰুৱা আৰু পুত্ৰ দুয়ো নাকৰ শব্দ কৰি তেতিয়াও শুই আছিল। ক'ৰবাত ফুৰিবলৈ যাব পাৰিলে ভাল লাগিলহেঁতেন নেকি তাই চিন্তা কৰিলে।

সিটো কোঠাৰ পৰা বৰুৱাৰ মাত শুনি তাইৰ সম্বিত উভতি আহিল। যদি পাৰমিতাৰ আপত্তি নাথাকে তেনেহ লে মৌচিনৰামলৈ ফুৰিবলৈ যাব। লোভনীয় প্ৰস্তাবটো পাই, পাৰমিতাৰ আপত্তি কৰিবলৈ কোনো থল নাথাকিল। পাৰমিতাক সেউজীয়া পৃথিৱীৰ বিষয়ে কেবাখনো সুখপাঠ্যৰ সন্ধান দিলে অধ্যাপক ভাস্কৰ বৰুৱাই। চয়নক কোলাতলৈ গাড়ীৰে মৌচিনৰামলৈ যোৱাৰ পথত পাহাৰীয়া সৰ্পিল গতিৰ পথৰ লগত তাই চিনাকি হৈ পৰিল।

ঠিক চহৰ নহয় কিন্তু চহৰ বুলি দাবীকৰা অথচ সৰু পাহাৰীয়া গাওঁখনৰ পাহাৰৰ টিঙত থকা সৰুঘৰটোলৈ তাইৰ মন

উপজিল। ইয়াৰ পৰা আকাশখন চুব পাৰি। আকাশৰ বৰ্ণনা বিভিন্ন ব্যক্তিয়ে দিছে যদিও ফৰাচী সাহিত্যিক বালজাকৰ ৰচনাত পোৱা উপমা এটাইলে মনত পৰিল। আকাশৰ মাৰফৎ কোনো এক সন্দেশ পঠাব পৰা হ'লে অন্ততঃ আৰু এক মেঘদূতৰ সৃষ্টি হ'লহেঁতেন।

: "মিতা! ইয়াত বৰ ঠাণ্ডা! খ'লখন ভালদৰে মেৰিয়াই লোৱা" বৰুৱাই তলৰ পৰা ৰিঙি মাৰি ক'লে।

"বেলিটো ক'লৈ গ'ল? পূবৰ পৰা পশ্চিমলৈ নে পশ্চিমৰ পৰা পূবলৈ" পাৰমিতাই ভাবিলে।

বৰুৱাই পাৰমিতাৰ কথা ভাবিবলৈ ধৰিলে। কেতিয়াবা পেটৰ বিষত কেৰকাই থাকিলেও ৰিণিয়ে ভালদৰে মাত এসাৰ নিদিয়ে। ৰঙা-বগা বড়িৰ টোপোলা আৰু পানীগিলাচ মেজত থৈ ৰিণি অন্তৰ্ধান হয়। মাজে মাজে কামকৰা সৰু ছোৱালীজনীয়ে বুকুৰ ভিতৰলৈ মালিছ দিয়ে। এই কামবোৰ ছোৱালীজনীতকৈ ৰিণিয়ে কৰাহেঁতেন তেওঁ বেছি ভাল পালেহেঁতেন নেকি বাৰু? যিজন মানুহে নিজৰ সমস্ত কামবোৰ কৰিছিল, সেইজন মানুহে এতিয়া আনৰ ওপৰত ভৰষা কৰিব লগা হ'ল।

পাৰমিতাই ধূপ এডাল জ্বলাই দিলেহি। কোঠাৰ খিৰিকি কেইখন বন্ধ কৰি লাইটো জ্বলাই দিলে। হেমন্তৰ এটা অৱসন্ন সন্ধিয়া নামি আহিছে। চৌদিশ ধূসৰ, আৰ্দ্ৰ। অলপ আগতে দিয়া বৰযুগ জাকৰ কোনো চিনচাবেই নাছিল। ইয়াত আহি পাৰমিতাই মনতে স্থিৰ কৰিছিল যদি ভাস্কৰ বৰুৱাই তাইক সাৱতি ধৰেও - তাই কোনো ধৰণৰ আপত্তি নকৰিব! ইয়াত কি ভুল হ'ব পাৰে? তাই ভাবিলে। আটাইতকৈ ডাঙৰ কথা হ'ল পুৰুষৰ সান্নিধ্য নোপোৱা নাৰীয়ে পুৰুষৰ সান্নিধ্য অৱচেতন মনত বিচাৰেই। ইয়াত নতুনত্ব নাই।

পাৰমিতাই সান্নিধ্যৰ বাবে ব্যাকুল হোৱাৰ সময়ত তেওঁলোক উভতিবৰ হৈছিলহি। যেনেদৰে ভাবিছিল, তাতোকৈ অধিক দীপ্তৰে ভাস্কৰ হৈ পৰা মানুহজনলৈ তাইৰ মৰম উপজিল। ৰিণিয়ে ভাস্কৰক লৈ সুখী কিয় নহয় তাই বুজিলে। আচলতে শূণ্যতাত ভাঁহি থকা মানুহে পৰিমিতবোধ সংসাৰ কৰিব নোৱাৰে। ৰিণিৰ দৰে এজনী ছোৱালীয়ে ভাস্কৰক বেয়া পোৱাই স্বাভাৱিক। কিয় জানো পাৰমিতাৰ ভাস্কৰৰ বুকুৰ মাজলৈ কুৰুকি কুৰুকি সোমাই যাবলৈ মন গ'ল।

মানুহৰ বিমল সান্নিধ্যত থাকিও অথচ এবাৰো মানুহৰ স্পৰ্শ নোপোৱা পাৰমিতাই ৰিণিক উভতিবৰ সময়ত ক'লে -

: "ভিনদেউৰ সেউজীয়া পৃথিবীত দহোটা দিন কটালোঁ। তেওঁ মোক যিখিনি দিলে, মই হয়তো ইয়াৰ ঋণ পৰিশোধ কৰিব নোৱাৰিম। কিন্তু তেওঁ সঁচায়ে বুৰ্বক, তই কেতিয়াবা গালি পৰাৰ দৰে ষ্টুপিদ, কিন্তু কেতিয়াও বহেমিয়ান নহয়। বহেমিয়ান হ'ব নোৱাৰে। বুকুৰ বিষৰ ডাক্তৰী পৰীক্ষা কৰি মই গম পালোঁ যে তেওঁৰ হাওফাওঁত কেন্সাৰ হৈছে। মানুহটো বেছি দিন নাথাকিব। অধ্যাপক ভাস্কৰ বৰুৱাৰ মৃত্যু হ'ব।" পাৰমিতাই ৰিণিৰ ফালে তীৰ্য্যক দৃষ্টিৰে কথাখিনি ক'লে।

পাৰমিতাৰ কথা শুনি ৰিণি হুকহুকাই কান্দি উঠিল।

বেলি তেতিয়া দুপৰ হৈছিলহি।

*[ পুন : গল্পটোৰ কাহিনীভাগৰ জুমুঠিটো সঁচা ঘটনাৰ আলমত লিখা হৈছে। কাহিনীৰ নায়ক অধ্যাপক বৰুৱাৰ দুৰাৰোগ্য কেন্সাৰ বেমাৰত মৃত্যু হৈছে। ইতি - লেখক ]*

## স্মৰণীয়

জীৱনৰ মৰ্য্যাদা যিখিনি শ্ৰেষ্ঠ, যিখিনি সুন্দৰ, সেইখিনিৰ পৰা আমি পদে পদে বঞ্চিত হৈছোঁ। এনে এক ভয়ংকৰ সময়ত দেশক ৰক্ষা কৰিবৰ বাবে অপৰিহাৰ্য হৈ পৰিছে এক নৈতিক নেতৃত্বৰ। সেই নেতৃত্বৰ দায়িত্ব ল'ব লাগিব অমোঘ শব্দ গতিৰ অধিকাৰী সাহিত্যিক সকলে। শব্দ-শক্তিক আৰাধনা কৰাৰ এয়া হ'ল প্ৰকৃত সময়।

চন্দ্ৰপ্ৰসাদ শইকীয়া

# সংকল্প



ছোলেমান শিকদাৰ
স্নাতক, ১ম বৰ্ষ (কলা)

নহানগৰীৰ ব্যস্ততাপূৰ্ণ ৰাজপথত থকা চাৰিআলিত এজন অসহায় পথিকৰ যেনেকুৱা অৱস্থা হয়, ঠিক তেনেদৰে মহাবিদ্যালয়ত প্ৰথম দিনাখনো কোনো কোনো ছাত্ৰ-ছাত্ৰীৰ তেনেকুৱাই হয়। শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ লগে লগে প্ৰতিখন মহাবিদ্যালয়ত ব্যস্ততাপূৰ্ণ পৰিৱেশ আহি পৰে। ছাত্ৰ-ছাত্ৰীৰ কমনৰূমত কোলাহলপূৰ্ণ পৰিৱেশ বিৰাজমান। পুৰণি ছাত্ৰ-ছাত্ৰী সকলৰ হাঁহি তামচাৰে উচ্ছাস ভৰা চাৱনিৰ বিপৰীতে নতুন সকলৰ সংকোচ মিশ্ৰিত চাৱনি।

প্ৰথম পিৰিয়ড শেষ হ'বলৈ কেইমিনিটমান থাকোঁতে 'ৰেগিং মাষ্টাৰ' ৰাজাই কমন ৰূমলৈ খোজ ল'লে। বাৰান্দাত তেতিয়াও ছাত্ৰ-ছাত্ৰীয়ে মৌ মাখিৰ দৰে গুণগুণাই ভীৰ কৰি আছিলহি। কাৰোফালে নাচাই ৰাজা কমনৰূমত সোমাই পৰিল। কমনৰূমত ল'ৰা ছোৱালীৰ ভীৰ। মাজে মাজে হাত চাপৰি আৰু খিলখিলীয়া হাঁহি। তাৰ মাজতে কোনোবা অসহায় গাভৰুৰ উচুপনিৰ ক্ষীণ শব্দ।

জোনালী নামৰ নতুনকৈ নাম ভৰ্ত্তি কৰা একাদশ শ্ৰেণীৰ ছাত্ৰীজনীক ভীৰৰ মাজৰ পৰা কোনোবাই কৈছে, জোনালী আমি তোমাৰ পৰিচয়হে ল'ম, তোমাৰ ভয় নাই। এইখন কলেজহে বাঘৰ বাৰীতো নহয়। যি সুধিম কৈ যাবা। এনেতে স্নাতক দ্বিতীয় বাৰ্ষিকৰ কলেজৰ ৰেগিংমাষ্টাৰ বুলি খ্যাত ৰাজাই সুধিলে, কোৱাচোন জোনালী তুমি কলেজলৈ কিয় আহিছা? তাই নিৰ্ভয়ে উত্তৰ দিলে, পঢ়িবলৈ, শিক্ষা ল'বলৈ। সকলোৱে হাঁহিলে। পুনৰ প্ৰশ্ন এডুকেচন মানে তোমাৰ চাবজেক্ট নে তুমি ল'বলৈ অহা শিক্ষা? জোনালী এইবাৰ বিপাঙত পৰিল। তাই বহু সময় তলমূৰ কৰি থাকিল, এনেতে এজনে আহি ক'লে, ক'ৰ অ' এইজনী ন-কইনা চাওঁ মুখখনি। বেচেৰী জোনালীৰ মুখ ৰঙা-ছিঙা পৰি গ'ল। এনেতে ৰাজাই আকৌ সুধিলে, কোৱাচোন পাঁচোটা ভাৱেল থকা ইংৰাজী শব্দ এটা? তাই কোনোমতে উত্তৰ দিলে, এডুকেচন। আকৌ হাত চাপৰি। তাৰ মাজতে ৰাজাীয়ে চিঞৰি ক'লে - এইটো সুন্দৰ মেন অৰ দা মেট্চ পাইছে দেই।

ৰাজাৰ অনৰ্গল প্ৰশ্নবাণ। ল'ৰাৰ আটাইতকৈ প্ৰিয়বস্তু কি? জোনালীয়ে ভয় ভয় কৈ ক'লে মৰম। আই ঐ দেহী আই লাভ ইউ জোনালী বুলি কৈ চাধা মাৰি থকা হাতখনেদি ৰাজাই তাইৰ গালখনত চুণ লগাই দিলে। তাই উচুপিব ধৰিলে। মনত নানা ভয় আৰু চিন্তাই তাইক ধৈৰ্য্যহাৰা কৰি পেলাইছিল। মনে মনে ভাবিছে, কেতিয়া এই ভূত মৰাৰ পৰা ৰক্ষা পাওঁ। ইফালে খিলখিলীয়া হাঁহিৰে জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন। ভীৰৰ মাজৰ পৰা অশ্লীল বাক্য তাইৰ কাণত পৰি আছে। আকৌ ৰাজাই সুধিলে তুমি পানীত সাঁতুৰিব জানানে? তাই ভয় ভয় কৈ ক'লে - জানো। বাৰু তোমাৰ মনৰ মানুহজন ধৰা মই। মই থাকোঁ নদীৰ সিটো পাৰে, তুমি থাকা ইপাৰে। নদীত দলং নাই। তুমি মোৰ ওচৰলৈ কি দৰে যাবা? তাইৰ খুব ভয় লাগিছে জানোচা ভুল হয়। ভাবি থাকোঁতে ভীৰৰ মাজৰ পৰা এজনে চিঞৰি ক'লে, ঐ নাককাটি তৎক্ষণাত উত্তৰ নিদিঅ কিয়? জোনালীৰ দেহত শক্তি নোহোৱা হ'ল। তাইৰ ঘৰলৈ বাৰুকৈ মনত পৰিছে। তাই ভয় ভয় কৈ উত্তৰ দিলে 'সাঁতুৰি'। আটাইয়ে হাঁহি হাঁহি হাত চাপৰি বজালে। এনেতে ৰাজাই এবাল্টি পানী মজিয়াত ঢালি দি জোনালীক সাঁতুৰিবলৈ ক'লে। এইবাৰহে জোনালী বিপদত পৰিল। তাইৰ চকুলো ববলৈ ধৰিলে। তাই ক'ত আছে নিজে ক'ব নোৱাৰা হৈ মৌন হৈ পৰিল। বহু সময় এনেদৰে থকাত ৰাজাই খঙেৰে জোনালীৰ গালত এচৰ লগাই দিয়াতহে তাইৰ তৎ আহিল। তাই ভাবিলে সাঁতোৰাৰ বাহিৰে

আন একো উপায় নাই। তাই পিন্ধা কাপোৰেৰে মাটিত সাঁতুৰিব ধৰিলে। তাইৰ গোটেই শৰীৰটো বোকাৰে লুতুৰি-পুতুৰি হ'ল। ৰাজাই লগৰ কেইজনৰ লগত কি যে আনন্দ কৰিছে। তাই মনে মনে দৃঢ় সংকল্প কৰিলে কলেজৰ জীৱন চাৰি দিনতে শেষ কৰিম। আকৌ ভাবিছে হয় আত্মহত্যা কৰিম, নহয় প্ৰতিশোধ ল'ম। এনেতে ৰাজাই ক'লে জোনালী বেয়া নাপাবা। তোমাৰ সৈতে আমি চিনাকি হৈ কিছু আনন্দ কৰিছোঁ। তুমি এতিয়া যোৱাগৈ। পিছত লগ পাম। শুভেচ্ছা থাকিল।

জোনালীৰ নিজৰ গাওঁখনি অতিকৈ পিছ পৰা আৰু ভিতৰুৱা। তাৰৈ আবেলি চাৰি বজাত এখন মিনিবাছ চলে। তাই কলেজত ভৰ্ত্তি হ'বৰ চাৰিদিন হৈছিলহে মাথোন। বাছখন সময় মতে গ'ল। কলেজৰ পৰা ঘৰলৈ প্ৰায় ১১ কিঃ মিঃ দূৰ। এতিয়া তাই অকলশৰে যাব লগীয়া হোৱাত ভয়ৰ মাজতে বুকুত শক্তি বান্ধি খোজ ল'লে। ইফালে বিধৱা মাকে সন্ধিয়ালৈ একমাত্ৰ ছোৱালীজনী কলেজৰ পৰা উভতি নহাত পদূলি মুখত অপেক্ষা কৰি আছে। ককায়েক ৰিজুয়ে মাকক নানান কথাৰে বলকিব ধৰিছে, ছোৱালী কলেজত পঢ়ুৱাই হাকিম বনাব, ডাক্তৰনী বনাব! তাই কলেজত পঢ়িব গৈছেনে ল'ৰাৰ লগত ঘূৰি ফুৰি আড্ডা মাৰিছে? লগৰ সকলো ছোৱালী চাৰি বজাত ঘৰ পালে। তাই এই সাত বজালৈ ঘৰ পোৱা নাই। তাইক আৰু কলেজত নপঢ়ুৱাওঁ। দৰা এটি চাই বৰলাৈলৈ হ'লেও বিয়া দিয়াৰ চিন্তা কৰিব লাগে বুলি ককায়েকে খঙেৰে কৈ থাকোঁতে জোনালী ঘৰ পালে। ককায়েক ৰিজুয়ে তাই গৈ পোৱা মাত্ৰকে কেবাটাও চৰ মাৰিলে। তাই কান্দিব ধৰিলে। এন্ধাৰ বাবে তাইৰ লেতেৰা কাপোৰকানি ককায়েকে নেদেখিলে। পিছত ককায়েক আৰু মাকৰ আগত সকলো কথা বিবৰি ক'লে আৰু কলেজত নোযোৱাটো ঠিৰাং কৰিলে। নিশা বিচনাত শুই থাকোঁতে দিনটোৰ ৰেগিঙৰ অত্যাচাৰ আৰু ককায়েকৰ গালি-শপনিৰ কথাবোৰে জোনালীক বাৰকৈয়ে আঘাত কৰিলে আৰু জীয়াই থাকিবলৈ তাইৰ ইচ্ছা নোহোৱা হ'ল!

চাৰে ন বজাৰ আগে আগে প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰী শ্ৰেণীত উপস্থিত হৈছে। শিক্ষক-শিক্ষয়িত্ৰী সকলো পাঠদানৰ বাবে শ্ৰেণীলৈ যাবলৈ সাজু হৈছে। এনেতে ছাত্ৰ একতা সভাৰ সম্পাদকে শোক সভাৰ বাবে জাননী দিলে। সকলো ছাত্ৰ-ছাত্ৰী শোক সভালৈ গ'ল লগতে ৰাজাও গ'ল। সম্পাদকে কৈ গ'ল যোৱা নিশা ১২ বজাত আমাৰ কলেজত নতুনকৈ নামভৰ্ত্তি কৰা একাদশ শ্ৰেণীৰ ছাত্ৰী জোনালী দেৱীয়ে আত্মহত্যা কৰি মৃত্যু বৰণ কৰিছে। সেয়ে দুই মিনিট সময় মৌন হৈ থাকি জোনালীৰ আত্মাৰ চিৰশান্তি কামনা কৰা হওক বুলি কোৱাৰ লগে লগে ৰাজাই চকুৰে ধোঁৱা কোৱা দেখিলে। গোটেই কলেজখন চাৰিও পিনে ঘূৰিব ধৰিলে। বাৰ বাৰে এটা কথাই মনত খুন্দিয়াব ধৰিলে। এয়া জোনালীৰ আত্মহত্যা নহয় হত্যা। সি ভাবি ভাবি আহি ঘৰ পালে। ঘৰৰ পদূলি মুখত বহু মানুহৰ সমাগম দেখিলে। ৰাজাই চোতাললৈ জন সমাগমৰ মাজেৰে সোমাই গৈ দেখিলে চোতালত এখন বগা চাদৰৰ তলত কোনোবা এগৰাকী! ওচৰতে বৃদ্ধা মাক আৰু দেউতাকে হিয়া ঢাকুৰি কান্দি আছে। ৰাজাই কাপোৰ গুচাই দেখিলে ভনীয়েক বিনীতাৰ মৃতদেহ। ভনীয়েকৰ নিথৰ দেহৰ ওচৰত ৰাজাই কাণ্দোনত ভাগি পৰিল। পিছত কিছু সুস্থ হৈ জানিব পাৰিলে তাৰ ভনীয়েক বিনীতাই হোষ্টেলত চলা ৰেগিঙৰ উৎপাতত ওপৰ মহলাৰ পৰা তললৈ বাগৰি পৰি মূৰত গুৰুতৰ আঘাত পায়। ততাতৈয়াকৈ হস্পিতাললৈ নি চিকিৎসা কৰা হয় যদিও পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে।

সময় আগবঢ়াৰ লগে লগে ভনীয়েকৰ স্মৃতিয়ে ৰাজাক শোকাকুল কৰি তুলিলে। বিনীতাই চাৰিটা বিষয়ত লেটাৰ পাই মেট্ৰিক পাছ কৰাৰ দিনা সিহঁতৰ ঘৰত সৰু সুৱা উৎসৱেই হৈছিল। তাইৰ লক্ষ্য আছিল এগৰাকী ভাল চিকিৎসক হোৱা; ভৱিষ্যতে গাঁৱত থাকি চিকিৎসা সেৱা আগবঢ়োৱা। দুখীয়া মানুহক বিনা পইচাই চিকিৎসা কৰিব! পঢ়াত অত্যন্ত চিৰিয়াচ ভনীয়েকে ৰাজাকো মৰমৰ ধমক দি কৈছিল, "আড্ডা দি ফুৰ যে ভালদৰে নপঢ় কিয়? কি কৰি খাবি?" ৰাজাই হাঁহি হাঁহি উত্তৰ দিছিল, "পলিটিক্স কৰি, মিনিষ্টাৰ হ'বলৈ তোৰ দৰে কিতাপৰ পোক হ'ব নালাগে নহয়!" কথাছবিৰ দৃশ্যৰ দৰে ভনীয়েকৰ সৈতে কৰা হাঁহি ধেমালিৰ ক্ষণবোৰ এটি এটিকৈ মনলৈ আহিবলৈ ধৰিলে। লগে লগে তাৰ মনত তীব্ৰ অনুশোচনা হ'বলৈ ধৰিলে। সিহঁতৰ দৰে ল'ৰাবোৰে ৰেগিঙৰ নামত কৰা নিষ্ঠুৰ অত্যাচাৰৰ কাৰণেই জোনালী আৰু তাৰ অতি মৰমৰ ভনীয়েক বিনীতাই অকালতে মৃত্যুক সাৱটি ল'ব লগা হ'ল। অনুশোচনাই দৃঢ় সংকল্পৰ ৰূপ ল'লে - এতিয়াৰ পৰা সি ৰেগিঙৰ বিৰুদ্ধে যুঁজ দি যাব। যাতে ভৱিষ্যতে কোনো ছাত্ৰ-ছাত্ৰীয়ে ৰেগিঙৰ বাবে অকালতে পঢ়া সামৰিব লগা নহয় নাইবা মৃত্যুক আঁকোৱালি ল'ব লগা নহয়। ❑



# বৃন্তচ্যুত

আব্দুচ ছালাম আহমেদ
স্নাতক, (বিজ্ঞান) ২য় বৰ্ষ

**কিমান** সময় ধৰি ললিতাই কান্দি আছে সেই কথা তাই স্থিৰ কৰিব পৰা নাই। কিন্তু তাইৰ মনত আছে যে, তিনিখন বিছনাত তাই বাগৰিলে, তিনিটা গাৰু চকুলোৰে তিয়ালে। তথাপি তাইৰ চকুলো শেষ হোৱা নাই। ললিতা নিজেই আচৰিত হৈছে। আচৰিত হৈছে ইয়াকে ভাবি যে- ইমানবোৰ চকুলো তাইৰ ক'ত আছে অথচ ইমান দিনে তাইতো কন্দা নাছিল? কিমান তিৰস্কাৰ, হতাশাই তাইক চুই গৈছিল অথচ কন্দা নাছিল। আনকি লগৰবোৰক কৈছিল যে তাই কান্দিব নাজানে। ঠিক এনেদৰেই ললিতাই ভাবিছিল, পিছে সকলো মিছা। আজি তাই অবিৰত ভাবে কান্দিছে। আৰু এটা মিছা তাই ধৰিব পাৰিছে যে কান্দিলে বুকু পাতল হয়। কিন্তু তাইৰ দেখোন বুকু গধুৰহে হৈছে। ইমান দিনে চকুলো বৰফ হৈ আবৰি ৰখা বহু কথা এতিয়া চকুলোৰে উটাই নিনিলে। বৰঞ্চ কথাবোৰ অধিক জল-জল, পট-পট হৈ তাইৰ মানসপটত জিলিকি উঠিছে।

কোঠাৰ ভিতৰত ললিতাই বৰ গৰম অনুভৱ কৰিলে। যেন বিষাক্ত গেছ এৰি দি কোনোবাই তাইক হত্যা কৰিব ওলাইছে! এবাৰ বেলজিয়াম ফুল চাইজ মিৰৰ খনৰ আগলৈ গৈ নিজকে চাই ল'লে। মূৰৰ চুলি খেলি-মেলি। গাল দুখনত চকুলোৰ দাগ। চুলিখিনি ঠিক কৰিব খুজি ৰৈ গ'ল তাই -- কি হ'ব ঠিক কৰিলে? এইষাৰ কথাকে মনৰ মাজত বহুতে একেলগে সমৰ্থন কৰা যেন লাগিল তাইৰ। এইবাৰ কোঠাৰ পৰা ওলাই আহি পদুলি মুখ পালেহি ললিতাই। ডুবিব খোজা বেলিটি দেখিও ভাল নালাগিল তাইৰ। কাৰণ দিনটোৱে তাইক যি নিদিলে এতিয়া আহি থকা ৰাতিটোৱে যেন বেছিকৈ চালি জাৰি বাচিব। পদুলি মুখৰ ৰাধাচূড়া জোপাৰ তলত ললিতা ৰ'ল। তলখন ৰাধাচূড়াৰ পাহিৰে ভৰি আছে। ওপৰলৈ চাই তাই ভাবিলে ইমান সুন্দৰ ফুলবোৰ সৰে কিয়?

পদুলিৰ পৰাই ঘৰটোলৈ চালে তাই। ইমান দিনে তাই ঘৰটোলৈ মন দি চোৱাই নাছিল। মাথোঁ ওলাই গৈছিল আৰু সোমাইছিল। সঁচাকৈয়ে ঘৰটোৱে যেন কিবা ক'ব খুজিছে তাইক। উপহাস কৰিব খুজিছে। লগতে ৰাইজকো যেন বহুত কিবা কিবি ক'বলৈ ৰৈ আছে। ললিতাই দৃষ্টি ঘূৰালে। ডুব যাব ধৰা বেলিটিয়ে সৃষ্টি কৰা দীঘলীয়া ছায়াটিলৈ চালে তাই। এইটো তাইৰ ছাঁনে? তাই চক খাই উঠিল। কিন্তু ভালদৰে চাব নেপাওঁতেই এটুকুৰা মেঘে বেলিটো ঢাকি ধৰিলে। ললিতাই সঁচকিত হৈ উঠিল -- তাৰ মানে ছাঁটোৱেও তাইক উপহাস কৰিলে। আৰু যেন যাওঁতে কৈ গ'ল -- ইমান দিনে নাচালি, আজি হঠাৎ কিয় প্ৰয়োজন হ'ল?

সঁচা কথা। ইমান দিনে তাই একো চোৱা নাছিল। মাথোঁ সাজিছিল কাচিছিল। ওলাই গৈছিল আৰু সোমাইছিল। স্বপ্ন ভৰা দিন। স্বপ্নালী সন্ধিয়া আৰু নিশাটো? হৈ যোৱা ঘটনা নিগৰি নিগৰি ওলোৱা এক দীঘলীয়া জিৰণি। ঠিক যেন কলহৰ পানীহে নিগৰি নিগৰি ওলাইছে। কিন্তু আজি এইয়া কি হ'ল? এজাক অবাধ্য ধোঁৱা যেনি তেনি উৰি যোৱাৰ দৰে তাইৰ আশা বাসনাৰ স্বপ্ন বিভোৰ জীৱনটি হঠাৎ থান বান হৈ পৰিল আৰু তাইৰ ভনী শিখাই কোৱা কথা কেইষাৰ তাইৰ শৰীৰত সাপৰ বিষৰ দৰে ক্ৰমাগত উঠি গৈ আছে।

ঘটনাটো ঘটিছিল ঠিক এনেদৰে। ললিতাৰ বিয়াৰ কথা চলিছিল। ইতিমধ্যে দুঘৰ মানুহ ছোৱালী চাবলৈ আহিম বুলি তাৰিখ দি মূৰকত নাহিল। তেনেদৰেই যোৱা পৰহি আন এঘৰে অহাৰ কথা দি নাহিল। মাকে বৰকৈ দুখ কৰিলে। মাকক সান্ত্বনা দি ললিতাই কৈছিল — দুখ নকৰিবা মা, বিয়া বোলা কাম য'ত হ'ব লাগে ত'তহে হ'ব। ললিতাৰ কথা মাকে নুবুজা নহয়। কিন্তু সেই বুলি এনেদৰে তিনিঘৰ মানুহ আহিম বুলিও নাহিল কিয়? ললিতাৰ মাকে উকা কপালত হাত দি তাকেই ভাবিছিল আৰু এই কথাৰে ভাবনা চিন্তাৰ ওৰ পৰিল আজি।

ছোৱালী চাবলৈ আহিব লগা মানুহ এঘৰৰ পৰা চিঠি এখন আহিছে। মাকে চিঠিখন পঢ়ি চালে— যাম বুলি তাৰিখ দি নোযোৱা বাবে আমালৈ সম্ভৱ খং উঠিছে। কিন্তু কি কৰিম কথা ৰাখিব অৱশেষত সাহস গোটাব নোৱাৰিলোঁ। কাৰণ চিনাকি ল'ৰা এজনে ছোৱালীৰ বিষয়ে যিবোৰ কথা ক'লে সহ্য কৰিব নোৱাৰিলোঁ। গতিকে আমাৰ প্ৰতি আশা নাৰাখে যেন!

চিঠিখন ললিতাক পঢ়িব দি মাকে তাইৰ পৰা জানিব বিচাৰিলে — যি পঢ়িলোঁ সেয়া সঁচা নে মিছা?

ঃ মিছা কথা মা চব মিছা, কোনোবাই ...... আৰু কি ক'ব ললিতাই ভাবি নাপালে। মাকে কিছু সময় একেথৰে তাইলৈ চাই ৰ'ল। ঠিক তেনেতে অঘটনটো ঘটিল। শিখা ওলাই আহি কালৈকো নেচাই ক'ব ধৰিলে — সকলো কথা সঁচা মা। বাইদেৱে তোমাৰ বিশ্বাসৰ সুযোগ লৈ হেজাৰ ভুল কৰিছে। কেইবাজনো ল'ৰাৰ সৈতে সম্পৰ্ক গঢ়িছে। বিয়া হ'ম বুলি টকা লৈছে, কাপোৰ লৈছে। যি লিখিছে সকলো সঁচা।

ঃ তোমাৰ কি দৰকাৰ কি কৰোঁ?

ঃ কাৰণ তোমাৰ কুকৰ্মই মোক চুইছে। নহ'লেনো তোমাৰ কথাকৈ ৰাস্তাৰ ডেকাই মোক বেয়া ইঙ্গিত দিব পাৰেনে? ডাঙৰ জনী হৈ ঘৰখন সুকলমে চলোৱা কথা নাভাবি শাঁখিনী হৈ ধ্বংস মাতি আনিলা? আমাৰ সমাজ এতিয়াও পশ্চিমীয়া সমাজ হোৱা নাই। কেইবাজনীৰ সতীত্বত চেকা লগোৱা ল'ৰাই বিয়া কৰাব বিচাৰে সতী ছোৱালী। সেয়েহে সহজতে বিয়াৰ সেন্দুৰ ল'বৰ বাবে আমি সাৱধানে থাকিব লাগে। জ্বলন্ত শিখা হঠাতে নুমাই যোৱাৰ দৰে বিদ্ৰোহী শিখা হঠাতে সেমেকি দুচকু উখহাই ওচি গ'ল।

আৰু ললিতা? মাতৃক ফাঁকি দি হাতে হাতে ধৰা পৰাৰ গ্লানিত তুঁহ জুইৰ দৰে জ্বলিব ধৰিলে আৰু ক'লে— সঁচা মা চব কথা সঁচা। মই শাখিনী হৈ ঘৰখন ধ্বংসে কৰিছোঁ। আৰু ললিতাৰ কথা নোলাল।

ইমান দিনে যিমান বিশ্বাসৰ চকুৰে ললিতাক চাইছিল আজি তাতোকৈ অধিক ঘৃণাৰ দৃষ্টিৰে ললিতাক লক্ষ্য কৰি মাকো আঁতৰি গ'ল।

ললিতাৰ মন তাইৰ অজানিতেই সত্যৰ সন্ধানত লিপ্ত হৈ পৰিল। তাই অনুভৱ কৰিলে শিখাই মিছা কথা কোৱা নাই। ঘৰখনৰ ডাঙৰ হৈ তাই যি কৰিলে সেয়ে গোটেই ঘৰখনকে অন্ধকাৰত ডুবালে। শিখাৰ ভৱিষ্যতো ধূসৰ হৈ পৰিল। অথচ আৰম্ভণি মধুৰেই আছিল।

ৰঞ্জিতে ললিতাক ভাল পাইছিল। ঠিকেই আছিল। উপযুক্ত ল'ৰা। সিহঁতৰ মিলনত সমাজৰ ফালৰ পৰাও কোনো বাধা নাছিল। কিন্তু হঠাৎ জানো কি হ'ল? ভাল লগা গীতটি ললিতাৰ ভাল নলগা হ'ল। সুৰটো মনত থকা সত্বেও পাহৰি যাবৰ মন গ'ল। আচল সুৰটো এৰি বেলেগ সুৰেৰে গীত গাবলৈ মন গ'ল আৰু সেয়ে হ'ল। ৰঞ্জিতে ভৰি দি থকা মাটি দুফাল হ'ল। শিখাৰ আগত বহু কিবা কিবি ক'লে। শিখাই ক'লে ললিতাক। কিন্তু সকলো অথলে গ'ল। তাৰ পিছৰে পৰা ললিতাই জীৱন যৌৱনৰ সৈতে ফাকু খেলিলে। নৈৰ বুকুৰ জাঁজিৰ দৰে মাথোঁ উটি গ'ল। কিন্তু তেতিয়া তাই ভৱা নাছিল সেই চৰম পুলকবোৰে যে আজি এনেদৰে কাঁইট হৈ বিন্ধিব। জীৱন দুৰ্বহ কৰি তুলিব। এসময়ৰ ৰূপ-যৌৱনৰে প্ৰস্ফুটিত এপাহ ৰঙা গোলাপ এতিয়া বৃন্তচ্যুত।

তেনেতে তাইৰ কাণত পৰিল মাকৰ কথা, .... মই নিজেও মৰিব নোৱাৰোঁ আৰু তায়ো নমৰে। ইমান দিনে সাপকহে গাখীৰ খুৱালোঁ মই। নিজৰ পেটৰ ছোৱালী হৈ তাই মোৰ উকা কপালখনৰ কথা নাভাবিলে। মাকৰ এই কৰুণ সুৰৰ কথাখিনিয়ে ললিতাৰ হৃদয়ত এক আঘাত হানিলে আৰু সেই আঘাতৰ পৰা সৃষ্টি হ'ল এটি প্ৰশ্ন — তাই মৰি নাযায় কিয়? তাই বাৰু মৰি যাব নেকি? নে শেষবাৰৰ বাবে এবাৰ ৰঞ্জিতৰ ওচৰৰ পৰা আহিব? শিখাই কৈছিল ৰঞ্জিতে হেনো এতিয়াও সিহঁতৰ খবৰ লয়। ৰঞ্জিত! ৰঞ্জিতে বাৰু তাইক ক্ষমা কৰিব পাৰিবনে? ইতিমধ্যে শিখাই লেমটো জ্বলালে।

❑❑

# চিৰন্তন



কুলেন তালুকদাৰ
প্ৰাক্তন ছাত্ৰ

**কলেজ** শিক্ষক জগন্নাথ বৰুৱা ঢুকাল। ষ্ট্ৰ'ক। প্ৰথমটো ষ্ট্ৰ'কতে ডাক্তৰে কৈছিল ফ'ৰদ্যা চেকেণ্ড টাইম আমাৰ কৰিব লগা একো নাথাকিব। হি মাষ্ট এভইদ মেন্টেল ষ্ট্ৰে'চ। মানসিক উত্তেজনা তেখেতে এৰাই চলিব লাগিব।

দ্বিতীয়টো ষ্ট্ৰ'কত বৰুৱা আজি ঢুকাই থাকিল। দিনৰ এঘাৰ বজাত হঠাৎ অসুস্থ, আধা ঘন্টামানৰ পিছতেই এক্সপায়াৰ্দ।

চন্দন শইকীয়া মৃত বৰুৱাৰ কলিগ। গাঁৱো নহয় চহৰো নহয় এনেকুৱা মফচলীয়া ঠাইখনৰ একেটা চুবুৰীতে ঘৰ দুয়োৰে। বৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়ালৈ চন্দন শইকীয়াও ওলাই গৈছিল।

চন্দন ওলাই যোৱাৰ পিছৰে পৰা সান্ত্বনাই নিসংগ অনুভৱ কৰিলে। ঘৰৰ আগফালৰ সদৰ দুৱাৰখন তাই ইচ্ছা কৰিয়েই জপাই থ'লে। ড্ৰয়িংৰুমটো পাৰ হৈ আহি তাই শোৱনী কোঠাৰ মাজেৰে পাকঘৰত সোমাল। বৰুৱাৰ মৃত্যুৰ আকস্মিকতাত চন্দনে চাহ একাপো খাই যাবলৈ সময় নেপালে। ঘৰ আহি পাওঁতে চন্দনৰ গধূলিয়েই হ'ব। এতিয়া বাৰ বাজি গ'লেই।

বাৰ্ণাৰটোৰ ওপৰত স্থিৰ হৈ থকা কুকাৰটোৰ পিনে চাই সান্ত্বনাই ভাবিলে ডাইলখিনি ভালকৈ সিদ্ধ হ'বলৈ আৰু কিছুসময় লাগিব। কুটি থোৱা পটল কেইডোখৰ ভাজিবলৈ তাইৰ মন নগ'ল। ডাইলৰ সতে পটল ভজা পালে চন্দনক একো নালাগে। কি জানো ভাল পায় ক'ব নোৱাৰে তাই।

বাৰ্ণাৰটোৰ পৰা কুকাৰটো তাই নমাই আনিলে যদিও তাইৰ ভাব হ'ল ডাইলখিনিত আৰু এটা হুইচেল মৰা হ'লে ভাল আছিল নেকি! থাক নালাগে।

চিলিণ্ডাৰৰ নবটো তাই অফ কৰি থ'লে। চন্দনক এৰি দুপৰীয়াৰ ভাত সাজ খাবলৈ তাইৰ মন নগ'ল। আজি বৃহস্পতিবাৰ শাহুৱেকৰো লঘোন। পাক ঘৰৰ পৰা ওলাই আহি তাই শোৱনী কোঠা পালে।

বিচনাখনৰ কাষ চাপি গ'ল তাই। পশ্চিমৰ খোলা খিৰিকিখনৰ স্বচ্ছ পৰ্দাখন দাঙি এনেয়ে বাহিৰলৈ চাই পঠিয়ালে। দুপৰীয়াৰ নৈশব্দিক পৰিবেশে তাইৰ বিৰক্তিকৰ একাকীত্বক সহ্যাতীত কৰি তুলিলে। পৰ্দাখন তাই নমাই থ'লে। কোঠাটোৰ একমাত্ৰ বিচনাখনত তাই তাইৰ ক্লান্ত দেহটো এৰি দিলে। দুচকু তাইৰ মুদ খাই আহিল। অদূৰৰ কোনো গছৰ ডালত কুৰুলিয়াই থকা কপৌ এটিৰ মাত কিছুসময়লৈ শুনিছিল। পিছলৈ কপৌজনীৰ মাতটো বন্ধ হৈছিল।

এটা সময়ত তাই সাৰ পাই উঠিল। আবেলিৰ বেলিৰ শেতা ৰশ্মি খিৰিকিৰ পৰ্দাৰ ফাকেৰে আহি ভৰি পথানত পৰিছে। ছেঃ ইমান সময় শুলে নে তাই, সচৰাচৰ এনেকুৱা সময়ত তাই বিচনাৰ পৰা উঠি খিৰিকিখনৰ ওচৰলৈ যায়। খোলা খিৰিকিখনৰ দুয়োখন পাল্লা ঠেলি আৰু বেছিকৈ মেলি দিয়াৰ ভংগীত কিছুসময় খিৰিকিখনৰ কাষত ঠিয়হৈ ৰয়। খিৰিকিৰ ফ্ৰেমৰ মাজেৰে চুকি

পোৱা দৃষ্টিৰ শেষ সীমালৈ চাই দেখিবলৈ পায় দূৰৈৰ পাহাৰৰ ৰেখা। নীলাভ পাহাৰৰ গাত আবেলিৰ বেলিয়ে পাৰি দিয়া ৰূপোৱালী দলিচা। মনোমোহা সেই দৃশ্য চাই সান্ত্বনাই তাইৰ অলস মনলৈ সতেজতা অহা অনুভৱ কৰে। এই তৃপ্তিদায়ক দৃশ্যৰাজি উপভোগ কৰিবলৈ তাই প্ৰতিটো দিনৰ অন্তত অহা এইটো সময়লৈ গভীৰ প্ৰতীক্ষাত ৰয়।

বিচনাখনৰ পৰা উঠি সান্ত্বনা খিৰিকিখনৰ কাষ চাপি গ'ল। দূৰৈৰ পাহাৰৰ সেই সদা আকাঙ্ক্ষিত দৃশ্যটো উপভোগ কৰিবলৈ আজি তাইৰ মন নগ'ল। খিৰিকিখন বন্ধ কৰি দিওঁ বুলি দুহাত প্ৰসাৰিত কৰি দিওঁতেই তাইৰ চকুত পৰিল দূৰৈৰ নিৰ্মল আকাশৰ তলেৰে আনন্দমনে উৰি গৈছে এহাল নীড়মুখী চৰাই। দুয়োটি উৰি গৈছে নিচেই ওচৰা-ওচৰিকৈ। খন্তেকৰ বাবে এটাই আনটোৰ পৰা কিছু আঁতৰি গৈছে যদিও পুনৰ মিলিত হৈছে দুয়ো। আবেলিৰ আকাশ ক্ৰমে অপসৃয়মান হৈ পৰিছে সান্ত্বনাৰ চকুত। উৰি যোৱা চৰাইহাললৈ একেথৰে চাই থাকি তাই ভাবিলে, চৰাই হালৰ এটাৰ অবৰ্তমানত আনটোৰো গতি পথ ৰুদ্ধ হৈ যাব নেকি বাৰু।

সান্ত্বনাই বিচনাখনৰ ইটো মূৰত লাহেকৈ বহি পৰিল। চন্দন এতিয়াও আহি নাপালে। তাইৰ এই একাকীত্বৰ মুহূৰ্তত চন্দনৰ সংগ একান্ত প্ৰয়োজনীয়। গাৰুটো টান মাৰি আনি মূৰটো তাই লাহেকৈ তাৰ ওপৰত পেলাই দিলে। সূৰ্য্যৰ তিৰ্য্যক ৰশ্মিৰেখা এডাল ক্ৰমান্বয়ে ক্ষেট হৈ গৈছে আৰু তাৰ শেষ বিন্দুটোৱে চুইছে ড্ৰেচিং টেবিলখনৰ ঠিক ওপৰৰ বাতামটোৰ গজালত আঁৰি থোৱা ফটোখনৰ ওপৰত। হাঁহি থকা এটি শিশুৰ ছবি। সান্ত্বনাই এটা মুহূৰ্ত ফটোখনলৈ চাই থাকিল। মাতৃগৰ্ভত ভ্ৰূণ হৈ স্থিতি লৈ ক্ৰমে বাঢ়ি অহা এটুকুৰা জীৱিত মাংস পিণ্ড, যাক নিজ গৰ্ভত ধাৰণ কৰাৰ অসমৰ্থতাৰ বাবেইতো তাইৰ শৰীৰৰ ভিতৰত স্পন্দিত তাইৰ প্ৰাণবিন্দুই দিনে দিনে যেন অকামিলা হৈ যাব ধৰিছে। সিহঁতৰ বিয়াৰ কিছুদিন পিছত চন্দনে অনা এই ফটোখন সি তাই গম নোপোৱাকৈয়ে আঁৰিবলৈ বাতামত গজাল মাৰোঁতে থুক থুক শব্দ হৈছিল। শব্দ শুনি পাকঘৰৰ পৰা লৰি আহি সান্ত্বনাই দেখিছিল - চন্দনে মাৰিব খোজা গজালটো মাজতে চিঙি তললৈ সৰি পৰিছে। হাঁহি উঠিছিল তাইৰ সেইদিনা। কিন্তু আজি তাই শংকিত ভীতিগ্ৰস্ত। চন্দনৰ আশাক, সপোনক তাই বাৰু কোনো দিনেই বাস্তৱ ৰূপ দিব নোৱাৰিবই নেকি?

বাহিৰত সেয়া শাহুৱেকৰ মাত। গাৰুটোৰ পৰা মূৰটো দাঙি তাই কাণ উনালে। হয়, শাহুৱেকে তাইক কৈছে। চন্দন শ্মশানৰ পৰা উভতি নহা কাৰণে দুপৰীয়াৰ ভাত নোখোৱাকৈ আছে সেইকথা শাহুৱেকে কিজানি কিবাকৈ গম পাইছে। দুপৰীয়া প্ৰতিদিনে কোঢ়হাল লগোৱা কাউৰীজাকৰ অনুপস্থিতিয়েই শাহুৱেকক বুজাত সহায় কৰিলে সেইকথা।

কাউৰীজাকৰ বিশৃংখল কোলাহলে প্ৰতি দুপৰীয়া শাহুৱেকক বিৰক্ত কৰে। হাতত দলি এটালৈ শাহুৱেকে কাউৰী কেইটালৈ দলিওৱাৰ ভাওঁ জুৰে। চতুৰ কাউৰীকেইটাও মিছা ভাওঁ বুজি পাই অলপো নলৰে। বিৰক্ত হৈ সিহঁতৰ ওপৰত উঠা খংটো শাহুৱেকে সান্ত্বনাৰ ওপৰত জাৰে – "কিনো চাই থাক অ' খেদি দিব নোৱাৰ?"

শাহুৱেকৰ ৰূঢ় মাতবাৰতকৈ কাউৰী কেইটাৰ বিশৃংখল মাতেই সেইটো সময়ত তাইৰ ভাল লাগে।

দুচকুৰ কোণত থুপ খোৱা পানী দুটোপাল তাই চাদৰৰ আচলেৰে মচি পেলালে। কোঠাটো তেতিয়া প্ৰায় আন্ধাৰ হৈ আহিছে। সান্ত্বনাই মনটো এৰি দিলে পুৰণি দিনৰ স্মৃতিৰ মাজলৈ। স্মৃতি ৰোমন্থনো এক অনাবিল শান্তিৰ উৎস। কিন্তু সান্ত্বনাৰ স্মৃতি যেন কেৱল এক দুঃসহ বেদনাৰ ইতিহাস.......

বাহিৰত সেয়া অদূৰৰ নামঘৰৰ পৰা শংখৰ ধ্বনি ভাহি আহিছে। বোধহয় সাজ লাগি ভাগিল। এইখিনি সময়ত বিচনাত পৰি থাকিবলৈ তাইৰ মন নগ'ল। এন্ধাৰ তেতিয়াও ভালকৈ হোৱাই নাই। বাৰাণ্ডাৰে গৈ তাই ড্ৰয়িং ৰূমত সোমাই দুৱাৰখন মেলি পদূলিলৈ চাই পঠিয়ালে – শাহুৱেকে পানী এবাল্টি লৈ পদূলি মূৰতে ৰৈ আছে। সেইখিনি যোগাৰ চন্দনৰ বাবে। শ্মশানৰ পৰা ওভোটা লোকে পদূলিতে গা তিয়াইহে ঘৰৰ ভিতৰত প্ৰবেশ কৰাটো নিয়ম।

........... যিমানে দিন গৈছিল শাহুৱেকৰ ৰূঢ় আচৰণ সিমানে বাঢ়ি গৈছিল। জীৱনৰ এইখিনি সময়ত নাতি-নাতিনীৰে উমলি ফুৰাৰ শাহুৱেকৰ ইঙ্গিত আকাঙ্ক্ষাক তাইতো নিজ ইচ্ছা মতেই পূৰাব নোৱাৰে – যিটো ক্ষেত্ৰত ভগৱান বোলা সেই অদৃশ্য শক্তিটোৰ হাত আছে। এনে এক সন্ধিক্ষণত তাই নিজকে খাপ খুৱাই লৈছিল। তাই হাৰি যোৱা নাছিল। জীৱনক তাই ভাল পাবলৈ শিকিছিল আৰু সেই শিক্ষা দিছিল তাইক চন্দনে।

সান্ত্বনাৰ দেউতাকে এদিন তাইক নিজৰ ঘৰলৈ লৈ যোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল। চন্দনৰ মমতাক নেওচি সেই প্ৰস্তাৱত তাই সঁহাৰি দিব পৰা নাছিল। চন্দনৰ ওপৰত তাইৰ আছিল গভীৰ বিশ্বাস। কিন্তু এদিন সেই বিশ্বাসৰ গঠিটো সোলোক-ঢোলোক হোৱাৰ উপক্ৰম হৈছিল।

সিদিনা দুপৰীয়া মাধৱী বুঢ়ী আহিছিল শাহুৱেকক বিচাৰি। মাধৱী বুঢ়ীয়ে শাহুৱেকৰ কোঠাত সেইদিনা বহুপৰ মেল মাৰিছিল। শাহুৱেকৰ বাবে প্ৰস্তুত কৰা গৰম পানীখিনি তেতিয়াই বাথৰুমলৈ নিব লাগিব নেকি সেয়া সুধিবলৈ তাই শাহুৱেকৰ কোঠালৈ গৈ দুৱাৰ মুখতে ৰৈ দিব লগা হৈছিল। মাধৱী বুঢ়ীৰ কথা তাইৰ কাণত পৰিছিল – "সেই জনীৰ মুখলৈ আৰু কিমান চাই থাকিবি? ঘৰখনলৈ অমঙ্গল চপাই কি ভাল পাব ক'ব নোৱাৰোঁ। সোনকালে

দিহা এটা লগাব লাগে, সিওতো এটা মৰদ ............। এ হেৰি অ' সি দেখোন খুলশালী ছোৱালীজনীকে চপাই ল'ব পাৰে, তই কি কৱ? মানুহৰ মুখে মুখে কথাবোৰ কিমানলৈ গৈছে তই খবৰ ৰাখিছ ..........?"

উভতি দৌৰি যোৱাৰ দৰে সান্ত্বনাই গৈ তাইৰ কোঠাত সোমাইছিল? ডাঙৰকৈ কান্দি দিবৰ মন গৈছিল তাইৰ।

চন্দনলৈ সান্ত্বনাৰ বেয়া লাগে। নিজৰ ভৱিষ্যৎ অন্ধকাৰ জানিও সি তাইৰ প্ৰতি কোনোদিন এনেকুৱা আচৰণ কৰা নাই, যি আচৰণৰ বাবে তাই ভাবিলৈ বাধ্য হ'ব যে চন্দনৰো মৰম শাহৰেকৰ মৰমৰ পৰ্য্যায়লৈ পৰ্য্যবসিত হ'বলৈ সৰহ পৰ নাই। সিহঁত দুয়োৰে জীৱন সুখকৰ নহ'লেও সান্ত্বনা অন্ততঃ দুখী হ'ব লগা হোৱা নাই, অথচ সিহঁতৰ জীৱন দুখী কৰি তোলাৰ কিমান যে কাৰক তাই নিজেই বহন কৰি লৈ ফুৰিছে। চন্দনেও জানে সেই দোষ তাৰ নিজৰ নহয়, দোষ সান্ত্বনাৰেই।

বিয়াৰ তিনি বছৰ পিছত এদিন দুয়োৱে ডাক্তৰ দত্তৰ চেম্বাৰত উপস্থিত হৈছিল। সিহঁতৰ মনত গভীৰ আশা সঞ্চাৰ কৰি ডাক্তৰ দত্তই কৈছিল, "ইনফাৰটিলিটি চেণ্টাৰ আজিকালি আমাৰ ইয়াতো স্থাপন হৈছে। ইণ্ট্ৰাইউটেৰাইন, ইনচেমিনেশান চিষ্টেমৰ জৰিয়তে সন্তানহীনা মহিলাক কনচিভ্ কৰাব পৰা গৈছে।"

ডাক্তৰে আৰু কৈছিল, "এই পদ্ধতিৰ দ্বাৰা বেৰণ কাপুল বহুতো উপকৃতও হৈছে। অৱশ্যে এনে মহিলাক গ্ৰুপ এ আৰু বি ত ভাগ কৰা হয়। গ্ৰুপ এৰ ক্ষেত্ৰত আমি শতকৰা এশ ভাগ কৃতকাৰ্য্য হৈছোঁ। বি গ্ৰুপৰ মহিলাৰ ফাৰটিলিটি দান কৰাব পৰাকৈ প্ৰয়োজনীয় সা-সুবিধা সদ্যহতে আমাৰ ইয়াত হৈ উঠা নাই। কিন্তু বাহিৰত সেয়াও সম্ভৱ হৈছে। অফকৰ্চ দা চিষ্টেম ইজ এক্সপেনচিভ টু চাম এক্সটেণ্ট।"

কিন্তু ভগৱান যেন সিহঁত হালৰ ওপৰত নাৰাজ। দুয়োৰে আশাবোৰ নিৰাশাত পৰিণত কৰি ডাক্তৰ দত্তই প্ৰয়োজনীয় ৰিপোৰ্ট পাতিবোৰ পৰীক্ষা কৰি চাই এদিন চন্দনক জনালে, "শইকীয়া, আনফৰ্চুনেটলি ইওৰ ৱাইফ ইজ কেতেগোৰাইজ্‌দ ইন গ্ৰুপ বি। দা ৰেজিচটেচন অব দ্য ফেলোপিয়ান টিউব ইজ হাই টু বি ৰিমোভদ।"

ডাক্তৰৰ কথা শুনি সিহঁত শিলপৰা কপৌৰ দৰে হৈছিল। সান্ত্বনা সেই দিনাৰে পৰা বেছি মৰহি গ'ল। ঘৰলৈ আহি হেঁপাহ পলুৱাই কান্দিছিল তাই। চন্দনে তাইক উৰ্বৰতা প্ৰদানৰ উদ্দেশ্য বিদেশলৈ নিব সেয়াও সম্ভৱ হ'ব নোৱাৰে। এইবোৰ কথা পুৰণি হ'ল। কিন্তু পুৰণি নহ'ল সান্ত্বনাৰ প্ৰতি থকা চন্দনৰ স্নেহ মমতাবোৰ। মনৰ মাজত যিমানেই দুখবোৰ নাথাকক তাৰে সমভাগী হ'বলৈ সি কেতিয়াও তাইক সুযোগ দিয়া নাই। চন্দনৰ বিশাল উদাৰতাৰ বাবেইতো তাই আঁতৰি যাব পৰা নাই চন্দনৰ ওচৰৰ পৰা। চন্দনৰ অনুপস্থিতিত এইখন ঘৰত তাইৰ স্থিতি কথা ভাবিলে তাই ভয়তে কঁপি উঠে। ক্ৰমান্বয়ে দিনে দিনে ম্লান পৰি যাব খোজা সান্ত্বনাক গভীৰ মমতাৰে আঁকোৱালি লৈ তাইৰ জীৱনটো নতুনকৈ গঢ়ি তুলিছে চন্দনে। মানুহক কাৰোবাৰ স্নেহ মমতাৰ মায়াময় স্পৰ্শই কেনেকৈ যে দিয়ে জীয়াই থকাৰ প্ৰেৰণা।

চন্দন এতিয়াও আহি নেপালে কিয়? কেতিয়াবা কাৰোবাৰ বাবে অপেক্ষাও হৈ পৰে কিমান যন্ত্ৰণাময়। ইপিনে সহকৰ্মীৰ শেষকৃত্যত চন্দন উপস্থিত নাথাকিব সেয়াও ভাল কথা নহ'লহেঁতেন। মৃত বৰুৱা চন্দনৰ সহকৰ্মীয়েই নাছিল, তেখেতৰ দুৰ্বিসহ জীৱনৰ দুখানুভূতিৰ অংশ চন্দনেও ল'ব লগা হৈছিল। মৃত বৰুৱাই তেখেতৰ সমস্ত দুখ চন্দনৰ আগত প্ৰকাশ কৰিয়ে যেন শান্তি পাইছিল। কি দুখ আছিল বাৰু জগন্নাথ বৰুৱাৰ ..........? ............... ল'ৰা সন্তান এটাৰ মুখ চোৱাৰ আশা পুহি ৰাখোঁতেই এদিন তেখেত চক খাই উঠিল; এয়া দেখোন তেওঁ পাঁচজনী ছোৱালীৰ বাপেক হ'ল। শেষৰজনী ছোৱালীৰ জন্মৰ সেই প্ৰতীক্ষিত মুহূৰ্তত যেতিয়া কোনোবাই আহি তেওঁৰ আগত কৈছিল —এইবাৰো ছোৱালীয়েই — বৰুৱা তেতিয়াহে অসুস্থ হৈ পৰিল। যথেষ্ট আবেগেৰে বৰুৱাই যেন কৈ পেলাব খুজিছিল — মাৰি পেলোৱা সন্তানটিক মাৰি পেলোৱা।

বৰুৱাৰ স্বাস্থ্যৰ অৱনতিৰ সেয়াই আৰম্ভণি। চিভিয়াৰ মেণ্টেল এনজাইটিৰ কাৰণে তেওঁৰ হাৰ্টৰ শতকৰা ষাঠিভাগ কাৰ্য্যক্ষমতা ইতিমধ্যেই কমি যোৱা বুলি ডাক্তৰে কৈছিল। হাইপাৰ টেনচনে তেজৰ চাপ বঢ়াইছিল ......।

"সান্ত্বনা, শুলা নেকি তুমি। মই আহি পালোঁ। দুৱাৰখন মাৰি থ'লা নেকি?" চিলমিলকৈ তাইৰ টোপনি আহিছিল। চন্দনৰ মাত যেন পাই লৰালৰি কৈ বাহিৰ ওলাই আহিল। আহোঁতে ৰুমটোৰ লাইটটোও জ্বলাই থৈ আহিল।

চন্দনে তিতা গাটো গামোচা এখনেৰে মচি বাৰাণ্ডাতেই ঠিয় হৈ আছিল। বোধহয় মাকে শদূলিতে যতনাই ৰখা পানীৰেই তেওঁ গাটো তিয়াই আহিছে। সলাবলৈ দিবলৈ শুকান গামোচা এখন আনিবলৈ তাই দুৱাৰ মুখৰ পৰাই ঘূৰি পুনৰ কোঠাত সোমাল। চন্দনেও তাইৰ পিছে পিছে আহি কোঠাত প্ৰৱেশ কৰিলে। সান্ত্বনাৰ হাতৰ পৰা শুকান গামোচাখনলৈ চন্দনে ক'লে, "বহুত দেৰি হৈ গ'ল নহয়? মৃতদেহ প্ৰথমে কলেজলৈ নিয়া হ'ল। তিনি বজাৰ পিছতহে শ্মশানলৈ নিয়া হ'ল। তুমি চাগে বৰ আমনি পালা নহয়?"

"নাই, সেইটো নহয়। যোৱাৰ সময়ত আপুনি একো এটা খাই নগ'ল যে, সেয়ে চিন্তাই হৈছিল লঘোনে ভোকে আপুনি কষ্টই পালে নেকি! লৰালৰিকৈ যাব লগাও হ'ল।" — কথাখিনি কৈ সান্ত্বনাই চন্দনৰ হাতৰ পৰা তিতা গামোচাখন লৈ বাহিৰৰ তাঁৰত মেলি দি ঘূৰি আহি দেখিলে চন্দন বিচনাত পৰিছে। দুৱাৰখন

জগাই থৈ তাই চন্দনৰ কাষ চাপি ক'লে — "ভাগৰ লাগিছে নহয়। মই গৈ সোনকালে ভাতৰ দিহা কৰোঁ। এতিয়া একাপ গৰম চাহকে দিওঁ?"

সান্ত্বনাৰ কথাত বিশেষ গুৰুত্ব নিদি চন্দনে ক'লে, "শ্মশানত যেনেহে এটা পৰিস্থিতিৰ উদ্ভৱ হ'ল নহয়, বৰ বেয়া লগা কাণ্ড বুজিছা।"

পাকঘৰলৈ যাও বুলিও পুনৰ তাই বৈ গ'ল। প্ৰশ্নবোধক চাৱনিৰে তাই চন্দনক সুধিলে - "কেনেকুৱা পৰিস্থিতি? কি হৈছিলনো শ্মশানত?"

"চিতাত মুখাগ্নি কৰে কোনে। বৰুৱাৰতো নিজ পুত্ৰই নাই। পুত্ৰই মুখাগ্নি কৰিলেহে পিতৃৰ আত্মাই উদ্ধাৰ পায়, স্বৰ্গতো ঠাই পায়।" সান্ত্বনাৰ প্ৰশ্নৰ উত্তৰত চন্দনে কোৱা কথাখিনি শুনি তাইৰ মনত যি এক জোকাৰণিৰ সৃষ্টি হ'ল, সেই জোকাৰণিত তাইৰ মনৰ মূল শিপাডালেই উঘালি পেলাৱাৰ উপক্ৰম হ'ল। "তাৰ পিছত কি কৰা হ'ল জানা, তেওঁৰ ভতিজা ল'ৰাটো সেই সময়ত শ্মশান গৈ ওলাইছিল। গাঁৱৰ ঘৰৰপৰা মৃতকৰ ঘৰ আহি পাওঁতে তাৰ গধূলি হৈছিল। ভগৱানৰ ইচ্ছা তাৰ দ্বাৰাই কাম যেনেকৈ সমাপন কৰা হ'ল শেষত। বৰ বেয়া লগা পৰিস্থিতি বুজিছা" — কথাখিনি কৈ চন্দনে চকুদুটা মুদি দিলে। দেহ মনৰ ক্লান্তিয়ে তাৰ দুচকুলৈ সোনকালে টোপনি আনিছিল।

সান্ত্বনা এক প্ৰস্তৰ মূৰ্তিৰ দৰেই ঠিয় হৈ ৰ'ল। বিগত দিনবোৰত তাই সদায়ে দেখি আহিছে চন্দনৰ সেই শিশুৰ সাৰল্যৰে ভৰা মুখ। চন্দনৰ জীৱন দৰ্শনত এনেকুৱা কিবা এটা থকাৰ উমান তাই পাইছিল যাৰ স্পৰ্শই নিকা কৰি পেলাইছিল তাইৰ সমস্ত দুখ আৰু বিষাদৰ বেদনা।

সেইজন মানুহকে শ্মশানৰ আজিৰ ঘটনাটোৱে যেন বাৰুকৈয়ে জোঁকাৰি দিলে। এনে এক অৱস্থাৰ মাজত চন্দন জীয়াই থাকক সেয়া তাই হ'ব দিব নোৱাৰে। যিকোনো মূল্যৰ বিনিময়ত চন্দনক তাই মুক্তি দিবই লাগিব এনে পৰিস্থিতিৰ পৰা। স্বৰ্গত ঠাই পাবই লাগিব। চন্দনৰো মুখাগ্নি হ'ব লাগিব নিজ পুত্ৰৰ দ্বাৰাই। তাইৰ উপস্থিতিত সেয়া কাহানিও সম্ভৱ হ'ব নোৱাৰে। তাইক অৱজ্ঞা কৰি চন্দনে দ্বিতীয় এজনীক স্ত্ৰীৰ মৰ্য্যাদা দি তাইৰ জীৱনৰ চৰম অৱস্থাটোৰ সৃষ্টি কৰিবলৈ কেতিয়াও আগ নাবাঢ়ে, সেয়া তাই ভালদৰে জানে। চন্দনৰ দৰে মানুহ আছে বাবেই স্বৰ্গখনো আছে। তাইৰ উপস্থিতিত মৃত জগন্নাথ বৰুৱা আৰু চন্দনৰ জীৱনৰ মাজত পাৰ্থক্যইবা থাকিব কি। যোৱা সুদীৰ্ঘ সময়ছোৱাত চন্দনৰ পৰা পোৱা অকৃত্ৰিম মমতাৰ মূল্য তাইৰ জীয়াই থকাৰ মোহতকৈ কেতিয়াও কম হ'ব নোৱাৰে। কিমান সময় তাই একে ঠাইতে থিয়হৈ ৰ'ল তাই নিজেই ক'ব নোৱাৰিলে।

সান্ত্বনাৰ মূৰটো আচন্দ্ৰাই কৰিলে। নিজকে কিছু প্ৰকৃতিস্থ কৰি লৈ তাই লাহে লাহে ড্ৰয়াৰটোৰ পিনে আগবাঢ়িল। পাত এখিলা উলিয়াই কঁপা হাতেৰে ভনীয়েক ইৰালৈ সককৈ চিঠি এখন লিখিলে। তাই লিখিলে যে আজি কেবাদিনৰে পৰা তাইৰ গাটো ভাল নহয়। চন্দনক সময়মতে ভাত কেইটাও যোগাব নোৱাৰাৰ দৰে। গতিকে কইলৈ ইৰা কলেজৰ পৰা বাহিৰে বাহিৰে যেন ইয়ালৈ গুছি আহে। তাইৰ অবৰ্ত্তমানত ইৰাই নিজেই জানো এইখিনি চম্ভালিব নালাগিব? তাইৰো নিজাকৈ ঘৰ এখন হৈ উঠা নাই বাবেহে তাইক এইখিনি ক'ব পাৰিছে।

পাকঘৰৰ সৰু খিৰিকিখনেদি তাই লাহেকৈ কাষৰ ঘৰৰ জয়ন্তক মাতিলে। জয়ন্ত অহাত চিঠিখন তাৰ হাতত দি সান্ত্বনাই ক'লে সি যাতে চিঠিখন কলেজলৈ যাওঁতে যেনে তেনে ইৰাৰ হাতত পৰাৰ ব্যৱস্থা কৰে।

গেছৰ উৎকট গোন্ধে পাকঘৰৰ সৰু কোঠালিটো ভৰি পৰিল। দিয়াচলাই উলিয়াই অগ্নিসংযোগ কৰিবলৈ উদ্যত হওঁতেই তাইৰ ভিতৰৰ মানুহজনীয়ে কৈ উঠিল,

"এয়া তই ভুল পথ বাচি লৈছ সান্ত্বনা"

"কিন্তু এয়া যে মই চন্দনৰ মঙ্গলৰ বাবেই কৰিব ওলাইছোঁ। মোৰ প্ৰতি থকা চন্দনৰ মমতাৰ বিনিময়ত ময়োতো তেওঁক কিবা এটা দিব লাগিব কিন্তু যি তেওঁৰ প্ৰাপ্য সেয়া দিবলৈ মই যে অসমৰ্থ। এয়াযে বংশৰক্ষাৰ প্ৰশ্ন। ইমানৰ পিছতো মানুহজনক মই অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়াটো জানো উচিত?"

"উচিত অনুচিতৰ বিচাৰ পিছলৈ থ। তই চন্দনৰ মঙ্গলৰ বাবেই এয়া কৰিব ওলাইছ নহয়? তোৰ আত্মজাহৰ পিছত প্ৰচলিত আইনৰ মেৰপেছত পৰি চন্দনৰ কিমান লটিঘটি হ'ব সেয়া জানো তই বিচাৰ কৰি চাইছ। চন্দনৰ ওচৰৰ পৰা আঁতৰি নগৈও তই তাৰ সেইখিনি মঙ্গল সাধন কৰিব পাৰিবি যি তই আত্মজাহৰ জৰিয়তে কৰিব পাৰিবি বুলি ভাবিছ। মাথোঁ প্ৰয়োজন হ'ব এটি দৃঢ় মনৰ, গভীৰ আত্মপ্ৰত্যয়ৰ।"

সান্ত্বনাৰ ভিতৰৰ মানুহজনীৰ যুক্তিৰ আগত বাহিৰৰ মানুহজনীয়ে হাৰ মানিলে। চিলিণ্ডাৰৰ চুইছটো তাই মুহূৰ্ততে অফ কৰি দিলে। গেছৰ গোন্ধে ইতিমধ্যে সিহঁতৰ শোৱনী কোঠাৰ পৰিধি ঢুকি পাইছিল। সান্ত্বনাৰ মনটো যথেষ্ট ফৰকাল হৈ পৰিল। আধাঘণ্টা আগৰ সান্ত্বনা আৰু এতিয়াৰ সান্ত্বনাজনীৰ মাজত এটা বিৰাট পাৰ্থক্য তাই নিজেই উপলব্ধি কৰিলে। মনৰ সমস্ত কলুষতা আঁতৰি পৰিল। মনটো মুকলি অনুভৱ কৰিলে তাই।

পাকঘৰৰ পৰা ওলাই তাই চন্দনৰ কাষ পালে। স্বাভাৱিক ভাৱেই চন্দনৰ গাত হেঁচুকি দি তাই ক'লে, "হেৰি উঠকচোন, সাংঘাতিক কথা এটা হৈছে।"

চন্দন ধৰফৰ কৈ উঠি বহিল, "কি কথা, কিবা

অঘটন.............."

"গোটেই পাকঘৰটো গেছেৰে ভৰি পৰিছে। দেখিছেনে এইটো কোঠালৈও গেছৰ গোন্ধ বিয়পিছে। ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰিলোঁ হে ভগৱান।" — একে উশাহে কথাখিনি ক'লে সান্ত্বনাই।

"এৰা হয়তো" বুলি চন্দন একেজাপে বিচনাৰ পৰা নামি পাকঘৰৰ দুৱাৰ মুখত হাজিৰ হ'ল। এবাৰত ফত্‌কৰে সি পাকঘৰৰ সৰু খিৰিকিখন খুলি দিলে। চন্দনৰ নিৰ্দেশ মৰ্মে সান্ত্বনাইও গোটেই ঘৰটোৰে দুৱাৰ খিৰিকিবোৰ খুলি পৰ্দাবোৰো দাঙি থ'লে।

"ভাত ৰান্ধিবলৈ জ্বলাব খুজিছিলা নেকি?" চন্দনে সুধিলে।

"নাই ৰান্ধো বুলি পাগঘৰত সোমাইছিলোঁহে মাত্ৰ। বিপদে বৈ থাকে কেনেকৈ চাওকচোন। জ্বলোৱাৰ আগতে মই চেক কৰি চালোঁ বুলিহে। অৱশ্যে গেছৰ গোন্ধটো আগৰে পৰা পাই আছিলোঁ যদিও মই অনুভৱ কৰা নাছিলোঁ", স্বাভাৱিক ভাবেই তাই কথাখিনি ক'লে।

"গেছবোৰ সম্পূৰ্ণকৈ বাহিৰ ওলায় নোযায় মানে ভাত ৰন্ধাটো অসম্ভৱ হ'ব।" চন্দনে ক'লে।

সান্ত্বনাই মূৰ দুপিয়ালে, তাৰ পিছত তাই ক'লে, "মই আপোনাক কওঁ কওঁ বুলি ভাবিয়েই আছিলোঁ চিলিণ্ডাৰৰ পাইপডাল চেঞ্জ কৰি পেলাব লাগে বুলি। পাইপডালৰ কোনোবাখিনিত ফুচ ফুচ শব্দ এটা বহুদিনৰে পৰা শুনি আছিলোঁ। লিক চিকেই হৈছে নেকি?"

"এইডাল কোম্পেনীৰ অৰিজিনেল ডাল নহয় জানো? এই পাইপবোৰো বৰ অৰডিনেৰি বুজিছা। ইমান সোনকালে নষ্ট হৈ যায়। অৱশ্যে গেছৰ প্ৰবাহে ভিতৰ ভাগত কিছু ক্ষয় কৰাটো অস্বাভাৱিক নহয়। ফলত ডিউৰেবিলিটি কমি যায়।" অভিজ্ঞৰ দৰে ক'লে চন্দনে।"

"পাইপডাল সোনকালে চেঞ্জ কৰাৰ ব্যৱস্থা কৰক বুজিছে। নহ'লে কেতিয়া কি বিপদ ঘটায় একো ঠিকনা নোহোৱা হৈছে" পুনৰ ক'লে তাই।

"হ'ব ৰ'বা কাইলৈ কিবা এটা কৰিব লাগিব" — চন্দনৰ উত্তৰটো শুনি তায়ো মনৰ ভিতৰতে ভাবিলে, এৰা কাইলৈতো তায়ো কিবা এটা চিজিল লগাব। মাজনিশা মানত তাই চন্দনৰ কাষ চাপি গৈ তাৰ বাহত জোঁকাৰি দি ক'লে, "কথা এটা কওঁ ....... শুনিবনে?"

কিয় নুশুনিম বুলি চন্দন তাইৰ পিনে ঘূৰিল।

"মোৰ অনুৰোধ আপুনি ৰাখিব লাগিব। কওঁক ৰাখিবনে নেৰাখে?"

"তুমি কি ক'ব খুজিছা খুলি নোকোৱা কিয়?"

সান্ত্বনাই চন্দনৰ হাতখন নিজৰ বুকুৰ মাজলৈ টানি নি ক'লে, "কাইলৈ মই ইৰাক মাতি পঠিয়াইছোঁ। তাইৰ লগত মই কথা পাতিম।'মোৰ বিশ্বাস তাই মান্তি হ'ব।"

চন্দনে নিজৰ হাতখন সান্ত্বনাৰ বুকুৰ মাজৰ পৰা আঁতৰাই আনি তাইৰ গাৰ ওপৰেৰে পাৰ কৰি দি তাইক বেছি ওচৰ চপাই আনি গভীৰ মমতাৰে ক'লে —

"তুমি নিজকে কিয় ইমান দুৰ্বল কৰা হঁ?"

চন্দনৰ বুকুৰ মাজত সোমাই তাই লাহেকৈ ক'লে, "নহয় ... মানে ... আপোনাৰো ভৱিষ্যৎ এটা নাই জানো? সেই কাৰণেই মই ক'ব খুজিছোঁ মোৰ বৰ্তমানতো আপুনি ইৰাক নিজৰ কৰি ল'ব নোৱাৰেনে? একেবাৰে নিজৰ কৰি? মোৰ কথা হ'ল, এই ক্ষেত্ৰত মই একপ্ৰকাৰ সিদ্ধান্তই লৈ পেলাইছোঁ আৰু মোৰ সিদ্ধান্তক সন্মান জনালে মই ভাল পাম।"

সিহঁতৰ কোঠাৰ নিৰন্ত্ৰ অন্ধকাৰৰ মাজতো চন্দনে সান্ত্বনাৰ নিষ্পাপ চকুজুৰিলৈ অনুমানতে চাই ক'লে, "আচলতে কথাবোৰ তুমি যেনেধৰণে ভাবিছা মইতো ভবা নাই তেনেকৈ! মিছাতে নিজকে দুৰ্বল নকৰিবা বুজিছা।"

চন্দনৰ কথাখিনি শুনি সান্ত্বনাৰ মনোজগত গভীৰ প্ৰত্যয়েৰে ভৰি পৰিল। শাৰীৰিক মানসিক ভাবে সততে তাইক সংগ দিয়া চন্দন থাকোঁতেই সান্ত্বনাক একাকীত্বৰ যন্ত্ৰণাই আৰু কাবু কৰিব নোৱাৰে। এদিন সোলোক-ঢোলোক হৈ পৰা চন্দনৰ ওপৰত থকা তাইৰ বিশ্বাসৰ গাঁঠিটো আজি এইটো মুহূৰ্ত্তত বেছি টান হৈ পৰা অনুভৱ কৰিলে তাই। নাই নাই ইমান ভাঙি পৰাৰ কোনো কাৰণ নাই। ইৰালৈ লিখা চিঠিখন ইৰাৰ হাতত পৰিব দিব নোৱাৰি। আজিয়েই সেইখন তাই ঘূৰাই আনিব লাগিব জয়ন্তৰ পৰা। নিজৰ গাৰ পৰা চন্দনৰ হাতখন আঁতৰাই থৈ সান্ত্বনা বিচনাৰ পৰা নামি আহিল আৰু এন্ধাৰৰ মাজেৰেই পাকঘৰৰ সৰু খিৰিকিখনৰ পিনে আগবাঢ়িল - যি খন খিৰিকিৰে মনৰ এক দোদুল্যমান অৱস্থাত কিছুসময় আগতে তাই জয়ন্তক মাতিছিল।

❑❑❑

এক মিনিটৰ গল্প

# নতুন পোহৰ

**নিজৰা পাঠক**
উঃ মাঃ, ২য় বৰ্ষ (কলা)

পিংকি আৰু পল্লৱৰ বিয়াৰ পিছত আজি প্ৰায় চাৰি বছৰ মান পাৰ হৈ গ'ল। তেওঁলোকৰ মাজত সন্তান বুলিবলৈ মাত্ৰ এজনী ছোৱালী। তাইক মৰমতে সকলোৱে মাতে চিমি বুলি। এখন ঘৰৰ এজনী ছোৱালী, বৰ মৰমৰ, বৰ আলসুৱা। তাইক লৈয়ে পল্লৱহঁতৰ ভৱিষ্যৎ। এবছৰ এবছৰকৈ চিমি ছয় বছৰত ভৰি দিলে। এনেতে মাক পিংকিৰ অসুখ হ'ল। একেধাৰে বিছনাৰ লগত লগ হৈ থাকিল বহু দিন ধৰি। পল্লৱে বহু চিন্তাৰে দিন কটাব ধৰিলে। সি এতিয়া কি কৰিব। বহু চিকিৎসা কৰিও বিফল হ'ল পল্লৱ। পিংকিক আৰু ধৰি ৰাখিব নোৱাৰিলে! চিৰদিনৰ বাবে গুচি গ'ল এই পৃথিৱীৰ পৰা। চিমিক লৈ পল্লৱ বিপদত পৰিল। মাকৰ বাহিৰে চিমিয়ে আৰু কাকো নিবিচাৰে। জীয়েকৰ দুখ সহ্য কৰিব নোৱাৰি পল্লৱে বহু ভাবি চিন্তি পম্পীক বিয়া কৰাই আনিলে।

বিয়াৰ পিছৰ প্ৰথম নিশাই চিমিক কোলাত তুলি লৈ গ'ল পল্লৱে পম্পী থকা কোঠালৈ। পল্লৱক দেখা পাই পম্পীয়ে ঠিয়হৈ এটা হাঁহি মাৰিলে। পিছত পল্লৱে পম্পীক বহিবলৈ ক'লে আৰু চিমিক মৰম কৰি ৰখাৰ কথাও ক'লে। তাই যেন নিজৰ মাকৰ কোনো দিনে অভাৱ অনুভৱ নকৰে! একমাত্ৰ ছোৱালী, তাই দুখ পালে সি মৰি যাব পাৰে। চিমিয়ে সদায় হাঁহি, আনন্দ আৰু স্ফুৰ্তিত থকাটো বিচাৰে পল্লৱে। পম্পীয়ে সকলো কথা নীৰৱে শুনিলে পিছত চিমিক পম্পীৰ কোলাত তুলি দিলে পল্লৱে আৰু মা বুলি মাতিব দিলে। চিমিয়ে তাইক মা বুলি মাতিলে আৰু নানান ধৰণৰ প্ৰশ্ন কৰিলে। কিন্তু তাইৰ কথাত কোনো উত্তৰ নিদিলে। চিমিৰ কথাত তাইৰ অন্তৰ কঁপি উঠিল। পম্পীয়ে মাত্ৰ চকুপানী মচিলে আৰু আথে বেথে লৈ চুমা খাই মৰমতে চিমিক তাইৰ বুকুৰ মাজত সুমুৱাই ল'লে।

❀❀❀❀

*স্মৰণীয়*

আমাৰ বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানবোৰে প্ৰকাশ কৰা আলোচনীবোৰ মই আগ্ৰহেৰে পঢ়োঁ। সেইবোৰত শিক্ষক-অধ্যাপকৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও গল্প-কবিতা লেখে। সেইবোৰ লেখাতো এক নতুন সুন্দৰ পৃথিৱী গঢ়াৰ স্বপ্নিল আদৰ্শবাদ মূৰ্ত্তিমান হৈ উঠা দেখি আনন্দ লাগে।

**চৈয়দ আব্দুল মালিক**

# কৰুণ বিচাৰ

## (THE ANATOMY OF TRAGEDY)




মূল ঃ মনোজ দাস

অনুবাদ ঃ কমল পাঠক

প্ৰবক্তা, বুৰঞ্জী বিভাগ


**বয়সস্থ** চিকিৎসক ডাঃ সাহাই ক'বলৈ ধৰিলে -- ট্ৰেজেডি ঘটাবলৈ বদমাছ লোকৰ আৱশ্যক সদায় নহয় আৰু ইয়াক জানি শুনিও আপোনালোকে অগ্ৰাহ্য কৰিবলৈ প্ৰায়ে প্ৰয়াস কৰে। ওৰিয়েন্টেল হস্পিতালৰ পৰা অৱসৰ ল'বৰ দিন ধৰি যি গৰাকী দুৰ্ভগীয়া ছোৱালী মোৰ লগত আছে -- মানে আপুনি চুমিক জানেই -- নহয় জানো? পোন্ধৰ বছৰৰ আগতে তাই ধুনীয়াজনী আছিল।

চুমি আছিল এজনী অনাথ নন্দিনী, সেয়ে চহৰৰ খুৰাক এজনৰ লগত থাকিবৰ বাবে তাই ইতিমধ্যে চহৰলৈ আহিছিল।

তাইৰ খুৰাকৰ ঘৰৰ নাতিত এটা দু-মহলীয়া অট্টালিকা আছিল। এখনি ফুলাম ফুলৰ বাগিছাই ইয়াৰ ছাদৰ শোভাবৰ্দ্ধন কৰিছিল। আলফুলীয়া ল'ৰা এজনে ইয়াৰ পুলি বিলাকত পানী দি, আগবোৰ শুৱনিকৈ কাটি, টাববোৰ ভালদৰে সজাই পৰাই বাগিছাৰ মাজেৰে ঘূৰি ফুৰিছিল আৰু মাজে সময়ে মিচিকিয়া হাঁহিৰে গোলাপ এপাহি চুমিলৈ দলিয়াই দিছিল আৰু তাই ছাদৰ বাগিছা আৰু ল'ৰাজনক লাজুক ভাৱত গোপনে চাইছিল। অনাথবোৰ সদায় মৰম পিয়াসী। খুৰাকৰ কম্পাউণ্ডৰ বহিঃপৃথিৱীৰ স'তে আমাৰ চুমিৰ সেয়াই আছিল প্ৰথম সম্পৰ্ক আৰু সি গঢ়ি উঠিছিল গোলাপ আৰু মিচিকিয়া হাঁহিৰে।

চুমি পঢ়া পঢ়াশালীখনৰ অৱসৰ প্ৰাপ্ত শিক্ষক এজনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে এদিনাখন এখন বিদায়-সভাৰ আয়োজন কৰিছিল। সভা আৰম্ভ হোৱাৰ অলপ আগতে সিহঁতে এটা ফুলৰ থোপাৰ চিন্তা কৰিলে। "ইচ্ছা কৰিলে মই আনিব পাৰোঁ।" বৰ ব্যগ্ৰ আৰু আগ্ৰহেৰে চুমিয়ে কৈছিল। "যোৱা আনাগৈ -- মৰমৰ চুমি" -- বুলি বাকী ছোৱালীজাকে তাইক উৎসাহ প্ৰদান কৰিলে। সাহস অকণমান গোটাই তাই লৰ দিছিল ঘৰ অভিমুখে। খুৰীয়েকৰ ওচৰ চুবুৰীয়াৰ স'তে যিহেতু ভাল সম্পৰ্ক এটি আছে, ইয়াৰ সহায়ত ফুলৰ থোপা এটা পোৱাত সহজ হ'ব বুলি হয়তো তাই ভাবিছিল। কিন্তু খুৰাকহঁত ইতিমধ্যে বাহিৰলৈ ওলাই গৈছিল বাবে ঘৰটো তলা মৰা অৱস্থাত আছিল।

চুমিৰ কোনো সন্দেহেই নাছিল যে তাই ছাদৰ বাগিছাত ল'ৰাজনক লগ পালে সি আনন্দিত হ'ব আৰু বাগিছাৰ গোটেইবোৰ ফুল তাইক দি দিব।

চুমিয়ে বহু সময় ইত স্ততঃবোধ কৰিছিল। অৱশেষত ল'বলগীয়া পদক্ষেপটোৰ বিষয়ে ঠিৰাং কৰিয়েই পেলাইছিল। তাইৰ হাতত সময় খুব তাকৰ আছিল। ওপৰত থকা বাগিছাখন দেখি আৰু তাইৰ বাবে ৰহস্যময় হৈ থকা ল'ৰাজনক লগ ধৰাৰ কথা ভাবি তেতিয়া তাইৰ মন ৰোমাঞ্চিত হৈ উঠিছিল। তাইৰ ভৰি দুখনত সেই শিহৰণৰ সৈতে বৈদ্যুতিক শক্তি সঞ্চাৰিত হৈছিল আৰু তড়িৎ গতিত গৈ তাই ইতিমধ্যে দু-মহলীয়া অট্টালিকাটোৰ বেলকনিত নিজকে আৱিস্কাৰ কৰিছিল।

"অনুগ্ৰহ কৰি ভিতৰলৈ আহক।" এটি কণ্ঠই ভিতৰৰ

পৰা তাইক স্বাগতম জনাইছিল। আহল-বহল আৰু সু-সজ্জিত কোঠাটোত তাই প্ৰবেশ কৰিছিল আৰু মুখাবয়বত নিৰ্দেশ পৰিস্ফুট সৰু শয্যা এখনত বহি থকা ল'ৰাজনক নেদেখালৈকে হৰিণী নয়না ছোৱালীজনীয়ে তাইৰ চকুহাল ঘূৰাবলৈ আৰম্ভ কৰিছিল।

"মোক কেইপাহমান গোলাপ লাগে।" তাই অস্ফুট সুৰত কৈছিল।

"সেয়া চকী। অনুগ্ৰহ কৰি বহা। তোমাৰ নামটো?" ল'ৰাজনে সুধিলে।

"চুমি। তোমাৰটো? আচলতে কি জানা -- মোক কেইপাহমান ফুলৰ আৱশ্যক হৈছে।" -- চুমিয়ে কৈছিল।

"মোক তুমি জানা নেকি?" ল'ৰাজনে চুমিক সুধিলে।

"তুমি কি ক'ব বিচাৰিছা?" চুমিয়ে ভোৰ ভোৰাইছিল।

"তোমাৰ নামটো নাজানো বাবে -- তোমাক নাজানো বুলি তুমি বুজাব খুজিছা নেকি? তোমাক নজনাকৈ কি সাহসত মই ইয়ালৈ আহিলোঁ? প্ৰত্যেকদিন তোমাক জানো মই দেখা নাপাওঁ। বাদ দিয়া সেইবোৰ, মোক কেইপাহমান গোলাপ দিয়া।" চুমিয়ে ক'লে।

"ময়োতো তোমাক সদায় দেখোঁ" ল'ৰাজনে ক'লে।

"তোমাৰ বাগিছাখন সঁচাকৈয়ে ধুনীয়া" -- চুমিয়ে কৈছিল।

"তুমিও ধুনীয়া!" ল'ৰাজনে প্ৰত্যুত্তৰ দিছিল।

"মোক কেইপাহমান গোলাপ লাগে, এসময়ত তুমি মোলৈ দলিওৱাবোৰৰ দৰে। দহ-বাৰটা মান।" চুমিয়ে তাইৰ ইচ্ছা প্ৰকাশ কৰিলে।

"কেনে আচৰিত? ব'লানা -- ছাদত থকা তোমাৰ বাগিছা খনলৈকে যাওঁ।" -- চুমিয়ে তাক অনুৰোধ কৰিলে।

"ছাদলৈ? আমি জানো তালৈ যোৱাটো উচিত হ'ব? -- চুমিক উদ্দেশি সি ক'লে।

"একো নহয়। ব'লা যাওঁগৈ -- প্লিজ।" -- ল'ৰাটোক চুমিয়ে থাটনি ধৰিলে।

যোৱাৰ আনন্দত সি বিচনাৰ পৰা প্ৰায় নামিব খুজি কঁকালৰ পৰা তললৈ আবৃত শ্বলখন আঁতৰাই দিছিল। হঠাৎ দেখা তাৰ মুখাবয়বৰ পৰা সকলো আভা স্তিমিত হৈ গৈছিল আৰু অসহায় ভাবত সুধিছিল -- "কেনেকৈ যাম?"

"কিয়?" ল'ৰাজনৰ পিনে চাই সুধিছিল। তাই দেখা পাইছিল ল'ৰাজনৰ ভৰি দুখন দেখোন নাই! অবাক বিস্ময়ত চাই ৰোৱা চুমিলৈ চাই তেতিয়া ল'ৰাটোৱে হাঁহিব ধৰিলে। ক্ষন্তেকো নৰৈ তাই লৰ দিছিল আৰু অৱশেষত ঘৰ পাইছিলগৈ। ঘৰটো কিন্তু তেতিয়াও তলামৰা অৱস্থাতেই আছিল। ইতিমধ্যে দুৱাৰ ডলিত তাই মূৰ্চ্ছা গৈছিল।

অৱশেষত মোৰ হস্পিতালত তাই চকু মেলিছিল। কথাবতৰাৰে স্বাভাৱিক হ'বলৈ তাইক সময় লাগিছিল।

ৰহস্যটো হ'ল ওচৰৰ ঘৰটোত দুজন ল'ৰা আছিল -- সিহঁত যঁজা আছিল। এজনে সৰু কালতেই তাৰ ভৰি দুখন হেৰুৱাইছিল। আমাৰ চুমিয়ে সদায় অইনজনকহে দেখা পাইছিল। পংগু ভায়েকজনৰ চুমিক উপহাস বা প্ৰতাৰণা কৰাৰ বাসনা আছিল বুলি ভাবিলে ভুল কৰা হ'ব। চুমিয়ে তাক কেতিয়াও দেখা নাছিল, অৱশ্যে সি হ'লে সদায় তাইক খিৰিকিৰে দেখা পাইছিল। তাৰ বিষণ্ণ জীৱনৰ সেই আবেলিটোত চুমি এজাক ৰ'দৰ চিটিকনি আছিল। চুমিক সন্তুষ্ট কৰিবলৈ সি ইমান দৃঢ় সংকল্পবদ্ধ হৈছিল যে ক্ষণিকৰ বাবে হ'লেও সি তাৰ সীমাবদ্ধতাৰ কথা পাহৰি গৈছিল আৰু নিজকে তাৰ ভায়েকৰ দৰে ভাবি লৈছিল। বিচনাৰ পৰা নামি খোজ পেলাবলৈ উদ্যত হোৱাৰ লগে লগে তাৰ ভুল ধাৰণাটো আহি পৰিছিল। সেয়ে সি অট্টহাস্য কৰিছিল, কিন্তু সেয়া যে তাৰ তিক্ত যন্ত্ৰনাৰ বিননিৰ একমাত্ৰ ৰূপহে আছিল। আৰু শুনিছে, মোৰ অনুসন্ধানৰ ওৰো পৰিছিল ইয়াতেই।

কিন্তু কথা হ'ল আনকি আজিও, অচিনাকি লোকৰ ভৰিলৈ চুমিয়ে সন্দেহেৰে চায়। ভৰি নোহোৱাকৈ বাগিছাৰ মাজত চলা ফিৰা কৰা তাইৰ সপোনকোঁৱৰক উদঘাটন কৰাৰ অভিজ্ঞতাটো তাইৰ দৰে কোমল বয়সীয়া ছোৱালীৰ বাবে আছিল এক সাঁথৰ স্বৰূপ। পংগু ল'ৰাজনে কিন্তু সেই মুহূৰ্ত্তটোৰ অভিজ্ঞতাখিনিক সজীৱ কৰি নাৰাখিলে। হাঁহি আৰু চকুলোক কিছুদিনৰ বাবে বিকল্প হিচাপে লৈ অৱশেষত সি অসুখত ঢুকাল।

"আচৰিত নহয় জানো?" এইদৰে সমাপ্ত কৰিলে ডাঃ সাহাই তেওঁৰ কাহিনীটো। এটি দীঘল হুমুনিয়াহেৰে সামৰণিত সংযোজন কৰিলে -- "কিন্তু এই পৃথিৱীত আচৰিত বুলি প্ৰকৃততে কিবা আছে নেকি?"❑

*(শ্ৰীপাঠকে ইতিমধ্যে এই মহাবিদ্যালয়ৰ পৰা আন এখন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰিছে।)*

উপন্যাসিকা

# নিৰ্বাসন

দ্বীপেন্দ্ৰ পাঠক
প্ৰাক্তন ছাত্ৰ



ভাগ্যে গাত নপৰিল! পৰাহেঁতেন? ছিঃ ছিঃ! মনটো তেওঁৰ কোঁচ খাই আহিল। ভ্ৰূযুগল কোঁচ খুৱাই কিছু কুঁজা হৈ তেওঁ এটা অস্ফুট আৰ্তনাদ কৰি উঠিল। ইস্ ইস্ ইস্। ইতিমধ্যে খগুকাৰে প্ৰণামৰ ভঙ্গীত জোৰা খাই অহা তেওঁৰ হাতদুখন ধৰি ক'লে - "এহ! আপুনিও আৰু! চুৰা গ'লোঁহেঁতেন নে কিবা। আহক আহক" এইবুলি বৰাৰ কোঠালৈকে তেওঁ সোমাই আহিল।

কথাটো বৰ বিশেষ একো নহয়। বৰাৰ ডায়েবিটিছ আছে। সদায় আবেলি তেওঁৰ 'চুগাৰ' জোখা ষ্টিক জালেৰে প্ৰস্ৰাৱত থকা চুগাৰ জুখি ৰংটো চাৰ্টখনত মিলাই ষ্টিকডাল নাতিদূৰৰ জোপোহাটোলৈ বাৰাণ্ডাৰ পৰাই দলিয়ায়। আজিও ষ্টিকডাল দলিয়াই দিহে তেওঁ দেখিলে সম্মুখতে দণ্ডায়মান খগুকাৰক। ভাগ্যে গাত নপৰিল!

হাতদুখন ধুই বৰাও কোঠালৈকে সোমাই আহিল। দোষী দোষী বাবেই নেকি তেওঁ খুব সংকোচেৰে সুধিলে - "হঠাৎ ওলালহি যে - কিবা .......।" খগুকাৰ হঠাতেই আহে। কিন্তু সেই মুহূৰ্তত বৰাই সুধিবলৈ আন একো বিচাৰি নাপালে।

'হঠাৎ মানে' জ্বলাবলৈ চুৰটডাল মুখত লৈ খগুকাৰে সোঁহাতখন পাঞ্জাবীৰ পকেটত সোমাইছিলহে, চুৰটডাল হাতত লৈ তেওঁ ক'লে কেতিয়ানো খবৰ দি আহোঁ। বজাৰৰ মাজেৰে এপাক ঘূৰি আহি ভাবিলোঁ - সোমাই যাওঁ। ঘৰতনো কিমান সোমাই থাকিব।"

"এৰা ভালেই কৰিলে দিয়ক। সময়বোৰ কিবা নাযায় নুপুৰায়।"

খগুকাৰে ধুতিখন কৰঙনলৈ কোঁচাই সোঁভৰিখন চকীত

তুলি ল'লে।

আহাৰ মাহ। আকাশখন গোমা হৈ আহিছে। মূৰটো একাটি কৰি খগুকাৰে বাহিৰলৈ চালে। "আহিব নেকি এজাক?"

"জানো, গোটেইখন দেখোঁ ক'লা হৈ আহিছে।" বৰাই ক'লে।

আনদিনা খগুকাৰে ইমান লাহে ধীৰে কথা নকয়। হুলস্থূল ভালেই পায় নেকি? বৰাক প্ৰায়েই উলিয়াই নিয়ে ঘূৰিবলৈ - "এহ কিমাননো সোমাই থাকেহ। ব'লক-সোনকালে বুঢ়া হ'ব এনেকৈ থাকিলে। বৰা মাজে মাজে ওলাই যায়। কিন্তু আজি যেন খগুকাৰ কিছু পৰিমাণে শান্ত, শ্ৰান্ত। আনদিনাৰ দৰে উচ্‌পিচনি নাই। "বহুকচোন বহুক কথা আছে।" তেওঁ ক'লে।

বৰায়ো লক্ষ্য কৰিলে খগুকাৰ যেন কিছু ব্যগ্ৰ। সমগ্ৰ মুখমণ্ডলত ব্যগ্ৰতাৰ ব্যাপ্তি। তেওঁ এটা বনিয়ন পিন্ধি আছিল। বুকুলৈকে বনিয়নটো কোঁচাই চকীখন খিৰীকি কাষৰ মেজখনৰ গুৰিলৈকে টানি আনি সোঁহাতখন মেজত থৈ তেওঁ ক'লে - "কওঁকচোন"

হাতত থকা চুৰটডাল এইবাৰ খগুকাৰে জ্বলাই ল'লে। "আপোনাৰ কলেজীয়া দিনবোৰৰ কথা মনত পৰেনে?

এমেকোৰা ধোঁৱা উলিয়াই বৰাৰ মুখলৈ চাই এটা এটাকৈ উচ্চাৰণ কৰিলে শব্দকেইটা।

বৰা এইবাৰ অলপ আচৰিত হ'ল। এইজন তেওঁৰ বাবে অচিনাকি খগুকাৰ। কোনো গহীন কামত তেওঁ কোনোদিনে মূৰ ঘমোৱা নাই। নাতি, বোৱাৰী, পো, বজাৰ এইবোৰকে লৈ তেওঁৰ ব্যস্ততাৰ অন্ত নাই।

আজি কিন্তু খগুকাৰ কিছু ভাবুক। "সেইবোৰ কথা আৰু পাহৰিব পাৰিনে?" ভাঁজখাই থকা ভৰিখনত আনখন ভৰি তুলি তেওঁ ক'লে "এৰা শব্দটো খগুকাৰে আনমনা হৈ উচ্চাৰণ কৰিলে। বৰাৰ কৌতুহল হ'লেও কিছুসময় খগুকাৰলৈ নীৰৱে চাই থাকিল। তেল দিছিল হবলা! খগুকাৰৰ জিলিকি থকা তালুখনহে তেওঁ দেখা পালে।

"এইবোৰতো বহুত পুৰণি কথা আজি হঠাৎ ........" বৰাই কথাখিনি সম্পূৰ্ণ নকৰিলে। তেওঁৰ ভাব হ'ল নীৰৱতা ভংগ হ'লেও খগুকাৰে আমনি পাব।

"আপুনি প্ৰেমত পৰিছিলনে?" আচৰিত নহয় -এইবাৰ একপ্ৰকাৰ হতভম্বও হ'ল বৰা। কলেজ - প্ৰেম...। কিছু বিব্ৰতবোধ কৰিলে তেওঁ। কাৰণে অকাৰণে হাঁহে, স্ফূৰ্তি কৰে, চিঞৰে ....।

আজি হঠাৎ প্ৰেমৰ প্ৰসংগ ওলোৱাত বৰাক নষ্টালজিয়াবোধে আমনি কৰিলে। "কওকচোন" ভৰি দুখন মেলি দি কিছু পোন হৈ বৰ আন্তৰিকতাৰে তেওঁ ক'লে।

খগুকাৰ যেন উদাস বিমৰ্ষ। দুৱাৰখনৰ পোনে পোনে দেখা পোৱা ৰঙচুৱা মাটিখিনিলৈ চাই তেওঁ ক'লে, "আজি লগ পাইছিলোঁ।"

"কাক?" বৰাও যেন উদগ্ৰীৱ হৈ পৰিল।

"মৃণ্ময়ী - মৃণ্ময়ীক দত্তক। কলেজত পঢ়োঁতেই চিনাকি - মোতকৈ জুনিয়ৰ আছিল। আজি বহু বছৰৰ পিছত দেখা হ'ল।"

"কৈ যাওঁক।"

"তেওঁ গৈ আছিল অকলে। ফুটপাথটোত মানুহৰ ভীৰ। ময়ো আহি আছিলোঁ তেওঁৰ ফালেই। মই চিনি পাইছিলোঁ। তেওঁৰ সন্মুখত আহি মই ৰৈ গ'লোঁ। ক'লোঁ "মোৰ ভুল হোৱা নাই যদি তুমি মৃণ্ময়ী দত্ত....।

"হয় - কিন্তু আ - পু ......... তুমি বিতপদা?" মই নীৰৱে হাঁহিলোঁ। আনন্দত তেওঁৰ চকুদুটা সজল হৈ উঠিছিল। দুয়ো দুয়োৰে ফালে চাই থাকিলোঁ কিছু সময়।

"আহা গৈ থাকোঁ।" মই কলোঁ।

দুয়ো আগবাঢ়িলোঁ।

"কোৱাচোন কোৱা - কিমান দিনৰ পিছত যেন লগ পালোঁ। কেনে আছা?" গৈ থাকিয়ে তেওঁ ক'লে।

"তুমি কেনে দেখিছা।"

"ভালেইতো! বাৰু তোমাৰ স্ত্ৰী ............।" আমি আহি আহি পাৰ্কলৈ সোমাই যোৱা তিনিআলিটোত ৰৈ গ'লোঁ। এইবাৰ ভালদৰে চালোঁ তেওঁৰ মুখলৈ তেৱোঁ মোলৈ। মুখখন একেই আছে। অতিৰিক্ত চৰ্বিৰ বাবে বেছি শকত যেন লগা হৈছে। আনন্দৰ আতিশয্যত তেওঁৰ দুচকুত উজ্জ্বলতা।

"ব'লা ইয়াতেই অকণমান বহোঁ। তোমাৰ একো অসুবিধা নহয়তো।"

তেওঁ একো নক'লে।

পাৰ্কৰ কৃষ্ণচূড়াৰ তলত আমি দুয়ো বহিলোঁ।

খগুকাৰ হেৰাই গৈছিল কৰবাত। স্মৃতিৰ গভীৰৰ পৰা গভীৰতম স্তৰত যেন তেওঁ অৱগাহন কৰিছিল। চিলিঙলৈ চাই আছিল তেওঁ। বিমূঢ় স্থবিৰ হৈ বৰাই তেওঁৰ শান্ত সৌম্য মুখখনলৈ চাই ৰ'ল।

"আপোনাৰ সংকোচবোধ হোৱা নাছিল।"

"ওহোঁ" মূৰটো লাহে লাহে জোকাৰি তেওঁ কলে - কিহৰ সংকোচ কিহৰ লাজ। আমি দুয়ো দুয়োকো ভাল পাইছিলোঁ। বহু বছৰৰ পিছত লগ পাইছোঁ। নিৰিবিলিও মই তেওঁৰ লগত নবহিমনে? খবৰ দিয়া লোৱা নকৰিমনে?" কথাখিনি কওঁতে খগুকাৰ যেন উত্তেজিত হৈছিল। ওঁঠযোৰ চেপি তেওঁ পাৰ্যমানে লাহে লাহে ক'লে।

"তাৰ পিছত?" নেদেখা জগত এখন দেখাৰ আনন্দত বৰা ব্যগ্ৰ হৈ উঠিছিল। হালি অহা দেহটো পোণ কৰি তেওঁ ক'লে।

খণ্ডকাৰ কিন্তু ব্যগ্ৰ নহ'ল। নিঃশব্দে চুৰুটটোত এহোপা মাৰি কুণ্ডলী পকাই উৰি যোৱা ধোঁৱাবোৰৰ ফালে চাই তেওঁ নিৰুদ্বেগ ভাবে কৈ গ'ল।

"নিঃশব্দে দুয়ো বহি থাকিলোঁ। তেওঁ পাৰ্কখনৰ পুবফালে থকা শিৰীষ জোপালৈ চাই আছিল।"

"তোমাৰ ভালনে?"

তেওঁ একো নক'লে। শিৰীষ জোপালৈ চায়েই থাকিল। দুয়ো দুয়োকো বুজি পাইছানে?" বোধহয় - বেঞ্চখনত থোৱা তেওঁৰ ভেনিটি বেগলৈ চাই তেওঁ কৈ গ'ল। মই তেওঁক মোৰ ভালপোৱা দিছোঁ। সুখী কৰিবলৈ চেষ্টা কৰিছোঁ। দিবলগীয়াখিনি তেৱোঁ মোক দিছে।

কলেজীয়া দিনৰ এনেবোৰ 'চেণ্টিমেণ্টেল' কথাত যিহাল চকু দেখিছিলোঁ, সেইহাল চকুৰেই তেওঁ মোলৈ চালে।

ময়ো চাই ৰ'লোঁ। কপালৰ দগমগ্ সেন্দুৰ, উজ্জ্বল চকু, মুখাৱয়বৰ আভা এইবোৰ দেখি ভাব হ'ল - মৃণ্ময়ী সুখী। উৎফুল্ল হ'লোঁ মই। "ময়ো আশা কৰিছিলোঁ - তুমি যেন সুখী হোৱা।" মই ক'লো।

এই বাৰ মৃণ্ময়ী মোৰ কাষলৈ আগুৱাই আহিল। বাওঁহাতখনত ভেঁজা দি মোৰ চকুলৈ চাই একান্ত আন্তৰিকতাৰে তেওঁ ক'লে "তোমাৰ খবৰ কোৱা।"

মই মৃণ্ময়ীৰ বুকুখনৰ সোঁফালে থকা ক'লা দাগটোলৈ চালোঁ। একেই আছে। কলেজত থাকোঁতে মই এদিন সেই দাগটো চুই চাইছিলোঁ। মৃণ্ময়ীয়ে মোৰ নাকত ধৰি খুব জোৰেৰে চেপি দিছিল - কৈছিল "অসভ্য!" আজি মই সেই দাগটো চায়েই ৰ'লোঁ। তেৱোঁ ঢাকি ল'বলৈ চেষ্টা নকৰিলে।

"একো নোকোৱা!" - তেওঁ ক'লে।

ৰবাই একেথৰে চাই থাকিল খণ্ডকাৰৰ মুখলৈ। যেন নিষিদ্ধ জগত এখন দেখাৰ আগমুহূৰ্তৰ উদ্‌গ্ৰীৱতা।

"আচলতে কথা কোৱাতকৈ দুয়ো দুয়োলৈ চাই নীৰৱে থাকিবলৈহে মোৰ মন গৈছিল। কিন্তু মৃণ্ময়ীক বেছি সময় কৌতূহলী কৰি ৰাখিবলৈ মই ভাল নাপালোঁ। তেওঁৰ বুকুখন সঘনে উঠা-নমা কৰিছিল। নিশ্বাসৰ শব্দ মই স্পষ্ট শুনিছিলোঁ - খণ্ডকাৰে কৈ গ'ল।

"তুমি কি আশা কৰিছিলা?"

"তুমিও যেন থাকা মোৰেই দৰে। মোক নোপোৱাৰ বেদনাত যেন তুমি ভাগি নপৰা। সদায় যেন সেউজীয়া হৈ থাকা .............।"

শেষৰ ফালে মৃণ্ময়ীৰ মাতটো খোকাথুকি হৈ আহিছিল। সজল চকুজুৰি উদ্ভ্ৰাউল হৈ উঠিছিল।

মই তেওঁৰ সোঁহাতখন তুলি ল'লোঁ মোৰ দুহাতত। তেওঁ বাধা নিদিলে। "আমি সঁচাই দুয়ো দুয়োকো ভাল পাইছিলো।" অনামিকা আঙুলিত থকা আঙুঠিটো লিৰিকি বিদাৰি মই ক'লোঁ,

"তুমি কিন্তু কথা এৰাই গৈছা।"

"নহয় মৃণ্ময়ী আমাৰ আশাবোৰ সঁচা হ'ল।"

"সঁচা .................।"

সম্মতিসূচকভাৱে মই মূৰটো জোঁকাৰি তেওঁৰ চকুলৈ চালোঁ।

হাতখন মোৰ পৰা এৰাই দুয়োখন হাত মুঠি মাৰি চকুহাল মুদি তেওঁ ক'লে - "আজি মই আৰু বেছি সুখী।"

আবেলিৰ শেঁতা পোহৰতো তেওঁৰ মুখখন উজলি উঠিছিল; সৰি পৰিছিল দুটোপাল চকুলো। প্ৰাণভৰি মই তেওঁলৈ চাই ৰ'লোঁ।

"তোমাৰ মানুহজনীক দেখিলে বৰ ভাল লাগিব। তুমিতো ইয়াতেই।"

"এৰা, তোমাক দেখি ভাল পালেহেঁতেন। কিন্তু .............।"

"কি হ'ল?"

"চুকাল - আঠ বছৰমান আগতে।"

মৃণ্ময়ীয়ে এটা হুমুনিয়াহ এৰিলে। ওচৰে-পাজৰে সেৰেঙাকৈ মানুহ আছিল। দূৰৰ ৰাস্তাটোত মানুহ আৰু গাড়ীৰ লানি। মই সেইফালে চাই ৰ'লোঁ - সময়বোৰ যেন স্তব্ধ হৈ বৈ গ'ল দুয়োৰে বাবে। "বলা উঠোঁ।" নীৰৱতা ভংগ কৰি তেওঁ ক'লে। দুয়ো উঠি আগবাঢ়িলোঁ।

"আৰু একো নোকোৱা?" গৈ থাকিয়ে কিছু সময় পিছত তেওঁ সুধিলে।

দুয়ো দুয়োকে জনাৰ পিছত আৰু কিবা থাকিব পাৰে বুলি মই ভবাই নাছিলোঁ - ক'লোঁ "ছোৱালীজনীৰ বিয়া হৈ গ'ল। ল'ৰাজন শিক্ষক। তালৈ বোৱাৰী আনিছোঁ।"

আমি ৰাস্তাটোৰ একাষত কিছু সময় মৌন হৈ থিয় হৈ আছিলোঁ।

"তোমাক এৰি দিবৰ মন যোৱা নাই।" আৰু তেনেদৰে থাকিবলৈ মোৰো মন হৈছিল। ক'লোঁ - "থাকি যোৱা নহ'লে - ।"

অস্ফুটভাৱে তেওঁ হাঁহিলে-- ময়ো।

"আৰু কেতিয়াবা দেখা হ'বনে?"

"নিশ্চয় আত্ম প্ৰত্যয়ৰে তেওঁ ক'লে - ল'ৰাটোৰ বিয়াত মাতিম -- আহিবা।"

মই তেওঁলৈ চাই মাথোঁ ক'লোঁ - "সেয়াও যেন সঁচা হয়।"

দুয়ো মনে মনে থাকিলোঁ - বহুসময়।

"আহোঁ।" সেমেকা সজল চকুহালেৰে মোলৈ চাই তেওঁ আগবাঢ়ি গ'ল। মোৰো চকুদুটা সেমেকি আহিছিল হ'বলা। বেছি দূৰলৈ মই তেওঁক নেদেখিলোঁ। মানুহৰ ভীৰ আৰু উৰি থকা ধূলিৰ মাজত তেওঁ হেৰাই গ'ল।"

এইখিনিলৈকে কৈ খগুকাৰ বৈ গ'ল। উদাস নিৰ্বাক চাবনিৰে তেওঁৰ সন্মুখৰ খিৰিকীখনেৰে বাহিৰলৈ চাই আছিল। নুমাই যোৱা চুৰটটো হাতৰ পৰা খহি পৰিল।

সোঁহাতৰ তলুৱাত মুৰটো থৈ বৰাও নীৰৱে ৰ'ল। বাহিৰত বতাহ। ক'লা হৈ আহিছিল আকাশখন। এন্ধাৰ হৈ আহিছিল কোঠাটোও। দুটা যেন প্ৰস্তৰ মূৰ্ত্তি - খগুকাৰ আৰু বৰা - অতীতৰ অতল তলীত হেৰাই গ'ল।

সন্ধিয়া হৈ আহিছিল। একো নোকোৱাকৈয়ে এটা সময়ত খগুকাৰ গ'লগৈ। বৰা চকীখনত বহি তেনেদৰেই থাকিল নিৰ্বাক - নিস্পন্দভাৱে।

কাম কৰা ছোৱালজনীয়ে লাইটটো জ্বলোৱাতহে তেওঁ যেন সাৰ পাই উঠিল। বাৰাণ্ডালৈ ওলাই আহি তেওঁ মূঢ়াটোত বহি পৰিল। বতাহজাক জোৰেৰে বলৈ ধৰিলে। বৰষুণো দিবলৈ ধৰিলে।

এনেবোৰ মুহূৰ্ত্তত হৃদয়াই তেওঁৰ স'তে কথা পাতিছিল। তাই সঁচাই হৃদয়া আছিল। - ঠিক মমতাৰ দৰেই। মমতাৰ মৃত্যুৰ পিছত তায়েই আৱৰি ৰাখিছিল বৰাক।

বৰষুণজাক টান হৈ আহিল। খগুকাৰ ঘৰ পালে চাগৈ! তেওঁ ভাবিলে। লগে লগে তেওঁৰ যেন খগুকাৰলৈ ঈৰ্ষা অনুভূত হ'ল। একেটা অফিচতে চাকৰি কৰিছিল দুয়ো - এল. ডি. এ। খগুকাৰে তেওঁতকৈ আগতে ৰিটায়াৰ কৰিলে। সত্তৰ পয়সত্তৰ সিমানেই হ'ব পায়। এতিয়াও কি উশৃংখল। বুকুখন দুফাল কৰি হাঁহে এতিয়াও। বৰাৰ উৱাদিহ হেৰাই যায়। কেনেকৈ সম্ভৱ?

মমতায়ো এনেদৰেই হাঁহিছিল। শিশুৰ দৰে উজ্জ্বল নিষ্পাপ হাঁহি। বন্ধৰ দিনতো তেওঁক আবেলি ঘৰত সোমাই থাকিবলৈ নিদিছিল।

"কিনো কৰে?"

"কৰিবনো কিটো।"

"বৰুৱাইতৰ পৰা কেইটামান নৰসিংহপাতকে লৈ নাহেগৈ কি? ইয়তেও খাই ভাল পায়।"

হৃদয়া, অমূল্য আৰু তেওঁৰ বাবে কৰিবলগীয়া খিনিৰ কোনো ত্ৰুটি কৰা নাছিল মানুহজনীয়ে।

খং উঠিলে মমতাক তেওঁৰ আৰু বেছি ভাল লাগিছিল। বিশেষকৈ যোপা চকুদুটাৰে ৰঙচুৱা ওঁঠ দুটা।

কোনো কথাতে কোনো অভিযোগ নাছিল। অমূল্যই হায়াৰ চেকেণ্ডাৰী পাছ কৰাৰ পিছত হৃদয়া তেতিয়া বি. এ. পাছ কৰি ঘৰতে আছে। তাই নিজেও আৰু নপঢ়োঁ বুলি কোৱাত মমতাই কৈছিল - "তাই ঘৰতে থাকক নেকি? তাই সুখী হ'ব পৰাকৈ এঘৰলৈ উলিয়াই দিবই লাগিব আৰু তাইৰ আৰু শিকিবলগীয়াও নাই জানো।" বৰায়ো ভাবি চালে - ঠিকেই।

অমূল্যই ডাক্তৰী পঢ়িম বুলি কোৱাত বৰা বিমৰ্ষ হৈ পৰিল। তেওঁ ভাবিছিল - সি বি. এচ. চি. পাছ কৰি মাষ্টাৰ ডিগ্ৰীটো লওক। সোমাই ল'ব কোনোবা কলেজত। অমূল্যই কিন্তু এক প্ৰকাৰ খাটাংকৈ কৈছিলেই।

"হেৰা কি কৰোঁ এতিয়া? পইচা-পাতিৰে দিগদাৰ নহ'বনে?" নিশা ভাত খাই তেওঁ শুইছিল। মমতাই আনখন বিছনাত দীঘল নিশ্বাস এটা এৰা তেওঁ শুনিলে।

"তাক হকা-বধা নকৰাই ভাল নেকি? পঢ়ক পৰীক্ষাততো বেয়া কৰা নাই। আমি চলি যাম দিয়ক কিবাকৈ; সিহঁত সুখী হ'ব লাগে - সেয়াহে।"

বৰাই খগুকাৰৰ লগতো আলোচনা কৰিছিল। কিন্তু তেওঁ মমতাৰ কথাকেই ঠিক বুলি ক'লে। খগুকাৰে কৈছিল - "বৰা আপুনি এজনী লখিমী আনিছে।" খগুকাৰেই নহয় বৰাৰ অফিচৰ আন মানুহেও মমতাৰ গুণানুকীৰ্ত্তন কৰিছিল। গভীৰ পুলকানুভূতিত ভৰি পৰিছিল বৰাৰ হৃদয়।

বিয়াৰ আগতে তেওঁ মমতাক দেখাও নাছিল। মাক আগতেই ঢুকাইছিল। দেউতাক খুৰাকহঁতেই মমতাক পছন্দ কৰিছিল। সাধাৰণ মধ্যবিত্ত ঘৰৰ মেট্ৰিক পাচ কৰি আৰু পঢ়া নাছিল।

গাঁৱৰ পৰাতো আহিবই নুখুজিছিল। দেউতাকৰ বুজনিতহে যেনিবা নাহোঁ নাহোঁ কৈ শেষত আহিছিল। গাঁৱৰ পৰা অহা-যোৱা কৰি অফিচ কৰিবলৈ বৰাৰো অসুবিধা হৈছিল।

বিয়াৰ সাতদিনমান পিছত দুপৰীয়া, অফিচ হাফ হোৱা বাবে বৰা সেইদিনা সোনকালে আহিছিল। মমতাই যোৱা নাছিল তেতিয়াও - দেউতাকে খাই বৈ শুইছিল।

ভাত খাই বৰাই তামোলখনলৈ বৈ আছিল। বটাখন আগত থৈ মমতাই কৈছিল - "মই কিন্তু একো নাজানো; আপুনি শিকাই বুজাই ল'ব, আয়ো নাই। তেওঁক কিন্তু একো শিকাবলগীয়া নহ'ল।

বৰষুণজাক আৰু টান হৈ আহিল। চিটিকনি গাত পৰা বাবে মূঢ়াটো বেৰৰ কাষলৈ আনি হাতেৰে আঠুদুটা সাৱটি ধৰি নিথৰ হৈ বৰাই বৰষুণজাকলৈ চাই ৰ'ল। তেতিয়া বৰাৰ বুকুৰ ভিতৰত এজাক যেন ধুমুহা বৈছিল।

ভাৱাঘৰত থাকি বৰাৰ ভাল নালাগিলেও তেওঁ মাটি এটুকুৰা ল'ব পৰা নাছিল। খগুকাৰৰ তাগিদা আৰু মমতাৰ ললেই ভাল হয় নেকি জাতীয় অনুৰোধতহে বৰাই এই মাটিটুকুৰা

কিনিছিল। খণ্ডকাৰৰ ঘৰৰ পৰা এক ফাৰ্লংমান দূৰত। সন্মুখেৰে যোৱা ৰাস্তাটো তেতিয়া সৰু আছিল। টেক্সী, জীপৰ লেখীয়া সৰু গাড়ীহে চলিব পাৰিছিল। এতিয়া তিনিখন বাছ গাড়ী পাৰ হ'ব পৰাকৈ বহল হ'ল। তেতিয়া অঞ্চলটোত ঘৰ-দুৱাৰ তেনেকৈ নাছিল।

"ইয়াতেই ভাল হ'ব নেকি? যিহে মাটিৰ হাঁহাকাৰ। কিমননো চাব আৰু। অফিচলৈ যাবলৈও লগ এটা হ'ব।" - মমতাই কৈছিল।

ঘৰ সাজিবলৈ আৰম্ভ কৰোঁতে অমূল্য আৰু হৃদয়া হাইস্কুলত পঢ়ে। পাঁচোটা কোঠাটলিৰ কাঠেৰে সজা এটা সৰু আটোমটোকাৰী ইংৰাজী 'টি' টাইপৰ ঘৰ। পদুলিৰে সোমাই সোঁফালে হৃদয়াৰ পঢ়া কোঠা, মাজৰটো অমূল্যৰ, ৰাস্তাৰ ফালে আগবাঢ়ি থকাটো ড্ৰইংৰুম; পোনে পোনে বৰাৰ শোৱনীকোঠা আৰু পাকঘৰ।

ঘৰটো সাজি থাকোঁতে মমতাৰ ব্যস্ততাৰ অন্ত নাছিল। বৰাক আৰু ইহঁতহালক খুৱাই বোৱাই অফিচ স্কুললৈ যোৱাৰ পিছত ঘৰ-দুৱাৰ সামৰি মমতাই সদায় তিনি কিলোমিটাৰ খোজ কাঢ়ি মিস্ত্ৰীৰ কামৰ তদাৰক কৰিছিল।

কিন্তু বৰাই আকস্মিকভাৱে আঘাতটো পালে। সেইদিনা দেওবাৰ বাবে বৰা ঘৰতে আছিল। হৃদয়া আৰু তেওঁ ভাত খাই দুপৰীয়া বাৰাণ্ডাত বহি আছিল। তেওঁ দেখা পাইছিল মমতা ভাত খাই উঠিব খোজতে বাগৰি পৰা। ধৰাধৰিকৈ বিছনাত শুৱাই লৈ তেল-পানী দিয়া হ'ল। প্ৰতিবেশী কেইবাজনো হৃদয়াৰ চিএৰত গোট খাইছিল। কোনোবাজনে ডাক্তৰ লৈ আহিল। মূৰৰ পিছফালটো দাণ্ডি চালে। সম্পূৰ্ণ দুটা ঘণ্টা বৰ উৎকণ্ঠাৰে পাৰ কৰাৰ পিছত এটা সময়ত ডাক্তৰ ওলাই আহিল। তেৰোঁ ওলাই আহিল পিছে পিছে। ইতিমধ্যে মমতাৰ দেহটো কোনোবাই বগা কাপোৰেৰে ঢাকি দিছিল।

বৰাই ভাগি পৰা নাছিল। কিন্তু তেওঁৰ ব্যস্ততাক শৃংখলাবদ্ধতাই বান্ধি পেলাইছিল। ৰাতিপুৱা ৯-৩০ বজাত ভাত খাই তিনি কিলোমিটাৰ চিটিবাছত গুলমি অফিচলৈ অহা, বজাৰ কৰা আৰু ঘৰ; এয়া আছিল তেওঁৰ দৈনন্দিন। হৃদয়াৰ বিয়া, অমূল্যৰ চাকৰি ইত্যাদিবোৰ লৈ তেওঁ চিন্তা কৰিছিল। আশা আছিল, উদ্যম আছিল; নিঃসঙ্গতাৰ নৈৰাশ্যই তেওঁক হতাশ কৰা নাছিল।

তেওঁ অলস অনুভৱ কৰিলে হৃদয়াৰ বিয়াৰ পিছতহে। অফিচলৈ যাবলগীয়া নাছিল। অমূল্যই চাকৰি পাবৰ দুমাহমান হৈছিলহে। বৰাই অনুভৱ কৰিছিল অমূল্যই তেওঁক এৰাই চলিব খোজে। খিংখিঙীয়া হৈছিল সি। খণ্ডকাৰক কওঁতে কৈছিল - "তাৰ বেমাৰ হৈছে নেকি?"

"বেমাৰ ...!"

"হেঃ হেঃ হেঃ - বোৱাৰী বেমাৰ; চাবচোন বোৱাৰী আনিলেই সকলো ঠিক হৈ যাব।"

সেইদিনাহে তেওঁ টং কৰিলে - আচলতে তাৰ বিয়াৰ সময় হৈছে।

ছোৱালী এজনী দুদিনমান তাৰ স'তে অহা তেওঁ দেখিছিল। কিন্তু বৰ মন কৰা নাছিল। হ'ব আৰু তাৰ লগৰে কোনোবা। তেতিয়া তেওঁ একো ভবা নাছিল। খণ্ডকাৰে তেনেদৰে কোৱাতহে তেওঁৰ গাচেবালে; এৰাটো। হৃদয়াই প্ৰায়েই লেখিছিল ভায়েকৰ বিয়াৰ কথা। তেওঁ ব্যগ্ৰ হৈ পৰিল।

সেইদিনা ৰাতিপুৱা তেওঁ কাকতখন চাই বহি আছিল সমুখতে। তেওঁক দেখাই নাছিল হ'বলা - গপগপাই সোমাই অহা ছোৱালীজনী বৰ অপ্ৰস্তুতভাৱে ৰৈ গ'ল তেওঁক দেখা পাই।

"কাক বিচাৰিছা?"

"এখেত মানে অমূল্যদা নাই নেকি?"

"সি অলপ আগতে ওলাই গ'ল।"

"আহোঁ নহ'লে?"

বাৰাণ্ডাৰ পৰা তেওঁ নামি আহিল। ছোৱালীজনী যাব খুজিও ৰৈ গ'ল।

"ৰবা, তোমাৰ নাম-চাম একো নক'লা যে, অমূল্যক কি বুলি ক'ম।"

লাজত ৰঙা পৰিছিল ছোৱালীজনী - তলমুৰা হৈ বৰ অপ্ৰস্তুত ভাৱে ক'লে - "মন্দিৰা - মন্দিৰা কাকতি।"

"থাকা ক'ত?"

"ইউনিভাৰচিটিৰ হোষ্টেলত। এইবাৰ চাইকোলোজীত ফাইনেল দিম।"

মন্দিৰা যোৱালৈ একেথৰে চাই থাকিল তেওঁ। ম - মমতা, ম - মন্দিৰা; অমূল্য - ম-অমূল্যম - বৰাই বহুদূৰ ভাবি পেলালে।

তেওঁ নিজেও প্ৰেমত পৰিছিল। প্ৰেমত পৰা ঠিক নহয় - প্ৰেমত মজিছিলহে কলেজত পঢ়োঁতে। কাঞ্চন নাম আছিল ছোৱালীজনীৰ। নাকটো সামান্য উঠঙা। সোঁগালত এটা তিল আছিল হ'বপায়। বৰ বেছি ওচৰৰ পৰা তেওঁ দেখাও নাছিল, কথা পতাতো বাদেই। কিন্তু কলেজ বা বাটত মুখামুখি হ'লে নহ'লে ঘৰত অকলশৰে থকা অৱস্থাত মন দাপোণত প্ৰতিবিম্বিত হৈ তেওঁৰ হাঁহো হাঁহো কৰি থকা মৰম লগা মুখখনে কম আমনি কৰিছিল নে? তেওঁৰ মনত পৰিল। এক নষ্টালজিয়াবোধে আমনি কৰিলেও ওঁঠৰ কোণত তেওঁৰ হাঁহি বিৰিঙি উঠিল।

তাৰ দুদিনমান পিছতে বৰাই অমূল্যক বিয়াৰ কথা কৈছিল। তেতিয়া আবেলি, বনিয়নটো পিন্ধি সি চোলাটো পিন্ধিবলৈ লৈছিল।

"হ'ব দিয়ক দেউতা, - আপুনি ব্যস্ত হ'ব নালাগে; জইন কৰিলোঁহে।"

বৰাই কিবা কোৱাৰ আগেয়েই সি চোলাটো পিন্ধি ওলাই গ'ল। অবাক হৈ তেওঁ একেথৰে সি যোৱাৰ ফালে চায়েই আছিল।

কিন্তু সকলোকে আচৰিত কৰি অমূল্যই বিয়া কৰাইছিল কোৰ্টত। বন্ধু-বান্ধৱৰ পাৰ্টি দি যিদিনা বৰাক চিনাকি কৰি দিছিল তেওঁ সেইদিনাহে গম পাইছিল। বোৱাৰীয়েকে সেৱা কৰিছিল। মন্দিৰা নহ'লেও হিয়া উজাৰি আশীৰ্বাদ দিছিল তেওঁ।

দেউতাকৰ খবৰ ল'বলৈ হৃদয়াও আহিছিল। বৰাৰ বুকুত মূৰখৈ সেইদিনা খুব কান্দিছিল তাই।

বৰাই কিন্তু কন্দা নাছিল। ইয়াৰ আগতে তেওঁ জীৱনৰ একমাত্ৰ মাৰাত্মক আঘাতটো পাইছিল। যিদিনা অমূল্যই মমতাৰ মৰমৰ কামিনী কাঞ্চন জোপা কটাইছিল। ফুলৰ পুলিটো অনাৰ দিনা মমতা আনন্দত আত্মহাৰা হৈছিল। নিজেই ৰুইছিল পুলিটো। মৃত্যুৰ দিনাও ফুলজোপাৰ গুৰিটো মছিছিল। বতৰ বেয়া নহ'লে ভাত-পানী খাই মমতা ফুল জোপাৰ তলতে জিৰাইছিল। হৃদয়াই কৈছিল "ইমান ধুনীয়া গোন্ধ নহয়নে - মা।" গভীৰ প্ৰশান্তিত ভৰি পৰিছিল মমতাৰ দুচকু।

অমূল্যই সৰুতে তেওঁৰ কান্ধত উঠি ডালত ফুলি থকা ফুলবোৰ শুঙিবলৈ চেষ্টা কৰিছিল। তেওঁ ভবাই নাছিল সি সেই ফুলজোপা কটাব।

বৰা প্ৰায় লৰৰি আহিছিল।

"কেলেই কটাইছ ফুলজোপা?"

"ঘৰ এটা সাজিম বুলি ভাবিছোঁ দেউতা।"

"ঘৰ - ! কেলেই এই গোটেই ঘৰটো দেখোন খালি হৈয়েই থাকে।"

"আপুনি বুজিবলৈ চেষ্টা নকৰে কিয় দেউতা বন্ধু-বান্ধৱ আহি থাকে - সেই কাৰণেহে আৰু বেলেগ ঘৰ এটা হ'লেতো আপোনাৰেই সুবিধা। লগৰ কোনোবা আহিলে নিৰিবিলিত বহি কথা হ'বলৈ আপুনিয়েই ভাল নাপাব জানো?"

বৰাই সুধিব খুজিছিল - "তোৰ বন্ধুবোৰে মই থাকিলে আমনি পায় নেকি, কিন্তু নুসুধিলে। তাৰ মুখলৈ চাবলৈকে তাৰ ভয় লাগিল। নীৰৱে বৰ অসহায়ভাবে তেওঁ আঁতৰি আহিল।

কুঠাৰৰ প্ৰতিটো আঘাত পাৰ হৈ গ'ল তেওঁৰ বুকুৰেদি। কামিনীকাঞ্চন জোপা বাগৰি পৰিছিল।

শোৱনী কোঠাত গোটেই দিনটো তেওঁ সোমাই থাকিল। প্ৰথম বাৰৰ বাবে উপলব্ধি কৰিলে - "তেওঁ এজন অক্ষম মানুহ, অপ্ৰয়োজনীয় বুঢ়া মানুহ। মানসিকভাৱে সেইদিনাই তেওঁৰ মৃত্যু হৈছিল। তাঁৰ চিগা বীণাৰ দৰে বেসুৰা হৈ পৰিছিল তেওঁৰ জীৱন। সেইদিনা হেৰাই গ'ল তেওঁৰ হাঁহি, জীয়াই থকাৰ বাসনা, আশা - উদ্যম, প্ৰেৰণা সকলো। জীৱন ঘড়ীৰ কাটা যেন স্তব্ধ হৈ যাব।

নতুন ঘৰটো সম্পূৰ্ণ হোৱাৰ পিছত অমূল্যৰ ইচ্ছানুযায়ী পিছফালৰ এই কোঠাটোত থাকিবলৈ ল'লে। ইয়াৰ পৰা পুৰণি ঘৰটো দেখা নাযায়। যিটো ঘৰত মমতা আৰু তেওঁৰ দাম্পত্য জীৱনৰ সুখস্মৃতি সমূহ বিজড়িত হৈ আছে। যিটো ঘৰক মমতাই মৰম-চেনেহ, হাঁহি, ধেমালিৰে পৰিয়ালৰ আটাইৰে বাবে সুখৰ আলয় কৰি তুলিছিল। তেওঁৰ প্ৰতিটো কথা-কামতে মমতাই আন্তৰিকতাৰে সঁহাৰি জনাইছিল।

এতিয়া তেওঁৰ এনে লাগে যেন পুত্ৰ-বোৱাৰীৰ লগত থকা নাই; কেইজনমান একেবাৰে অচিনাকি মানুহৰ লগত আছে। যিয়ে তেওঁৰ ইচ্ছা-অনিচ্ছা, ভাল লগা, বেয়া লগা কোনো কথাই নুবুজে বা বুজাৰ প্ৰয়োজনবোধ নকৰে।

খণ্ডকাৰক বিদায় দি অলসভাৱে কোঠাটোলৈ সোমাই আহিল। কোঠাটোৰ এচুকত খণ্ডকাৰে এৰি থৈ যোৱা জ্বলি জ্বলি শেষ হ'বলৈ ওলোৱা চুৰটৰ টুকুৰাটো চকুত পৰিল। তেওঁ টুকুৰাটোলৈ চাই ৰ'ল। ❑

## স্মৰণীয়

এটা সুস্থ সবল জাতিৰ লোকৰ বাবে অৰ্থনৈতিক স্বচ্ছলতা আৰু ৰাজনৈতিক স্বাধীনতাই নহয় -- এইবোৰৰ উপৰিও আন বহুতো উপাদানৰ প্ৰয়োজন। সেই অভাৱ আৰু অন্যান্য বিসঙ্গতি সমূহ মূৰ্ত হৈ উঠে সাহিত্যিকৰ কলমত আৰু সেইবোৰৰ ৰূপদানৰ বাবে বৈ থাকে দেশৰ সকলো শ্ৰেণীৰ অগণন জনতা।

কনকসেন ডেকা।



ক
ৱি
তা
☼
গী
ত

## শুভেচ্ছামূলক কবিতা

# ভক্ত আৰু সন্ন্যাসী

ডাঃ মহেশ্বৰ দাশ

সাধুৰ ওচৰলৈ গৈ এদিন
নিবেদন কৰিলে ভক্তই।
সেই বিদ্যা কৰক দান
যাৰ দ্বাৰা পত্নীমোৰ হ'ব বশীভূত।

ভক্তৰ মুখলৈ চাই সাধুই
ক'বলৈ ধৰিলে হাঁহি হাঁহি
জানিলে সেই উপায়
সন্ন্যাসী হৈ থাকোঁনে মই ?

(অসম বিজ্ঞান সমিতি; নগৰবেৰা শাখাৰ উদ্যোগত বি. প্ৰ. চ. মহাবিদ্যালয়ত উৰিষ্যাৰ প্ৰখ্যাত চিকিৎসক ডাঃ দাশে 'আয়ুৰ্বেদিক চিকিৎসা আৰু সাম্প্ৰতিক কালত ইয়াৰ গুৰুত্ব' শীৰ্ষক বক্তৃতা প্ৰদান কৰিবলৈ আহোঁতে 'মহাবিদ্যালয় আলোচনী'লৈ এটি উৰিয়া কবিতাৰে শুভেচ্ছা জনাইছিল। তেখেতৰ ইচ্ছা অনুযায়ী কবিতাটিৰ অসমীয়া ভাঙনি প্ৰকাশ কৰা হ'ল)

# প্ৰতীক্ষা

নৱনীতা পাঠক
প্ৰৱক্তা, প্ৰাণীবিজ্ঞান বিভাগ



আজি বহুদিন ধৰি এটি অনুপম কবিতা লিখা নাই
মই মোৰ মুখখন মসৃণ দাপোণত চোৱা নাই
বৰ্তা বৰ্তা কিতাপ পঢ়া মানুহবোৰৰ
বৰ্তা বৰ্তা ধূৰ্ত ডাঁটি অহা চকু দেখা নাই
মানুহৰ প্ৰতি মানুহৰ হৃদয়তা দেখা নাই
প্ৰকৃত মানুহ নেদেখাৰ বেদনাত
তোমাৰ প্ৰেমময় আশ্ৰয়ত জিৰাবৰ পৰা নাই
এওঁলোকতো মানুহ নহয়;
মানুহৰ জীয়া প্ৰতিচ্ছবি।
মানুহবোৰ বাৰু উভতি গ'ল নেকি
এন্ধাৰে এন্ধাৰে গুহাৰ মাজেৰে দূৰ কৰবালৈ ?
জাইনোচোৰাছৰ দৰে বিলুপ্তিৰ অতল গহ্বৰত
হেৰাল নেকি ?
গ'ল নেকি তেওঁলোকে
মাতৃ ধৰিত্ৰীক প্ৰৱঞ্চিত কৰি ?
দহ্যৰ মুখলৈ পঠিয়ালে নেকি মাতৃক
অত্যাচাৰী মানুহৰূপী প্ৰতিচ্ছবিবোৰ ?
নাপাওঁনে মানুহৰ মুখৰ সোণালী শব্দৰ অমৃত আস্বাদ
নাপাওঁনে হৃদয় জুৰি থকা প্ৰেমৰ সুন্দৰ সুবাস
কেতিয়াবা বাৰু ইহঁতী সকলৰ কবিতা লিখোঁ বুলি বহিলেই
চিনাকি উপত্যকাত বাৰুদৰ গোন্ধ
আণৱ অস্ত্ৰৰ বিভীষিকাত
কঁপি উঠে কলম,
কঁপি উঠে বুকু
কঁপি উঠে মগজু,
তুমিয়েই তো মোক বাস্তৱৰ লগত মুখামুখি হ'বলৈ
শিকাইছিলা,
তুমিয়েইতো শিকাইছিলা
ৰেচমী চাদৰৰ আঁচলৰ তলত ৰঙীণ সপোন দেখাৰ
বিপৰীতে
অনাথ শিশুটিক কোলাত তুলি মানুহ কৰিবলৈ
তুমিয়েইতো কৈছিলা —
পৃথিৱীখন এদিন চাৰ্ক মাছৰ নীলা চকুৰ দৰে
জিলিকি উঠিব
অহৰহ চেষ্টা মোৰ নাঙলৰ সীৰলুৰে
পৃথিৱী চহাই সেউজ কৰাৰ গভীৰ প্ৰত্যাশা লৈ বাট চাই
আছোঁ
আকৌ আহিব অমৃতৰ সন্তানবোৰ
স্বদেশৰ পৰ্বত নদীয়েদি
নক্ষত্ৰৰ দৰে পোহৰ ছটিয়াই
নাঙলৰ সীৰলু ভঙা মাটিত
শান্তিৰ পতাকা উৰুৱাবলৈ।

# সত্তা

আবু বক্কৰ ছিদ্দিক
প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ



সেই দিন প্ৰায় সমাগত
যৌতুক লোভী পিশাচৰ
অন্তৰ হ'ব কম্পিত।

নহওঁ মই মাৰ্ক্সিষ্ট, লেনিনিষ্ট
কিম্বা তথাকথিত হিউম্যানিষ্ট
ক্ষুধাতুৰৰ অন্তঃ দাবানল মই
নিষ্পেষিত নিৰ্যাতিতৰ যন্ত্ৰণা।

মই হিংস্ৰ নৰ পিশাচৰ
তেজপিয়াৰ বক্ষ কৰোঁ ছিন্ন ভিন্ন
সিহঁতৰ বুকুত ৰাখোঁ পদযুগল
সিহঁতৰ ধমনীত অহৰ্নিশে নাচে
শোষিতৰ শ্বেত ৰক্ত।
মই ভয়ঙ্কৰ মহাপ্ৰলয়
বেদনাক্লিষ্টৰ ক্ষুনিয়াহ,
বজ্ৰপাত মই। এটম বোমাত অদাহ্য।

দলবদ্ধ ধৰ্ষণত বলি হোৱা কুমাৰীৰ
আৰ্তনাদ মই —
বঞ্চিত জনৰ কান্ধত হাত থৈ কওঁ
শান্ত হোৱা বৎস।
মই ৰাইফেল, কোৰাণ, বেদ চুমিছোঁ
পুত্ৰহাৰাৰ মই পুত্ৰ
মাতৃৰ ভূষণ আত্মসাৎ কৰা ইঁতৰ
মই কিয়ামত,
ধ্বংস কৰিম সিহঁতৰ স্বৰ্গ।

# যাত্ৰা



আৰিফুল ইছলাম মণ্ডল
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

যাত্ৰা মোৰ কোনবালে
পথভ্ৰষ্ট মই ?
বিশাল আৰু নীৰৱ মৰুভূমি
তপত বালি
ভৰ দুপৰীয়াৰ ৰ'দ
দেহৰ ছাল যেন
পুৰি পুৰি
গলি গলি
খহি যায়।
জন শূন্য
মৰুভূমিৰ মাজত
এটোপি পানীৰ আশাত
হাঁহাকাৰ,
দৌৰিছোঁ সাগৰলৈ
কিন্তু,
সেয়া সাগৰ নহয়
মোৰ মনৰ
ভ্ৰান্ত ধাৰণা
আচলতে সেয়া
মৰীচিকা,
মৰুভূমিৰ মৰীচিকা।



# সপোন সাগৰ



ফুলমণি শৰ্মা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

কোনেকৈ দেখুৱাম তোমাক
বুকুৰ মাজত উমি উমি জ্বলা
প্ৰেমৰ চাকি,
চিন্তা সাগৰ কিমান যে বহল
দূৰৰ আকাশ ধূৰঁলী,
এই পাৰে জ্বলে আশাৰ চাকি,
সিপাৰে মাথোঁ কুঁৱলী।
বুকুৰ মাজত দেখোন আজি
অনুত তৰাৰ জোনাকি
তাতেই পাতোঁ সপোন খেলা
তোমাৰ সৈতে উমলি।
কিয় নাজানো তোমাৰ সোঁৱৰণিয়ে
মোক লৈ যাব খোজে
বহু দূৰলৈ,
নিৰিবিলি সন্ধিয়া ক্ষণত
সোঁৱৰণিয়ে আঘাত কৰে
মোৰ হৃদয়ৰ কোনোবা
অজাত গহ্বৰত।
কল্পনা সাগৰত ওপঙি বুৰা
মোৰ এই ক্ষুদ্ৰতা নাওখনি যদি
তোমাৰ ঘাটত জিৰণি লয়,
দিবা জানো তুমি অকণমান সঁহাৰি
সপোনত তুমি ভুমুকি মাৰা
নাজানো যে মই
কিয় ইমান আমনি কৰা?

# আবেগ



শৈলেন্দ্ৰ তালুকদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

সুউচ্চ শিলাখণ্ড
উত্তাল নদীৰ সোঁত বিচৈত
শুকান বালিৰ দ'ম
মৰুদ্যান জানো বিচাৰি পাম?
লেলিহান অগ্নিশিখা
দোপ্ৰাসে গিলিছে মাজত
স্নিগ্ধ আকাশৰ জোনটি
স্থিৰ স্থিতপ্ৰজ্ঞ
যেন এটুকুৰা অমূল্য সোণ
মৰমে এতিয়াও মৰমক পায়নে?

# প্ৰেৰণা

উমেশ চন্দ্ৰ বৈশ্য
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

নতুন বছৰৰ প্ৰথম প্ৰভাতত
পুহঁতৰ বাগি চাপৰিত
মোৰ হৃদয়ৰ প্ৰথম প্ৰেমৰ উন্মেষ
তোমাৰ হৃদয়ৰ সঁতে।
বুজা-নুবুজা চকুৰ চাঁৱনিত,
সমুদ্ৰ গভীৰ বিশাল হৃদয়ত
বিচাৰি পাইছিলোঁ মোক
ভাল পোৱাৰ প্ৰতিশ্ৰুতি।
লগতে ............
তুমি দিয়া শুভেচ্ছা পত্ৰত
জিলিকি আছিল
মোৰ জীৱনটো সুন্দৰ হোৱাৰ
তাৰ পিছত .........
নীলা চিয়াহীৰ বোল সানি
(পবিত্ৰ) হৃদয়ৰ সঁচা মৰমেৰে
তোমালৈ লিখিলোঁ প্ৰথম প্ৰেমপত্ৰ
মৰমৰ সান্নিধ্য বিচাৰি।
প্ৰেম হয়তো এনেকুৱাই
য'ত সফলতা আৰু বিফলতাৰ
সঁচা সোৱাদ অনুভূত হয়
ভিন্ন জনৰ ভিন্ন হৃদয়ত।
জানা মোৰ মৰমী প্ৰিয়া
বিফলতাত মই দুখ পোৱা নাই
কাৰণ .........
তোমাৰ হৃদয়ত থৈ লিখি যাম মই
মোৰ জীৱনৰ ব্যৰ্থ প্ৰেমৰ
সঁচা কবিতা
তুমি মোৰ জীৱনৰ
প্ৰথম প্ৰেৰণা।





# আশা

ডলি দাস
স্নাতক, ২য় বৰ্ষ (কলা)

এদিন সন্ধিয়া বহি আছিলোঁ বাগিচাৰ সন্মুখত
মনত যেন এক নিৰাশাৰ অৱসাদ,
বেদনাসিক্ত অশ্ৰু বৈ যায়
নিগৰি নিগৰি।
হঠাৎ আনন্দৰ উদ্ৰেক
সন্ধিয়াৰ বতাহ জাকে আহি কাণে কাণে ক
জোনটোৱে হাঁহি আছে
মোৰ নিৰাশাৰ বুকুত
আশাৰ বেতাণি বুলায়।
জোনটোৱে বুজি পায়
মোৰ কোমল অন্তৰৰ হাঁহিয়া তৰঙ্গ
আৰু হৃদয়ৰ সুপ্ত স্পন্দন।

# সপোনত সাক্ষাৎকাৰ



হৃষীকেশ সিং
প্ৰবক্তা, ইংৰাজী বিভাগ

সপোনত লগ হ'ল দ্বাৰকা ঈশ্বৰ।
হতবাক হ'লোঁ মই বিশ্বাস আৰু অবিশ্বাসৰ বিতৰ্কিত সীমাত
দেখি মোৰ বিস্মিত জিজ্ঞাসু চকু
মিচিকিয়া হাঁহি মাৰি ক'লে প্ৰভুৱে
হ'ব নেকি তোমালোক কোনোবা অপৰিজ্ঞ বিজ্ঞানীৰ
নিয়ন্ত্ৰিত ইচ্ছাকৃত বক্ৰদৃষ্টি - বীজাণুৰ ক্ষিপ্ৰ সংক্ৰমণ ?
মনত তোমাৰ কিয় লোটে এনেকুৱা অৰ্থহীন অন্ধবিশ্বাস ?
যাৰ পৰিণতিত আজি নিজকে চিনি নোপোৱা,
নিজকে বিচাৰি নোপোৱা।

মেলি দিলে মোক পৰিচয়-পত্ৰ তেওঁৰ
য'ত আছিল বেদপতিৰ মোহৰ আৰু স্বীকৃতিৰ স্বাক্ষৰ।
তথাপি বিস্মিত হৈ প্ৰশ্ন কৰিলোঁ - এয়াতো দ্বাপৰ নহয়,
নহয় ব্ৰজ, মথুৰা কিম্বা দ্বাৰকা ?
এয়াতো ঘোৰ কলিযুগ। অসময়ত কিয় বা আহিছে ?
হাতত সুদৰ্শন লোৱা প্ৰভুৰ কণ্ঠৰ পৰা নিৰ্গত হ'ল —
যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

তাৰ পিছত অলপ সহজ হৈ ক'লে মোক
— কেনেকৈ নাহিম মই।
মোৰ গুপ্তচৰৰ মতে ইয়াত বোলে
লৌহিক, ৰাজত কথাৰ হৈ আছে নৰ জাগৰণ
আৰু তোমালোকে আতঙ্ক - নম্ৰতা বা সৰুসুৱা
অৰ্থকৰী শাখিত বিবেকক তলমাৰি
সহ্য কৰি আছা যত নগ্ন ব্যভিচাৰ।

কেনেকৈ নাহিম কোৱা।
পাপ গৰ্ভিনী সময়ৰ সৃষ্ট এটা নতুন লৌহিক
ইয়াত স্বীকৃতি নোপোৱাকৈ
নিজকে বোলাই আছে কৃষ্ণ - ভগৱান।
গোকুলৰ গৰখীয়া বুলি ভাবি লুটি খাই আছে
নিৰীহ প্ৰজাৰ ধন।
তেল আৰু সোণত জুখিছে বোলে
কৰ্মচাৰীৰ নিষ্ঠা আৰু কাৰ্য দক্ষতাক
সজাইছে অভিনৱ দ্বাৰকা নগৰী
যাৰ প্ৰতিটো ইটাত আছে কমিছন, ৰবৰ্জপিৰ বৃহৎ বুৰঞ্জী।
গাইৰ সপনি পুহিছে বোলে বান্দৰ এটা পুচ্ছহীন ধূৰ্তৰাজ।
নিজকে বোলাই সি পৰম বিজ্ঞানী হনু ৰুদ্ৰ অৱতাৰ।
আনৰ কথাত কিন্তু অনাহুত প্ৰৱেশত অতি ধুৰন্ধৰ।
নাজানা নকৰা কাম তাৰ একো নাই।
সি বোলে খুটি নাটি জনা শাসনৰ মুখ্য ঠিকাদাৰ।

এবাৰ নকলী কৃষ্ণৰ যমুনাত গা ধুবলৈ মন গ'ল।
শুনি তৎক্ষণাত বান্দৰে ক'লে — যমুনা তো তুচ্ছ কথা,
আদেশ দিয়ক প্ৰভু। সৃষ্টি কৰিম বিশাল সাগৰ

বান্দৰ চৈত্তৰে কৰিলে চমৎকাৰ
ৰাজকোষ শূন্য কৰি কাগজত খান্দিলে সাগৰ!
পানীত খেলিলে তিমিয়ে,
পাৰে পাৰে সৃষ্টি হ'ল বৈজ্ঞানিক পদ্ধতিত
পৰিবেশ সহায়ক নিয়মৰ জৰিয়তে কৃত্য বৃন্দাবন।

বান্দৰৰ সহায়ক অতিনৰ কাশীৰাজ।
মুখত অপৰিমিত মধু।
কৃত্যাত্মক মিহি মিছাৰে পানীৰ পৰা তোলে মৰ।
শঠতাক ঢাকি প্ৰেম সিক্ত ষোড়শীৰ মিঠা মাতেৰে
বুকুৰ সঁচাক লুকুৱাই ইন্দ্ৰতীয়া মুখৰ মাজত
কায়মনোবাক্যে নিজকে সজাইছে শাসনৰ অভিজ্ঞ পূজাৰী;
যাৰ জীৱনৰ মহামন্ত্ৰ 'স্বাৰ্থমেৱ জয়তে'।
ইতিহাসৰ ভূমিকাত আছে চতুৰ্মুখ বাক্যবীৰ
পুৰঠ নিৰ্দেশ এটা।
ল'লে খাতৰ হাত কান্ধত ৰজা-প্ৰজা ভাল-বেয়া
একেকে নকৰে ভ্ৰূক্ষেপ।
একোপা জেলত মাথোঁ হাল হয় অন্তৰ্ধান,
পাত পাঁজে উদ্ধাসৰ পাখি।
পৌত্ৰিক দৰবাৰৰ বহুমুখী আঙ্কাৰত এদিন
উপস্থিত আছিলা তেওঁৰ বক্ষ খুৰাক।
তেৰাৰ কৃপাত তেওঁ পৰম বৈষ্ণৱ তথা ন্যায়ৰ পোহৰ।
কিন্তু শাসনৰ ৰজাৰত তেওঁ আজি অচল আধলি।
নতুন সৈনিক সকলে কোৱা মতে তেওঁ
বৰ্তমান কোনো কামৰ নহয়; যাৰ বাবে অনুপযোগিতাৰ
ৰাজদ্ৰোহত আজি শাসকৰ
অৱহেলা শিকলিত বন্দী।

এনে অসময়ত কেনেকৈ নাহিম কোৱা
তোমাৰ পৌত্ৰিক বোলে চক্ৰপাণী।
নতুন সৈনিকবোৰৰ বিজ্ঞানী মস্তিষ্কৰ
সহায়ত সজাইছে ভয়ঙ্কৰ কূটচক্ৰ কৰিবলৈ
নিৰীহৰ বিনাশ!!!

* কুকৰ্মৰ ফলত নীচতা প্ৰাপ্ত হোৱা এটা জাতি।

# প্ৰথম চিনাকি



চম্পক কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

সন্ধ্যা বেলা
জোনাক পৰত
মই আৰু তুমি
প্ৰথম চিনাকি
ঘৰত সেই দিনা দেখাৰে পৰা
..........।

ওঠিছিলা ফুলৰ মালা
কাৰ বাবে তুমি
যাঁচিছিলা হিয়া ভৰা
মৰমখিনি ..............................।

সুখ সমৃদ্ধিৰ
সপোন ৰচি
তোমাৰ মোৰ
প্ৰথম চিনাকিয়ে
বিচাৰে মিলনৰ বতি!

# অজলা অন্তৰ

আবু শামা আল আনছাৰী
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

মোৰ লোৱা কণিজাটো
নিশ্চয় তুমি দেখিছা
অগ্নি শিখাৰ দৰে
দপ দপাই জ্বলি আছে।
এটি মাথোঁ বেদনাত
অতীতৰ স্মৃতি ৰোমন্থনত
কণিজাৰ পুৰি যোৱা ছাইবোৰ

এটি এটিকৈ বিষাদৰ
গছপুলি ৰুই দিয়ে
অতীতৰ স্মৃতি
ভৱিষ্যতত যোগাবলৈ।
সাৰুৱা মাটিত
গছপুলি বোৰে
লহ পহকৈ বাঢ়ি গৈ
কণাবলৈ পাইছে
এটি কাঁইটীয়া
অজলা অন্তৰ
চিৰ দিনৰ
মেৰুদণ্ড স্বৰূপে
আঁকোৱালি লৈছে
এটি অজলা কাঁইটীয়া বৃক্ষক।





# জীৱনৰ পদ্য

পুষ্প কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

জীৱন এখনি নৈ
নিৰৱধি হাঁহি কান্দোনৰ প্ৰৱাহ
ক্লান্তিবিহীন সাঁতোৰৰ অন্তত
পাবা সুখৰ সোণোৱালী দেশ।
জীৱনৰ এটি নাম সংগ্ৰাম
ঘাত প্ৰতিঘাত নেওচি
অগ্ৰসৰ হ'লে পাবা
স্বাধীনতাৰ মুক্ত আকাশ।

পৃথিৱী নামৰ শ্ৰমভূমিত
জীৱনজোৰা শ্ৰমেৰে
পূৰ্ণ কৰা নিজৰ
তথা দহৰ দুখ।
জগত ৰংগমঞ্চত
সু-অভিনয়েৰে
সমূহক কৰি আনন্দিত
জীৱন নাট কৰা সাৰ্থক।

# আমাৰ প্ৰগতিৰ



০০০

প্ৰভাত চক্ৰৱৰ্তী
মুৰব্বী, পৰিসংখ্যা বিজ্ঞান বিভাগ

নাওখনি ভটিয়নী সোঁতত
যাত্ৰী
আমি কেইজন
প্ৰগতিকামী যুৱক
আমাৰ দৃষ্টিভংগী,
মহাসাগৰৰ এৰো এৰোটা উত্তাল ঢৌ।
এয়া আমাৰেই কল্পনাৰ বৰ্ণচ্ছটি।
সমাজ অন্ধ হওক,
আমি আধুনিক
শতাব্দীৰ সেৱক
উন্নতি চৰকীৰ পিছৰ গৈ
মুহূৰ্তৰ অপেক্ষাত আমি
বিশ্ৰান্ত নহওঁ।
সমাজৰ অভিশাপ
বাধিলাহীৰ ওপৰিবে
আমি কলংকহীন নিৰ্ভয়
প্ৰগতিৰ উদ্ভাসী
সমাজৰ লেনা-পাওঁনা সামৰিছোঁ।

আতৰাইছোঁ
আমাৰ নাওখনি সোঁতে সোঁতে আতৰাইছে
সোঁতে বহতো কিবাকিবি
উটুৱাই লৈ গৈ আছে
পলস, আৱৰ্জনা ইত্যাদি।
প্ৰগতিৰ চূড়ান্ত সংগ্ৰামত
আমি অগ্ৰৰেখ
সমাজৰ আৱৰ্জনা যঁত পৰি ৰয়হি।
আমাৰেই সৃষ্টিত
সভ্যতাৰ যাদুঘৰত
আমি যতনাইছোঁ
আমাৰেই জীৱাশ্ম
প্ৰগতিৰ যাত্ৰাৰ ইতিহাসৰ টুকুৰাবোৰ।

# মৃত্যু

পংকজ কুমাৰ দাস
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)



এটি অকপমান আগিবাতে,
ভাবিছিলোঁ সেদুৰীয়া।
পৰিবৰ্তনশীলতাৰ প্ৰভাৱত,
হ'ল বেতনিৰ নিৰ্জন ভূমি।
প্ৰৱঞ্চনা বিশ্বাস ঘাতকতা,
নিষ্ঠুৰ মানৱ সমাজত।
আশাৰে ভৰা মানৱ মনৰ
মৃত্যু হয় নিৰ্জন দ্বীপত।

# এখন মুকলি চিঠিঃ
## সমুজ্জ্বল ৰ'দালিৰ খিৰিকিৰে

গৌতম দাস
প্ৰাক্তন ছাত্ৰ



নতুন বছৰ বুলি দিলোঁ এখনি চিঠি,
ভাবিছিলোঁ হাঁহিৰে ল'বা তুমি আঁকোৱালি।
নাৰাখিবা মনত হিংসা, ঘৃণা ভাব
সোঁৰৱাই নিদিবা অতীতৰ ধূসৰ স্মৃতি।

মোৰ জীৱনে হয়তো তোমাৰ জীৱনক,
নোৱাৰিলে দিব মৰম।
প্ৰথম মৃদু বতাহৰ সুবাসেৰে
ভৰি পৰক তোমাৰ জীৱন।

নৱবৰ্ষৰ নৱ কিৰণ তুমি,
লোৱা হাঁহিৰে আঁকোৱালি,
সমগ্ৰ জীৱন জুৰি উজলি উঠক
তোমাৰ মোৰ প্ৰজ্ঞাৰ দ্যুতি।

# ঃ গীত ঃ



## সৈনিক শিল্পী বিষ্ণু ৰাভাৰ সোঁৱৰণত

ড° নীলকমল বৰদলৈ
প্ৰবক্তা, ভূগোল বিভাগ

অ' বিষ্ণুৰাভা, তোমাৰ আভাৰে
চিৰজ্যোতিষ্মান অসম তুমি
বিষ্ণুৰাভা, অ' বিষ্ণুৰাভা, অ' বিষ্ণুৰাভা
তুমি আকৌ আহা।
প্ৰণাম তোমাক, সহস্ৰ প্ৰণাম
(এই) নিৰাশাৰ এন্ধাৰে চৌদিশ আৱৰা
দুঃস্থ সময়ৰ তুমিয়ে প্ৰেৰণা।
তুমি যি গাইছিলা সংহতি মন্ত্ৰ
তাৰ আজি নাই সমাদৰ
ধৰ্ম-বৰ্ণ-গোষ্ঠী চিন্তাৰে
চিৰণা চিৰিক আজি সমাজ পথাৰ।
আজি বিত্তৰ শক্তিয়ে
দানৱীয় ৰূপ লৈ নাচে তাণ্ডৱ
কৰি বিদগ্ধামী
বঞ্চিত মানুহৰ মুকুতি বাসনা।
সাম্য-মৈত্ৰীৰ প্ৰতীক তুমি
অ' সব্যসাচী, অ' সব্যসাচী
তুমিতো অমৰ
হিয়াৰ আমঠু তুমি দলিত জনতাৰ।
তোমাৰ পথেৰে আমি হ'ম আগুৱান
সাম্য মৈত্ৰীৰ গাম জয়গান
জানো, তাতেই লুকাই আছে মুকুতি মুকুল
নৱ জীৱনৰ নতুন সূচনা।

# আমাৰ প্ৰগতিৰ



০০০

প্ৰভাত চক্ৰৱৰ্তী
মূৰব্বী, পৰিসংখ্যা বিজ্ঞান বিভাগ

নাওখনি ভটিয়নী সোঁতত
যাত্রী
আমি কেইজন
প্ৰগতিকামী যুৱক
আমাৰ দৃষ্টিভংগী,
মহাসাগৰৰ একো একোটা উত্তাল ঢৌ।
এয়া আমাৰেই কল্পনাৰ কল্পকৃতি।
সমাজ অন্ধ হওক,
আমি আধুনিক
শতাব্দীৰ সেৱক
উন্নতি চাবলৈ গৈ
মুহূৰ্তৰ অপেক্ষাত আমি
বিভ্ৰান্ত নহওঁ।
সমাজৰ অভিশাপ
কালিমাহীন অৱশিৰে
আমি কলংকহীন নির্ভয়
প্ৰগতিৰ উদাসী
সমাজৰ দেনা-পাওনা সামৰিছোঁ।

আওৰাইছোঁ
আমাৰ নাওখনি সোঁতে সোঁতে আওৰাইছে
সোঁতে বহতো কিবাকিবি
উটুৱাই লৈ গৈ আছে
গদাস, আৱৰ্জনা ইত্যাদি।
প্ৰগতিৰ চূড়ান্ত সংগমত
আমি অংশংক্ষেপ
সমাজৰ আৱৰ্জনা ম'ত থাকি নযাহি।
আমাৰেই সৃষ্টিত
সভ্যতাৰ মাধুৰ্যত
আমি যতনাইছোঁ
আমাৰেই জীৱাশ্ম
প্ৰগতিৰ যাত্ৰাৰ ইতিহাসৰ টুকুৰাবোৰ।

# মৃত্যু

পংকজ কুমাৰ দাস
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)



এটি অকণমান আশিবাদ,
ভাবিছিলোঁ সেপুৰীয়া।
পৰিৱৰ্তনশীলতাৰ প্ৰভাৱত,
হ'ল বেতনিৰ নির্জন ভূমি।
প্ৰৱঞ্চনা বিশ্বাস ঘাতকতা,
নিষ্ঠুৰ মানৱ সমাজত।
আশাৰে ভৰা মানৱ মনৰ
মৃত্যু হয় নির্জন দ্বীপত।

# এখন মুকলি চিঠিঃ সমুজ্জ্বল ৰ'দালিৰ খিৰিকিৰে

গৌতম দাস
প্ৰাক্তন ছাত্ৰ



নতুন বছৰ বুলি দিলোঁ এখনি চিঠি,
ভাবিছিলোঁ হাঁহিৰে ল'বা তুমি আঁকোৱালি।
নাৰাখিবা মনত হিংসা, ঘৃণা ভাৱ
সোঁৰৰাই নিদিবা অতীতৰ ধূসৰ স্মৃতি।

মোৰ জীৱনে হয়তো তোমাৰ জীৱনক,
নোৱাৰিলে দিব মৰম।
প্ৰথম মৃদু বতাহৰ সুবাসেৰে
ভৰি পৰক তোমাৰ জীৱন।

নৱবৰ্ষৰ নৱ কিৰণ তুমি,
লোৱা হাঁহিৰে আঁকোৱালি,
সমগ্ৰ জীৱন জুৰি উজলি উঠক
তোমাৰ মোৰ প্ৰজ্ঞাৰ দ্যুতি।



# সৈনিক শিল্পী বিষ্ণু ৰাভাৰ সোঁৱৰণত

ড° নীলকমল বৰদলৈ
প্ৰবক্তা, ভূগোল বিভাগ

অ' বিষ্ণুৰাভা, তোমাৰ আভাৰে
চিৰজ্যোতিষ্মান অসম ভূমি
বিষ্ণুৰাভা, অ' বিষ্ণুৰাভা, অ' বিষ্ণুৰাভা
তুমি আকৌ আহা।
প্ৰণাম তোমাক, সহস্ৰ প্ৰণাম
(এই) নিৰাশাৰ এন্ধাৰে চৌদিশ আবৰা
দুখী সকলৰ তুমিয়ে প্ৰেৰণা।
তুমি যি গাইছিলা সংহতি মন্ত্ৰ
তাৰ আজি নাই সমাদৰ
ধৰ্ম-বৰ্ণ-গোষ্ঠী চিন্তাৰে
চিৰ্কিণা চিৰ্কিণ আজি সমাজ পথাৰ।
আজি বিভেদৰ শক্তিয়ে
দানৱীয় ৰূপ লৈ নাচে তাণ্ডৱ
কৰি বিপথগামী
বঞ্চিত মানুহৰ মুকুতি বাসনা।
সাম্য-মৈত্ৰীৰ প্ৰতীক তুমি
অ' সব্যসাচী, অ' সব্যসাচী
তুমিতো অমৰ
হিয়াৰ আমঠু তুমি দলিত জনতাৰ।
তোমাৰ পথেৰে আমি হ'ম আগবান
সাম্য মৈত্ৰীৰ গান জয়গান
জানো, তাতেই লুকাই আছে মুকুতি দুকল
নৱ জীৱনৰ নতুন সূচনা।

ভিন্ন ছন্দ

# বসন্তৰ প্ৰত্যুষতে

অপূৰ্ব ঠাকুৰীয়া
প্ৰবক্তা, ৰসায়ন বিজ্ঞান বিভাগ



ছন্দ এক : পোহৰ আৰু এন্ধাৰৰ মিশ্ৰিত ছায়াছবিৰ দৰেই নীহাৰবোৰ আহিছিল জাক হৈ। এদেও-দুদেওকৈ। সংগোপনে। তাই তেতিয়া চুপচি জোনৰ স্পৰ্শত বিভোৰ, নিমগ্ন। সিহঁতে তাইৰ উহটীয়া মুখখনত চুমা সানি দিলে। বিবসনা তাইৰ ওঁঠ, উৰু, বুকু। ক্ৰমশঃ থোকাথুকি মাতত কঁপিছে নিথৰ হৃদয়। তৃপ্তিহীন ফল্গু — বাৰবণিতাৰ দৰেই তাই অসহায়। বৰ অসহায়। প্ৰপন্ন মৃত্তিকা।

ছন্দ দুই : সিহঁতৰ বিদায়ত তাই চুকি পালে সৰ্বত্ৰ হেৰুৱাৰ চিহ্ন। টোপ্ টোপ্‌কৈ তাইৰ ৰঙা নীলা কাপোৰযোৰ খহি পৰিল। নাওঁ

তাইৰ

নিৰ্মোষ বদন। উথহা ছালত নিঢলীয়া ৰ'দৰ আস্ফালন। দুখৰ কবিতাৰ দৰেই লাজবোৰ ঢাকিবলে' উদাস তাই। গতিহীন স্ৰোতস্বিনী। গেৰোহাৰ পৰা বাদামী চুলিলৈকে পোৰামাটি গোন্ধ। (সেয়ে তাইৰ অনুৰাগহীন ছন্দবোৰলে' মই অনাসক্ত)

ছন্দ তিনি : সেউজীয়াবোৰ, জোনাকবোৰ ফাকুগুৰি হৈ উৰি ফুৰোঁতেই - ডাৱৰবোৰৰ হৃদয়েৰে বাসন্তী নামিছে। সেয়ে তাইৰ হইতাল বুলোৱা হৃদয় উম্মনাৰ শেষ সীমনাত। তাই অংগাৰগিত ৰং লৈ মাধুৰীমা হৈছে। তাইৰ নৱনীত দেহ যৌৱনত কল্লোলিত। তাই অনুপমা, সন্মোহিনী। মায়াবী মঞ্জিমা। লিহিৰি আঙুলিৰ ফাঁকে ফাঁকে মৰীচিৰ ফাকুৱা। কামৰঙী চকুযুৰি অবুজ কাতৰ। ওঁঠ শলিতা শলিতা গোন্ধ। উন্মাদিনী। বাসনাত জ্বলিছে গেৰোহাৰ পৰা কলদিলীয়া খোপা। (মোৰ অজানিতে হৃদয়ত অনুৰণন ...)

শেষ ছন্দ : নদীৰ ডঁৰিয়লিৰ দৰেই এক জীৱন - ঋতুৰ গান। ঋতু উজ্জ্বল বাৰিধি। ঋদ্ধ - চন্দ্ৰিকা — তুমি মোৰ বৰ প্ৰিয়। যুগল - পদ্মিনী মোৰ প্ৰিয়তমা ইন্দ্ৰমালতী।।

# সোণালী সোঁৱৰণি

নগেন্দ্ৰ নাৰায়ণ দেৱান
মুখ্যী , অসমীয়া বিভাগ



*(গহীন স্বৰত ধ্বনিত হয় জ্যোতিস্তুতি)*

*উদয়ং গিৰি মুপেতং ভাস্কৰং কম্ববৰ্ণং*
*নিখিল ভুৱন নেত্ৰমজ্ঞান ধ্বান্তহৰম্।*
*প্ৰোজ্জ্বলজ্বালঘনং চৰাচৰ প্ৰাণ ধৰং*
*নমাম্যহং তং সবিতুৰ্বৰেণ্যম্।।*

**যুৱক :** সুদূৰ অতীতৰ কোনো এক সোণ সেন্দুৰীয়া প্ৰভাতত মানৱ প্ৰাণৰ স্পন্দনেৰে আলোড়িত হৈছিল প্ৰকৃতি জীয়ৰী অসমী আইৰ বুকু। গতিশীল সময়ৰ সোঁতে সোঁতে কত পৰ্বতৰ কত ভৈয়ামৰ জাতি-উপজাতি হিলদল ভাঙি আহি আহি বৰ লুইতৰ দুই পাৰে একাকাৰ হৈ গঢ় দিলে অসমীয়া জাতি, অসমীয়া কলা- সংস্কৃতি।

**যুৱতী :** এই বৰ লুইতৰ পাৰতেই তামোলবাৰী চাহ বাগিচাত উনৈশ শ তিনি চনৰ জুন মাহৰ সোতৰ দিন যাওঁতে আৱিৰ্ভাৱ হ'ল এক অভিনৱ জ্যোতিৰ।

**যুৱক :** *ময়ে অসমৰ*
*ময়ে ভাৰতৰ*
*ময়ে ডেকা ল'ৰা অগ্নিময়*
*ময়ে কাৰিকৰ*
*ময়ে খনিকৰ*
*ময়েই চিত্ৰকৰ*
*গঢ়ি যাঁও মনোহৰ*
*সুৰ অপৰূপ*
*কত নৱৰূপ*
*ময়েই ৰূপকোঁৱৰ।*

**যুৱতী :** সুদূৰ ৰাজস্থানৰ পৰা আহি হাড়ে হিমজুৰে অসমীয়া হৈ পৰা বিখ্যাত আগৰৱালা পৰিয়ালৰ পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ সন্তান জ্যোতি প্ৰসাদে সেউজী ধুনীয়া ধৰণীত সুন্দৰৰ মহামন্ত্ৰেৰে কলালক্ষ্মী নিমাতী কইনাজনীৰ মুখত হাঁহি বিৰিঙাবলৈ সংকল্পবদ্ধ হ'ল :

*আমাৰ চকুলোৰে পানী দি তিয়ালোঁ*
*মানিকী মধুৰী ধান*
*তোমালৈ আনিছোঁ জগতৰে শইচ*
*এবা অ' নিমাতী মান*

**যুৱক :** আজিৰ পৰা প্ৰায় পাঁচ শ বছৰ আগতেই নৱোন্মেষ শালিনী প্ৰতিভাৰ গৰাকী মহা কলাকাৰ শ্ৰীমন্ত শঙ্কৰদেৱে কৃষ্ণৰূপী সংস্কৃতিৰে অসমৰ সমাজ জীৱনক প্ৰকাশ কৰিবলৈ অহোপুৰুষাৰ্থ কৰি গ'ল।

**যুৱতী :** কুৰি শতিকাত জ্যোতি প্ৰসাদে শংকৰী সংস্কৃতিৰ আধাৰতেই বৈপ্লৱিক মনোবৃত্তিৰে প্ৰাচ্য আৰু পাশ্চাত্য, পৰ্বত আৰু ভৈয়াম, নতুন আৰু পুৰণিৰ সংশ্লেষ আৰু সমন্বয়েৰে অসমীয়া সমাজ, সাহিত্য আৰু সংস্কৃতিক ন-ৰূপেৰে আলোকময় কৰাৰ প্ৰয়াস কৰিলে।

**যুৱক :** এই সাংস্কৃতিক অভিযানত সংস্কৃতিৰ প্ৰতীক কৃষ্ণক জীৱনৰ সখা বুলি গ্ৰহণ কৰি চিৰ সুন্দৰৰ মধুৰ বাঁহীৰ সুৰে সুৰে অনুপ্ৰাণিত হৈ শিল্পীয়ে নিজৰ পথ চিনি ল'লে :

*বজাৱ কি সুৰে বেণু কৃষ্ণ তই*
*বজাৱ কি সুৰে বেণু*
*সুৰবে জিঞ্জিৰি শিকলি মোৰ*
*সুৰবে জিঞ্জিৰি।*

**যুৱতী :** সৃষ্টিশীল প্ৰতিভাৰ গৰাকী জ্যোতি প্ৰসাদে ৰাশি ৰাশি সৌন্দৰ্য থুপ খুৱাই সৃষ্টি কৰিলে অমিয়া সঙ্গীত আৰু কল্পনাৰ মণি মুকুতাৰে প্ৰাঞ্জল কবিতা। নাট্য মন্দিৰলৈ আগবঢ়ালে শোণিত

কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা, নিমাতী কইনা আৰু খনিকৰ।

**যুৱক** : আগবঢ়ালে মনোৰম গল্প, সুলিখিত জীৱনী, সূক্ষ্ম কলা বিচাৰ, নিৰ্ভীক সাংবাদিকতা আৰু লগতে অকণিহঁতকো পখীৰাজত উঠাই সপোনৰ মায়াপুৰীলৈ লৈ যোৱাৰ প্ৰয়াস কৰিলে।

**যুৱতী** : ভাৰতীয় কথাছবি শিল্পৰ চালুকীয়া অৱস্থাতে চিত্ৰবন ষ্টুডিঅ' পাতি 'জয়মতী' আৰু 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰি জন্ম দিলে অসমীয়া কথাছবি শিল্পৰ।

**যুৱক** : জন-জীৱনলৈ অকৃত্ৰিম চেনেহ থকা জনতাৰ শিল্পী জ্যোতি প্ৰসাদে অসমীয়া সংস্কৃতিক জকাই চুকীয়া কৰি নাৰাখি কঠোৰ সাধনাৰে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ হাবিয়াস কৰিলে। অসমৰ সংস্কৃতিক বিচাৰোঁতে পালে ভাৰতৰ মহা সংস্কৃতিক; ভাৰতৰ মহা সংস্কৃতিৰেই পালে বিচিত্ৰ বিশ্ব সংস্কৃতিক :

*মোৰে ভাৰতৰে মোৰে সপোনৰে*
*চিৰ সুন্দৰ সংস্কৃতি*
*সেউজীয়া বনতে সেউজীয়া মনতে*
*বিকশি প্ৰকাশি উঠা*
*নৱ জন জীৱনৰে*
*অভিনৱ জ্যোতি।*

**যুৱতী** : জ্যোতি প্ৰসাদে গোটেই মানৱ জীৱনৰ বিকাশকেই এটা সাংস্কৃতিক অভিযান বুলিছে। সেয়ে কি ৰাজনীতি, কি অৰ্থনীতি, কি বিজ্ঞান সকলোতে বিচাৰিছে এক সাংস্কৃতিক বিপ্লৱ।

**যুৱক** : *সংস্কৃতি আৰু অৰ্থনীতিৰ*
*প্ৰাণৰ গোপন কথা*
*কবিতাৰে ক'ম*
*বৈজ্ঞানিকৰ চকুৰ মণি*
*মোৰ মনলৈ আনি*
*সুন্দৰৰ এই বৰ ধেমালিৰ*
*তত্ত্ব বুজি ল'ম।*

**যুৱতী** : স্বাধীনতাৰ সংগ্ৰামত দেশ তোলপাৰ! বিপ্লৱী শিল্পী জ্যোতি প্ৰসাদে মহামানৱ মহাত্মাৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ দেশমাতৃৰ সংগ্ৰামত জপিয়াই পৰিল। 'সদৌ অসম শান্তি বাহিনী'ৰ সৰ্বাধিনায়ক ৰূপে অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে ঘূৰি ঘূৰি সাম্ৰাজ্যবাদী শাসন-শোষণৰ বিৰুদ্ধে যুঁজি জন্মভূমিক মুক্ত কৰিবলৈ দেশবাসীক আহ্বান জনালে :

*জয় শঙ্খ বজা পৃথিৱী কঁপাই*
*অত্যাচাৰকো কৰি বৰণ*
*স্বাধীনতা ধন নতুবা মৰণ*
*লোহাৰ শিলেৰে বান্ধি ল মন।*

**যুৱক** : হেজাৰ জনৰ বুকুৰ তেজ, হেজাৰ জনৰ চকুপানীৰ বিনিময়ত দেশ স্বাধীন হ'ল। কিন্তু সমাজবাদী চিন্তাধাৰাৰে উদ্বুদ্ধ জ্যোতি প্ৰসাদে স্বাধীন ভাৰতৰ ৰেহৰূপ দেখি হতাশ হ'ল। আৰম্ভ হ'ল মানসিক দ্বন্দ্ব আৰু এসময়ত হ'ল মনৰ উত্তৰণ। যুগ যুগ ধৰি নিপীড়িত, দলিত আৰু বঞ্চিত জনতাক লৈ প্ৰগতিৰ বাটেদি আলোক যাত্ৰা কৰাৰ মানসেৰে জড়িত হৈ পৰিল 'ভাৰতীয় গণ নাট্য সঙ্ঘ'ৰ সৈতে।

**যুৱতী** : প্ৰতিকূল পৰিৱেশ, ভগ্ন স্বাস্থ্য আৰু দুৰাৰোগ্য ব্যাধিয়ে জ্যোতি প্ৰসাদৰ দুৰ্বাৰ গতিত বাধাৰ সৃষ্টি কৰিলে।

**যুৱক** : অসমীয়া স্থাপত্যক নৱৰূপ দিয়াৰ হেঁপাহেৰে আঁকিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থাপত্যৰ আৰ্হি। স্থাপত্যতে প্ৰতিফলিত হয় জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য। কিন্তু শিল্পীৰ সপোনে বাস্তৱত ৰূপ নাপালে।

**যুৱতী** : সপোনৰ মহত্ত্ব জানো নোহোৱা হৈ যাব?

**যুৱক** : অসমীয়া জাতীয় কথাছবি অনুষ্ঠান গঢ়াৰ উদ্দেশ্যে স্থাপন কৰা 'চিত্ৰলেখা মুভিটোন' অকালতে মৰহি গ'ল।

**যুৱতী** : কালৰ নিষ্ঠুৰ আহ্বানত ভগ্ন হৃদয়েৰে ঊনৈশ একাৱন চনৰ সোতৰ জানুৱাৰীৰ দিনা জ্যোতি প্ৰসাদে চিৰ সুন্দৰ ৰাজ্যলৈ গতি কৰিলে।

**যুৱক** : আধৰুৱা আৰু অলিখিত হৈ ৰ'ল – গীত, কবিতা, নাটক, উপন্যাস, শিশু সাহিত্য। উত্তৰ পুৰুষলৈ এৰি গ'ল জন জীৱনক পূৰ্ণ বিকশিত কৰাৰ মহা সপোনক বাস্তৱত ৰূপ দিয়াৰ দায়িত্ব :

আহ অ' যত আলোকবাদী
অপ্ৰমাদী পোহৰেৰে
জোনাকী শিল্পী অ' মোৰ
বিশ্বৰ দীপালী জ্বলা।

**যুৱতী** : কৰ্মৰ অপূৰ্ণতাই যাৰ জীৱনৰ বিৰাট সম্ভাৱনাক প্ৰকাশ কৰে সেই জ্যোতিৰ সোণালী জ্যোতিয়ে অসম আকাশ পোহৰাই থাকিব - ব্যাপকৰ পৰা ব্যাপকতৰ আৰু উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হৈ। আমি জ্যোতি প্ৰসাদৰ কথাৰেই সংকল্পবদ্ধ হওঁ আহক :

**যুৱক, যুৱতী** : *আমি কৰিব লাগিব*
*পৃথিৱী আলোকময়*
*জ্ঞান বিজ্ঞানৰ সকলো ধৰ্মৰ*
*নানা আদৰ্শৰ নানা বিভেদৰ*
*কৰিব লাগিব মহান সমন্বয়।*

**অন্তৰঙ্গ আলাপত ঃ**

# বিশিষ্ট শিল্পী যতীন বৰা



**? যতীনদা, আপুনি বৰ্ত্তমান এজন জনপ্ৰিয় অভিনেতা। এই জনপ্ৰিয়তা অৰ্জনৰ ক্ষেত্ৰত হয়তো আপুনি দীৰ্ঘদিন বাট বুলিব লগীয়া হৈছে। প্ৰকৃততে কেতিয়াৰ পৰা আপুনি অভিনয় জগতত পদাৰ্পণ কৰিছে?**

➜ সপ্তম মান শ্ৰেণীত পঢ়ি থকা অৱস্থাৰ পৰা মই অভিনয় কৰিবলৈ লৈছোঁ।

**? প্ৰেৰণা ?**

➜ মোৰ মা-দেউতা আৰু বন্ধুসকল।

**? মঞ্চৰ লগতে আপুনি চলচিত্ৰতো অভিনয় কৰে। মঞ্চ আপোনাৰ প্ৰিয় নে চলচিত্ৰ ?**

➜ মঞ্চ প্ৰিয়, চলচিত্ৰ অধিক প্ৰিয়।

**? ভ্ৰাম্যমান নাট্যদল সম্পৰ্কে আপোনাৰ অভিমত ?**

➜ অধিক প্ৰফেশ্যনাল হোৱা উচিত ?

**? সমাজৰ উন্নতিত এই দলসমূহৰ অৰিহণা ?**

➜ যথেষ্ট আছে। ভ্ৰাম্যমান দলসমূহৰ সফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে নাট্যকাৰৰ ভাল নাটকত।

**? আপোনাৰ দৃষ্টিত সফল নাট্যকাৰজন কোন আৰু কিয় ?**

➜ মঞ্চ মোৰ বাবে নতুন। অসমৰ আগশাৰীৰ সকলো নাট্যকাৰৰ নাটকেই মোৰ ভাল লাগে যদিও মুনীন বৰুৱাৰ নাটকে মোক অধিক আকৰ্ষিত কৰে। চম্পক শৰ্মাৰ নাটকেও মোক টানে।

**? এতিয়ালৈ আপুনি কিমানখন চলচিত্ৰ বা চিৰিয়েলত অভিনয় কৰিছে? কোনখনৰ অভিনয় স্মৰণীয় ?**

➜ পঁচিশখন মান হ'ব। স্মৰণীয় অভিনয় 'সন্ধ্যাতৰা' চিৰিয়েল আৰু ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'কালসন্ধ্যা' কথাছবিত কৰা অভিনয়।

**? ৰাজ্যৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে আপোনাৰ অভিমত ?**

➜ গুলি বাৰুদৰ ধোঁৱাই সমস্যা জটিল কৰে, আলোচনাৰ জৰিয়তেহে সমাধান ওলায়।

**? ভৱিষ্যৎ ব্যক্তিগত পৰিকল্পনা ?**

➜ ভাল পৰিচালকৰ ভাল ছবিত ভাল অভিনয় কৰা।

**? নতুন চামৰ যি সকল অভিনয় জগতত প্ৰৱেশ কৰি প্ৰতিষ্ঠা লাভৰ প্ৰয়াসী সেই সকললৈ আপুনি কেনে ধৰণৰ উপদেশ আগবঢ়াব খোজে ?**

➜ কোনো ধৰণৰ উপদেশ দিব নিবিচাৰোঁ। যিয়ে অভিনয় জগতত অভিনয় কৰিব খোজে তেওঁলোকৰ কামৰ প্ৰতি সততা, একাগ্ৰতা আদি থাকিব লাগিব। সততা আৰু নিষ্ঠাৰে কাম কৰিব লাগিব।

**ধন্যবাদ যতীনদা।**

➜ ধন্যবাদ।

[ আলাপ কৰিছে ক্ষিতিশ কলিতা আৰু বন্ধুবৰ্গই ]

❑❑❑

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কিয়দংশ স্থিৰ চিত্ৰত



অধ্যক্ষ (ভাৰপ্ৰাপ্ত) শ্ৰীযুত নিৰোদ বৰ দাসদেৱে পতাকা উত্তোলন কৰি 'মহাবিদ্যালয় সপ্তাহ'ৰ শুভাৰম্ভ কৰিছে।



অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ দ্বাৰা মহাবিদ্যালয় চৌহদত আয়োজন কৰা বৃক্ষৰোপণ কাৰ্যসূচীত ভাৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট ব্যক্তি আৰু সদস্য সকলৰ উপস্থিতিত বৃক্ষৰোপণ কৰি থকা অৱস্থাত চক্ৰবিষয়া শ্ৰীযুত দেৱ কলিতা।



'ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণ সমিতি'ৰ দ্বাৰা মহাবিদ্যালয়ত আয়োজিত মুকলি সভাত ভাষণৰত অৱস্থাত বিখ্যাত বিজ্ঞানী ড° কুলেন্দু পাঠক।



অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ দ্বাৰা নগৰবেৰা বজাৰ অঞ্চলত পালন কৰা চাফাই অভিযান উপলক্ষে সমিতিৰ সদস্য আৰু ৰাইজৰ উপস্থিতিত 'ডাষ্টবিন' স্থাপন কৰাৰ দৃশ্য।



মহাবিদ্যালয় পুথিভঁৰালত অধ্যয়নৰত অৱস্থাত একাংশ ছাত্ৰ



মহাবিদ্যালয়ত আয়োজিত মুকলিসভাত ভাৰত চন্দ্ৰ পাঠকদেৱৰ সোঁৱৰণত আগবঢ়োৱা বঁটা বিতৰণ কৰিছে প্ৰয়াত পাঠকদেৱৰ পৰিবাৰ শ্ৰীযুতা প্ৰীতি পাঠকে।

# মহাবিদ্যালয়ৰ কৃতিত্ব



ড° ভাৰত কলিতা

ভূগোল বিভাগৰ প্ৰবক্তা শ্ৰীভাৰত কলিতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ড° ৰত্নেশ্বৰ বৰ্মনৰ তত্ত্বাৱধানত "নামনি কুলশী অৱবাহিকাৰ আৰ্থসামাজিক সমস্যা আৰু ইয়াৰ উন্নয়ন" বিষয়ক গৱেষণা কৰি পি. এইচ. ডি. ডিগ্ৰী লাভ কৰিছে।



ড° হাফিজ আব্দুল মজিদ নাদৱী

আৰবী বিভাগৰ মুৰব্বী হাফিজ আব্দুল মজিদ নাদবীয়ে "ছেটাইৰিক ভাৰ্ছেছ ইন এৰাবিক পযেট্ৰি ডিউৰিং ওমাইয়াড্‌ছ পিৰিয়ড" শীৰ্ষক বিষয়ত গৱেষণা কৰি লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. ডিগ্ৰী লাভ কৰিছে- লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ড° ছব্বিৰ আহমেদ নাদৱীৰ তত্ত্বাৱধানত।



ড° বিভূতি ভূষণ পাণ্ডা

শিক্ষা বিভাগৰ প্ৰবক্তা শ্ৰীবিভূতি ভূষণ পাণ্ডাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° লক্ষ্যহীৰা দাসৰ তত্ত্বাৱধানত গৱেষণা কৰি পি. এইচ. ডি. ডিগ্ৰী লাভ কৰিছে। তেখেতৰ গৱেষণাৰ বিষয় আছিল, "*A Comparative study of the attitude towards teaching profession and job satisfaction of college teachers of Assam and Orissa.*"



ড° নীলকমল বৰদলৈ

ভূগোল বিভাগৰ প্ৰবক্তা শ্ৰীনীলকমল বৰদলৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ড° দুলাল গোস্বামীৰ তত্ত্বাৱধানত গৱেষণা কৰি পি. এইচ. ডি. ডিগ্ৰী লাভ কৰিছে। তেখেতৰ গৱেষণাৰ বিষয় আছিল "*Impact of the Brahpaputra Flood and Erosion Hazard on flood plain occupance in the Palasbari-Nagarbera tract of Kamrup District, Assam*"



শ্ৰীগৌতম দাস

শ্ৰীগৌতম দাসে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা বিষয়ত ১৯৯৭-৯৮ বৰ্ষৰ স্নাতক(চূড়ান্ত) পৰীক্ষাত প্ৰথম শ্ৰেণীৰ ১ম স্থান লাভ কৰে।



মঃ চাহজাহান আলী

মঃ চাহজাহান আলীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা বিষয়ত ১৯৯৭-৯৮ বৰ্ষৰ স্নাতক(চূড়ান্ত) পৰীক্ষাত প্ৰথম শ্ৰেণীৰ ৩য় স্থান লাভ কৰে।

# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল



শ্ৰীসঞ্জয় পাঠক
ক্ৰিকেটৰ ফাইনেল খেলৰ
মেন অব দা মেট্‌চ



শ্ৰীচম্পক কলিতা
শ্ৰেষ্ঠ ফুটবল খেলুৱৈ আৰু
ক্ৰিকেটৰ মেন অব দা চিৰিজ



শ্ৰীপ্ৰশান্ত তালুকদাৰ
ল'ৰাৰ শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীকৃষ্ণা দাস
ছোৱালীৰ শাখাৰ শ্ৰেষ্ঠা খেলুৱৈ



মঃ আবুল কালাম আজাদ
শ্ৰেষ্ঠ অভিনেতা



শ্ৰীহিমাংশু ঠাকুৰীয়া
শ্ৰেষ্ঠ গায়ক



শ্ৰীসুগন্ধিতা চৌধুৰী
শ্ৰেষ্ঠা গায়িকা

# সম্পাদনা সমিতি



উপদেষ্টা
শ্ৰীযুত উমেশ চন্দ্ৰ দাস



উপদেষ্টা
শ্ৰীযুত নিৰ্মল চন্দ্ৰ ভেই



সভাপতি
শ্ৰীযুত নিৰোদ বৰণ দাস



তত্বাৱধায়ক
শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱান



শিক্ষক সদস্য
শ্ৰীযুত যতীন্দ্ৰ নাথ তালুকদাৰ



শিক্ষক সদস্য
মঃ আবু বক্কৰ ছিদ্দিক



সম্পাদক
শ্ৰীক্ষিতিশ কলিতা



ছাত্ৰ সদস্য
মঃ আবু শামা আল আনছাৰী



ছাত্ৰ সদস্য
শ্ৰীউমেশ চন্দ্ৰ বৈশ্য

# তত্ত্বাৱধায়ক সকল



**শ্ৰীযুত বিপ্লৱ নাগ**
তত্ত্বাৱধায়ক, ক্ৰীড়া বিভাগ



**শ্ৰীযুত বিপুল শৰ্মা বৰপূজাৰী**
তত্ত্বাৱধায়ক, গুৰু খেল বিভাগ



**মঃ শ্বাহ জামাল মো**
তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভা



**শ্ৰীযুত বিষ্ণুৰাম তালুকদাৰ**
তত্ত্বাৱধায়ক, সমাজসেৱা বিভাগ



**শ্ৰীমতী ভূমিজা বৰ্মণ**
তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা



**শ্ৰীযুত অপূৰ্ব তালুকদা**
তত্ত্বাৱধায়ক, তৰ্ক আৰু
আলোচনা চক্ৰ বিভা

(বিঃ দ্ৰঃ তত্ত্বাৱধায়ক, বিভিন্ন ক্ষেত্ৰত কৃতিত্ব প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠান আদিৰ আলোকচিত্ৰ দিবলৈ অনুৰোধ কৰা হৈছিল। সংশ্লিষ্ট সকলৰ কেইগৰাকীমানৰ আলোকচিত্ৰ যথাসময়ত নোপোৱাত আলোচনীত সন্নিৱিষ্ট কৰিব নোৱাৰা বাবে দুঃখিত। —— সম্পাদক)

বিমলা প্ৰসাদ

# মহাবিদ্যালয়ৰ অন্যান্য অনুষ্ঠানৰ প্ৰতিবেদন

## সাহিত্য কানন

১৯৯৫ ইং চনৰ আগষ্ট মাহৰ২৫ তাৰিখ শুক্ৰবাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়া মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাষা আৰু সাহিত্য বিষয়ক অনুষ্ঠান 'সাহিত্য কানন'ক পুনৰুজ্জীৱিত কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি অধ্যক্ষজনাক মুখ্য উপদেষ্টা হিচাপে লৈ এটি কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সমিতিৰ অন্যান্য বিষয়ববীয়া সকল আছিল - উপদেষ্টাত্ৰয় - শ্ৰীকল্যাণী দাস, শ্ৰীদীপ্তি ৰেখা পাঠক মজুমদাৰ আৰু শ্ৰীশ্যামাচৰণ ঠাকুৰীয়া। সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীনগেন্দ্ৰ নাৰায়ণ দেৱান আৰু শ্ৰীদীপক দাস।

সভাই এখনি হাতে লিখা আলোচনী উলিওৱাৰ সিদ্ধান্ত লৈ মঃ শ্বাহ জামাল মোল্লাক সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰে।

**কবিতা আবেলি ঃ** সাহিত্য কাননৰ উদ্যোগত ১৯৯৬ চনৰ চেপ্তেম্বৰ মাহৰ কুৰি তাৰিখে আবেলি মহাবিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহত স্বৰচিত কবিতা আবৃত্তিৰ অনুষ্ঠান পতা হয়। অনুষ্ঠানত এঘাৰজন শিক্ষক-শিক্ষয়ত্ৰী আৰু যোল্লজন ছাত্ৰ-ছাত্ৰীয়ে স্বৰচিত কবিতা আবৃত্তি কৰি উপস্থিত শ্ৰোতাক মুগ্ধ কৰে।

**আলোচনা চক্ৰ ঃ** সাহিত্য কাননৰ উদ্যোগত 'অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ-ধ্বনি আৰু ইয়াৰ প্ৰয়োগ' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয় যোৱা ১৯৯৭ চনৰ জানুৱাৰী মাহৰ ৩ তাৰিখে।

**প্ৰতীতি ঃ** সাহিত্য কাননৰ উদ্যোগত হাতে লিখা আলোচনীখনৰ প্ৰথম সংখ্যা ১৯৯৭ চনৰ জানুৱাৰী মাহৰ ৩ তাৰিখে উন্মোচন কৰা হয়।

**মোৰ প্ৰিয় কবিতা ঃ** ১৯৯৯ চনৰ জানুৱাৰী মাহৰ ১২ তাৰিখে এই শীৰ্ষক স্বৰচিত কবিতা আবৃত্তিৰ এই অনুষ্ঠানটি সফলভাবে অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত স্বৰচিত কবিতা আবৃত্তি কৰি শ্ৰোতাক মোহিত কৰে। - মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত কেবাজনো কাব্য প্ৰতিভা সম্পন্ন তথা সম্ভাবনাময় কবি যে আছে, সেই কথাৰ উমান বৰ্ণিত কবিতা অনুষ্ঠান দুটিৰ জৰিয়তে পোৱাটো সাহিত্য কাননৰ এটি অন্যতম সফলতা। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ কেইগৰাকীমানৰ কবিতাই অসমীয়া সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

সম্প্ৰতি 'প্ৰৱাহ' নামেৰে এখনি প্ৰযেকীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ উদ্দেশ্যে কবিতা, প্ৰবন্ধ আদি লেখা আৰু বক্তৃতা, আবৃত্তি আদি প্ৰতিযোগিতাৰ আয়োজন কৰি অহা হৈছে। আশা কৰা হৈছে বিগত দিনবোৰৰ দৰে ভৱিষ্যতেও মাননীয় শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে সহায় সহযোগিতা আগবঢ়াব।

**চম্পক কলিতা**
সম্পাদক, সাহিত্য কানন

## প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণ সমিতি

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উদগনি দিবলৈ প্ৰয়াত পাঠকৰ পৰিয়ালে মহাবিদ্যালয়ৰ নামত দহ হেজাৰ টকা জমা দিয়ে আৰু পাঁচ হেজাৰ টকা দিবলৈ প্ৰতিশ্ৰুতি দিয়ে।

উক্ত জমাধনখিনি প্ৰয়াতজনাৰ পৰিয়ালৰ সদস্যৰ ইচ্ছা অনুসৰি সদব্যৱহাৰৰ উদ্দেশ্যেৰে মহাবিদ্যালয়ৰ অধ্যক্ষক স্থায়ী সভাপতি আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকক স্থায়ী উপ-সভাপতিৰূপে লৈ ২৪।৯।৯৮ ইং তাৰিখে 'প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণ সমিতি' গঠন কৰা হয়। সমিতিৰ অন্যান্য সদস্য সকল শ্ৰীউমেশ চন্দ্ৰ দাস, শ্ৰীদয়ানন্দ কুমাৰ দাস, মঃ শ্বাহ জামাল মোল্লা

(সম্পাদক) আৰু শ্ৰীদীপ্তিৰেখা পাঠক মজুমদাৰ (সম্পাদিকা)।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বাধিক নম্বৰ পোৱা মহাবিদ্যালয়ৰ ছাত্ৰ/ছাত্ৰীক 'প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণী বঁটা' প্ৰদানৰ সিদ্ধান্তৰ উপৰি নগৰবেৰা অঞ্চল ভিত্তিত 'প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক স্মাৰক বক্তৃতা প্ৰতিযোগিতা' প্ৰতি বছৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত সমিতিয়ে লৈছে।

সেইমৰ্মে যোৱা ২৭/১১/৯৮ ইং তাৰিখে মহাবিদ্যালয়ত 'অসমীয়া নাট্য সাহিত্যলৈ শংকৰদেৱৰ অৱদান' শীৰ্ষক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ক্ৰমে আকন্দ তোৱাব আলী, সিৰাজুল ইছলাম আৰু মমতাজ বেগমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে।

বঁটা বিতৰণী অনুষ্ঠান : বিশিষ্ট বিজ্ঞানী ড° কুলেন্দু পাঠক, প্ৰয়াত পাঠকৰ পত্নী আৰু পুত্ৰ শ্ৰীশংকৰ পাঠকৰ উপস্থিতিত যোৱা ৪/১২/৯৮ ইং তাৰিখে অনুষ্ঠিত বঁটা বিতৰণী সভাত প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণী বঁটা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়ৰ সফল ছাত্ৰ-ছাত্ৰীৰ মাজত 'অসমীয়া'ত সৰ্বাধিক নম্বৰ লাভ কৰা মহঃ আজমল হক ফকিৰ আৰু শ্ৰীকবিতা কলিতাক আৰু বক্তৃতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগী সকলক বিতৰণ কৰা হয়।

এইখিনিতে সোঁৱৰণী সমিতি তথা মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰয়াত পাঠকদেৱৰ পৰিয়াললৈ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ। প্ৰয়াত পাঠকদেৱৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপক এটি নিবন্ধ মহাবিদ্যালয় আলোচনীত আগবঢ়োৱা হ'ল।

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগী, মাননীয় বিচাৰক মণ্ডলী তথা বঁটা বিতৰণী সভা সাফল্যমণ্ডিত কৰা সম্মানীয় বিশিষ্ট অতিথি, মাননীয় শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ভবিষ্যতেও সদৌজনৰ সহায়-সহযোগিতা কামনা কৰিলোঁ।

**শ্ৰীদীপ্তিৰেখা পাঠক মজুমদাৰ**
**মঃ শ্বাহ জামাল মোল্লা**
সম্পাদকদ্বয়
প্ৰয়াত ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণ সমিতি

## কেৰিয়াৰ গাইডেঞ্চ আৰু ইনফৰমেচন চেন্টাৰৰ প্ৰতিবেদন

আন আন বছৰৰ দৰে ১৯৯৭-৯৮ শিক্ষা বৰ্ষৰ প্ৰাৰম্ভতে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ কলা আৰু বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীক ওৰিয়েন্টেচন প্ৰগ্ৰেমৰ জৰিয়তে মহাবিদ্যালয়ৰ পৰিবেশত তেওঁলোকৰ সু-সমাযোজনৰ বাবে প্ৰচেষ্টা চলোৱা হয়। কেৰিয়াৰ গাইডেঞ্চ কেন্দ্ৰৰ কাউনচেলিং অফিচাৰে *(Counselling Officer)* উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত প্ৰতিযোগিতামূলক পৰীক্ষা আৰু অন্যান্য বাহিৰা জ্ঞানৰ বিকাশৰ বাবে এই কেন্দ্ৰলৈ নিয়মীয়াকৈ আহি অধ্যয়ন কৰাৰ বাবে আহ্বান জনায়। '- চেন্টাৰ'১১ বজাৰ পৰা ১ বজালৈ দুঘণ্টাৰ বাবে খোলা থাকে। উক্ত সময়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকল এই কেন্দ্ৰলৈ আহি নিজৰ ইচ্ছা অনুযায়ী বিভিন্ন আলোচনী, বাতৰি কাকত আদি পঢ়িব পাৰে। ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন শিক্ষাগত সমস্যা দূৰ কৰাৰ আৰু বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ লগতে উচ্চ শিক্ষাৰ সুবিধা সম্পৰ্কে যাবতীয় তথ্য পাতি যোগান ধৰা এই কেন্দ্ৰৰ প্ৰধান উদ্দেশ্য। ইয়াৰ বাহিৰেও শিক্ষক সকলক নিযুক্তিকালীন প্ৰশিক্ষণ *(Orientation & Refreasher Course)* তথা গৱেষণাৰ সুবিধা সম্পৰ্কে তথ্য পাতি যোগান ধৰা হয়। ছাত্ৰ-ছাত্ৰী সকলক শৈক্ষিক তথা বৃত্তিমূলক নিৰ্দেশনা দিয়াৰ বাবে এই কেন্দ্ৰই কিছুমান কাৰ্য্যসূচী হাতত লোৱাৰ সিদ্ধান্ত লৈছে। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ একান্ত সহযোগত এই কেন্দ্ৰই আগন্তুক দিনবোৰত মহাবিদ্যালয়ৰ শৈক্ষিক দিশত অৰিহণা যোগাব পাৰিব বুলি আশা কৰিব পাৰি।

**ড° বিভূতি ভূষণ পাণ্ডা**
কাউনচেলিং অফিচাৰ
কেৰিয়াৰ গাইডেঞ্চ এণ্ড ইনফৰমেচন চেন্টাৰ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা

# অসম বিজ্ঞান সমিতি, নগৰবেৰা শাখাৰ কাৰ্য্যাৱলীৰ চমু ৰূপৰেখা

ৰণেন্দ্ৰ কুমাৰ দাস
সম্পাদক, অ. বি. স. নগৰবেৰা শাখা

বিজ্ঞানৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ওপৰত গুৰুত্ব দি অহা কেইগৰাকীমান বিশেষ আশাগুধীয়া বিজ্ঞান অনুৰাগী ব্যক্তিৰ প্ৰেৰণাত ১৯৫৩ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে কটন কলেজৰ পদাৰ্থবিজ্ঞান বিভাগত জন্মলাভ কৰা বিজ্ঞান সমিতিৰ ইতিহাস বিভিন্ন ঘটনাৰে বিধৌত, ৰমণীয়। তদানীন্তন 'গুৱাহাটী বিজ্ঞান সমিতি'য়ে কালক্ৰমত ১৯৫৬ চনৰ ১৯ নৱেম্বৰ তাৰিখে 'অসম বিজ্ঞান সমিতি' নাম লৈ অসম তথা সৰ্বভাৰতীয় পৰ্য্যায়ত বৰ্তমানে স্বেচ্ছাসেৱী সংগঠন হিচাপে বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ বিকাশ আৰু নৱতম কৌশল কিংবা কুসংস্কাৰৰ ওপৰত নিৰ্ভয়ে মাত দিয়া সংগঠন হিচাপে স্বীকৃতি পাই আহিছে। স্মৰণযোগ্য যে 'গুৱাহাটী বিজ্ঞান সমিতি' ৰ প্ৰথম সভাপতি আছিল গণিত আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ (গু. বি.) মুৰব্বী অধ্যাপক ভি. ডি. থাৱানি।

আমাৰ ৰাজ্যখনত বৈজ্ঞানিক চিন্তাধাৰাৰ সুস্থ বাতাবৰণ গঢ়ি তোলা, প্ৰাকৃতিক পৰিৱেশ আৰু জনস্বাস্থ্য সম্পৰ্কে ৰাইজক সচেতন কৰা, যথোপযুক্ত বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতি জনসাধাৰণক আকৰ্ষণ কৰা আদি ক্ষেত্ৰত অসম বিজ্ঞান সমিতিয়ে অগ্ৰণী ভূমিকা লৈ আহিছে।

বিজ্ঞান শিক্ষাৰ প্ৰসাৰ আৰু পৰিবৰ্দ্ধনৰ প্ৰতি লক্ষ্য ৰাখি নগৰবেৰাত অসম বিজ্ঞান সমিতিৰ এটি শাখা ১৯৯১ চনৰ ২৬ ফেব্ৰুৱাৰীত শুভাৰম্ভ কৰা হয়। প্ৰতিষ্ঠাপক সভাপতি আছিল অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস আৰু সম্পাদক অধ্যাপক মঃ নুৰ আলম হক। অসম বিজ্ঞান সমিতি, নগৰবেৰা শাখাই ইয়াৰ জন্মলগ্নৰে পৰা সমাজ আৰু পৰিস্থিতিৰ পৰিৱৰ্তন সাপেক্ষে সুচিন্তিত ভাবে নিজৰ কাৰ্যসূচী নিৰূপণ কৰি সংগঠনটিৰ গতিশীলতা জনমানসত প্ৰতিপন্ন কৰিছে। ক'বলৈ গ'লে আমাৰ প্ৰাৰম্ভিক কালছোৱাত ৰাইজৰ বিপুল সঁহাৰি আমাৰ বাবে হৈ পৰিছে পৰিক্ৰমাৰ মূলধন, পাথেয়। আমাৰ শাখাৰ বৰ্তমানৰ পৰিক্ৰমাৰ আজীৱন সদস্য ৫৫ জন আৰু সাধাৰণ সদস্য ২০ জন। এই কালছোৱাত পৰিৱেশ সচেতনতা, বিজ্ঞান শিক্ষকৰ প্ৰশিক্ষণ, বিজ্ঞান সজুঁলি বাকচৰ প্ৰদৰ্শন, জনপ্ৰিয় বক্তৃতা প্ৰদান, বিভিন্ন গাঁৱত ছাফাই অভিযান, বাঢ়ি অহা প্ৰদূষণৰ সমস্যা, বন্যপ্ৰাণীৰ ক্ৰমাগত বিলুপ্তিকৰণত বাধা প্ৰদান, পৰিৱেশ উন্নয়ন শিবিৰ, স্কুল-কলেজ, বজাৰ আদি ৰাজহুৱা ঠাইত বৃক্ষৰোপণ, ত্ৰিফলা উদ্যান আদি বিভিন্ন ধৰণৰ কাৰ্য্যসূচী হাতত লৈ আহিছে।

আমাৰ এই কাৰ্য্যসূচী সমূহৰ ৰূপায়ণ সম্ভৱ হৈছে কেইগৰাকীমান অক্লান্ত কৰ্মী আৰু ৰাইজৰ সহযোগত। উল্লেখযোগ্য যে আমাৰ সমিতিয়ে নগৰবেৰা হাইস্কুল শিক্ষান্ত কেন্দ্ৰৰ ভিতৰত গণিত আৰু সাধাৰণ বিজ্ঞান বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰি আহিছে। উপৰি ৰাজ্যিক বিজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা সমূহতো এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি আহিছে।

আমাৰ স্পষ্ট বক্তব্য হ'ল, **"যুক্তিবাদী চিন্তাচৰ্চ্চাৰে উপযুক্ত মানৱ সম্পদৰ গঢ় দিয়া আৰু উপাদেয় জনমুখী বিজ্ঞান প্ৰযুক্তিৰ প্ৰয়োগ নিশ্চিত কৰা"** ।এই দুয়োটা দিশতে আমাৰ বিজ্ঞান সমিতিয়ে কাম কৰি আহিছে আৰু কৰি যাব। বহুজনৰ সুচিন্তিত পৰিকল্পনা, নিঃস্বাৰ্থ, নিৰপেক্ষ সেৱা আৰু ত্যাগে আমাক যোগাই আহিছে অফুৰন্ত প্ৰেৰণা। আহক - আজি আমি আটাইয়ে মিলি বিজ্ঞানৰ জয়গান গাওঁ।

জয়তু বিজ্ঞান সমিতি।

## সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ

(১) বিশুদ্ধ আৰু প্ৰায়োগিক উভয় শাখাৰ বিজ্ঞানৰ উন্নতি সাধন কৰা;
(২) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিভিন্ন শাখা-প্ৰশাখাৰ শিক্ষা আৰু গৱেষণাৰ উন্নতি সাধন কৰা;
(৩) মৌলিক কৰ্মৰাজিৰ বিষয়ে বক্তৃতা, আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰি বৈজ্ঞানিক জ্ঞান বিস্তাৰ কৰোৱা;
(৪) বিভিন্ন পদ্ধতিৰে বিজ্ঞানক জনপ্ৰিয় কৰি তোলা;
(৫) সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে প্ৰয়োজন হোৱা সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা।

## অসম বিজ্ঞান সমিতি নগৰবেৰা শাখাৰ (বৰ্ত্তমানলৈ) সভাপতি আৰু সম্পাদকৰ নাম

| বৰ্ষ | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৯১ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | অধ্যাপক মঃ নুৰ আলম হক |
| ১৯৯২ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | অধ্যাপক শ্ৰীসূৰ্য কলিতা |
| ১৯৯৩ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | শ্ৰীটিকেন্দ্ৰ চন্দ্ৰ পাটোৱাৰী |
| ১৯৯৪ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | শ্ৰীসূৰ্য কলিতা |
| ১৯৯৫ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | শ্ৰীসূৰ্য কলিতা |
| ১৯৯৬ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | শ্ৰীসূৰ্য কলিতা |
| ১৯৯৭,৯৮ | মঃ নুৰ আলম হক | অধ্যাপক শ্ৰীবীৰেন্দ্ৰ কুমাৰ বৰা |
| ১৯৯৯, ২০০০ | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | অধ্যাপক শ্ৰীৰণেন্দ্ৰ কুমাৰ দাস |

## অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহিক সদস্যৰ নাম

### (আমাৰ শাখাৰ পৰা নিৰ্বাচিত হোৱা)

| নাম | বৰ্ষ | পদ |
|---|---|---|
| শ্ৰী সূৰ্য কলিতা | ১৯৯৩-৯৪, ৯৫-৯৭ | সহকাৰী সচিব, |
| শ্ৰী ধীৰেশ চক্ৰৱৰ্ত্তী | ১৯৯৫-৯৭ | কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য |
| শ্ৰী বীৰেন্দ্ৰ কুমাৰ বৰা | ১৯৯৭-৯৯ | কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য |
| শ্ৰী যতীন্দ্ৰ নাথ তালুকদাৰ | ১৯৯৯-২০০১ | কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য |

## নগৰবেৰা শাখাৰ ভৱিষ্যতৰ পৰিকল্পনা

(ক) স্থায়ী কাৰ্যালয় আৰু বিজ্ঞান ভৱন নিৰ্মাণ কৰা।
(খ) ঔষধী, অৰ্থকৰী উদ্ভিদ উদ্যান নিৰ্মাণ কৰা।
(গ) বিলুপ্ত হোৱা বা হ'ব ধৰা প্ৰাণী আৰু উদ্ভিদৰ তালিকাকৰণ কৰি সংৰক্ষণৰ সমুচিত ব্যৱস্থা কৰা।
(ঘ) নগৰবেৰা অঞ্চলৰ জলচ্ছেদ ব্যৱস্থাপনা, যোগাযোগ আদিৰ ওপৰত বিজ্ঞানসম্মত অধ্যয়ন আৰু আলোকপাত কৰা [*Watershed Management*)
(ঙ) স্থানীয় বি. প্ৰ. চ. মহাবিদ্যালয়ত তামোল আৰু নাৰিকলৰ বাগিছা গঢ়া।
(চ) বিভিন্ন ৰাজহুৱা অঞ্চলত বৃক্ষৰোপণ আদি কাৰ্যসূচী গ্ৰহণ কৰা।

[প্ৰতিবেদনৰ জুমুঠিটো কৰি দিয়া বাবে অধ্যাপক শ্ৰীযতীন্দ্ৰ নাথ তালুকদাৰ আৰু অধ্যাপক শ্ৰীধীৰেশ চক্ৰৱৰ্তীৰ শলাগ ল'লোঁ। সম্পাদক - অ. বি. স. নগৰবেৰা শাখা]

# ‘শিক্ষা সমিতি’ (এডুকেচন ফ’ৰাম) শিক্ষা বিভাগ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ শিক্ষা বিভাগত এখন ‘শিক্ষা সমিতি’ গঠন কৰা হৈছে। ছাত্ৰ-ছাত্ৰী সকলক পাঠদান কৰাৰ লগে লগে বিভিন্ন শিক্ষামূলক কামত জড়িত কৰাই এই সমিতিখনৰ মূল উদ্দেশ্য। শিক্ষামূলক কামত তেওঁলোকক জড়িত কৰি সামাজিক দৃষ্টিভংগী সমূহৰ লগত পৰিচয় কৰি দিয়া, অনুশাসন বজাই ৰখা, শৃংখলা বোধ সৃষ্টি কৰা আৰু ভাতৃত্বভাৱ গঢ় দি তুলিবলৈ প্ৰত্যেক বছৰে এই সমিতি খনে কিছুমান কাম হাতত লয়। যেনে - নৱাগত আদৰণি সভা, আলোচনা চক্ৰ, প্ৰাচীৰ পত্ৰিকা ‘সপোন’ উলিওৱা, বনভোজ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী খিনিক বিদায় দিয়াৰ উদ্দেশ্যে বিদায় সভা পতা হয়।

## ১৯৯৮-৯৯ বৰ্ষৰ বিষয় ববীয়া সকল হ’ল ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | মুৰব্বী অধ্যাপিকা শ্ৰীমতী গধূলি ঠাকুৰীয়া |
| উপ-সভাপতি | ঃ | অধ্যাপক ড° বিভূতি ভূষণ পাণ্ডা |
| সাধাৰণ সম্পাদক | ঃ | মুছলিমুদ্দিন আহমেদ। |
| সহঃ সাঃ সম্পাদক | ঃ | ৰফিকুল হাছান |
| আলোচনী সম্পাদিকা | ঃ | ছালিমা আহমেদ |
| ধন ভঁৰালী | ঃ | অধ্যা পক মঃ আমজাদ হুচেইন। |
| সদস্যবৃন্দ | ঃ | অধ্যাপিকা শ্ৰীমতী ভূমিজা বৰ্মন (কলিতা), ক্ষিতিশ কলিতা, জয়ন্ত কলিতা। |

- নৱাগত ছাত্ৰ-ছাত্ৰীক আদৰণি জনাবৰ কাৰণে নৱাগত আদৰণি সভা পতা হয়।
- এখন আলোচনা চক্ৰ পতা হয়। ইয়াৰ বিষয়বস্তু আছিল -

  *“মাধ্যমিক স্তৰত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী অকৃতকাৰ্য্য হোৱাৰ কাৰণ”*
- শিক্ষাগত ভ্ৰমণৰ কাৰণে চেৰাপুঞ্জীলৈ যোৱা হয়।
- প্ৰাচীৰ পত্ৰিকা ‘সোপান’ উলিওৱা হয়।

**শিক্ষা সমিতিৰ হকে**
**ৰফিকুল হাছান**
**সহঃ সাধাৰণ সম্পাদক**
শিক্ষা সমিতি, শিক্ষা বিভাগ

# ছাত্ৰ একতা সভাৰ (১৯৯৭-৯৮) কাৰ্য্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াসকল আৰু সম্পাদকীয় প্ৰতিবেদন

## বিষয়ববীয়া সকল

| বিষয় ৰাব | বিষয়ববীয়া | তত্বাৱধায়ক |
|---|---|---|
| সভাপতি | অধ্যক্ষ, শ্ৰীযুত নিৰোদ বৰণ দাস | |
| উপ-সভাপতি | শ্ৰীবলেন চন্দ্ৰ দাস | |
| সাধাৰণ সম্পাদক | মঃ আবু শামা আল আনছাৰী | |
| সহঃ সাধাৰণ সম্পাদক | শ্ৰীপুষ্প কলিতা | |
| সম্পাদক, সাহিত্য বিভাগ | মঃ আবু ডাউদ | শ্ৰীযুত সঞ্জীৱ চাহু |
| সম্পাদক, আলোচনী বিভাগ | শ্ৰীক্ষিতিশ কলিতা | শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱান |
| সম্পাদক, সাংস্কৃতিক বিভাগ | শ্ৰীদিবাকৰ ঠাকুৰীয়া | মঃ শ্বাহজামাল মোল্লা |
| সম্পাদক, গুৰুখেল বিভাগ | শ্ৰীসঞ্জয় কুমাৰ পাঠক | শ্ৰীযুত বিপুল শৰ্মা বৰপূজাৰী |
| সম্পাদক, লঘুখেল বিভাগ | মঃ শ্বাহ আলম | মঃ আমজাদ হুচেইন |
| সম্পাদক, ক্ৰীড়া বিভাগ | মঃ আহম্মদ আলী | শ্ৰীযুত বিপ্লৱ নাগ |
| সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ | এম হজৰত আলী মণ্ডল | শ্ৰীযুত অপূৰ্ব ঠাকুৰীয়া |
| সম্পাদক, ছাত্ৰ জিৰণি কোঠা | মঃ হিকমত আলী | মঃ নুৰ আলম |
| সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা | শ্ৰীডলি দাস | শ্ৰীমতী ভূমিজা বৰ্মন |
| সম্পাদক, সমাজ সেৱা বিভাগ | মঃ আবু শামা আহমেদ | শ্ৰীযুত বিষ্ণুৰাম তালুকদাৰ |

# উপ-সভাপতিৰ প্ৰতিবেদন



**প্ৰতিবেদনৰ** আৰম্ভণিতে মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন যাচিলোঁ। নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক উপ-সভাপতি ৰূপে নিৰ্বাচন কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

অৰ্থনৈতিক ভবে দুৰ্বল আৰু পিছপৰা অঞ্চলত মহাবিদ্যালয়খন অৱস্থিত হোৱা বাবে বহুক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। বিভিন্ন অভাৱ অভিযোগেৰে মহাবিদ্যালয়খন জুৰুলা হোৱা বুলি কলেও অত্যুক্তি কৰা নহয়। শ্ৰেণীকোঠা, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ উপযুক্ত জিৰণি কোঠা, প্ৰয়োজনীয় সংখ্যক কিতাপ-পত্ৰ, প্ৰয়োজনীয় সংখ্যক শিক্ষকৰ অভাৱ আদি নানা সমস্যাই মহাবিদ্যালয়খনত আছে।

দেশৰ শিক্ষানীতিৰ কুফল মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰতো পৰিছে আৰু পৰাটোৱে স্বাভাৱিক। নানান ধৰণৰ মাচুল বৃদ্ধি, পাঠ্যক্ৰমৰ সঘনে সাল সলনি, আদিয়ে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ দ্বাৰ ক্ৰমান্বয়ে ৰুদ্ধ কৰি আহিছে। গতিকে ছাত্ৰ সমাজ আজি এই সমস্যা সমূহৰ মুখামুখি হোৱাৰ কাৰণে আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চেতনা লাভৰ প্ৰয়োজন হৈ পৰিছে।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহকে আদি কৰি যিবোৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছিল সেইবোৰত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি দিহা পৰামৰ্শ দিয়াৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ।

আমাৰ মহাবিদ্যালয়খন এনে এক জন অৱণ্যত অৱস্থিত য'ত বিভিন্ন জাতি, ধৰ্ম, আৰু সম্প্ৰদায়ৰ লোক বসবাস কৰে। তাৰ প্ৰতিফলন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো পৰিছে।

সামৰণিত মোৰ কাৰ্যকালত যি সকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে দিহা পৰামৰ্শ দি মোক সহায় কৰিছে, তেখেতসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰিছোঁ।

জয় আই অসম ।।

**বলেন চন্দ্ৰ দাস**
উপ-সভাপতি, ছাত্ৰ একতা সভা।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



**জ্ঞান** আহৰণ এক পবিত্ৰ তপস্যা। "বিদ্যাৰ নিচিনা পবিত্ৰ বস্তু এই জগতত আন একোৱেই নাই"। এই মহান আদৰ্শ আগত ৰাখি যি সকল আলোক সন্ধানী ৰাইজৰ অশেষ ত্যাগ আৰু দূৰদৰ্শিতাৰ ফলশ্ৰুতি হিচাপে আজিৰ পৰা প্ৰায় একুৰি বছৰৰ আগতে নামনি অসমৰ অতি পিছপৰা অঞ্চলত কোনো এটি শুভ লগ্নত অংকুৰিত হৈছিল এই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ। মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে এই মহান অনুষ্ঠানটি যি গৰাকী ব্যক্তিৰ নামত নামকৰণ কৰা হৈছে আৰু জাতি ধৰ্ম নিৰ্বিশেষে যি সকল পোহৰ সন্ধানী ব্যক্তিয়ে এই মহান অনুষ্ঠানৰ জন্ম দিলে সেই সকল স্বনাম ধন্য ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

**ছাত্ৰ একতা সভাৰ নিৰ্বাচন :-** এই ছেগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৯৭-৯৮ চনৰ বাবে অশেষ কষ্ট কৰি নিৰ্বাচিত কৰি ছাত্ৰ একতা সভাৰ গুৰু দায়িত্ব পালন কৰাৰ বাবে সুযোগকণ দিছে সেইসকল সতীৰ্থ অগ্ৰজ আৰু অনুজলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

**বিভিন্ন উৎসৱ পালন :-** মহাবিদ্যালয়ৰ বিভিন্ন উৎসৱ সমূহৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় উৎসৱ নৱাগত আদৰণি সভা উৎযাপিত কৰা হয় ২১-৯-৯৮ ইং তাৰিখত। সিদিনা ৰাতিপুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাস দেৱে। শ্বহীদ তৰ্পণ কৰে পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীকমল কলিতা দেৱে। পৰিচয় পৰ্ব গুভাৰম্ভ কৰে অধ্যাপক মঃ শ্বাহজামাল মোল্লা দেৱে। তেখেতক সহায় আগবঢ়ায় অধ্যাপক শ্ৰীকমল পাঠক আৰু অধ্যাপিকা শ্ৰীভূবিতা কলিতাই। আবেলি ২ বজাৰ পৰা মুকলি সভাখন অনুষ্ঠিত হয়। সভাত মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাসে সভাপতিত্ব কৰে। সভাত বকো সমষ্টিৰ বিধায়কক আমন্ত্ৰণ জনোৱা হৈছিল যদিও দুৰ্ভাগ্যবশতঃ বিশেষ অসুবিধাৰ বাবে তেখেত উপস্থিত থাকিব নোৱাৰিলে। ৩০-১০-৯৮ ইং তাৰিখত পবিত্ৰ ফাতেহা-ই-দোৱাজ দহম উৎসৱটি পালন কৰা হয়। দিনৰ ১ বজাত মাননীয় আব্দুছ ছামাদ আলী ছাৰৰ সভাপতিত্বত মুকলি সভাখন অনুষ্ঠিত হৈ যায়। সভাত ভালেকেইজন ব্যক্তিয়ে বক্তব্য আগ কৰে।

অসমীয়া বিষয়ত লেটাৰ নম্বৰ পোৱা দুগৰাকী ছাত্ৰ-ছাত্ৰীক 'ভাৱত চন্দ্ৰ পাঠক সোঁৱৰণী সমিতি'ৰ দ্বাৰা বঁটা প্ৰদান কৰা হয়। এই বঁটা প্ৰয়াত পাঠকদেৱৰ পৰিয়ালে আগবঢ়োৱা ধনেৰে প্ৰত্যেক বছৰে প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

**আমাৰ কাৰ্যকালৰ সফলতা আৰু বিফলতা :-** কোনো মানুহেই জীৱনত সম্পূৰ্ণ সফলতা দাবী কৰিব নোৱাৰে। সফলতাৰ কাষে কাষে বিফলতা থাকিবই। জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দুজন ছাত্ৰই অংশ গ্ৰহণ কৰে।

গুৱাহাটী আইন মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় ভলীবল টুৰ্ণামেণ্টত আমাৰ মহাবিদ্যালয়ৰ ১২ জনীয়া দলে যোগদান কৰি অতি মনোমহাৰেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

**শোক সভা :-** আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ জয়ন্ত তালুকদাৰ, জাকিৰ হুছেইন, আইন আৰু পশুপালন মন্ত্ৰী শ্ৰীযুত নাগ মেধি আৰু জে. বি. মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ভৰালীয়াৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ শোক প্ৰস্তাৱ পঠাওঁ।

**মহাবিদ্যালয় সপ্তাহ :-** ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা সমূহ বিকাশৰ মাধ্যম হ'ল মহাবিদ্যালয় সপ্তাহ। ১৭-১২-৯৮ ইং তাৰিখৰ পৰা ২১-১২-৯৮ ইং তাৰিখলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উৎযাপন কৰা হয়। ১৭-১২-৯৮ ইং তাৰিখে

স্বতিপুৰা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাসদেৱে। মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ ডাঙৰীয়াই মহাবিদ্যালয় সপ্তাহৰ মাজেৰে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুপ্ত প্ৰতিভা সমূহ বিকশিত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। মহাবিদ্যালয় সপ্তাহৰ দ্বিতীয় কাৰ্য্যসূচী শ্বহীদ তৰ্পণ কৰে অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীশ্যামাচৰণ ঠাকুৰীয়াদেৱে। মহাবিদ্যালয়ৰ খেল পথাৰত খেল সমূহ অনুষ্ঠিত হয় আৰু স্থায়ী প্ৰেক্ষাগৃহ নথকাত মহাবিদ্যালয় শ্ৰেণী কোঠাত সাংস্কৃতিক বিভাগৰ সংগীত, তৰ্ক, কুইজ আৰু সাহিত্য প্ৰতিযোগিতা সমূহ সম্পন্ন কৰা হয়। এইবাৰৰ মহাবিদ্যালয় সপ্তাহৰ এটা ব্যতিক্ৰম হ'ল যে অইন অইন বছৰৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা অপ্ৰত্যাশিত ভাবে বেছি আছিল।

**মহাবিদ্যালয়ৰ গৌৰৱ ঃ-** কলীয়াপানী সদৃশ ঠাইত অবস্থিত মহাবিদ্যালয়খন বিভিন্ন দিশত বিশেষকৈ আৰ্থিক দিশত পিছপৰা যদিও পৰীক্ষাৰ ফলাফলৰ দ্বাৰা অসমৰ ভিতৰত মূৰ দাঙি থিয় দিব পাৰিছে।

**মহাবিদ্যালয়ৰ অভাৱ ঃ-** প্ৰত্যেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ অভাব অভিযোগ থাকিবই। কিন্তু আমাৰ মহাবিদ্যালয়ত এনে কিছুমান অভাৱ অভিযোগ আছে যিবোৰ মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধিত বাধাৰ প্ৰাচীৰ ৰূপে দেখা দিছে। এইবোৰ এৰাব নোৱাৰা অসুবিধাৰ সময়োপযোগী আৰু কাৰ্যকিৰী ব্যৱস্থা সংশ্লিষ্ট কৰ্তৃ পক্ষই কৰিব বুলি দাবী কৰিছোঁ—

১। বিজ্ঞান শাখাৰ বাবে প্ৰয়োজনীয় আৰু আহল বহল পৰীক্ষাগাৰ নিৰ্মাণ কৰা আৰু আহিলা-পাতিৰ যোগান ধৰা।

২। প্ৰয়োজনীয় কিতাপ, আলোচনী আৰু জাৰ্ণাল আদিৰ যোগান ধৰা।

৩। অনতিপলমে কলা বিভাগৰ অসমীয়া বিষয়ত স্নাতকোত্তৰ ক্লাছ আৰম্ভ কৰা।

৪। আহল বহল ছাত্ৰ জিৰণি কোঠা আৰু আহল বহল ছাত্ৰ একতা সভাৰ কোঠালীৰ ব্যৱস্থা কৰা।

৫। মহাবিদ্যালয়ত এটি স্থায়ী আৰু পূৰ্ণাঙ্গ প্ৰেক্ষাগৃহ আৰু ষ্টেডিয়াম নিৰ্মাণ কৰা।

৬। ছাত্ৰৰ বাবে অনতিপলমে এখন ছাত্ৰনিবাস নিৰ্মাণ কৰা অৰু ছাত্ৰী নিবাসখনৰ পূৰ্ণ ৰূপ দিয়া।

৭। প্ৰয়োজনীয় সংখ্যক শ্ৰেণী কোঠা নিৰ্মাণ কৰা আৰু প্ৰয়োজনৰ অনুপাতে শিক্ষক নিযুক্তি দিয়া।

৮। এন, চি,চি আৰু নেভি গোট স্থাপন কৰি ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটোৱা।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** মোৰ কাৰ্যকালত যি সকল শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ আশীষ পাইছোঁ সেই সকললৈ আন্তৰিক অভিন্দন জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত সৰ্বতোপ্ৰকাৰে দিহা পৰামৰ্শ দিয়া শ্ৰীযুত নিৰোদবৰণ দাসদেৱ, অধ্যাপক শ্বাহজামাল মোল্লা, নিৰ্মল কলিতা, আমজাদ হুছাইন, নুৰ আলম, শ্যামাচৰণ ঠাকুৰীয়া, শ্বাহ আলম, বিপুল বৰপূজাৰী, দীপ্তিৰেখা পাঠক মজুমদাৰ, ভুমিজা বৰ্মণ, নুৰণ নাহাৰ বেগম, ছামাদ আলী, কুৰবান আলী ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছোঁ।

মোৰ কাৰ্যকালত সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱা বন্ধু বান্ধবী সকল ক্ৰমে মগবুল, আলম, মুন্নাফ, বাৰিক, আয়নাল, দাউদ, আফতাৰ, পুষ্প, সঞ্জয়, ক্ষিতিশ, ফজলুৰ, হুফিয়ুৰ, আৰিফ, দিবাকৰ, ডলি, প্ৰতিভা, নাজমা, লাইলা, ফাতিমা, স্বপ্না, ফুলু ৰুমী, মুজাম্মেল, স্বাহানুৰ আৰু আবুললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি মোৰ কাৰ্যকালত বিশেষ ভাবে দিহা পৰামৰ্শ দিয়ে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি মজনুৰ ৰহমান, উপদেষ্টা গাজী ৰহমানে। তেখেত দুজনলৈ আন্তৰিক শলাগ যাচিছোঁ।

মই বা কি দিব পাৰিলোঁ নোৱাৰিলোঁ তাৰ হিচাপ নিকাচ কৰিব আপোনালোকে। আজি বিদায় বেলাত আৰু বিদায় যন্ত্ৰণাত মই মোৰ অজ্ঞাত ভুলবোৰৰ বাবে ক্ষমা প্ৰাৰ্থী হৈ আপোনালোকৰ ওচৰত দণ্ডায়মান।

বি. প্ৰ. চলিহা মহাবিদ্যালয়ৰ বন্ধু বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ ভৱিষ্যৎ কাৰ্যত ভগৱানে সহায় কৰক, মহাবিদ্যালয়খনে মোৰ বাবে আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে এক প্ৰেৰণাৰ উৎস হওক আৰু উৎসৰ পৰা বিকৰিত হোৱা ৰশ্মিয়ে আটাইৰে জীৱন আনন্দৰে উদ্ভাসিত হৈ উঠক এই শুভ কামনাৰে।

জয়তু বি. প্ৰ. চলিহা মহাবিদ্যালয়

জয়তু বি. প্ৰ. চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**আবু শামা আল আনছাৰী**

সাধাৰণ সম্পাদক

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



**প্ৰতিবেদনৰ** পাতনিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত দেৱ প্ৰসাদ শইকীয়াদেৱক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।মহাবিদ্যালয়ৰ পৰম পূজনীয় সমূহ অধ্যাপক অধ্যাপিকালৈ মোৰ শ্ৰদ্ধা আৰু প্ৰণাম থাকিল। যি সকল ছাত্ৰ ছাত্ৰীয়ে মোক ১৯৯৭-৯৮ চনৰ বাবে নিৰ্বাচনৰ জৰিয়তে সহকাৰী সম্পাদক হিচাপে নিৰ্বাচিত কৰি এইখন শিক্ষানুষ্ঠানৰ সেৱা কৰাৰ সুযোগ দিলে সেই বন্ধু-বান্ধৱী, ভাইটি-ভন্টিলৈ মোৰ আন্তৰিক মৰম থাকিল।

এটা কথা সত্য যে পৰিৱৰ্তন এটা আনিবলৈ গ'লে তাৰ মাজত বাধাৰ প্ৰাচীৰ থিয় হয়; আৰু এই প্ৰাচীৰ ভেদ কৰিব পৰাটো বোধকহয় আমাৰ সাফল্য। ছাত্ৰ একতা সভাৰ সদস্য হৈ থকা সময়ছোৱাত মহাবিদ্যালয়ৰ সমস্যাসমূহ হৃদয়ঙ্গম কৰিব পাৰিছিলোঁ; কিন্তু মোৰ পদবীৰ মূল চাবি কাঠি সাধাৰণ সম্পাদকৰ লগত। সেয়েহে প্ৰায়বোৰ কামেই সাধাৰণ সম্পাদকৰ পৰামৰ্শ অনুসৰি কৰিব লগা হৈছিল। নিজাববীয়াকৈ কিবা এটা কৰাৰ ক্ষমতা সীমিত আছিল। সেই বাবে নিজৰ মাজত আবদ্ধ হৈ থকা পৰিকল্পনাবোৰ সীমাবদ্ধ হৈ থাকিল। সেয়েহে মহাবিদ্যালয়ৰ সকলোবোৰ সমস্যা দুৰ কৰাটো সম্ভৱ নহ'ল।

যি কি নহওঁক মহাবিদ্যালয়ৰ সেৱা সপ্তাহত ছাত্ৰ একতা সভাৰ সদস্যক দিহা পৰামৰ্শ তথা সহায় আগবঢ়োৱাৰ উপৰিও নৱাগত আদৰণি সভা, বিশ্ব নবী দিৱস, সৰস্বতী পূজা আদি উৎসৱ দিনবোৰ কাৰ্য্যসূচীৰে চলাই নিবলৈ সক্ষম হওঁ।

মোৰ কাৰ্যকালৰ সময় ছোৱাত ২১-৯-৯৮ ইং তাৰিখে মহাবিদ্যালয়ৰ আটাইতকৈ আকৰ্ষণীয় উৎসৱ নৱাগত আদৰণি সভাখন উৎযাপিত কৰা হয়। এই আদৰণি সভাখনত ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব, প্ৰীতিচ'ৰা আৰু মুকলি সভাৰ মাজেদি সামৰণি মৰা হয়।

বিশ্ব নবী দিৱস উৎযাপন কৰা হয়। এই অনুষ্ঠানত মিলাদ মেহফিল, ৰচনা, কুইজ প্ৰতিযোগিতা আৰু মুকলি অধিৱেশনৰ মাজেৰে সামৰা হয়। ১৭ ডিচেম্বৰ' ৯৮ ৰ পৰা ২১ ডিচেম্বৰ' ৯৮ লৈ পাঁচদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ২১ ডিচেম্বৰৰ দিনাই দিনৰ ঠিক ১২-৩০ বজাৰ লগে লগে মুকলি সভা আৰু বঁটাবিতৰণী সভাখন অনুষ্ঠিত হৈ যায়। এই মহাবিদ্যালয় সপ্তাহ উৎসৱটোৱে হ'ল অন্যতম সাংস্কৃতিক আদান প্ৰদানৰ মাধ্যম। যাৰ জৰিয়তে ভিন্ন ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী ছাত্ৰ ছাত্ৰীৰ মাজত একতা আৰু সম্প্ৰীতিৰ উদয় হোৱাৰ সহায়ক হয়। ২২-১-৯৯ ইং তাৰিখ শুক্ৰবাৰে এক শান্তিপূৰ্ণ আৰু ভক্তিপূৰ্ণ পৰিৱেশৰ মাজেৰে শ্ৰীশ্ৰীসৰস্বতী পূজা উৎযাপন কৰা হয়। প্ৰতিমা স্থাপন, পুষ্পাঞ্জলি অৰ্পণ, প্ৰসাদ বিতৰণ, ছাত্ৰ ছাত্ৰীৰ প্ৰীতি ভোজন, অভ্যৰ্থনা আৰু প্ৰতিমা বিসৰ্জনৰ মাজেৰে উৎসৱটিৰ সামৰণি মৰা হয়।

আমাৰ মহাবিদ্যালয়খন যদিও পিছপৰা অঞ্চলত অৱস্থিত তথাপিও ইয়ে আমাক জ্ঞানৰ পোহৰ বিলাই অসমৰ শিক্ষা জগতত সুখ্যাতি অৰ্জন কৰিছে। এই অঞ্চলৰ আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ পথ প্ৰশস্ত কৰিছে। মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে ভৱিষ্যতে যেন মহাবিদ্যালয়ৰ সমস্যাৰাজি সমাধান কৰিবলৈ যত্নপৰ হয়।

মোৰ কাৰ্যকলাপত সৰ্বতো প্ৰকাৰে দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত নিৰোদ বৰণ দাসক মই চিৰদিন সুঁৱৰিম। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ। মোৰ কাম কাজত সহায় সহযোগিতা আগবঢ়োৱা বন্ধুবৰ সৰ্বশ্ৰী উৎপল, অজয়, মুক্তিনাথ, নগেন, দীনবন্ধু, ৰঞ্জন, ৰফিকুল হাচান, চুৰিয়া, বিজুলী, পূৰবী, গুৰুচৰণ, শংকৰ, ফুলমণি, শেৱালি, মাধুনী, ছফিয়ুৰ, ফজলুল, বন্দনা, ৰীমা, ৰাজীৱ, পঙ্কজ, জিতু আৰু আমজাদ আদিলৈ মোৰ আন্তৰিক মৰম তথা শুভেচ্ছা থাকিল।

সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে মোৰ দিনৰ ব্যৰ্থতাবোৰে অনাগত দিনক সাফল্য মালা পিন্ধাব বুলি আশা ৰাখি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে

পুষ্প কলিতা

সহঃ সাধাৰণ সম্পাদক।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



**প্ৰতিবেদনৰ** আৰম্ভণিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল", জীৱন যাত্ৰাত "সত্যম শিৱম সুন্দৰম'ৰ অন্বেষণেই সংস্কৃতি। সংস্কৃতিয়েই এটা জাতিৰ মানদণ্ড নিৰ্দ্ধাৰণ কৰে। সংগীতে সকলোৰে হৃদয়ত জেতুকাৰ ৰং সানে,হৃষ্বায়-কন্দুৱায়। সংগীতৰ ভাষা আন্তজাৰ্তিক ভাষা। কবিৰ ভাষাত, যি জনে ফুল আৰু সংগীত ভাল নাপায় তেওঁ মানুহক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে।

সাংস্কৃতিক বিভাগৰ গুৰুদায়িত্ব মূৰতলৈ অনভিজ্ঞতাৰ মাজেৰেই সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত বিভিন্ন প্ৰতিযোগিতাসমূহ আনন্দমুখৰ পৰিৱেশৰ মাজেৰেই সমাপ্ত হয়। মোৰ বিভাগত সন্মুখীন হোৱা অসুবিধা সমূহৰ ভিতৰত স্থায়ী প্ৰেক্ষাগৃহৰ অভাব, পুঁজিৰ অভাৱ আদিয়েই প্ৰধান।

ফাতেহা-ই-দোৱাজ দহম, সৰস্বতী পূজা আদি যাবতীয় উৎসৱ পুঁজিৰ অভাৱৰ মাজেৰেই চলাবলগীয়া হৈছিল। কিন্তু অনুষ্ঠান সমূহত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি এই অসুবিধা সমূহৰ মাজেৰেও মোক অনুপ্ৰেৰণা যোগাইছিল। প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ মোৰ মৰম আৰু আন্তৰিক শুভেচ্ছা থাকিল।

শেষত মোৰ কাৰ্যকালৰ সফল ৰূপায়ণত পৰামৰ্শ দাতা মাননীয় ম: শ্বাহ জামাল মোল্লা ছাৰ, অধ্যক্ষ মহাশয় আৰু মহাবিদ্যালয়ৰ আটাইলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। মোৰ কামত সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী ক্ষিতিশ, গুৰুচৰণ, বনমালী, সুকুমাৰ, উমেশ, পুষ্প, ৰীমা, চন্দনা, ডলি আৰু সঞ্জয়লৈ মৰম তথা কৃতজ্ঞতা থাকিল।

সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

দিবাকৰ ঠাকুৰীয়া
সম্পাদক, সাংস্কৃতিক বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



**প্ৰতিবেদনৰ** আৰম্ভণিতে মোক সমাজ সেৱা বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰি পবিত্ৰ অনুষ্ঠানটোৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক হিয়া ভৰা শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

মোক নিবাচিত কৰি ছাত্ৰ-ছাত্ৰী সকলে মোলৈ যি মৰম আৰু ভাল পোৱা আৰু সহানুভূতি দেখুৱাইছিল, মোৰ কাৰ্য্যকালৰ কৰ্মৰাজিৰে তাৰ কিঞ্চিত প্ৰতিদাননো দিব নোৱাৰাৰ একমাত্ৰ কাৰণ পুঁজি। পুঁজিৰ অভাৱতে হৃদয়ৰ এচুকত সাজি থোৱা পৰিকল্পনাবোৰ বাস্তৱতাৰ সুখ দেখা নেপালে, মহাবিদ্যালয়ৰ তোৰণ নিৰ্মাণ তাৰে এটা।

মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰীকে এই ছেগতে মোৰ হিয়াভৰা ওলগ যাচিলোঁ। ইয়াৰ লগত হিয়াভৰা ওলগ যাচিছোঁ সেই সকল ছাত্ৰ-ছাত্ৰীলৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় সপ্তাহত ভেশছল প্ৰতিযোগিতাত যোগদান কৰি নিজৰ প্ৰতিভাক দাঙি ধৰিছিল। প্ৰতিযোগিতাখিনি সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যাপক শ্ৰীবিষ্ণু তালুকদাৰ আৰু অধ্যাপক মঃ নুৰ আলম দেৱলৈ কৃতজ্ঞতা জনাইছোঁ।

কিন্তু দুখৰ বিষয় মই পুঁজিৰ অভাৱত অসম বিজ্ঞান সমিতিৰ সহায়ত অনুষ্ঠিত হোৱা পৰিৱেশ প্ৰদূষণ সম্পৰ্কে আলোচনা চক্ৰত যোগদান কৰিব পৰা নাছিলোঁ। এই ছেগতে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ এটি বিনম্ৰ অনুৰোধ জনাইছোঁ ছাত্ৰ-ছাত্ৰী সকলক পৰিৱেশ প্ৰদূষণ সম্পৰ্কে সচেতন কৰি তোলাৰ পবিত্ৰ মানসেৰে প্ৰতিবছৰে মহাবিদ্যালয়ত এন,এচ,এচ, কেম্প পতাৰ ব্যৱস্থা কৰে যেন। যি সকল বন্ধু বান্ধৱীৰ সহায় সহযোগিতাই মোক উৎসাহিত কৰিছিল সেই সকলৰ ভিতৰত শ্বাহ আলম, বিপ্লৱ, আমিৰ হামজা,আহম্মদ আলী, ৰায়হান আফতাৰ আদিৰ নামেই উল্লেখনীয়।

সদৌ শেষত আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

আবু শামা আহমেদ
সম্পাদক, সমাজ সেৱা বিভাগ

# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



**প্ৰতিবেদনৰ** পাতনিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহিদ সকললৈ মোৰ ভক্তি অঞ্জলিৰে শ্ৰদ্ধা নিবেদিছোঁ। ইং ১৯৯৭-৯৮ চনৰ বৰ্ষটোৰ বাবে গুৰু খেল বিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক- অধ্যাপিকা তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পুথিগত শিক্ষাৰ উপৰিও বৰ্তমান সময়ত খেল ধেমালিও শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ হৈ পৰিছে। শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ উপৰিও ক্ৰীড়াই জাতি এটাৰ প্ৰাণ চাঞ্চল্যৰ স্বাক্ষৰ বহন কৰে। দেখা যায় খেলা ধূলাৰ জৰিয়তে বহু ৰাষ্ট্ৰই আন্তৰ্জাতিক মঞ্চত নিজস্ব জাতীয় মৰ্য্যাদা প্ৰতিপন্ন কৰিবলৈ সমৰ্থবান হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ ভাৰতবৰ্ষ এখন বিশাল দেশ হোৱা সত্বেও খেলা ধূলাৰ মান যথেষ্ট নিম্নমানৰ হৈয়ে আছে।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত খেল ধেমালিবোৰ পৰিচালনা কৰিবলগীয়া হৈছিল। যিসকল ছাত্ৰ ছাত্ৰীয়ে খেল ধেমালিবোৰৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে, সেই সকললৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ। উল্লেখযোগ্য যে আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ দৰ্শক ছাত্ৰ-ছাত্ৰীৰ অভাৱ পৰিলক্ষিত হৈছিল। তদুপৰি উপযুক্ত খেলৰ সামগ্ৰীৰ অভাৱ, উপযুক্ত অনুশীলনৰ অভাৱ আদিৰ বাবে খেলৰ মান উন্নত হোৱা নাছিল। সেয়েহে মই মহাবিদ্যালয় কৰ্তৃপক্ষক আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলক আৱশ্যকীয় খেলৰ সামগ্ৰীবোৰ যোগান ধৰিবলৈ আবেদন জনালোঁ।

সদৌ শেষত খেল ধেমালি পৰিচালনা কৰাৰ ক্ষেত্ৰত পদে পদে দিহা পৰামৰ্শ দিয়া বাবে তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰযুত বিপুল শৰ্মা বৰপূজাৰী ছাৰলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা নিবেদিছোঁ। তদুপৰি যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীয়ে মোৰ কাৰ্য্য পৰিচালনাত সহায়- সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ। মোৰ কাৰ্য্যকালত ঘটা বিভিন্ন ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

**সঞ্জয় কুমাৰ পাঠক**
সম্পাদক, গুৰুখেল বিভাগ

# লঘু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



এনে এখন ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বচন কৰাত সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষা গুৰুসকললৈ মোৰ হিয়াভৰা অভিনন্দন থাকিল।

খেল ধেমালি শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। সুশিক্ষা লাভ কৰিবলৈ সুস্বাস্থ্য আৰু সুস্থ মানসিকতাৰ প্ৰয়োজন। এই দুটাক লাভ কৰিব পাৰি খেলা ধূলাৰ মাজেৰে। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত ভলীবল, বেডমিন্টন আদি খেল অনুষ্ঠিত কৰা হয়। মোৰ বিভাগৰ কামখিনি চলাওঁতে বিশেষকৈ খেলৰ সামগ্ৰীৰ অভাৱ অনুভৱ কৰিছিলোঁ। খেলৰ সামগ্ৰীবোৰ যোগান ধৰিবলৈ মই কৰ্তৃপক্ষৰ ওচৰত বিনম্ৰ অনুৰোধ জনালোঁ।

মহাবিদ্যালয় খনৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাসদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীআমজাদ হুচেইন ছাৰে মোৰ কোনো কামকাজতে সহায় সহানুভূতি আগবঢ়াব পৰা নাছিল। তাৰ কাৰণে মই বৰ দুঃখিত। আবু শামা, আব্দুচ্ ছালাম, মইদুল ইছলাম, আমিৰ হামজা, বিল্লাল হুছেইন, আহম্মদ আলী, ছাহিনা আহমেদ আদিলৈ মোৰ আন্তৰিক মৰম থাকিল। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ মৰম আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াই মোৰ অজ্ঞাত ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয়

**এম. শ্বাহ্ আলম**

সম্পাদক, লঘু খেল বিভাগ

# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



**প্ৰতিবেদনৰ** পাতনিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ চিৰ পূজনীয় সমূহ অধ্যাপক আৰু অধ্যাপিকালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু ১৯৯৭-৯৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা সুহৃদ সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে গৌৰৱমণ্ডিত শিক্ষানুষ্ঠান এখনৰ এই গধুৰ দায়িত্ব অৰ্পণ কৰাত মই কৃতাৰ্থ। মোৰ কাৰ্য্যকালত সুহৃদ, সতীৰ্থ সকলৰ আশা আকাংক্ষা কিমানখিনি বাস্তৱায়িত কৰিব পাৰিলোঁ তাৰ বিচাৰৰ ভাৰ সুহৃদ সকললৈ অৰ্পণ কৰিলোঁ।

## মহাবিদ্যালয় সপ্তাহ

মহাবিদ্যালয় সমাৰোহত বিভিন্ন কাৰ্যসূচী হাতত লৈছিলোঁ যদিও আৰ্থিক সমস্যাৰ বাবে কিছুমান দিশত চকু দিও আঁতৰাই আনিব লগা হৈছিল। তথাপিও সকলো সমস্যাক আঁতৰাই মোৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত সঞ্জীৱ চাংছাৰৰ দিহা পৰামৰ্শেৰে পৰিচালিত হৈ মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচীবোৰ চলাই নিছিলোঁ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলেও মোলৈ যথেষ্ট সহায় সহযোগিতাৰ হাত আগবঢ়াইছিল। ধৈৰ্য্য আৰু অদম্য ইচ্ছা বুকুত বান্ধি যি সকল প্ৰতিযোগীয়ে সাহিত্য বিভাগৰ কাৰ্যসূচীবোৰ সাফল্য মণ্ডিত কৰিলে তেওঁলোকক আন্তৰিক ধন্যবাদ জনাইছোঁ আৰু যি সকল অধ্যাপক অধ্যাপিকাই দিহা পৰামৰ্শ দি মোক অনুপ্ৰাণিত কৰিলে তেখেত সকলক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক মৰম জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু বিঃ প্ৰঃ চলিহা মহাবিদ্যালয়

ছাত্ৰ একতা সভা

**মহম্মদ আবু ডাউদ**

সম্পাদক, সাহিত্য বিভাগ।

# ক্রীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



**প্ৰতিবেদনৰ** আৰম্ভণিতে মোক ক্রীড়া বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি পবিত্ৰ অনুষ্ঠানটোৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ ছাত্ৰীক হিয়াভৰা শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

সম্পাদক হিচাপে কিবা কিবি নতুনত্ব আনিব পাৰিম বুলি ভাবিছিলোঁ যদিও সীমিত সা-সুবিধাৰ বাবে আশা পূৰণ নহ'ল। খেল ধেমালি এখন দেশ তথা জাতিৰ গৌৰৱ। উন্নত মানৰ খেলৰ যোগেদি সেই গৌৰৱ ৰক্ষা কৰি দেশৰ তথা নিজৰ শাৰীৰিক মানদণ্ড ৰক্ষা কৰিব পাৰি আৰু সেই জয় যাত্ৰা আৰম্ভ হয় স্কুল বা কলেজৰ পৰা। সেই ফালৰ পৰা পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে আমাৰ মহাবিদ্যালয়খন যথেষ্ট পিছ পৰি আছে। ইয়াৰ কাৰণ হ'ল আৰ্থিক অনাটন, উপযুক্ত প্ৰশিক্ষণ, আৰু ছাত্ৰ-ছাত্ৰীৰ অনুশীলনৰ অভাৱ, খেলৰ সা-সামগ্ৰীৰ অভাৱ। এই দিশত সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

ছয় দিনীয়া কাৰ্যসূচী হাতত লৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এটা পৰিতাপৰ বিষয় যে ক্রীড়া বিভাগত ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা আছিল অতি তাকৰ। সীমিত কেইজনীমান ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল যদিও তেওঁলোকক বাৰে বাৰে অনুৰোধ কৰিব লগা হৈছিল।

যি সকল বন্ধু বান্ধবীৰ সহায় সহযোগিতাই মোক উৎসাহিত কৰিছিল সেই সকলৰ ভিতৰত শ্বাহ আলম, হিমন্ত, জিতিশ, সঞ্জয়, পুষ্প, শামা আদিৰ নামেই উল্লেখনীয়।

শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**মহম্মদ আহম্মদ আলী**
সম্পাদক, ক্রীড়া বিভাগ

# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



**যিসকল** ছাত্ৰ-ছাত্ৰীৰ বলিষ্ঠ পদক্ষেপে ১৯৯৮-৯৯ চনৰ বাবে মোক তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰি এইখন মহান অনুষ্ঠানৰ সেৱা কৰিবলৈ সুযোগ দিলে, সেই সকল বন্ধু বান্ধৱীক মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

মোৰ দায়িত্বৰ ভিতৰত আছিল অসমীয়া- ইংৰাজী তৰ্ক, আকস্মিক বক্তৃতা, কুইজ আৰু আলোচনা চক্ৰ। মহাবিদ্যালয় সপ্তাহ বছৰে বছৰে পাতিবলগীয়া উৎসৱ হিচাপে পাতিলেই আৰু সপ্তাহটো কোনো ৰকমে পাৰ হৈ গ'লেই যেন দায়িত্ব শেষ, এনে এটা ভাবেৰে মহাবিদ্যালয় সপ্তাহ পতাৰ কোনো সাৰ্থকতা নেদেখোঁ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগী সুলভ মনৰ অভাব আৰু অনীহা ভাবে উৎসৱৰ সৌষ্ঠৱ লাঘৱ কৰা যেন হৈছিল। আশাকৰোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ একোটা প্ৰতিযোগী সুলভ মন গঢ়ি উঠিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজস্ব প্ৰতিভা বিকাশ কৰিব। মোৰ এই কাৰ্য্যভাৰ চলাই নিয়াত সন্মানীয় শিক্ষা গুৰু সকল অধ্যাপক মঃ নুৰ আলম, অধ্যাপক শ্ৰীযুত নিৰ্মল কলিতা, অধ্যাপক মঃ শ্বাহ জামাল মোল্লা, অধ্যাপক মঃ কুৰবান আলী, অধ্যাপিকা শ্ৰীযুতা কল্যাণী দাস, অধ্যাপিকা শ্ৰীযুতা ভূমিজা বৰ্মণ, অধ্যাপিকা নুৰুণ নাহাৰ বেগম, অধ্যাপক শ্ৰীযুত বিভূতি ভূষণ পাণ্ডা, অধ্যাপক শ্ৰীযুত সূৰ্য্য কলিতা আৰু শ্ৰীযুত দুলাল দেবনাথ ছাৰে বিচাৰক হিচাপে আৰু বিভিন্ন দিহা পৰামৰ্শেৰে সহায় কৰাৰ বাবে মই তেখেত সকলৰ ওচৰত কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। এই বিষয়ত তত্বাবধায়ক হিচাপে আদিৰে পৰা অন্তলৈকে প্ৰতিটো কাম নিয়াৰিকৈ চলোৱাত দিহা পৰামৰ্শ উপদেশ দিয়াৰ উপৰিও নিজে কিছুমান দিশত আগবঢ়াই প্ৰকৃত পথ প্ৰদৰ্শকৰ আদৰ্শেৰে মোক অনুপ্ৰাণিত কৰাৰ বাবে মাননীয় অধ্যাপক শ্ৰীযুত অপূৰ্ব ঠাকুৰীয়াদেৱৰ প্ৰতি কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। মোক প্ৰতিটো মুহুৰ্তত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে কেইজনমান বন্ধু বান্ধৱীৰ কথা পাহৰিব নোৱাৰোঁ। চন্দনা দেৱী, আঃ মালেক, সাহিনুৰ ইছলাম, ৰফিকুল হাছান, আবু তাহেৰ, বাহাৰুল ইছলাম, নিৰ্মল হুছেইন, ৰূপম কলিতা, আঃ কৰিম, মিছ ছকিনা খাতুন, মিছ আমিনা খাতুন, মিছ মাৰিয়া আহমেদ, মিছ দীপা সাহা, এম, আতোৱাৰ ৰহমান, এম, নুৰ মোমিন আনছাৰী, ময়েজউদ্দিন আৰু নগেন কলিতা- মোৰ কাৰ্যত যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোক মোৰ স্মৃতিৰ পটত যুগমীয়া হৈ ৰ'ব।

সদৌ শেষত অজানিতে হোৱা ভুল - ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ আৰ কাপোৰ টানিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**এম, হজৰত আলী মণ্ডল**
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



**যিসকল** ছাত্ৰ-ছাত্ৰীৰ বলিষ্ঠ পদক্ষেপত ১৯৯৭-৯৮ চনৰ বাবে মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে যি বিপুল ভোটত নিৰ্বাচন কৰি এইখন অনুষ্ঠানৰ সেৱা কৰিবলৈ সুযোগ দিলে সেই সকল বন্ধু বান্ধৱীক মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। দায়িত্ব গ্ৰহণ কৰিবৰে পৰা ভাবিছিলোঁ ছাত্ৰ জিৰণি কোঠাৰ সমস্যা সমাধান কৰি এক নতুন ৰূপত গঢ়ি তুলিম কিন্তু ভবা মতে নহ'ল। ইয়াত কেইযোৰ মান ডেস্ক-বেঞ্চ, দুখন মান কেৰম আৰু ডবাৰ বাহিৰে একোকে পোৱা নহ'ল।

